● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

ঘৃণা বিয়পোৱা ভাষণৰ বিৰুদ্ধে শক্তিশালী অস্ত্ৰ দমন নহয়, বৰঞ্চ ইয়াৰ বিৰুদ্ধে অধিক ভাষণৰহে প্ৰয়োজন।

বাৰাক অ'বামা
*প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি*



৫ উত্তৰ প্ৰদেশৰ নিৰ্বাচনত ২৫ শতাংশ প্ৰাৰ্থী অপৰাধী
১৫ অষ্ট্ৰেলিয়াক হৰুৱাই ফাইনেলত ভাৰত
৪ ভাৰতলৈ প্ৰব্ৰজন আৰু বহিৰাগত আৰ্যতত্ত্ব

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১১৭তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২১ মাঘ ১৪২৮ ভাস্কৰাব্দ ৪ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 4 February 2022 মূল্য ঃ ৯.০০ টকা

## পানীৰ ৰাজনৈতিক অৰ্থনীতি

**দেশ-কাল-সমাজ**

**ড° দীনেশ বৈশ্য**



'নল চে জল'। অৰ্থাৎ নলীৰ দ্বাৰা যোগান ধৰা পানী। চৰকাৰে গাঁৱে-চহৰে, ঘৰে-ঘৰে নল অৰ্থাৎ পাইপেৰে পানী যোগান ধৰাৰ এক অতি জনপ্ৰিয় আঁচনিৰ নাম 'জল জীৱন মিছন'। ২০১৯ত বৰ্তমানৰ বিজেপি চৰকাৰখনে সৃষ্টি কৰা এইটো এক নতুন আঁচনি। ঘৰে ঘৰে নলীৰে পানী যোগান ধৰা এই আঁচনিখন সম্পূৰ্ণ হ'ব লাগে ২০২৪ত। আঁচনিৰ বাবে ধন ধাৰ্য কৰা হৈছে ১০ পৃষ্ঠাত চাওক

■ বেইজিঙে ইমানদিনে লুকুৱাই ৰখা তথ্য ফাদিল কৰিলে অষ্ট্ৰেলিয়াৰ সংবাদ মাধ্যমে ■ গভীৰ নিশাৰ অন্ধকাৰত দৌৰি পলায়ন কৰিছিল চীনা পক্ষই ■ শীতকালীন অলিম্পিকৰ শিখাবাহক গালৱানৰ আক্ৰমণকাৰী সেনা কমাণ্ডাৰ

# ভাৰতৰ খেদাত নদীত পৰি মৃত্যু ৩৮ চীনা সৈন্যৰ

বিভিন্ন দেশৰ দ্বাৰা সমালোচিত চীন ■ উদ্বোধনী-সামৰণি অনুষ্ঠান বৰ্জন ভাৰতৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী/বেইজিং, ৩ ফেব্ৰুৱাৰী ঃ** লাডাখ সীমান্তত ২০২০ত সংঘটিত হোৱা বহু বিতৰ্কিত ভাৰত-চীন সংঘৰ্ষত গালৱান নদীত উটি গৈছিল ৩৮জন চীনা সৈন্য। উক্ত সংঘৰ্ষত চাৰিজন নিহত হোৱা বুলি চীনে প্ৰকাশ কৰা তথ্যক ধৰি মুঠ ৪২জনৰ মৃত্যু হৈছিল। গালৱান সংঘৰ্ষৰ সময়ত চীনে তেওঁলোকৰ হতাহতৰ তথ্য লুকুৱাইছিল যদিও পৰৱৰ্তী পৰ্যায়ত এই তথ্য ফাদিল হৈ পৰে। বেইজিঙে কৈছিল যে উক্ত ঘটনাৰ দিনা চাৰিজন চীনা সেনাহে নদীখনত উটি গৈছিল। সম্প্ৰতি অষ্ট্ৰেলিয়াৰ এক সংবাদ মাধ্যমে বেইজিঙৰ এই তথ্য সম্পূৰ্ণ অসত্য বুলি দাবী কৰে। গালৱান সংঘৰ্ষৰ বিষয়ে বিভিন্ন সময়ত চীনে অসত্য তথ্য প্ৰকাশ কৰি আহিছে বুলি অষ্ট্ৰেলিয়াৰ উক্ত সংবাদ মাধ্যমে দাবী কৰে। শেহতীয়া তথ্য অনুসৰি ২০২০ৰ ১৫ আৰু ১৬ জুনৰ সংঘৰ্ষত তীব্ৰ গতিৰে বোৱতী নৈ গালৱান অতিক্ৰম কৰিবলৈ গৈ প্ৰাণ হেৰুৱায় ৩৮জন চীনা সৈন্যই। এক দীঘলীয়া তদন্তৰ অন্তত এই তথ্য প্ৰকাশ কৰা হৈছে। প্ৰাণ বচাবলৈ নিশাৰ গভীৰ আন্ধাৰত আৰু শূন্য ডিগ্ৰী তলৰ তাপমাত্ৰাত নৈ সাঁতুৰি পাৰ হ'বলৈ চেষ্টা কৰিছিল নিহত সেনা কেইজনে। ১০ পৃষ্ঠাত চাওক



■ কেনেকৈ চলিছে বাৰ্মিজ চুপাৰি ছিণ্ডিকেট

## কাছাৰৰ আৰক্ষী অধীক্ষকক অপৰাধ শাখাৰ জেৰা ঃ কি হ'ব পৰৱৰ্তী পদক্ষেপ ?

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** বৰাক উপত্যকা বিশেষকৈ কাছাৰ জিলাৰ মাজেৰে ছিণ্ডিকেট চক্ৰই কিদৰে চোৰাং বাৰ্মিজ চুপাৰিৰ সৰবৰাহ অব্যাহত ৰাখিছে তাৰ উত্তৰ বিচাৰি অসম আৰক্ষীৰ অপৰাধ শাখাই আজি জিলাখনৰ আৰক্ষী অধীক্ষক ড° ৰমনদ্বীপ কৌৰক জেৰা কৰে। অপৰাধ শাখাৰ এক উচ্চস্তৰীয় সূত্ৰই 'দৈনিক অগ্ৰদূত'ক কয় যে জিলাখনত চলি থকা চুপাৰি ছিণ্ডিকেটৰ সামগ্ৰিক তথ্য বিচাৰি কাছাৰ জিলাৰ আৰক্ষী অধীক্ষক ড° কৌৰক সোধ-পোছ কৰি আজিয়েই যাবলৈ দিয়া হৈছে যদিও পৰৱৰ্তী সময়ত তদন্ত কেনেদৰে আগবাঢ়িব অপৰাধ ১০ পৃষ্ঠাত চাওক

■ সমষ্টিৰ সংখ্যা একে থাকিলেও সলনি হ'ব চাৰিসীমা আৰু নাম ■ মুখ্যমন্ত্ৰীৰ পৰামৰ্শত তৎপৰ শাসক দলৰ বিধায়ক ■ লোকসভা নিৰ্বাচনলৈ লক্ষ্যৰে পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ


# ২০২৪ৰ পূৰ্বে সমষ্টি পুনৰ নিৰ্ধাৰণ

■ মুখ্যমন্ত্ৰীয়ে আমাৰ পৰা নিজ নিজ সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ সম্পৰ্কত পৰামৰ্শ বিচাৰিছে ঃ ৰঞ্জিত দত্ত ■ খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষাক অগ্ৰাধিকাৰ দি পুনৰ নিৰ্ধাৰণ সম্পন্ন কৰাৰ চেষ্টা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** অসমত আৰম্ভ হৈছে সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া। সন্তৰ্পণে আগবঢ়া প্ৰক্ৰিয়াটোত ইতিমধ্যে চামিল হৈছে শাসকীয় দলৰ বিধায়কসকল। কাৰণ স্বয়ং মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰক্ৰিয়াটোত আগভাগ লৈছে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে বিধায়কসকলক এই সন্দৰ্ভত প্ৰয়োজনীয় পৰামৰ্শ আৰু নীতি-নিৰ্দেশনা অনানুষ্ঠানিকভাৱে অৱগত কৰিছে। তাৰ পাছৰে পৰা বিধায়কসকলো তৎপৰ হৈছে। দিছপুৰৰ সূত্ৰই সদৰী কৰা অনুসৰি, ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ বিধানসভা আৰু লোকসভা সমষ্টিসমূহৰ নতুনকৈ সীমা নিৰ্ধাৰণৰ সম্ভাৱনা আছে। গতিকে দিছপুৰৰ পৰা প্ৰক্ৰিয়াটো খৰতকীয়া কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। 'ডিলিমিটেচন কমিছন অৱ ইণ্ডিয়া'ৰ পৰা দিছপুৰলৈ অহা খবৰ অনুসৰি পুনৰ নিৰ্ধাৰণৰ ফলত অসমত সমষ্টিৰ সংখ্যা নাবাঢ়ে। বিধানসভা সমষ্টি ১২৬টায়েই থাকিব। কেৱল চাৰিসীমা আৰু সংৰক্ষণতহে সালসলনি হ'ব। যিহেতু সমষ্টিৰ সংখ্যাৰ সালসলনি নহয়, সেয়েহে নতুনকৈ চাৰিসীমা নিৰ্ধাৰণত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া ১০ পৃষ্ঠাত চাওক

## সাহিত্যিক, বুৰঞ্জীবিদ সুশীল গগৈৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৩ ফেব্ৰুৱাৰী ঃ** মটক জনগোষ্ঠীৰ অন্যতম পুৰোধা ব্যক্তি তথা তিনিচুকীয়া গেলাপুখুৰীৰ বাসিন্দা সুশীল গগৈ (৮৬)ৰ আজি আঠ পৃষ্ঠাত চাওক



*হাৰ কঁপোৱা জাৰৰ পৰা ৰক্ষা পাবলৈ শ্ৰমিকে আশ্ৰয় লৈছে জুইৰ উত্তাপৰ, মহানগৰীত বৃহস্পতিবাৰে।*

■ এজন কনিষ্টবলৰ ওপৰত ন্যস্ত বিস্তীৰ্ণ লাম্পী সীমান্তৰ নিয়ন্ত্ৰণৰ দায়িত্ব ■ খাচীয়া ৰজাৰ ভয়ত ত্ৰস্তমান চতুৰ্থ অসম বেটেলিয়নৰ জোৱান ■ চাৰিটা সীমান্ত চকীৰ দুটা ইতিমধ্যে বন্ধ ■ বিষয়াৰ অভাৱত সিদ্ধান্ত গ্ৰহণত ব্যৰ্থ

# মেঘালয় সীমান্তত অসমৰ সুৰক্ষাৰ ফোঁপোলা স্বৰূপ



ষ্টাফ ৰিপ'ৰ্টাৰ

**লাম্পী, ৩ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজধানী গুৱাহাটী মহানগৰীকে ধৰি জিলা সদৰসমূহত অসম আৰক্ষীৰ আদৰ-কায়দা দেখিলে এনে লাগে যেন দেশৰ ভিতৰতে অসম আৰক্ষীৰ শক্তি, বুদ্ধি আৰু বীৰত্ব লেখত ল'বলগীয়া। মানে একচিত্ত, অন্যায়ৰ বিৰুদ্ধে আপোচবিহীন আৰু অসম আৰু অসমীয়াৰ স্বাৰ্থত জীৱন আহুতি দিবলৈ যেন প্ৰস্তুত অসম আৰক্ষীৰ প্ৰতিজন বিষয়া আৰু জোৱান। পিছে আন্তঃৰাজ্যিক সীমান্ত বিশেষকৈ অসম-মেঘালয় সীমান্ততো অসম আৰক্ষীৰ একেই বীৰত্ব প্ৰকাশ পায়নে? আৰক্ষী আয়ুক্ত, আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু থানাসমূহৰ যি আন্তঃগাঁথনি, এই একেই আন্তঃগাঁথনি অসম-মেঘালয় সীমান্তৰ চকীসমূহতো আছেনে? ৰাজধানী মহানগৰীৰ দাঁতিকাষৰীয়া কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ ১০ পৃষ্ঠাত চাওক

■ নাই এখনো বাহন, খোজ কাঢ়ি আহ-যাহ অসমৰ জোৱানৰ
■ মেঘালয় আৰক্ষীৰ সীমান্ত চকীত আছে বুলেটপ্ৰুফ বাহন-অত্যাধুনিক মাৰণাস্ত্ৰ

■ সত্ৰ নগৰী বৰপেটাত তীব্ৰ ক্ষোভ ■ উচটনিমূলক ভাষ্যত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াত অস্বস্তিত কংগ্ৰেছ ■ বক্তব্যৰ ভুল বাৰ্তা প্ৰচাৰ ঃ বিধায়ক

## বেদখল উচ্ছেদত বাধাদানৰ ভাবুকি দিয়া শ্বেৰমানৰ বিৰুদ্ধে গোচৰ সত্ৰৰ



বিশেষ সংবাদদাতা

**বৰপেটা, ৩ ফেব্ৰুৱাৰী ঃ** মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ বেদখলীকৃত ভূমিত চলা উচ্ছেদ অভিযানত বাঘবৰ সমষ্টিৰ নিলম্বিত কংগ্ৰেছ বিধায়ক শ্বেৰমান আলী আহমেদে বাধা প্ৰদান কৰা কাৰ্যত সত্ৰ নগৰীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিধায়কজনে প্ৰশাসনে মাটিত পোতা খুঁটি উভালি দিয়াৰ লগতে উচটনিমূলক বক্তব্য প্ৰকাশ কৰি বেদখলকাৰীৰ পক্ষত থিয় দিয়াৰ পাছত আজি সত্ৰ পৰিচালনা সমিতিয়ে শ্বেৰমানৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰিবলৈ বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা আৰু ডেকা সত্ৰীয়া গৌতম পাঠক প্ৰমুখ্যে সত্ৰ পৰিচালনা সমিতিৰ সদস্যসকল বৰপেটা সদৰ আৰক্ষী থানাত উপস্থিত আঠ পৃষ্ঠাত চাওক

## ৰাজ্যত পুনৰ ১৯জনৰ মৃত্যু ক'ভিডত

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** ক'ভিডৰ বুষ্টাৰ তথা সতৰ্কতামূলক পালি এতিয়াৰে আইন শৃংখলা ৰক্ষাৰ দায়িত্বত থকা অসম চৰকাৰৰ সকলো কৰ্মচাৰী আৰু ন্যায়িক ব্যৱস্থাৰ লগত জড়িতসকলেও লাভ কৰিব। ১০ পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৩° | ১৪° |
| ডিব্ৰুগড় | ২১° | ১১° |
| দিল্লী | ১৪° | ১২° |
| কলকাতা | ২৮° | ১৯° |
| মুম্বাই | ২৭° | ২২° |
| চেন্নাই | ৩০° | ২৩° |
| বাংগালুৰু | ২৯° | ১৭° |
| শ্বিলং | ১৩° | ০৬° |

*৩ ফেব্ৰুৱাৰী, ২০২২*


■ ভাৰত-ভূটান সীমান্তৰ শুকানজুলি ফায়াৰিং ৰেঞ্জত পুনৰ অঘটন

## সেনাৰ প্ৰশিক্ষণৰ সময়ত লক্ষ্যভ্ৰষ্ট হৈ ৰকেট পৰি চূৰ্ণবিচূৰ্ণ হ'ল বাসগৃহ

■ কথমপি প্ৰাণৰক্ষা পৰিল শিশু-মহিলাসহ সাতজনৰ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** নৱগঠিত তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ শুকানজুলি ফায়াৰিং ৰেঞ্জত আজি বিয়লি এক অঘটন সংঘটিত হয়। প্ৰশিক্ষণৰ সময়ত সেনাৰ ৰকেট লক্ষ্যভ্ৰষ্ট হৈ এটা পৰিয়ালৰ বাসগৃহত পৰে। এই ঘটনাত বাসগৃহটো চূৰ্ণ-বিচূৰ্ণ হয় যদিও পৰিয়ালৰ সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে। ১০ পৃষ্ঠাত চাওক



## নগাঁৱৰ নাট্যশিল্পৰ সাধক জিতেন্দ্ৰ বৰালৈ অমূল্য কাকতী বঁটা

চাইকেল চলাই, হাল বাই নাটক কৰাৰ ফল পালো



বিশেষ সংবাদদাতা

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ বিশিষ্ট অভিনেতা-নাট পৰিচালক জিতেন্দ্ৰ নাথ বৰালৈ ২০২২ৰ স্বভাৱশিল্পী অমূল্য কাকতী বঁটা আগবঢ়োৱা হৈছে। অসমৰ নাট্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়াই অহা বাবে নাট্যশিল্পৰ সাধকজনলৈ এই বঁটা আগবঢ়োৱা বুলি সদৰী কৰিছে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ ছাত্ৰ-শিল্পী-সাহিত্যিক কল্যাণ ন্যাসৰ সভাপতি বীৰেন সিংহ আৰু ১০ পৃষ্ঠাত চাওক

লোকনিৰ্মাণৰ কাম-কাজৰ পৰ্যালোচনা শৰ্মাৰ

## কেন্দ্ৰৰ আৰ্হিত অসমতো চিএম জিএছৱাই আঁচনি প্ৰৱৰ্তনৰ সিদ্ধান্ত মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ কনভেনশ্যন আৰু ট্ৰেইনিং চেণ্টাৰত লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা তথা জ্যেষ্ঠ বিষয়াসকলৰ স'তে হোৱা এক বৈঠকত লোকনিৰ্মাণ (পথ) বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা বৈঠকত মথাউৰি তথা পথ, ১০ পৃষ্ঠাত চাওক



## উৰিয়ামঘাটত আৰক্ষীৰ গুলিত নিহত সন্দেহযুক্ত গঁড় চিকাৰী

**উৰিয়ামঘাট, ৩ ফেব্ৰুৱাৰী ঃ** ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাট আৰক্ষী থানাৰ অন্তৰ্গত জাহাজী গাঁৱত আজি পুৱতি নিশা আৰক্ষীৰে হোৱা সংঘৰ্ষত এজন সন্দেহজনক গঁড় চিকাৰী নিহত হয়। উক্ত সংঘৰ্ষত বিশ্বনাথ চাৰিআলিৰ আব্দুল ছৈয়দ নিহত হয় বুলি ১০ পৃষ্ঠাত চাওক

■ 'নটৱৰলাল'ক আত্মসমৰ্পণ কৰিবলৈ আহ্বান আৰক্ষী অধীক্ষকৰ

## প্ৰৱঞ্চক মৃদুপৱনক আত্মগোপনত সহযোগ কৰা দুজনক আটক আমগুৰিত

বিশেষ সংবাদদাতা

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** আৰক্ষীৰ ভয়ত সুদীৰ্ঘ চাৰি মাহে আত্মগোপন কৰি থকা প্ৰৱঞ্চক মৃদুপৱন নেওগে অৱশেষত আত্মপ্ৰকাশ কৰিলে। 'স্মাৰ্ট' অসম আৰক্ষীয়ে চাৰি মাহে সন্ধান উলিয়াবলৈ ব্যৰ্থ হোৱা মৃদুপৱনে আত্মপ্ৰকাশ কৰিলে সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমত। কালি সংবাদ মাধ্যমলৈ পলাতক মৃদুপৱনৰ টেলিফোনিক কল আৰু ফেচবুকত নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ নিজৰ ফেচবুক একাউন্টৰ পৰা এটা দীঘলীয়া ফেচবুক প'ষ্ট দিয়াৰ পাছতে এতিয়া হাহাকাৰ লাগিছে অসম আৰক্ষীৰ। তাৎপৰ্যপূৰ্ণ যে প্ৰৱঞ্চক মৃদুপৱনৰ বিৰুদ্ধে নগাঁও দুই পৃষ্ঠাত চাওক

**চেঙা তেল**



*নাই, আন্দোলনলৈ নগৈ ঘৰতে জুই পুৱাই গা গৰম কৰিছো!*

■ কালপুৰুষ পূৰ্ণাংগ পঞ্জিকা উন্মোচন ■ ১০ জুলাইৰ পৰা সুপ্ৰসন্ন হ'ব অসমৰ ভাগ্য

## ৰাজ্যত প্ৰাকৃতিক দুৰ্যোগ-কৰ'নাৰ কুপ্ৰভাৱ থাকিব



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** '১০ জুলাইৰ পৰা সুপ্ৰসন্ন হ'ব অসমৰ ভাগ্য। অসমৰ ভাল দিন আৰম্ভ হ'ব। নিবনুৱাই পাব চাকৰি। অসমৰ অৰ্থনৈতিক ভেটি মজবুত হ'ব। লগতে বিদ্ৰোহী সংগঠনসমূহ আলোচনালৈ অহাৰ পূৰ্ণ সম্ভাৱনা আছে।' এই ভৱিষ্যদ্বাণী কালপুৰুষ পূৰ্ণাংগ পঞ্জিকাৰ। আজি আজি ইয়াত অসমৰ ভাগ্যচক্ৰ ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যৰ ৩৬৪জন লোকৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ ■ তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ নিৰ্দেশনা জাৰি অসম আৰক্ষীৰ

## পিএছঅ'হীন হোৱা তালিকাত আছে প্ৰাক্তন মন্ত্ৰী-সাংসদ-বিধায়ক-আমোলা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ৩৬৪জন লোকৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী (পিএছঅ') প্ৰত্যাহাৰ কৰিলে অসম আৰক্ষীয়ে। তাৎক্ষণিকভৱে বলবৎ হোৱাকৈ অসম আৰক্ষীয়ে এই নিৰ্দেশনা জাৰি কৰিছে। নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ কৰাসকলৰ ভিতৰত আছে প্ৰাক্তন মন্ত্ৰী, সাংসদ, বিধায়ক, আমোলা, ব্যৱসায়ী আদি। উল্লেখ্য যে প্ৰত্যাহাৰ কৰা নিৰাপত্তাৰক্ষীসকলৰ ভিতৰত আছে ৫৩১জন পিএছঅ', চাৰিজন পাইলট আৰু ৪৮জন এছক'ৰ্ট।

অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (বিশেষ শাখা) হীৰেন নাথে আজি সংবাদ মাধ্যমৰ আগত কয় যে ইতিমধ্যে প্ৰত্যাহাৰ কৰা পিএছঅ'সকলৰ মাজত আছে জিলা ১০ পৃষ্ঠাত চাওক

## পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজি ভাগ-বটোৱাৰাক লৈ কন্দল আৰম্ভ

### নগাঁও জিলা পৰিষদৰ সভাপতিৰ আসনক লৈ অচলাৱস্থা অব্যাহত

বিশেষ সংবাদদাতা

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ দখলত থকা নগাঁও জিলা পৰিষদৰ সভাপতিৰ আসনখনক লৈ সৃষ্টি হোৱা অচলাৱস্থা আজি পৰ্যন্ত অব্যাহত আছে। অনুসূচিত জাতিৰ মহিলাৰ বাবে সংৰক্ষিত নগাঁও জিলা পৰিষদৰ সভাপতি আসনখনত সম্প্ৰতি কলিয়াবৰ মহকুমাৰ *ছয় পৃষ্ঠাত চাওক*

## গোৱালপাৰাৰ তিনিখন মহাবিদ্যালয়ৰ নিৰ্বাচনত ছাত্ৰ মুক্তি আৰু এন এছ ইউ আইৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ ফেব্ৰুৱাৰী ঃ** কালি অনুষ্ঠিত হোৱা গোৱালপাৰা জিলাৰ তিনিখন মহাবিদ্যালয় ক্ৰমে কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয়, ৰেষ্ট গোৱালপাৰা মহাবিদ্যালয় আৰু লক্ষীপুৰ মহাবিদ্যালয়ৰ নিৰ্বাচনত ছাত্ৰ মুক্তি আৰু এন এছ ইউ আইৰ প্ৰাৰ্থীয়ে বিজয়ী হৈছে। ইয়াৰে গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত ৰেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ মুক্তিৰ সমৰ্থিত প্ৰাৰ্থী ক্ৰমে সভাপতি পদত শ্বৰিফ ছাদিক আলম, উপ সভাপতি আইনাল হক, সাধাৰণ সম্পাদক ৰাশিদুল ইছলাম আদি কৰি মুঠ নটা পদত বৃহৎ ভোটৰ ব্যৱধানত বিজয়ী হয়। ইয়াৰ বিপৰীতে এন এছ ইউ আইৰ মাত্ৰ দুগৰাকী প্ৰাৰ্থীয়ে জয়ী হয়। একেদৰে দুধনৈ সমষ্টিৰ অন্তৰ্গত হাব্ৰাঘাট মহাবিদ্যালয়ত সাধাৰণ সম্পাদক পদত নিকুম্বৰ ৰাভা, উপসভাপতি পাৰভেজ ৰাহুল আহমেদ, লঘু ক্ৰীড়া বিভাগত লাচিত ৰৌচদি, তৰ্ক আৰু আলোচ্য বিভাগ পদত ছাত্ৰ মুক্তিৰ জানমণি ৰাভা জয়ী *ছয় পৃষ্ঠাত চাওক*

## ৰঙাপৰাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকা ভিত্তিত নিযুক্ত কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্যজুৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকা ভিত্তিত নিযুক্ত কৰ্মচাৰীৰ ধৰ্মঘটৰ সময়তে শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন খণ্ডৰ ঠিকাভিত্তিত নিযুক্ত কৰ্মচাৰীসকলেও পহিলা ফেব্ৰুৱাৰীৰ পৰা সাত ফেব্ৰুৱাৰীলৈ চলি থকা অৱস্থান ধৰ্মঘট কাৰ্যসূচীত আজি পুৱা ১০ বজাৰ পৰা ৰঙাপৰা খণ্ড উন্নয়ন কাৰ্যালয়ৰ সন্মুখত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্মঘটৰ সময়ত ২০০৯ ৰ পৰা ১৩ বছৰ ধৰি কাম কৰি অহা ঠিকাভিত্তিক কৰ্মচাৰীসকলে আন কৰ্মচাৰীসকলৰ সমানে চৰকাৰী সা-সুবিধা লাভ কৰা আৰ অ' পিৰ ব্যৱস্থা কৰা, ৬০ বছৰলৈকে চাকৰি সুনিশ্চিত কৰা, যোগ্যতাৰ ভিত্তিত খালী হোৱা পদত ঠিকাভিত্তিত নিযুক্ত কৰ্মচাৰীক বিভাগীয় পৰীক্ষা অনুষ্ঠিত কৰি নিযুক্তি প্ৰদান কৰাৰ দাবী জনায়। ধৰ্মঘটৰ *ছয় পৃষ্ঠাত চাওক*

## বিজেপি কৰ্মী জীৱন সন্দিকৈৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ শেনচোৱা গাঁৱৰ বিশিষ্ট ব্যৱসায়ী তথা বিজেপিৰ ৰংপুৰ মণ্ডলৰ কাৰ্যনিৰ্বাহক সদস্য জীৱন সন্দিকৈ (৫৫)ৰ যোৱা নিশা মৃত্যু হয়। উচ্চ ৰক্ত চাপজনিত কাৰণত মৃত্যু হোৱা সন্দিকৈ কিছুদিনৰ পূৰ্বে শাৰীৰিকভাৱে অসুস্থ হোৱাত অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয় যদিও কালি চিকিৎসাধীন অৱস্থাতে মৃত্যুক সাবটি লয়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থকা সন্দিকৈ ১৩৪ নম্বৰ ভটীয়াপাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আছিল। তেওঁৰ মৃত্যুত ১৩৪ নম্বৰ ভটীয়াপাৰ প্ৰাথমিক বিদ্যালয়, শেনচোৱা বৰনামঘৰ পৰিচালনা সমিতি, আলোক সন্ধানী মইনা পাৰিজাত, ৰুদ্ৰসাগৰ শাখা সাহিত্য সভা, আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়।

## লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট

# অসম অৰুণাচলৰ সীমা সমস্যা সমাধানৰ দাবী



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** বিগত সময়ছোৱাত উত্তৰ-পূবৰ চুবুৰীয়া ৰাজ্যসমূহৰ স'তে অসমৰ সীমাকেন্দ্ৰিক বিবাদে জটিল ৰূপ ধাৰণ কৰা, বেদখল আৰু আগ্ৰাসনৰ পৰিণতিত সৃষ্টি হোৱা কেন্দ্ৰ ৰাজ্য চৰকাৰে অৱহেলা কৰাৰ অভিযাগ আৰু বিভিন্ন দাবীৰ সমৰ্থনত আজি সদৌ অসম লখিমপুৰ জিলা ছাত্ৰ সন্থাই অসমৰ আভ্যন্তৰীণ আৰু সীমাকেন্দ্ৰিক বিভিন্ন সমস্যা সমাধানৰ দাবীৰে তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। উল্লেখযোগ্য যে লখিমপুৰ নগৰৰ হনুমান মন্দিৰৰ সন্মুখত অৱস্থান কৰা *ছয় পৃষ্ঠাত চাওক*

## গৰুখুঁটিৰ ঘটনাৰ তদন্ত আয়োগৰ মুকলি শুনানি গ্ৰহণ

### মঙলদৈ আৱৰ্ত ভৱনত ২১জন লোক-চাৰি সংগঠনৰ সাক্ষ্যদান

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ ধলপুৰৰ গৰুখুঁটিত যোৱা ২৩ ছেপ্টেম্বৰত একাংশ বেদখলকাৰীক উচ্ছেদ কৰাৰ সময়ত সৃষ্টি হোৱা অনাকাংক্ষিত ঘটনাত অসম চৰকাৰে যি তদন্ত ঘোষণা কৰিছিল, তাৰেই অংশস্বৰূপে বুধবাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি ডি আগৰৱালাৰ অধ্যক্ষতাত এজনীয়া তদন্ত আয়োগ পুনৰ দৰং জিলাত আহি উপস্থিত হয়। দিনৰ ১১ বজাৰ পৰা মঙলদৈস্থিত আৱৰ্ত ভৱনত অনুষ্ঠিত মুকলি শুনানিত আয়োগে জিলা প্ৰশাসন তথা আৰক্ষী বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ ভাষ্য গ্ৰহণ কৰাৰ উপৰি উপৰোক্ত ঘটনাত নিহত হোৱা লোকসকলৰ নিকটাত্মীয়ৰ ঘটনা সন্দৰ্ভত তেওঁলোকৰ লিখিত অভিযোগসমূহ গ্ৰহণ কৰে। সাক্ষ্যদানত ২১জন লোক আৰু চাৰিটা সংগঠনে সাক্ষ্যদান কৰা বুলি এজনীয়া তদন্ত আয়োগৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ আগৰৱালাই জানিবলৈ দিয়ে। *ছয় পৃষ্ঠাত চাওক*

## সাংস্কৃতিক কৰ্মী জিতেন্দ্ৰ নাথ শৰ্মা ঠাকুৰৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও; ৩ ফেব্ৰুৱাৰী ঃ** বৰুৱাবামুণগাঁৱৰ কুৱালগুৰি নিৱাসী সাংস্কৃতিক কৰ্মী জিতেন্দ্ৰ নাথ শৰ্মা ঠাকুৰ (৭১)ৰ আজি পুৱা দেৰগাঁৱৰ ৰজাবাহৰ গাঁৱৰ নিজা বাসগৃহত মৃত্যু হয়। জামুগুৰিহাটস্থ দ্বাদশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৰা উচ্চবৰ্গৰ সহায়কৰূপে অৱসৰ গ্ৰহণ কৰা শৰ্মা ঠাকুৰ ছাত্ৰ অৱস্থাৰ পৰা সাংস্কৃতিক কৰ্মীৰূপে পৰিচিত আছিল। *ছয় পৃষ্ঠাত চাওক*

## যন্ত্ৰণাত ছটফটাই মৃত্যু নামবৰৰ দঁতাল হাতীৰ



বিশেষ সংবাদদাতা

**গোলাঘাট, ৩ ফেব্ৰুৱাৰী ঃ** বিগত চাৰি-পাঁচদিনে মৃত্যু যন্ত্ৰণাত ছটফটাই অৱশেষত মৃত্যুক আঁকোৱালি ল'লে নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াণ্যৰ এটা দঁতাল হাতীয়ে। গোলাঘাট বন সংমণ্ডলৰ বন বিভাগৰ দলে খবৰ পাই যোৱা দুই ফেব্ৰুৱাৰীৰ নিশা নামবৰ অভয়াৰণ্যৰ দুই নৈমুখত বনৰীয়া হাতীটোৰ যাৱতীয় চিকিৎসা প্ৰদান কৰে যদিও বনৰীয়া হাতীটোৰ আজি মৃত্যু হয়। উল্লেখ্য যে সমীপৰ গাঁৱৰ এজন ব্যক্তিয়ে ম'হ বিচাৰি যাওঁতে নামবৰৰ মাজত প্ৰত্যক্ষ কৰে মৃত্যু যন্ত্ৰণাত ছটফটাই থকা *ছয় পৃষ্ঠাত চাওক*

## ডিব্ৰুগড়ত আছুৰ প্ৰতিবাদ আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড়ত আছুৰ প্ৰতিবাদ আজিও অব্যাহত আছে। ডিব্ৰুগড়ৰ কে'বাজনো আছুৰ কৰ্মী-নেতাক ডিব্ৰুগড় আৰক্ষীয়ে চলোৱা বৰ্বৰ অত্যাচাৰ আৰু ডিব্ৰুগড় আৰক্ষী অধীক্ষকে ছহিদ বেদীক কৰা অপমান তথা ছহিদ বেদীত জোতাৰে গচকি কৰা অসন্মানৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰ আৰু উপ-আৰক্ষী অধীক্ষক আশ্বুৰ্য জীৱন বৰুৱাৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে আজি চৌকিডিঙীত পৰিৱেশ উত্তাল কৰে। আনহাতে, আৰক্ষীৰ অমানৱীয় শাৰীৰিক অত্যাচাৰৰ লগতে মাতৃ-ভগ্নীক ধৰি বিভিন্ন অশ্লীল মন্তব্য কৰাৰ অভিযোগ কৰে প্ৰতিবাদত উপস্থিত থকা কে'বাজনো ভুক্তভোগীয়ে। উল্লেখ্য যে ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি যোৱা ২৫ ডিচেম্বৰত ডিব্ৰুগড়ৰ ছহিদ ন্যাস ভৱনৰ পৰা ডিব্ৰুগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল কে'বাজনো আছুৰ কৰ্মীসহ নেতাক। ইয়াৰ পাছতে ছহিদ ন্যাসত জোতাৰে গচকি ছহিদক অপমান কৰাৰ অভিযোগত ৰাজ্যজুৰি আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে *ছয় পৃষ্ঠাত চাওক*

## ৭০ লাখ টকাত গঁড়ৰ খৰ্গ বিক্ৰী কৰিবলৈ আহোতে পাঁচজন চোৰাং ব্যৱসায়ীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ জিলা আৰক্ষীয়ে খৰ্গসহ পাঁচজন চোৰাং ব্যবসায়ীক যোৱা নিশা গ্ৰেপ্তাৰ কৰে। এটা চক্ৰই চোৰাং খৰ্গ ব্যবসায় বহু দিনৰ পৰা বিশ্বনাথত ব্যবসায়ীয়ে চলাই আহিছিল। যোৱা নিশাও চোৰাং চক্ৰটোয়ে এটা খৰ্গক লৈ দৰ-দাম চলাই থাকোতে বিশ্বনাথ সদৰ আৰক্ষীৰ দলে প্ৰথমে আছলাম শ্বেখ (২৩)ক



নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে উদ্ধাৰ কৰে খৰ্গটো। ধৃত যুৱকজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰু চাৰিজন চোৰাং খৰ্গ ব্যবসায়ীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। এই অভিযান কালত বিশ্বনাথ জিলা আৰক্ষীয়ে নিজকে খৰ্গ কিনা গ্ৰাহক সজাই দৰ-দাম কৰে চোৰাং খৰ্গ ব্যবসায়ীসকলৰ লগত। চোৰাং খৰ্গ ব্যৱসায়ীসকলে বিশ্বনাথ আৰক্ষী জিলাৰ অভিযানকাৰী দলটোক এটা খৰ্গ ৭০ লাখ টকাত দৰ-দাম কৰি গ্ৰেপ্তাৰ কৰে। *ছয় পৃষ্ঠাত চাওক*




দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২১ মাঘ ১৪২৮ ভাস্কৰাব্দ ৪ ফেব্ৰুৱাৰী২০২২

## মানৱজাতিৰ দশা

জীৱ বিজ্ঞানী চাৰ্লছ ডাৰউইনৰ বিখ্যাত বিৱৰ্তন তত্ত্ব অনুসৰি পৃথিৱীৰ সকলো প্ৰাণীৰ সৃষ্টি বিৱৰ্তনৰ মাজেদি হৈছে। ক্ষুদ্ৰতম এক কোষী জীৱৰ পৰা বৃহৎ আৰু ভয়ংকৰ ডাইনছ'ৰ, মেমথ, তিমি মাছ, হাতী আৰু মানুহলৈকে সকলো সৰু-বৰ প্ৰাণীয়েই বিৱৰ্তনৰ মাজেৰে সৃষ্টি হৈছে। উদাহৰণস্বৰূপে হাতী এটা হাতীৰ ৰূপতে পৃথিৱীলৈ অহা নাই। অন্যান্য প্ৰাণীৰ বিৱৰ্তনৰ মাজেদি লাখ লাখ বছৰৰ পাছত হাতীৰ ৰূপ পাইছে। সেইদৰে মানৱ প্ৰজাতিয়ে লাখ লাখ বছৰৰ বিৱৰ্তনৰ মাজেৰে আহি আধুনিক মানৱৰ ৰূপ পাইছে। বিজ্ঞানীসকলে লাভ কৰা প্ৰমাণৰ পৰা স্পষ্টকৈ ক'ব পৰা যায় যে বান্দৰ জাতীয় কিছুমান প্ৰাণীৰ পৰাই লাখ লাখ বছৰৰ বিৱৰ্তনৰ পাছত মানুহৰ ৰূপ লাভ কৰাটো সম্ভৱ হৈছে। (অৱশ্যে ধৰ্মগ্ৰন্থত মানুহৰ ৰূপতেই ঈশ্বৰে মানুহ সৃষ্টি কৰা বুলি কৈছে)। আধুনিক মানুহৰ দৰে দুখ ভৰিৰে থিয় হৈ খোজ কঢ়া প্ৰথম আদি মানৱ এষ্ট্ৰল'পিথেকাছ, যিসকলে প্ৰায় ৩০-৪০ লাখ বছৰৰ পূৰ্বে আফ্ৰিকা মহাদেশত বাস কৰিছিল। তেওঁলোকৰ জঁকা, ভৰিৰ বহতো খোজ নৃবিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে। তেওঁলোকৰ পাছতো আন কে'বাটাও প্ৰজাতিৰ বিৱৰ্তন ঘটি প্ৰায় এক লাখ বছৰ পূৰ্বে আধুনিক মানুহৰ আৱিৰ্ভাৱ হৈছিল। বিৱৰ্তনবাদৰ বিষয়ে জানা বা পঢ়িবলৈ পোৱা বহুতে প্ৰশ্ন কৰে, মানুহ আৰু অন্যান্য প্ৰাণীৰ বিৱৰ্তন স্তব্ধ হৈ গ'ল নে ভৱিষ্যতে বিৱৰ্তন হৈ থাকিব? বিৱৰ্তন তত্ত্ব যদি শুদ্ধ, তেন্তে ক'ব পৰা যায় যে প্ৰাণীৰ বিৱৰ্তন স্তব্ধ হৈ পৰা নাই। ভৱিষ্যতেও সকলো প্ৰজাতিৰ প্ৰাণীৰেই বিৱৰ্তন ঘটি থাকিব। কিন্তু বিৱৰ্তনৰ ঘটনা যিহেতু লাখ লাখ বছৰৰ মাজেদি হয়, সেয়ে মানুহে বিৱৰ্তনবিলাক নিজ চকুৰে দেখা নাপায়। সেইদৰে মানুহৰো হয়তো ভৱিষ্যতে বিৱৰ্তন ঘটিব। বৰ্তমান মানুহৰ ৰূপটো আৰু কিমান বছৰলৈ একে থাকে, সেই বিষয়ে নিশ্চিতভাৱে ক'ব পৰা নাযায়। ৰোগ-ব্যাধি তথা ভয়ংকৰ প্ৰদূষণৰ পৰা ৰক্ষা পাবলৈ মানুহে ভৱিষ্যতে ইয়াৰ ৰূপ সলনি কৰিবলৈ বাধ্য হ'ব পাৰে। মানুহৰ দেহৰ কিছুমান অংগ-প্ৰত্যংগৰ স্থানত কৃত্ৰিম অংগ-প্ৰত্যংগ সংস্থাপিত কৰিবলগীয়া হ'ব পাৰে। মানুহৰ দেহৰ বহুতো অংগ যান্ত্ৰিক নাইবা কৃত্ৰিম হ'ব পাৰে। নাইবা মানুহে নিজকে ৰক্ষা কৰা বা জীয়াই থকাৰ স্বাৰ্থত পৃথিৱীৰ পৰা আন গ্ৰহলৈ গৈ বাস কৰাৰ প্ৰয়োজন হ'ব পাৰে। তেনে ক্ষেত্ৰত প্ৰয়োজন অনুসৰি শৰীৰৰ বহু অংগ-প্ৰত্যংগ যান্ত্ৰিক বা কৃত্ৰিম হোৱাটো জৰুৰী হৈ পৰিব। ইয়াৰ বাহিৰেও মানুহৰ জীৱনশৈলী, খাদ্য, কাৰ্যকলাপ আদিৰ আমূল পৰিৱৰ্তন ঘটিব পাৰে। তেনে ক্ষেত্ৰত মানুহৰ কিছুমান অংগৰ বিৱৰ্তন ঘটিব পাৰে। যদিহে মানুহে হেজাৰ হেজাৰ বছৰ খোজ কঢ়াৰ পৰিৱৰ্তে বিমান, গাড়ী নাইবা উৰি যোৱা বাহনৰ ওপৰত সকলো সময়তে নিৰ্ভৰশীল হৈ পৰে, তেন্তে ভৰিৰ ব্যৱহাৰ সম্পূৰ্ণ নোহোৱা হৈ পৰিব। প্ৰাণীৰ বিৱৰ্তন তত্ত্বৰ মতে প্ৰাণীৰ যিবিলাক অংগৰ কোনো প্ৰয়োজন নোহোৱা হৈ পৰে সেইবিলাক অংগ ক্ৰমশঃ অদৃশ্য হৈ পৰে। সেয়ে দেহৰ প্ৰতিটো অংগৰ কাম বা প্ৰয়োজন আছে কাৰণেহে সেইবিলাক এতিয়াও আছে। এই ক্ষেত্ৰত বিখ্যাত 'ৱাল-ই' নামৰ চিনেমাখনৰ কথা উল্লেখ কৰিব পাৰি। এই চিনেমাত ৱাল-ই ৰ'বটটোৱে মানুহৰ দৰে চিন্তা কৰিব পাৰে। সি মানৱবিহীন ধ্বংসপ্ৰায় পৃথিৱীত সাতশ বছৰ ধৰি অকলে বিচৰণ কৰি থাকে; কিন্তু এদিন সি এখন মহাকাশযানত যাত্ৰা কৰিবলগীয়া হয় আৰু এখন ৰ'বটৰ পৃথিৱীত অৱতৰণ কৰেগৈ।

ৰ'বটৰ পৃথিৱীত সকলো কাম ৰ'বটে কৰে। তাত অসংখ্য ৰ'বট অহৰহ নিৰ্মাণ কৰি থকা হয়। তাতেই ৱাল-ইৰ লগ পায় ভৱিষ্যতৰ মানুহবোৰক। ভৱিষ্যতৰ সেই মানুহবোৰৰ কিছু ভৰিৰ অস্তিত্ব নাই। এসময়ত যে সিহঁতৰ ভৰি আছিল তাৰ চিন হিচাপে মাত্ৰ ভৰিৰ পতা আৰু তলুৱাৰ স'তে আঙুলিকেইটাহে আছে। বিশেষ ধৰণৰ যান্ত্ৰিক আসনত বহি যাবলগীয়া হয় মানুহবোৰে। ভৱিষ্যতৰ মানৱৰ এনে দশা দেখা পাই সেয়া কেনেকৈ হ'ব পাৰে বুলি যিকোনো দৰ্শকে প্ৰশ্ন কৰিব পাৰে; কিন্তু ভৱিষ্যতৰ মানৱৰ এনে বিৱৰ্তন প্ৰাকৃতিক বা স্বাভাৱিক নহয়। মানুহৰ যন্ত্ৰনিৰ্ভৰ জীৱনশৈলী আৰু সংস্কৃতিৰ পৰিণামস্বৰূপে এনে ধৰণৰ বিৱৰ্তন ঘটিব পাৰে। অৱশ্যে বিৱৰ্তনে অন্য ৰূপ ল'বও পাৰে; কিন্তু এদিন যে মানুহৰ শাৰীৰিক বিৱৰ্তন ঘটিব— সেই বিষয়ত কোনো সন্দেহ নাই। এদিন ভগৱানে নিজৰ ৰূপতে মানুহ সৃষ্টি কৰিছিল বুলি ধৰ্মগ্ৰন্থই কয়। অৰ্থাৎ মানুহৰ ৰূপত ভগৱানৰ ৰূপটোকে আমি বিচাৰি পাওঁ; কিন্তু দেৱতাসদৃশ মানুহৰ এই ৰূপ এদিন হয়তো ৰ'বটৰ দৰে হৈ পৰিব।

# ভাৰতলৈ প্ৰব্ৰজন আৰু বহিৰাগত আৰ্যতত্ত্ব


## আৰ্যসকল তুলনামূলকভাৱে উদ্যমহীন হ'লেও চিন্তাশীল আছিল বাবে ধৰ্ম আৰু দৰ্শনৰ জ্ঞান প্ৰশংসনীয় আছিল



সমগ্ৰ পৃথিৱীতে মানৱ বা মানৱেতৰ প্ৰজাতিৰ প্ৰব্ৰজনৰ ইতিহাসৰ থূল-মূল আলোচনাৰ পাছত ভাৰতত মানৱ বসতিৰ আৰম্ভণিৰ কথা আহি পৰে। প্ৰকৃত মানৱ বা বিজ্ঞানৰ ভাষাত হোমো ছেপিয়ান্‌ছ ছেপিয়ান্‌ছৰ বহু পূৰ্বৱৰ্তী পৰ্যায় হেমো ইৰেক্টাছৰ কিছু সদস্য ভাৰতত কমেও ১৫ লাখ বছৰৰ আগতে প্ৰৱেশ কৰা বুলি এচাম বিজ্ঞানীয়ে বিশ্বাস কৰে— এই কথা পূৰ্বতে উল্লেখ কৰা হৈছিল। সেইদৰে ৫০ হেজাৰ, ১০ হেজাৰ আদি বছৰৰ পূৰ্বে ভাৰতলৈ মানুহৰ প্ৰব্ৰজন ঘটাৰ কথাও আন কিছুমানে ভাবে। এনে ধৰণৰ প্ৰব্ৰজনবোৰৰ বিষয়ে পূৰ্বতে ভাৰতত আলোচিত হোৱা নাছিল, ইংৰাজে ভাৰত শাসন কৰিবলৈ লোৱাৰ পৰাহে এনে ধাৰণাবোৰৰ বিকশিত হয় বুলি কোৱা হয়। ভাৰতত ইংৰাজে উপনিৱেশ স্থাপন কৰাৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলে ভাৰতৰ ইতিহাস আৰু সংস্কৃতিৰ অনুসন্ধানত ব্যস্ত হয়। ৰোমিলা থাপাৰৰ মতে ইয়াৰ দুটা কাৰণ হৈছে— প্ৰায় অজ্ঞাত এই সভ্যতাৰ শাসক হিচাপে শাসিতসকলৰ সংস্কৃতি জনাৰ কৌতূহল, দ্বিতীয় কথা হ'ল— ইতিহাস জনা নাথাকিলে কোনো সমাজৰ ওপৰত একান্ত আধিপত্য স্থাপন কৰিব নোৱাৰি। ক্ষমতাৰ পৰিপ্ৰেক্ষিতত জ্ঞান নিৰূপিত— the necessary furniture of empire সাম্ৰাজ্য বিস্তাৰৰ সকলোতকৈ দৰকাৰী সৰঞ্জাম হৈছে সভ্যতা-সংস্কৃতিৰ বিষয়ে জ্ঞান।

ভাৰতীয় সভ্যতা-সংস্কৃতি জানিবলৈ ইয়াৰ প্ৰাচীন শাস্ত্ৰবোৰ জানিব লাগিব। এখন দেশৰ সংস্কৃতি সৃষ্টি হয় স্থানীয় ভাষা, আইন, ধৰ্ম, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ ইত্যাদিৰ সমন্বয়ত। ভাৰতীয় শাস্ত্ৰত এইবোৰ ভালদৰেই পোৱা যায়, আনকি ইতিহাসো প্ৰণয়ন কৰি উলিয়াব পাৰি অতি প্ৰাচীন যুগৰে পৰা এইবোৰ শাস্ত্ৰৰ আধাৰত। এনে ধৰণৰ কথাবোৰ শাস্ত্ৰত থাকিলেও ইয়াৰ সৃষ্টিকৰ্তা ঋষিসকলৰ ভাৰতলৈ প্ৰব্ৰজনৰ বিশেষ তথ্য পুৰাণসমূহ বা তাতোকৈ পুৰণি বেদসমূহত নাই। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসক উইলিয়াম জোন্সে (১৭৮৮) সংস্কৃতিৰ লগত ইউৰোপীয় কেইটামান ভাষাৰ সাদৃশ্য বিচাৰি পায়। ইয়াৰ লগতে হিন্দু দেৱ-দেৱীৰ লগত গ্ৰীক-ৰোমান আদিৰ সাদৃশ্য, বাইবেলৰ লগত হিন্দু পৌৰাণিক আখ্যানৰ তুলনামূলক আলোচনা আদিৰ পৰা ভাৰতৰ তথাকথিত 'আৰ্যসকল'ৰ লগত ইউৰোপীয় কিছুমান জাতিৰ একাত্মতা আদিৰ কথা প্ৰচাৰিত হয়। গ্ৰীক, লেটিন, পাৰ্চী আদিৰ লগত সংস্কৃতৰ মিলবোৰৰ আধাৰত ধৰি লোৱা হ'ল যে আদিতে সকলোবোৰ এটা ভাষাই উৎপত্তি আৰু সেয়েহে সেই মূল ভাষা কোৱা এটা জাতি মধ্যপ্ৰাচ্য বা পশ্চিম ইউৰোপত আছিল। এই জাতিটোৰ সদস্যই আৰৱ দেশসমূহ আৰু ভাৰতলৈ আহিছিল।

মেক্সমূলাৰ আছিল এই মতৰ সমৰ্থক। তেওঁৰ মতে ভাষাভিত্তিক আৰ্য নামধাৰীসকলৰ আদি বাসস্থান আছিল মধ্য এছিয়াৰ কোনো অঞ্চল। ইয়াৰে এটা গোষ্ঠী ইউৰোপৰ ফালে যায় আৰু আনটো গোষ্ঠী ইৰানলৈ আহে। ইৰানৰ গোষ্ঠীৰে এটা ভাগে আহি ভাৰত আক্ৰমণ কৰে। আৰ্যৰ আক্ৰমণে তাত থকা দেশীয় মানুহবোৰক ঘৃণিত 'দাস'ত পৰিণত কৰে। ঋকবেদত দাসসকলৰ কথা বহুতো আছে। মেক্সমূলাৰৰ মতে ভাৰতীয়সকল আৰ্যবৰ্ণ আৰু দাসবৰ্ণ দুটা ভাগত বিভক্ত হয়। বহিৰাগত গৌৰবৰ্ণৰসকল আৰ্য আৰু ভাৰতীয়



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

কৃষ্ণবৰ্ণৰসকল দাস। এইজন পশ্চিমীয়া পণ্ডিতৰ মতে ইউৰোপলৈ যোৱা আৰ্যসকল কৰ্মঠ আৰু যুদ্ধপ্ৰিয়, এওঁলোকে শেষত জাতি নিৰ্মাণৰ ধাৰণাৰ সৃষ্টি কৰে। ইৰান তথা ভাৰতলৈ যোৱা আৰ্যসকল তুলনামূলকভাৱে উদ্যমহীন হ'লেও চিন্তাশীল আছিল বাবে ধৰ্ম আৰু দৰ্শকৰ জ্ঞান প্ৰশংসনীয় আছিল। পৃথক গাত্ৰবৰ্ণ, ভাষা আৰু ধৰ্মৰ আধাৰত সৃষ্টি হোৱা ক্ৰমে আৰ্য আৰু দাস জাতিৰ মাজত পাৰ্থক্য বাঢ়িবলৈ ধৰে। আৰ্যসকলে বৈদিক সংস্কৃতক বিকশিত কৰি নিজৰ ভাষালৈ ৰূপান্তৰিত কৰে।

উইলিয়াম জোন্স, হেবাৰ, মেক্সমূলাৰ আদি পশ্চিমীয়া পণ্ডিতৰ লগতে বহু ভাৰতীয় পণ্ডিতৰ বাবেও বহিৰাগত আৰ্যৰ ভাৰত আগমন আৰু স্থানীয় লোকসকলক বলেৰে বশ কৰি শাসক হোৱাৰ তত্ত্ব আকৰ্ষণীয়। ১৯২২-২৩ খ্ৰীষ্টাব্দত হৰপ্পা আৰু মহেঞ্জোদাৰোৰ সিন্ধু সভ্যতা আৱিষ্কাৰৰ পাছত বহু ঐতিহাসিক ধাৰণাত আঘাত লাগিলেও ধৰি লোৱা হ'ল যে আৰ্যসকল ভাৰতলৈ অহাৰ আগতে সিন্ধু উপত্যকাত উন্নত দ্ৰাবিড় সভ্যতা আছিল আৰু এই সভ্যতাৰ জনকসকলক বহিৰাগত আৰ্যই ধ্বংস কৰি নতুন বৈদিক সভ্যতা প্ৰৱৰ্তন কৰিলে। ইয়াৰ বিপৰীতে ভাৰতীয় এচামে দাবী কৰিবলৈ ল'লে যে আৰ্যসকল বহিৰাগত নাছিল, সিন্ধু সভ্যতাও আৰ্যতকৈ বেলেগ দ্ৰাবিড়ীয় সভ্যতা নাছিল। দুয়োটাৰে মাজত ভালেমান পাৰ্থক্য থাকিলেও আচাৰ-আচৰণ, দেৱ-দেৱীৰ পূজা-পাতল, বাচন-বৰ্তন, গৃহ আৰু নগৰ নিৰ্মাণ, পয়ঃপ্ৰণালী আদি নানা বিষয়ত মিল থকাৰ কথাও কোৱা হ'ল। তথাকথিত সিন্ধু সভ্যতা হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ দুখন (পশ্চিম ভাৰত তথা আধুনিক পাকিস্তানৰ) নগৰতে সীমাবদ্ধ হৈ থকা নাছিল। ছশৰো অধিক বিভিন্ন স্থানত খননৰে দেখুওৱা হ'ল যে হিমালয়ৰ পৰা আৰব সাগৰলৈ বৈ যোৱা বিশাল সৰস্বতী নদীৰ পাৰতেই এটি বিশাল সভ্যতা গঢ়ি উঠিছিল। গুজৰাট, মহাৰাষ্ট্ৰ, পশ্চিম ভাৰত, পাকিস্তানৰ পূব অংশ, কাশ্মীৰ, মধ্য আৰু উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলত এই সভ্যতা বিস্তৃত আছিল, যি সভ্যতাৰ লগত সিন্ধু উপত্যকাৰ নিৰৱচ্ছিন্নতা আছিল। খ্ৰীঃ পূঃ ১৯শত বিশাল সৰস্বতী নদী শুকাই গৈছিল; ইয়াৰ পাৰতে ঋকবেদৰ বেছিভাগ সূক্ত ঋষিসকলে 'দৰ্শন' কৰিছিল যেতিয়া নদীখন ফেনে-ফোটোকাৰে বৈ আছিল, অৰ্থাৎ বেদৰ সূক্তবোৰ খ্ৰীঃপূঃ দুহেজাৰৰো বহু পূৰ্বতে ৰচিত হৈছিল। এইবোৰৰ আধাৰত 'বহিৰাগত আৰ্য' তত্ত্ব নামানাসকলে সিন্ধু সভ্যতাৰ নতুন নাম দিলে— 'সিন্ধু-সৰস্বতী সভ্যতা' বুলি। আৰ্য আৰু দ্ৰাবিড় সভ্যতা বেলেগ নাছিল।

আৰ্য শব্দটোক লৈ কেৱল ভাৰততে নহয়, ইউৰোপতো নানা আলোচনা হৈছিল। ভাষাৰ ভিত্তিত জাতি বিভাগ কৰা কামটোও অপেক্ষাকৃতভাৱে নতুন। ভাৰতত যেনেকৈ সংস্কৃত ভাষা কোৱাসকল আৰ্যজাতি, তেনেকৈ ইউৰোপত সংস্কৃত, ৰোমান, গ্ৰীক, জাৰ্মান আদি ভাষাৰ মূল বুলি ধৰি লোৱা ভাষাটো তথা এইবোৰ ভাষা কোৱাসকলেই আৰ্যজাতি। ফৰাচী লেখক যোচেফ গোবিনো হৈছে আধুনিক জাতি বৈষম্যৰ জনক। ১৮৫৪ খ্ৰীষ্টাব্দত তেওঁ 'মানৱ জাতিসমূহৰ বৈষম্য' শীৰ্ষক প্ৰৱন্ধত লিখিছিল— 'এই বিশ্বত মানুহৰ দ্বাৰা যিমানবোৰ মহান, ফলপ্ৰসূ আৰু মহৎ কাৰ্য কৰা হৈছে, সেইবোৰৰ উৎস হৈছে মহান আৰ্যগোষ্ঠী।' তেওঁৰ মতে আৰ্যসকলেই মিছৰ, ৰোম, চীন আৰু আনকি পেৰুৰ সংস্কৃতিৰ পতন কৰিছিল। পলিনেচীয়, কেল্ট, ইন্‌কা আদি সংস্কৃতিৰো জনক আৰ্যসকলেই। এইবোৰ সংস্কৃতিত থকা সূৰ্যপূজা, পাথৰৰ বিশাল স্মৃতিস্তম্ভ, মমি— এইবোৰৰ মাজত ঐতিহাসিক যোগসূত্ৰ স্থাপন কৰি আৰ্যসকলকেই এইবোৰৰ কৃতিত্ব দিছিল যোচেফ গোবিনোৱে।

প্ৰাণী আৰু উদ্ভিদৰ শ্ৰেণী বিভাগৰ জনক কেৰোলাচ লিনিয়াচৰ মতে মানৱ প্ৰজাতিৰ ভাগ চাৰিটা— ইয়াৰে শ্ৰেষ্ঠতাৰ আধাৰত প্ৰথম হৈছে শ্বেতবৰ্ণ, স্বাস্থ্যোজ্জ্বল আৰু পেশীবহুল ইউৰোপীয়সকল; দ্বিতীয়— গীতবৰ্ণ, বিষণ্ণ আৰু নমনীয় এছিয়াবাসী, তৃতীয়— ৰক্তবৰ্ণ, বদমেজাজী আৰু ঋজুদেহী আমেৰিকাবাসী আৰু সৰ্বনিম্ন ভাগটো হ'ল কৃষ্ণবৰ্ণ, শীতল স্বভাৱৰ আৰু প্ৰশ্ৰয়শীল আফ্ৰিকাবাসীসকল। ৰবাৰ্ট চেম্বাৰ্ছ নামৰ অল্পখ্যাত বিজ্ঞানীজনে কৈছিল যে মানৱৰ বিভিন্ন জাতি-গোষ্ঠী জৈৱ বিৱৰ্তনৰ বিভিন্ন পৰ্যায়ত আছে। ইয়াৰ ভিতৰত বন মানুহৰ ঠিক ওপৰতেই নিগ্ৰোসকল, তাৰ পাছত ক্ৰমান্বয়ে ওপৰলৈ হৈছে মালয়বাসী, আমেৰিকান, মংগোলীয়সকল, এছিয়াবাসী আৰু সবাতোকৈ উন্নত মানৱ হৈছে ককেচীয়সকল। এওঁলোকৰ ভিতৰতে আৰ্যসকল হ'লেও ভাৰতীয় আৰ্য কিছু তল খাপৰ।

ককেচীয় আৰু আৰ্য বংশধৰ জাৰ্মানসকলে নিজকে সকলোতকৈ উন্নত মানৱ গোষ্ঠী বুলি ভাবিছিল। ডাৰউইনৰ সম্বন্ধীয় ভ্ৰাতৃ গেল্টনে বিশুদ্ধ জাৰ্মান সৃষ্টিৰ ঘৃণনীয় পদক্ষেপ লৈছিল 'সুপ্ৰজনন সংঘ'ৰ জৰিয়তে। হিটলাৰৰ নাৎসী বাহিনীৰ ইহুদী ধ্বংসৰ অভিযানো একে উদ্দেশ্যৰেই কৰা হৈছিল। আমোদজনকভাৱে ইউৰোপীয় আৰ্যই নিজকে সৰ্বোত্তম বুলি ভবাৰ সমান্তৰালকৈ ভাৰতীয় আৰ্যৰ ধাৰণাতো বেছি পাৰ্থক্য নাছিল।

**খ্ৰীঃ পূঃ তিনি সহস্ৰাব্দত ভাৰতত উন্নত নগৰ গঢ়ি উঠিছিল আৰু এই সভ্যতাক উন্নতই বুলিব লাগিব। এনে এটা সভ্যতা প্ৰাচীন কালত গঢ়ি উঠিবলৈ সহস্ৰাধিক বছৰ লগাৰ কথা। সেয়েহে প্ৰব্ৰজিত হৈয়েই হওক বা মানৱেতৰ প্ৰজাতিৰ পৰা ক্ৰমবিকাশ হৈ মানুহৰ পৰ্যায়লৈ অহাই হওক, ভাৰতত কমেও সাত-আঠ হেজাৰ বছৰৰ আগৰ পৰাই মানুহৰ বসতি আছিল।**

তথাকথিত আৰ্যসকল বহিৰাগত বুলি ভবাৰ তত্ত্বৰ আধাৰ অৱশ্যেই যথেষ্ট মজবুত। এই ধাৰণা মতে আৰ্যসকল দুহেজাৰ খ্ৰীঃ পূঃ বা তাতোকৈ পাছত ভাৰতলৈ আহিছিল আৰু হয়তো বেদৰ সমলবোৰ লগত লৈ আহিছিল; এই ধাৰণা মতে বেদৰ সৃষ্টি বা প্ৰকৃতাৰ্থত সংকলন ১৫শ খ্ৰীঃ পূঃত সম্পন্ন হৈছিল। সেয়েহে খেলিমেলিকৈ থকা বেদৰ সূক্তবোৰ ভাৰতৰ বাহিৰত অৰ্থাৎ আৰ্যৰ মূল বসতিস্থল মধ্য এছিয়াৰ ক'ৰবাত ৰচিত হৈছিল। ইয়াৰ বিপৰীতে তথাকথিত আৰ্যসকল ভাৰতৰেই আদি বাসিন্দা বুলি ভবাসকলৰ সপক্ষে থকা এটা শক্তিশালী যুক্তি হ'ল বেদত লিখামতেই ইয়াৰ বেছিভাগ সূক্তই সৰস্বতী নদীৰ পাৰত ৰচিত হৈছিল। বৃহৎ নদীখন খ্ৰীঃ পূঃ ২২শৰ পৰা শুকাবলৈ আৰম্ভ কৰি তিনিশ মান বছৰৰ ভিতৰত সম্পূৰ্ণ শুকাইছিল বুলি ভূতাত্ত্বিক প্ৰমাণ পোৱা গৈছে। তদুপৰি উপগ্ৰহৰ চিত্ৰৰে কৰা অনুসন্ধানত নদীখনৰ গতিপথ সম্পূৰ্ণভাৱে চিত্ৰিত কৰিব পৰা গৈছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে খ্ৰীঃ পূঃ ২২শ বা তাতোকৈ আগতেই বেদৰ সূক্ত ৰচিত হৈছিল। দ্বিতীয় নিৰ্ভৰযোগ্য প্ৰমাণ হ'ল— বেদত থকা জ্যোতিৰ্বিজ্ঞানৰ তথ্যবোৰ। এইবোৰ তথ্যৰে বহুতেই প্ৰমাণ কৰিছে যে অন্ততঃ খ্ৰীঃ পূঃ ৪২শতেই বেদৰ সূক্ত ৰচিত (দৰ্শিত) হৈছিল আৰু দুহেজাৰ বছৰৰ দীঘলীয়া সময়ত শতাধিক ঋষিয়ে বিভিন্ন সংখ্যক সূক্ত ৰচনা (দৰ্শন) কৰিছিল। খেলিমেলিকৈ থকা সূক্তবোৰ সংকলন কৰাসকলক 'বেদব্যাস' বোলা হৈছিল। এনে ২৮ জন বেদব্যাসৰ তালিকা 'বিষ্ণুপুৰাণ'ত দিয়া আছে। শেহৰজন বেদব্যাস মহাভাৰত-পুৰাণৰ ৰচক কৃষ্ণদ্বৈপায়নে খ্ৰীঃ পূঃ ১৫শত চাৰিবেদ সজাই সম্পূৰ্ণ কৰিছিল। অৱশ্যে কিছুমানৰ মতে ঋকবেদৰ বাদে সাম, যজুৰ আৰু অথৰ্ববেদ, বিশেষকৈ শেহৰখন বহু পৰৱৰ্তী কালতহে (খ্ৰীঃ পূঃ নশত) সংকলিত হৈছিল।

বেদ, পুৰাণ, মহাকাব্য দুখন আৰু অন্যান্য শাস্ত্ৰসমূহত ভাৰতলৈ প্ৰব্ৰজনৰ অধিক খতিয়ান বিচৰাৰ আগতে এটা কথা কৈ থ'ব পাৰি। তথাকথিত আৰ্যসকল বহিৰাগত হওক বা নহওক, সিন্ধু উপত্যকাৰ খনন কাৰ্যৰ পৰা প্ৰাপ্ত সমলৰ ভিত্তিত কোৱা হয় যে খ্ৰীঃ পূঃ তিনি সহস্ৰাব্দত ভাৰতত উন্নত নগৰ গঢ়ি উঠিছিল আৰু এই সভ্যতাক উন্নতই বুলিব লাগিব। এনে এটা সভ্যতা প্ৰাচীন কালত গঢ়ি উঠিবলৈ সহস্ৰাধিক বছৰ লগাৰ কথা। সেয়েহে প্ৰব্ৰজিত হৈয়েই হওক বা মানৱেতৰ প্ৰজাতিৰ পৰা ক্ৰমবিকাশ হৈ মানুহৰ পৰ্যায়লৈ অহাই হওক, ভাৰতত কমেও সাত-আঠ হেজাৰ বছৰৰ আগৰ পৰাই মানুহৰ বসতি আছিল। এয়া অৱশ্যে কোনো ডাঙৰ সিদ্ধান্ত নহয়। ইয়াৰ বহু আগতেই ভাৰতত মানুহ থকাৰ প্ৰমাণ আছে।

প্ৰব্ৰজনৰ আধাৰত আৰ্যসকলক যিহেতু বহিৰাগত বুলি ধৰা হয় আৰু বৰ্তমান এচামে আৰ্যক বহিৰাগত নহয় বোলে, সেয়েহে পাছৰ চামৰ যুক্তি বিবেচনা কৰি চাব লাগিব।

*ফোন : ৮১৩৫৮৩৫২১৯*

# সৎ আৰু কঠোৰ পুলিচ ব্যৱস্থা জৰুৰী

**ইংৰাজ** ঔপন্যাসিক উইলিয়াম চ'মাৰচেট ম'মে তেওঁৰ নব্বৈ সংখ্যক জন্মদিৱসত এইদৰে বোলে কৈছিল—

I am sick of this way of life. The weariness and sadness of old age make it intolerable. I have walked with death in hand, and death's own hand is warmer than my own. I don't wish to live any longer.

আমি ইংৰাজী সাহিত্যৰ ছাত্ৰ নাছিলো আৰু বিষয়বিলাকৰ গভীৰ অধ্যয়নো নাই। মাত্ৰ অলপ শিক্ষা আৰু অভিজ্ঞতাৰে জীৱনৰ অধিক সময় পাৰ কৰি ভটিয়নী সোঁতত গৈ থকা এজন সাধাৰণ ব্যক্তি। কিন্তু সেয়ে হ'লেও এজন নাগৰিক হিচাপে আমাৰো অনুভৱ আছে। আমাৰো বহুত ক'বলগীয়া আছে। সেই ইংৰাজ ঔপন্যাসিকৰ উক্তিৰ আঁত ধৰিয়েই দুটামান কথা উল্লেখ কৰিম।

আমাৰ বহুতো গাঁও আৰু নগৰৰ সামাজিক ছবি দেখা পাই মনলৈ আহি থাকে যে আমি প্ৰকৃততে সামাজিকভাৱে সচেতন হয় নে নহয়। কিন্তু ধন দৌলতেৰে সম্ভোগত মতলীয়া লোকৰ সমান্তৰালভাৱে শিক্ষাৰ হাৰ নবঢ়াওতো নহয়। তাৰ লগে লগে জীৱনৰ বাবে লাগতিয়াল ইলেক্ট্ৰনিক সা-সৰঞ্জাম ব্যৱহাৰ কৰা, বিদেশ ভ্ৰমণ কৰা আদি কামতো পিছ পৰি থকা নাই আজিৰ জনতা। স্বাধীনতাৰ সময়ৰ তুলনাত এতিয়া এই হাৰ বহু বৃদ্ধি হৈছে। হাতে হাতে ম'বাইল ফোন, পথত দামী গাড়ীৰ ভিৰত খোজ কাঢ়িব নোৱাৰা অৱস্থাত মানুহে বহু কথা নজনাকৈ আছে বুলিও ভাবিবলৈ মন যোৱা নাই। সেয়ে মনলৈ আহিছে যে ইচ্ছাকৃত, বেপৰোৱা স্বভাৱ আৰু দম্ভত উন্মত্ত হৈ চলাৰ প্ৰৱণতাৰ বাবেই সম্ভৱৰ বহুলোকে সমাজ ব্যৱস্থাত প্ৰতিকুলতাৰ সৃষ্টি কৰি অৰাজকতাৰ পৰিৱেশ ৰচনা কৰিব বিচাৰিছে। নহ'লেনো দামী গাড়ী চলোৱা 'ভদ্ৰলোক' এজনে ৰাস্তাৰ কাষত তেওঁৰ ব্যক্তিগত বাহনখন কেনেকৈ ৰাখিব লাগে নাজানেনে? কোটিটকীয়া বিশাল ঘৰত থকা ডাঙৰ চাকৰিয়াল বা ব্যৱসায়ীয়ে ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনাৰ বিষয়ে সঁচাই অজ্ঞ নে? এনেধৰণৰ বহু কথাৰ বাবে চ'মাৰচেট ম'মৰ দৰে আমাৰো ক'বলৈ মন যায় যে ময়ো এই সমাজ ব্যৱস্থা দেখি হতাশ হৈছোঁ।

**ইটো সিটো কথা**

**ড° দিব্যজ্যোতি মহন্ত**

গুৱাহাটীৰ পদপথবিলাক বজাৰলৈ পৰ্যবসিত হ'ল। যাৰ য'তে মন যায় তাতে দোকান দিব পাৰে। সুস্থ সমাজ, সভ্য নাগৰিকৰ বাবে পদপথ অপৰিহাৰ্য্য ব্যৱস্থা। কিন্তু পদপথত দোকান দিয়াৰ আতিশয্যত খোজকঢ়াৰ সুবিধা এতিয়া কিমান আছে মন কৰিবলগীয়া। অৱশ্যে জনতাৰ জনপ্ৰিয় চৰকাৰে 'ৱাকিং জ'ন'ৰ ব্যৱস্থা কৰি আধুনিকতাৰ এটা লেপন দিবলৈ এতিয়া যত্ন কৰিছে। এয়া হৈছে অভিজাত সমাজ ব্যৱস্থা। লোহাৰ গেইটৰ জলঙাৰে হাত সুমুৱাই গেইটৰ সিপাৰে থকা পদুলিমুখৰ বেপাৰীৰ পৰা পাচলি কিনা নাগৰিকে পুৰা-গধুলি আভিজাত্যৰ স্প্ৰে মাৰি 'ৱাকিং জ'ন'ত খোজ কাঢ়িবলৈ যায়। স্বাস্থ্যৰ প্ৰতি সজাগ জনতাই য'তে মন যায় ত'তে হাত দাঙি চিটিবাছ ৰখাই উঠিবলৈ আগ্ৰহ কৰে। মৰমীয়াল ড্ৰাইভাৰেও যাত্ৰীক অসুবিধা নিদিবৰ বাবে মাজবাটতে গাড়ীখন ৰখাই দি সহযোগ কৰে। কি নিবিড় মিলাপ্ৰীতি! সেইসময়ত ড্ৰাইভাৰৰ চেতনা নেথাকে যে সেইখন গাড়ীৰ পিচত অন্য গাড়ীৰ লাইন লাগি যানজঁটৰ সৃষ্টি হৈছে। কাষেদিও আন গাড়ী পাৰ হৈ যোৱাৰ উপায় নাথাকে। তাতে আকৌ ভূতৰ ওপৰত দানৱ পৰাৰ দৰে ডেকাল'ৰাৰ হাইটেক্‌ বাইকৰ তাণ্ডৱ লীলা। এয়া হ'ল আমাৰ আধুনিক সমাজ।

ৰাজ্যৰ প্ৰগতিৰ স্বৰূপ প্ৰকাশৰ বাবে দীপাৱলীৰ দৰে পথবোৰত (বিশেষকৈ অ'ভাৰ ব্ৰীজত বা অন্য উৎসৱ পাৰ্বণৰ সময়ত) লাইটৰ বাহাৰ দেখা পোৱা নাগৰিকৰ মনত বেজাৰ নালাগে যে পুলিচ পইণ্টবোৰ কিন্তু বিজুলী চালিত ব্যৱস্থাৰে নিয়ন্ত্ৰিত নহয়। 'নিমাখিত' কৰ্মচাৰী একোজনে নানানটা পথেৰে চলাচল কৰা বাহনবোৰ হাতৰ অংগী-ভংগীৰে নিয়ন্ত্ৰণ কৰেই বা কেনেকৈ! সম্ভৱ জানো? সেয়ে চালকৰ ইচ্ছাতেই সকলো চলে, যাৰ যি দৰে যি দিশেৰে মন যায় বাহন আগুওৱা পিছুওৱা কৰিব পাৰে। কোনফালে গাড়ী যাবলৈ ছিগ্‌নেল দিছে চোৱাৰ দৰকাৰ নাই।

চিৰিয়াখানাৰ কাষেদি জাপৰিগোগৰ পৰা ৰাধা গোবিন্দ বৰুৱা পথলৈ অহা তিনিআলিত ট্ৰেফিক পুলিচ নাথাকে। গতিকে সেই ফালেৰে অহা যোৱা কৰা বাহনৰ চালকে জানে কিদৰে সেইখিনি পাৰ হ'ব লগা হয়। 'দৈনিক অসম'ৰ কাৰ্যালয়ৰ ওচৰত বা 'প্ৰতিদিন'ৰ কাৰ্যালয়লৈ যোৱা পথৰ সংযোগত ট্ৰেফিক পুলিচ থাকেনে? তেনেদৰে গুৱাহাটীৰ ক'ত ক'ত বিপদজনক সংযোগ স্থল আছে মন কৰিবলগীয়া। তাতে আকৌ শিক্ষিত লোকে এহাতেৰে কাণত ম'বাইল লগাই আনহাতেৰে বাহনক ৰ'বলৈ 'আদেশ' কৰি (প্ৰায়েই ভ্ৰূক্ষেপ নকৰাকৈয়ে পাৰ হয়) চলন্ত গাড়ীবিলাকৰ মাজে মাজে বীৰদৰ্পে পাৰ হৈ যায়। তেওঁলোকৰো উপায় নাই। জেব্ৰা ক্ৰচিং নাই, মানুহ অহা-যোৱা কৰাৰ সংকেত দিব পৰা বিজুলী বাতি ক'তো নজ্বলে।

আজিৰ শিক্ষিত নাগৰিক যদি সচেতন নহয় তেন্তে সমাজ ব্যৱস্থাৰ উন্নতি সম্ভৱেই নহয়। আমি চৰকাৰলৈ বাট চাই থাকিলে নহ'ব। আমাক আনে শাসন কৰক আৰু আমি আনৰ নিয়ন্ত্ৰণত চলিম বুলি ভবাৰ মানসিকতা ত্যাগ কৰিব লাগিব। এজন ট্ৰেফিক পুলিচ বা হোমগাৰ্ডে যদি এজন শিক্ষিত ভদ্ৰলোকক লাখুটি জোকাৰি বা হুইচেল বজাই গাড়ী ক'ত থ'ব লাগে বা নালাগে সেই হুমকি দিবলৈ হয় তেন্তে আমাৰ উচ্চ ডিগ্ৰীৰ চাৰ্টিফিকেটখনৰ মৰ্যাদা ক'ত থাকিল? ট্ৰেফিক পুলিচে চিটিবাছৰ বডিত লাখুটিৰে ধুমধুমকৈ কোব মৰা দেখা পাইছো। সেই গাড়ীত বহি থকা শিক্ষিত লোকে বাৰু নাভাবেনে যে সেই কোবকেইটা যাত্ৰীকেই মাৰিছে নে ড্ৰাইভাৰকেই মাৰিছে। আমি আগতে গাঁৱত দেখা পাইছিলো যে যদি কোনোৱে কাৰোবাৰ ওপৰত খং কৰি হাত উঠাব নোৱাৰে, তেন্তে মাটিতেই ভৰিৰ গোৰোহাৰে ধুপুচ ধুপুচকৈ মাৰে। কেতিয়াবা এনে কামৰ বাবে কৰ্তাই দণ্ডও ভৰিব লগা হৈছিল।



এতিয়া প্ৰশ্ন হ'ল সংশোধনবিলাক কেনেকৈ হ'ব? কঠোৰ 'পুলিচিং' ব্যৱস্থা এটা জৰুৰী। ডিউটিৰ খতিৰত ডিউটি কৰা লোক নহৈ সৎ আৰু কঠোৰ পুলিচ কৰ্মচাৰীয়ে মোটা ধনৰ জৰিমনাৰ ব্যৱস্থা কৰক আৰু আইনী কাৰবাৰ চলাওঁক। তেতিয়া আৰু নাগৰিকে মানৱ অধিকাৰ ভংগ হোৱাৰ শ্ল'গান নিদিব। 'পুলিচিং' যদি বেয়া পায় তেন্তে নিজে নিজে প'লিছ হওঁক। চিকচিকিয়া জোতা, কাঢ়া ইস্ত্ৰি কৰা কাপোৰ যেনেদৰে মোহনীয়া তেনেদৰে আপুনিও সমাজত 'পৰিষ্কাৰ'কৈ চলক। আপুনি ভাবিব লাগিব যে ৰাস্তা-ঘাট যেনেদৰে আপোনাৰ, তেনেদৰে আনৰো। আপুনি নেতাই হওঁক বা অফিচাৰেই হওঁক বা দালালেই হওঁক বা দম থকা লোকেই হওঁক, আনকো সসন্মানেৰে চলিবলৈ সুবিধা দিয়ক। আপোনাৰ পক্ষত বা পৰিয়ালত 'ডাঙৰ' মানুহ থাকিলে বুলিয়েই ৰাজপথত আনৰ অসুবিধা হোৱাকৈ গাড়ী ৰখোৱা, ৰাজপথত গাড়ী ধোৱা, ঘৰৰ ধুনীয়া টাবত পানী দিওঁতে এপাৰ্টমেণ্টৰ আনৰ কাপোৰত পানী পৰি লেতেৰা হোৱা, উৎসৱ পাৰ্বনৰ নামত উচ্চমাত্ৰাত মাইক, মিউজিক চিষ্টেম বজাই বা পাৰ্টিৰ নামত উদ্ভগুলি কৰা নিশ্চয় উচিত নহয়। এবাৰ ভাবকচোন, এখন সুন্দৰ সমাজত থাকিবলৈ আপোনাৰ বাৰু মন নাযায় নে? আমি সকলোৱে অলপমান মন কৰি চলিলেই ব্যৱস্থাটো উন্নত হ'ব। আমাৰ থাকিব লাগিব পৰস্পৰৰ প্ৰতি সন্মান, ৰাজহুৱা ব্যৱস্থাৰ প্ৰতি শ্ৰদ্ধা। যদি ব্যৱস্থাটো এনেকৈয়ে বিশৃংখলতাত চলে উঠি অহা প্ৰজন্ময়ো সুশিক্ষা নাপাব।

*ফোন : ৯৪৩৫১-৬০৯৮০*

# আধুনিকতাৰ মাজত হেৰাই যাব নেকি অসমীয়া সমাজ?

**অভিমত**

**সাম্প্ৰতিক** সময়ত আমাৰ যুৱ সমাজত অতি আধুনিকতাৰ ভোক দেখা পোৱা যায়। যাৰ পৰিপ্ৰেক্ষিতত এই যুৱশক্তিক কেন্দ্ৰ কৰি সমাজত এক ব্যাধিৰ সৃষ্টি হৈছে। যুৱ সমাজৰ মাজত বেয়াকৈ বিয়পা এই ব্যাধি হ'ল যুৱ উচ্ছৃংখলতা। আমাৰ মাজৰ এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুওৱাৰ ফলতেই এনে উচ্ছৃংখলতা দেখা গৈছে। বৰ্তমান সময়খিনি বিশ্বায়নৰ যুগ বুলিব পাৰি। এই বিশ্বায়নে সমগ্ৰ বিশ্বকে এখন গাঁৱলৈ পৰিৱৰ্তন কৰিছে। খাদ্য, সাজপাৰেই হওক বা আন কোনো দিশতে বিশ্বায়নৰ প্ৰভাৱ দেখা গৈছে। এনে বিশ্বায়নে পুৰণিক সম্প্ৰসাৰিত কৰি নতুনত্বক আদৰি লৈছে। যাৰ পৰিপ্ৰেক্ষিত সমাজৰ যুৱ শক্তিৰ ধৰণ- কৰণ সকলো সলনি হৈছে। আধুনিকতাই জীৱনবোৰ যান্ত্ৰিকতাৰ মেৰপাকত সুমুৱা দিয়াতই আমাৰ সমাজৰ পৰম্পৰা, আচাৰ-ব্যৱহাৰ সকলোবোৰ যেন কক্‌বকাব লাগিছে। এই আধুনিকতাৰ প্ৰভাৱে সামাজিক, ৰাজনৈতিক, সংস্কৃতি, নৈতিক আদি দিশৰ লগতে মানুহৰ জীয়াই থকাটোও যেন আধুনিকতাই আমদানি কৰিছে যেন অনুমান হয়। সাতামপুৰুষীয়া সমাজৰ সংস্কৃতিবোৰ আধুনিকতাত বিলীন হৈ যাব ধৰিছে। এই প্ৰভাৱ আমাৰ যুৱ সমাজক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। অসমৰ প্ৰেক্ষাপটত যদি আমি চাওঁ তেতিয়া দেখিম যে অসমৰ সমাজ জীৱনৰ খাদ্যাভ্যাস, সাজপাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান, সংস্কাৰ-সংস্কৃতি আদি প্ৰতিটো বস্তুৰ ক্ষেত্ৰত আধুনিকতাৰ অতিমাত্ৰা ৰহণ দেখা পোৱা গৈছে। অসমৰ যি থলুৱা অনুষ্ঠান পুতলা নাচ, ঢুলীয়া নৃত্য, ওজাপালি আৰু শংকৰী সংস্কৃতিৰ অনুষ্ঠান আদিৰ পয়োভৰ কমি আহিল। আজিৰ যুৱ প্ৰজন্মৰ বহু সংখ্যকেই এনেধৰণৰ অনুষ্ঠানৰ পৰা বহু দূৰ আঁতৰত। মাৰ্জিত সাজপাৰৰ পৰিৱৰ্তে যুৱ সমাজৰ মাজত অৰ্ধ অংগত পৰিহিত সাজ-পোছাকৰ মাদকতা অতি মাত্ৰা। যুৱ প্ৰজন্ম স্বইচ্ছাই উচ্ছৃংখল হৈ পৰা নাই, ইয়াৰ আঁৰত বহু দিশ নথকা নহয়। বহু যুৱক-যুৱতীয়ে সুৰাপান, ভাং, কানি, ব্ৰাউন ছুগাৰ, হেৰ'ইন আদি নানান নিচাযুক্ত দ্ৰব্যৰ লগত জড়িত হৈ পৰিছে। হয়তো এনেবোৰেও তেওঁলোকৰ মাজত এক কুপ্ৰভাৱ আনিছে। এনেবোৰ নিচাযুক্ত সামগ্ৰীৰ পৰা যুৱ সমাজক আঁতৰ কৰিব নোৱাৰিলে আমাৰ সমাজত কাল অমানিশা নামি অহাটো নিশ্চিত। সেয়েহে আজিৰ যুৱ সমাজে নিজৰ আৱেগ-অনুভূতি সংযত কৰি ৰখাৰ অভ্যাস গঢ়ি তুলিব লাগিব। আমাৰ মাজত এখন সুস্থ আৰু নিকা সমাজ গঢ়াত অভিভাৱকে চকু দিব লাগিব, যাতে সন্তানক ভাল-বেয়া দুয়োটা দিশ চিন্তা কৰিব পৰাকৈ সক্ষম কৰি তোলা হয়। কাৰণ আমাৰ সমাজ বা দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তিকণেই হ'ল যুৱ প্ৰজন্ম। এই যুৱ শক্তিক যেতিয়া আমি উচিত চিন্তা-চৰ্চাৰ গৰাকী কৰি তুলিম, তেতিয়া আমাৰ সমাজ আগুৱাই যোৱাটো সম্ভৱ হৈ উঠিব ।

**পূজা গগৈ,** ডিব্ৰুগড় বিশ্ববিদ্যালয়, সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰ, ফোন : ৯৯৫৭২৫৮০৮৮

## খোলা মঞ্চ

### অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছে নে?



**অসমীয়া** ভাষাৰ সংকট এটা ডাঙৰ প্ৰশ্ন। বৰ্তমান সংকট নাই বুলি আমি ক'ব নোৱাৰো। ব্ৰিটিছে ৰাজত্ব কৰাৰ সময়ত অসমীয়া ভাষাৰ সংকটে দেখা দিলেও অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী পণ্ডিতসকলে আগভাগ লৈ নিজৰ ভাষা জীয়াই ৰখাত অৰিহণা যোগাইছিল আৰু ভৱিষ্যতেও অসমীয়া ভাষা সুন্দৰ ৰূপত জীয়াই থাকিব বুলি আমি আশাবাদী।

আমি যদি ইতিহাসৰ পৃষ্ঠাত চকু ফুৰাওঁ তেতিয়া দেখিম ১৮২৬খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ ফলত ইংৰাজসকলে অন্য ৰাজ্যৰ লগতে অসমতো খোপনি পুতিছিল। ১৮৪০ খ্ৰীষ্টাব্দত অসমত দেশীয় শিক্ষা ব্যৱস্থা প্ৰায় লোপ পাইছিল। ব্ৰিট্ৰিছৰ ৰাজত্ব কালত অসমত বাংলা ভাষা চলিছিল। ১৮৫৬ খ্ৰীষ্টাব্দৰ পাছৰ পৰাই টোল, পাঠশালা আদিৰ সলনি প্ৰাথমিক, মজলীয়া, 'এদিলো ভাৰ্নিকুলাৰ' উচ্চ ইংৰাজী বিদ্যালয় আদি শিক্ষাৰ অনুষ্ঠানবোৰ গঢ় লৈ উঠিছিল।


১৮৮০ খ্ৰীষ্টাব্দত যেতিয়া লোকেল ব'ৰ্ড গঠন হ'ল, তেতিয়াৰ পৰাই আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱাৰ দৰে ব্যক্তিয়ে অসমীয়া ভাষাৰ পাঠ্যপুথি লিখি মাতৃভাষাৰ যোগেদি শিক্ষাদান দিয়াৰ চেষ্টা কৰিছিল। সেই সময়ত অসমৰ গ্ৰাম্য অঞ্চলত প্ৰাথমিক শিক্ষা অসমীয়াত ঠ'ন ধৰি উঠিছিল। তদুপৰি আনন্দৰাম বৰুৱা, মানিক চন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলে অসমীয়া ভাষা বিকাশত বিশেষ অৱদান আগবঢ়াইছিল। লগতে আমেৰিকান মিছনেৰীসকলে অসমীয়া ভাষা বিকাশত বিশেষ অৱদান আগবঢ়াইছিল। অসমীয়া ভাষাত বাতৰি কাকত, অভিধান, উপন্যাস আদি প্ৰকাশ কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল। ফলত পশ্চিমীয়া শিক্ষাৰ কবলত পৰি লুপ্ত হোৱা অসমীয়া ভাষাই পুনৰ প্ৰাণ পাই উঠিছিল।

**দীপ্তি ঠাকুৰ গোস্বামী,** *লেখিকা*

অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট নহ'বলৈ হ'লে আমাৰ নতুন প্ৰজন্মই অসমীয়া ভাষা অধ্যয়ন কৰিব লাগিব। ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত অসমীয়া ভাষাৰ জ্ঞান দিব লাগিব। আৰু আমাৰ সন্তানসকলক অসমীয়া ভাষা লিখিবলৈ আৰু পঢ়িবলৈ শিকোৱাটো অতি প্ৰয়োজন। অন্যান্য ভাষা জনাটো এটা ডাঙৰ গুণ; কিন্তু অসমীয়া ভাষা এলাগী কৰিলে আমাৰ ভাষা সংকটে নিশ্চয় দেখা দিব। এটা কথা সত্য যে নিজৰ ভাষা নাজানিলেও এটা জাতিৰ অস্তিত্ব কেতিয়াও নাথাকে; কিন্তু অসমত থকা বিভিন্ন জাতি-বিভিন্ন জনগোষ্ঠীৰ লোকসকলে অসমীয়া ভাষাক সমাদৰ কৰা সুন্দৰ ছবিখনৰ দৃশ্যৰাজিয়ে আমাৰ মনত দোলা দি যায়। আমি যে ভাষা সংকটত কেতিয়াও নপৰো সেয়া সত্য আৰু নতুন প্ৰজন্মই আমাৰ অসমীয়া ভাষা সুন্দৰ ৰূপত জীয়াই ৰাখিব সেয়াই আমাৰ আশা ।

*ফোন : ৮৩৫৬০৭৯৪৪২*

## পছন্দৰ সমষ্টি লাভ নকৰাত অসন্তুষ্ট পল্লৱী পেটেলে ঘূৰাই দিলে এছ পিৰ টিকট



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩ ফেব্ৰুৱাৰী ঃ** সমাজবাদী পাৰ্টি (এছ পি)ৰ সহযোগী কৃষ্ণা পেটেল নেতৃত্বাধীন আপনা দলৰ কে'বাজনো নেতাই নিজৰ পছন্দৰ সমষ্টিত টিকট লাভৰ পৰা বঞ্চিত হোৱাত অসন্তুষ্টি প্ৰকাশ কৰিছে। ছিৰাথু সমষ্টিত বিজেপিৰ প্ৰাৰ্থী কেশৱ প্ৰসাদ মৌৰ্যৰ বিৰুদ্ধে সমাজবাদী পাৰ্টিয়ে আপনা দলৰ পল্লৱী পেটেলক টিকট প্ৰদান কৰিছিল। কিন্তু নিজৰ পছন্দৰ সমষ্টিত প্ৰাৰ্থিত্ব লাভ নকৰাত পল্লৱীৰ স্বামীয়ে পংকজ নিৰঞ্জন পেটেলে এই টিকট দলক ওভতাই দিলে। এছ পি দলে কৃষ্ণা পেটেল নেতৃত্বাধীন আপনা দলৰ স'তে মৰ্চা গঠন কৰিছিল যদিও বৰ্তমানলৈকে দলে দাবী কৰা সমষ্টিৰ টিকট লাভত ব্যৰ্থ হোৱাত আপনা দলে সাতটা টিকট এছ পিক ওভতাই দিছে।

## এছ পিৰ প্ৰাৰ্থীয়ে কান্দি কান্দি ভোটদাতাক ক'লে ঃ বহুত হাৰিলো, এতিয়া হৰাৰ সাহস নাই




**নিউজ ব্যুৰ', নয়ডা, ৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশৰ নিৰ্বাচনত নিজৰ প্ৰচাৰ চলাবলৈ গৈ ভোটদাতাৰ মাজত পৰাজয়ৰ শংকাত চকুলো টুকিলে এজন প্ৰাৰ্থীয়ে। সমাজবাদী পাৰ্টি (এছ পি)ৰ নয়ডা সমষ্টিৰ প্ৰাৰ্থী সুনীল চৌধুৰীয়ে সমষ্টিবাসীক ভোট খুজিবলৈ গৈ এইদৰে চকুলো টুকিলে। পত্নী প্ৰীতি চৌধুৰীসহ প্ৰাৰ্থীজনে ভোটদাতাৰ ঘৰে ঘৰে গৈ নিজৰ প্ৰচাৰ চলাইছিল আৰু কৈছিল যে তেওঁ এতিয়ালৈকে বহুবাৰ নিৰ্বাচনত হাৰিলে আৰু এতিয়া হাৰিবলৈ তেওঁ সাহস নাই। চৌধুৰীয়ে চলোৱা প্ৰচাৰৰ এটা ভিডিঅ' ক্লিপ সামাজিক মাধ্যমত ভাইৰেল হৈছে আৰু এই ভিডিঅ'ত এছ পিৰ প্ৰাৰ্থীজনে কান্দি কান্দি ভোটদাতাসকলক উদ্দেশ্যি এইদৰে কয়, 'এতিয়া আৰু হাৰিবলৈ মোৰ সাহস নাই, বহুবাৰ মই পৰাজিত হ'লো।' এছ পি প্ৰাৰ্থীজনৰ এনে প্ৰচাৰৰ সন্দৰ্ভত বিৰোধীয়ে অভিযোগ কৰি কয় যে দৰাচলতে চৌধুৰীয়ে ভোটদাতাক আবেগিক কৰি সহানুভূতি লাভৰ কৌশল হিচাপে প্ৰচাৰত এনে আচৰণ প্ৰদৰ্শন কৰিছে।

## এইবাৰ কংগ্ৰেছেও গোৱাত প্ৰাৰ্থীক খুৱালে শপত



**নিউজ ব্যুৰ', পানাজী, ৩ ফেব্ৰুৱাৰী ঃ** যোৱা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলক দলত্যাগ আৰু দুৰ্নীতি নকৰাৰ শপতনামা দাখিল কৰিবলৈ আম আদমী পাৰ্টি (আপ)য়ে বাধ্য কৰোৱাৰ পাছত এইবাৰ কংগ্ৰেছেও প্ৰাৰ্থীসকলক শপত খুৱালে। কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ উপস্থিতিত গোৱাৰ কংগ্ৰেছ প্ৰাৰ্থীসকলে দলৰ প্ৰতি আস্থা অটুট ৰখাৰ বাবে শপত গ্ৰহণ কৰিলে। উল্লেখ্য যে আজি ৰাহুলে এদিনীয়া কাৰ্যসূচীৰে গোৱাত উপস্থিত হৈছিল। কংগ্ৰেছ সাংসদজনে দলৰ এখন নিৰ্বাচনী সভাতো অংশ লয়। আজি দুপৰীয়া কংগ্ৰেছৰ সকলো প্ৰাৰ্থীয়ে ৰাহুলৰ উপস্থিতিত 'আস্থাৰ শপত' গ্ৰহণ কৰে। উল্লেখ্য যে বিগত কেইটামান বছৰত গোৱাত কংগ্ৰেছৰ বিধায়কে দল সলনি কৰাৰ পৰিণতিত দলটো যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল। ২০১৯ত কংগ্ৰেছৰ ১০ জন বিধায়কে শাসকীয় বিজেপিত যোগদান কৰিছিল। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে সৰ্বাধিক ১৭ সমষ্টিত জয়লাভ কৰিছিল যদিও বৰ্তমানে গোৱাত কংগ্ৰেছৰ মাত্ৰ দুজন বিধায়কহে আছে।

## আজি দাখিল কৰিব মনোনয়ন, কিমান সম্পত্তিৰ অধিকাৰী যোগী ?




**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথে ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়নপত্ৰ দাখিল কৰিব। যোগীয়ে গোৰখপুৰ (চহৰ) সমষ্টিত এইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিব। যোগীৰ মনোনয়ন দাখিলৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, উত্তৰ প্ৰদেশৰ বিজেপিৰ প্ৰভাৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু ৰাজ্যিক বিজেপিৰ সভাপতি স্বতন্ত্ৰ দেৱ সিঙেও অংশ ল'ব। ২০১৭ত যোগীয়ে দাখিল কৰা শপতনামা অনুসৰি তেওঁৰ বেংকত ৩১ লাখ টকা জমা আছিল। তদুপৰি যোগীৰ দুখনকৈ এছ ইউ ভি গাড়ী আছে। যোগীৰ সম্পত্তিৰ তালিকাত এটা ৰিভলভাৰ, এটা ৰাইফল, ২০ গ্ৰামৰ কাণফুলি, ১০ গ্ৰামৰ সোণৰ চেইন আছে।

### পাঁচ সবাতোকৈ দাগী প্ৰাৰ্থীৰ বিৰুদ্ধে ৩৮ টালৈকে আছে গোচৰ, সমাজবাদীৰ ৭৫ শতাংশ প্ৰাৰ্থীয়ে অপৰাধী

# উত্তৰ প্ৰদেশৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ২৫ শতাংশ প্ৰাৰ্থী অপৰাধী




**নিউজ ব্যুৰ' লক্ষ্ণৌ, ৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ প্ৰথম পৰ্যায়ত নিৰ্বাচনত অহা ১০ ফেব্ৰুৱাৰীত ৫৮ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ৬২৩ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এইসকল প্ৰাৰ্থীৰ ৬১৫ জনৰ শপতনামাৰ তথ্য বিশ্লেষণ কৰি এছ'চিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)-এ এক প্ৰতিবেদন প্ৰকাশ কৰিলে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ১৫৬ প্ৰাৰ্থী অৰ্থাৎ ২৫ শতাংশৰ বিৰুদ্ধে অপৰাধৰ বিভিন্ন গোচৰ আছে। প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ মাজত ১২১ জনৰ বিৰুদ্ধে আছে অপৰাধৰ গুৰুতৰ গোচৰ। ১২ জন প্ৰাৰ্থীৰ বিৰুদ্ধে আছে মহিলাক নিৰ্যাতন চলোৱাৰ অভিযোগ। এজন প্ৰাৰ্থীৰ বিৰুদ্ধে আছে ধৰ্ষণৰ গোচৰ। আনহাতে, ছয়জন প্ৰাৰ্থীৰ বিৰুদ্ধে আছে হত্যাৰ দৰে গুৰুতৰ অভিযোগ। ৩০ জন প্ৰাৰ্থীৰ বিৰুদ্ধে আছে হত্যাৰ অপচেষ্টাৰ অভিযোগ। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ৫৮ সমষ্টিৰ ৩১ টা সংবেদনশীল হিচাপে চিনাক্ত কৰা হৈছে। অৰ্থাৎ এইকেইটা সমষ্টিত তিনি বা ততোধিক প্ৰাৰ্থীৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ গোচৰ আছে। সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী অতুল প্ৰধানৰ বিৰুদ্ধে আছে সৰ্বাধিক ৩৮ টা গোচৰ। ইয়াৰে ২৬ টা হৈছে গুৰুতৰ অপৰাধৰ অভিযোগ। আনহাতে, সমাজবাদী পাৰ্টিৰে প্ৰাৰ্থী যোগেশ বৰ্মাৰ বিৰুদ্ধে আছে দ্বিতীয় সৰ্বাধিক ৩২ টা অপৰাধৰ গোচৰ। বিজেপিৰ মনিন্দৰ পাল নামৰ প্ৰাৰ্থীজনৰ বিৰুদ্ধে আছে ১৮ টা অপৰাধৰ গোচৰ। কংগ্ৰেছৰ মহম্মদ ছলমান ইমতিয়াজৰ বিৰুদ্ধে আছে অপৰাধৰ ১৭ টা অভিযোগ। একেদৰে সমাজবাদী পাৰ্টিৰ নাহিদ হাছানৰ বিৰুদ্ধে পঞ্জীভুক্ত হৈ আছে ১৬ টাকৈ অপৰাধৰ গোচৰ। আনহাতে, ভূপেন্দ্ৰ সিং, দেবেন্দ্ৰ আগৰৱাল, অমৰ পাল, আৰিফ, নাজিম, মনমোহন ঝা নামৰ প্ৰাৰ্থীকেইজনৰ বিৰুদ্ধে আছে হত্যাৰ গোচৰ। সমাজবাদী পাৰ্টিৰ দুজন, এ আই এম আই এমৰ দুজন আজাদ সমাজ পাৰ্টিৰ এজন আৰু জন অধিকাৰ পাৰ্টিৰ এজন প্ৰাৰ্থীৰ বিৰুদ্ধে হত্যাৰ গোচৰ বিচাৰাধীন হৈ আছে।



## পাকিস্তানত দৈনিক সংক্ৰমণ ছয়হেজাৰলৈ বৃদ্ধি, ২৪ ঘণ্টাত ৪২ ৰোগীৰ মৃত্যু

**নিউজ ব্যুৰ' ইছলামাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** পাকিস্তানত আকৌ এইবাৰ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৫,৮৩০ জন লোক। ক'ভিডৰ সমগ্ৰ পৰ্বটোত পাকিস্তানত ১,৪৪,২২৬৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত পাকিস্তানত ক'ভিডৰ সংক্ৰমণে প্ৰাণ কাঢ়িলে ৪২ জন ৰোগীৰ। বৰ্তমানলৈকে দেশখনত ২৯,৩৭২ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। উল্লেখ্য যে পাকিস্তানত সম্প্ৰতি ক'ভিডৰ সংক্ৰমণৰ পঞ্চমটো ঢৌ অব্যাহত আছে। বুধবাৰে লাভ কৰা তথ্য অনুসৰি দেশখনৰ কৰাচী চহৰত ৫৪ শতাংশ বাসিন্দাই বৰ্তমানলৈকে কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ কৰা নাই।

## হাৰিয়ানাত ব্যক্তিগত চাকৰিত ৭৫ শতাংশ সংৰক্ষণৰ নিৰ্দেশত স্থগিতাদেশ আদালতৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ৩ ফেব্ৰুৱাৰী ঃ** হাৰিয়ানাৰ মনোহৰ সিং খট্টৰ চৰকাৰে ব্যক্তিগত খণ্ডৰ চাকৰিত স্থানীয় লোকৰ বাবে ৭৫ শতাংশ পদ সংৰক্ষণৰ বাবে প্ৰৱৰ্তন কৰা আইনত স্থগিতাদেশ আৰোপ কৰিলে পঞ্জাৱ-হাৰিয়ানা উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে গুৰুগ্ৰাম ইণ্ডাষ্ট্ৰিয়েল এছ'চিয়েচনে ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তক উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাই আবেদন দখল কৰিছিল। আজি উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তৰ পুনৰীক্ষণ জৰুৰী বুলি মত পোষণ কৰি ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা সংৰক্ষণৰ আইনত স্থগিতাদেশ জাৰি কৰে। আবেদনকাৰীয়ে আদালতত যুক্তি প্ৰদৰ্শন কৰি কয় যে ব্যক্তিগত খণ্ডৰ নিযুক্তি যোগ্যতা আৰু দক্ষতাৰ আধাৰত প্ৰদান কৰা হয়। যদিহে ব্যক্তিগত প্ৰতিষ্ঠানক কৰ্মচাৰী নিযুক্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হয় তেন্তে দেশৰ ব্যক্তিগত খণ্ডই কেনেকৈ আগবাঢ়িব পাৰিব বুলি গুৰুগ্ৰাম ইণ্ডাষ্ট্ৰিয়েল এছ'চিয়েচনে আদালতত প্ৰশ্ন উত্থাপন কৰে।

## এইবাৰ বায়ুসেনাত মহিলা যুঁজাৰু বৈমানিকক দিয়া হ'ব স্থায়ী নিযুক্তি

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় বায়ু সেনাত মহিলাই অংশগ্ৰহণৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ঘোষণা কৰা অনুসৰি ছবছৰ পূৰ্বে দেশত মহিলাক যুঁজাৰু বিমান চলোৱাৰ পৰীক্ষামূলক পদক্ষেপ গ্ৰহণ কৰা হৈছিল আৰু এইবাৰ ভাৰতীয় বায়ুসেনাত মহিলা যুঁজাৰু বৈমানিকক স্থায়ী নিযুক্তি প্ৰদান কৰা হ'ব। উল্লেখ্য যে ২০১৫ত মহিলাক যুঁজাৰু বিমানৰ বৈমানিক হিচাপে নিযুক্তি প্ৰদানৰ প্ৰথম সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। উক্ত পৰীক্ষামূলক নিযুক্তি এইবাৰ দেশৰ বায়ুসেনাত স্থায়ী কৰাৰ সিদ্ধান্ত ল'লে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। ২০১৬ত বায়ুসেনাত ১৬ গৰাকী মহিলা যুঁজাৰু বৈমানিকক পৰীক্ষামূলকভাৱে নিযুক্তি দিয়া হৈছিল আৰু এতিয়া তেওঁলোকৰ নিয়োগ স্থায়ী কৰা হ'ব।




## উত্তৰ প্ৰদেশৰ নিৰ্বাচনত নিমাত কিয় বি এছ পি নেত্ৰী মায়াৱতী ?

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ৩ ফেব্ৰুৱাৰী ঃ** দেশৰ সৰ্ববৃহৎ ৰাজ্য উত্তৰ প্ৰদেশত সম্প্ৰতি বিধানসভাৰ নিৰ্বাচনক লৈ ৰাজনীতি উত্তপ্ত হৈ আছে। কিন্তু এইবাৰৰ নিৰ্বাচনত যথেষ্ট নিষ্প্ৰভ আৰু নিমাত প্ৰত্যক্ষ হৈছে ৰাজ্যখনত চাৰিবাৰকৈ মুখ্যমন্ত্ৰী নিযুক্ত হোৱা বহুজন সমাজ পাৰ্টি (বি এছ পি)ৰ নেত্ৰী মায়াৱতী। নিৰ্বাচনলৈ মাত্ৰ আঠ দিন থকা অৱস্থাত মায়াৱতীয়ে কালি আগ্ৰাত প্ৰথমখন ৰেলীত অংশ লৈছিল। তিনি দশকৰো অধিক সময় ধৰি উত্তৰ প্ৰদেশৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি অহা দলিত নেত্ৰী মায়াৱতীয়ে এইবাৰৰ নিৰ্বাচনত বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰা নাই। উল্লেখ্য যে বিগত ১৫ বছৰ ধৰি ৰাজ্যখনত বি এছ পিয়ে কোনো বৃহৎ নিৰ্বাচনত জয়লাভ কৰা নাই। মায়াৱতীৰ ঘনিষ্ঠ



মহলে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি মূলতঃ দুটা কাৰণত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী এইবাৰৰ নিৰ্বাচনত একপ্ৰকাৰ নিষ্প্ৰভ হৈ আছে। প্ৰথমটো কাৰণ হৈছে উপাৰ্জনতকৈ মায়াৱতীৰ সম্পত্তিৰ পৰিমাণ অধিক। মায়াৱতী আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে সম্পত্তি আহৰণৰ কেলেংকাৰিৰ গোচৰ অব্যাহত আছে আৰু এই কাৰণতে বি এছ পি নেত্ৰীয়ে এইবাৰৰ নিৰ্বাচনত মুক্তভাৱে বিজেপিৰ বিৰোধিতা কৰিব পৰা নাই। দ্বিতীয়তে ৬৬ বছৰীয়া মায়াৱতীয়ে স্বাস্থ্যজনিত কাৰণতো নিৰ্বাচনত সক্ৰিয় হ'ব পৰা নাই। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বি এছ পি নেত্ৰীয়ে পূৰ্বৰ দৰে নিৰ্বাচনত উঠি পৰি লাগিবলৈ সফল হোৱা নাই।




## পুনৰ দেশত ঊৰ্ধ্বমুখী ক'ভিডৰ সংক্ৰমণ, মৃত্যু ১,০০৮ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ ফেব্ৰুৱাৰী ঃ** দেশৰ ক'ভিডৰ দৈনিক সংক্ৰমণ বৃহস্পতিবাৰে পুনৰ বৃদ্ধি পালে। অৱশ্যে দৈনিক আক্ৰান্তৰ সংখ্যা বৰ্তমানেও দুই লাখৰ তলত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল এক লাখ ৭২ হেজাৰ ৪৩৩ জন লোক। কালিৰ তুলনাত আজি দেশৰ দৈনিক সংক্ৰমণ ৬.৮ শতাংশ বৃদ্ধি পালে। ইফালে, যোৱা ২৪ ঘণ্টাত ক'ভিডে দেশত পুনৰ ১,০০৮ জন লোকৰ প্ৰাণ কাঢ়িলে। বিগত এদিনত দেশত সুস্থ হৈ উঠিল দুই লাখ ৫৯ হেজাৰ ১০৭ জন লোক। কেৰল কেৰালাতে বিগত এদিনত ৫০০ জন লোকৰ মৃত্যু হ'ল।

## ৰুছ-ইউক্ৰেইন সংঘাতৰ আঁৰত আছে আমেৰিকাৰ তেলৰ খেল ঃ দাবী বিশেষজ্ঞৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সম্প্ৰতি যি সংঘাত ব্যাপক হৈ উঠিছে ইয়াৰ অন্তৰালৰ এক কাৰণ হৈছে ক্ৰিমিয়া। আনহাতে, দ্বিতীয়টো কাৰণ হৈছে নাটো। ইউক্ৰেইনক নাটোৰ অন্তৰ্ভুক্ত কৰাৰ তীব্ৰ বিৰোধিতা কৰি আহিছে ৰাছিয়াই। এই দুটা কাৰণৰ বাদেও ৰুছ আৰু ইউক্ৰেইনৰ সংঘাতৰ আঁৰত তৃতীয় এটা কাৰণ নিহিত হৈ আছে আৰু এই কাৰণটো হৈছে ইউৰোপলৈ



ৰাছিয়াই কৰি অহা গেছ আৰু তেলৰ ৰপ্তানি। বৰ্তমানে এই তৃতীয় কাৰণতহে ৰুছ-ইউক্ৰেইনৰ সংঘাত তীব্ৰ হৈ উঠিছে। আমেৰিকাই মূলতঃ তেলৰ কাৰণতে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘাত বৃদ্ধি অপচেষ্টাত লিপ্ত হৈছে। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ ৰাছিয়ান, চেণ্ট্ৰেল এছিয়ান ষ্টাডিজৰ অধ্যাপিকা অনুৰাধা চিনয়'ৰ বিশ্লেষণ অনুসৰি মূলতঃ তেলৰ কাৰণতে আমেৰিকাই ইউক্ৰেইন প্ৰসংগত সম্প্ৰতি অধিক সক্ৰিয় হৈ উঠিছে। অধ্যাপিকা চিনয়'ৰ মতে সমগ্ৰ ইউৰোপে গেছ আৰু তেলৰ সৰবৰাহৰ ক্ষেত্ৰত ৰাছিয়াত নিৰ্ভৰ কৰি আহিছে। আমেৰিকাই ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত সংঘাত বৃদ্ধি কৰিব বিচাৰিছে যাতে ইউৰোপলৈ ৰাছিয়াৰ তেল আৰু গেছৰ যোগান বাধাগ্ৰস্ত হয়। ৰাছিয়াৰ পৰিৱৰ্তে ইউৰোপলৈ তেল আৰু গেছৰ যোগানৰ দায়িত্ব আমেৰিকাই ল'বলৈকে এই কূটকৌশল অৱলম্বন কৰা বুলি অধ্যাপিকা চিনয়ে' অভিযোগ কৰিছে। ইউৰোপলৈ গেছ যোগানৰ বাবে ৰাছিয়াই যি পাইপলাইন প্ৰকল্প গ্ৰহণ কৰিছে, ইয়াক বাধাগ্ৰস্ত কৰিবলৈকো আমেৰিকাই ইতিমধ্যে ৰাছিয়াক হুংকাৰ দিছে। ৰাছিয়াৰ এই অভিলাষী গেছ পাইপলাইন প্ৰকল্পৰ প্ৰতি সঁহাৰি নিদিবলৈ জাৰ্মানীকো বিশেষ হেঁচা দি আহিছে আমেৰিকাই।

## পাকিস্তানী সেনাক ভয়াৱহ আক্ৰমণ, বালুচিস্তানত বিদ্ৰোহ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ বালুচিস্তান প্ৰদেশত দাউ দাউকৈ জ্বলিবলৈ ধৰিছে বিদ্ৰোহৰ জুই। স্বাধীনতাৰ দাবীত পাকিস্তানী সেনাৰ বিৰুদ্ধে ব্যাপক বিদ্ৰোহ আৰম্ভ কৰিলে বালুচ বিদ্ৰোহীয়ে। এনে পৰিস্থিতিত পাকিস্তানী সেনা বাহিনীৰ দুটা ঘাটিত ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে স্বাধীনতাকামীয়ে। প্ৰকাশিত বাতৰি অনুসৰি বালুচ বিদ্ৰোহীয়ে চলোৱা আক্ৰমণত এজন পাকিস্তানী সেনাসহ পাঁচজন লোকৰ মৃত্যু হ'ল। বালুচ বিদ্ৰোহীয়ে চলোৱা এই আক্ৰমণৰ তথ্য প্ৰকাশ কৰি পাক সেনাই জনোৱা অনুসৰি বালুচিস্তান প্ৰদেশৰ পাঞ্জগোৰ অঞ্চলত সেনাৰ দুটা ঘাটিত সন্ত্ৰাসবাদীয়ে আক্ৰমণৰ চলাইছিল। সংঘৰ্ষত চাৰিজন আক্ৰমণকাৰীৰ মৃত্যু হোৱাৰ বিপৰীতে প্ৰাণ হেৰুৱালে এজন পাক সৈনিকে। সেনাই দাবী কৰা অনুসৰি সফলতাৰে সন্ত্ৰাসবাদীৰ উক্ত আক্ৰমণ প্ৰতিহত কৰা হৈছিল। ইফালে, নিজৰ টুইটাৰ হেণ্ডেলত বালুচ বিদ্ৰোহী সংগঠন বালুচিস্তান নেচনেল আৰ্মিয়ে উক্ত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি বিদ্ৰোহ ব্যাপক কৰি তোলাৰ ইংগিত দিলে। যোৱা সপ্তাহতো বালুচ বিদ্ৰোহীৰ আক্ৰমণত কমেও ১০ জন পাকিস্তানী সেনা নিহত হৈছিল।

## ৰাছিয়াক হেঁচাত ৰাখিবলৈ দুহেজাৰ মাৰ্কিন সৈনিকক পোলেণ্ড-জাৰ্মানীলৈ কৰিব প্ৰেৰণ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ ফেব্ৰুৱাৰী ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ইউক্ৰেইন সংঘাতৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। বাইডেনে হোৱাইট হাউছত পেণ্টাগনৰ শীৰ্ষ বিষয়াৰ স'তে এখন জৰুৰী বৈঠকত অংশ লোৱাৰ পাছত তৎকালীনভাৱে দুহেজাৰ মাৰ্কিন সৈনিকক জাৰ্মানী আৰু পোলেণ্ডলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰকাশিত বাতৰি অনুসৰি বাইডেনৰ নিৰ্দেশৰ পাছত অতি সোনকালে উক্ত দেশ দুখনলৈ ৰাওণা হ'ব মাৰ্কিন সৈনিক। ইফালে, ৰাছিয়াই ইউক্ৰেইনক তিনি ফালৰ পৰা আগুৰি ধৰিছে। আমেৰিকা আৰু নাটোৰ আশংকা অনুসৰি ৰুছ সেনাই বেলাৰুছ সীমান্তইদি ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰাৰ সম্ভাৱনা আছে। বৰ্তমানে বেলাৰুছ সীমান্তত ১৩ হেজাৰ ৰুছ সৈনিকে বাহৰ পাতি আছে। ইফালে, ব্ৰিটেইন আৰু কানাডায়ো দায়ী ইউক্ৰেইনলৈ নিজ দেশৰ সেনা প্ৰেৰণৰ প্ৰস্তাৱত অনুমোদন জনালে।




## আমেৰিকাৰ এয়াৰ ষ্ট্ৰাইকত ছিৰিয়াত প্ৰাণ হেৰুৱালে ১৩ নিৰীহ নাগৰিকে



**নিউজ ব্যুৰ', বেইৰুট, ৩ ফেব্ৰুৱাৰী ঃ** আমেৰিকাৰ বিশেষ অভিযান বাহিনীয়ে আজি পুৱাতে ছিৰিয়াত অলকাইদাৰ নেতাক লক্ষ্য হিচাপে লৈ এক এয়াৰ ষ্ট্ৰাইক অভিযান চলাইছিল। আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগে দাবী কৰা অনুসৰি এই অভিযান সফল হ'ল। কিন্তু ঘটনাস্থলীৰ পৰা লাভ কৰা প্ৰতিবেদনৰ তথ্য অনুসৰি আমেৰিকাৰ এয়াৰ ষ্ট্ৰাইকত শিশুসহ ১৩ জন নিৰীহ নাগৰিকৰ মৃত্যু হ'ল। তদুপৰি এই অভিযানত আন কে'বাজনো নিৰীহ লোক গুৰুতৰভাৱে আহত হৈছে। 'ৱাশ্বিংটন প'ষ্ট'ৰ প্ৰতিবেদন অনুসৰি ছিৰিয়াত কৰ্মৰত অসামৰিক নিৰাপত্তা সংস্থা হোৱাইট হেলমেটছে জনোৱা মতে, আমেৰিকাই ছিৰিয়াৰ ইডলিব প্ৰদেশত বিমানৰে বোমাবৰ্ষণ কৰি চলোৱা উক্ত অভিযানত ১৩ জন লোক নিহত হয়। নিহতৰ মাজত ছজন শিশু আৰু চাৰিগৰাকী মহিলা আছে।

## বিশ্বত পুনৰ ৩০.২৭ লাখ লোক কৰ'নাত সংক্ৰমিত, ১১,৯৫৭ৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ ফেব্ৰুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ কৰ'নাত সংক্ৰমিত হ'ল ৩০.২৭ লাখ লোক। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিশ্বত পুনৰ ১১,৯৫৭ জন ক'ভিড ৰোগীৰ প্ৰাণ কাঢ়িলে বিগত এদিনত। অৱশ্যে ইয়াৰ মাজতে বৃহস্পতিবাৰে বিশ্বৰ বিভিন্ন দেশত কৰ'নামুক্ত হ'ল ২৪.৩৯ লাখ লোক। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত ৩.১৫ লাখ আক্ৰান্তৰে শীৰ্ষত আছে ফ্ৰান্স। সংক্ৰমণৰ তালিকাত দ্বিতীয় স্থানত থকা আমেৰিকাত যোৱা ২৪ ঘণ্টাত অধিক সংক্ৰমিত হ'ল ৩.০২ লাখ লোক। আনহাতে, ২.২৩ লাখ নতুন আক্ৰান্তৰে দৈনিক সংক্ৰমণত তৃতীয় স্থানত আছে জাৰ্মানী। বিগত এদিনত বিশ্বৰ ভিতৰতে সৰ্বাধিক ২,৯৯০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল আমেৰিকাত। ফ্ৰান্সত ২৭৬ আৰু জাৰ্মানীত ১৭৪ ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে বিগত এদিনত। বৰ্তমানে বিশ্বত ৭.৪১ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.৮৮ কোটি সক্ৰিয় কৰ'না ৰোগী। বিশ্বত বৃহস্পতিবাৰলৈকে ৩০.৫২ কোটি লোক ক'ভিডত সংক্ৰমিত আৰু ৫৭.১৮ লাখ লোকৰ মৃত্যু হ'ল।

## চন্দ্ৰশেখৰৰ দাবীৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া বি এছ পিৰ ঃ সংবিধান তেওঁৰ ব্যক্তিগত সম্পত্তি নেকি ?



**নিউজ ব্যুৰ', হায়দৰাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** তেলেংগানাৰ মুখ্যমন্ত্ৰী তথা তেলেংগানা ৰাষ্ট্ৰ সমিতি (টি আৰ এছ)ৰ মুৰব্বী কে চন্দ্ৰশেখৰ ৰাওৱে দেশৰ সংবিধান নতুনকৈ ৰচনা কৰাৰ বাবে জনোৱা দাবীক লৈ ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰাক্তন বিষয়া আৰু বহুজন সমাজ পাৰ্টি (বি এছ পি)ৰ তেলেংগানাৰ মুখ্য সমন্বয়ৰক্ষক আৰ এছ প্ৰবীণ কুমাৰে আজি তেলেংগানাৰ মুখ্যমন্ত্ৰীক কঠোৰভাৱে সমালোচনা কৰিলে। কুমাৰে কয় যে সংবিধান হৈছে আমাৰ দেশৰ ৭৫ বছৰৰ এক গৌৰৱময় সম্পদ। ভাৰতীয় সংবিধান তেলেংগানাৰ মুখ্যমন্ত্ৰী চন্দ্ৰশেখৰৰ ব্যক্তিগত সম্পত্তি নহয় যে তেওঁ ইয়াৰ পৰিৱৰ্তনৰ দাবী কৰিব পাৰে। টুইটাৰত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কুমাৰে আজি কয়, 'আমাৰ দেশৰ সংবিধান সলনি কৰাৰ কোনো প্ৰয়োজন নাই। অৱশ্যে হয়, টি আৰ এছত থকা কে চি আৰৰ দৰে নেতাক সলনি কৰাটো জৰুৰী হৈছে। কিয়নো তেওঁ সকলো সাংবিধানিক প্ৰতিষ্ঠানক লঘু কৰি আহিছে আৰু দেশৰ কোটি কোটি নাগৰিকক পণবন্দী কৰি নিজৰ ভয়ংকৰ অভিসন্ধি পূৰণ কৰিব বিচাৰিছে। দেশৰ সংবিধান কে চি আৰৰ ব্যক্তিগত সম্পত্তি নহয়।' উল্লেখ্য যে এদিন পূৰ্বে তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে দাবী উত্থাপন কৰি কৈছিল যে ভাৰতৰ সংবিধান নতুনকৈ ৰচনা কৰাৰ সময় উপস্থিত হৈছে আৰু এই দাবী বাস্তৱত ৰূপায়ণ কৰিবলৈ তেওঁ দেশজুৰি এক অভিযান চলাব।



# ধৰ্মীয় ৰীতি-নীতি, চিন্তাৰ মুক্তি আৰু দেশৰ প্ৰগতি



আছুতীয়া চিন্তা

জয়কান্ত শৰ্মা (কনিষ্ঠ)

**ভাৰত** ভূমিৰ অগণন ধৰ্মই ভাৰতীয় মানুহক 'মানৱ সম্পদ'ৰূপে কোনো দিন গঢ়ি তুলিব পৰা নাই। ভক্তি ধৰ্মত গদগদ্ পৰম ভক্তৰূপত গঢ় দিছে মাত্ৰ। এলাহ, সোৰোপালি আৰু অকৰ্মণ্যতা আনি দিছে মানৱ হৃদয়ত। শ্ৰদ্ধা-ভক্তিমান ভকতৰ দেশ ভাৰতবৰ্ষত গুৰুৰ বাণীয়ে অমৃত সুধা— মৃত সঞ্জীৱনী। ধৰ্মৰ বাণী আৰু গুৰু বাক্য উলংঘা কৰাৰ অৰ্থ হ'ল পাপ সাগৰত বুৰ মৰা। ৰৌ ৰৌ নৰকত পৰা কথাহে।

গতিকে মানুহে তেনে কুকৰ্ম কিয় কৰিব? পুণ্য আৰু জ্ঞান অৰ্জনাৰ্থে ধৰ্ম গ্ৰন্থ আৰু গুৰু বচনক মান্যতা দি স্বৰ্গ প্ৰাপ্তিৰ প্ৰত্যাশাত জীৱন ব্যতিত কৰি আহিছে আৰু কৰি থাকিব। অৰ্থ-সম্পদত ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে আটাইতকৈ গৰিব দেশৰ মানুহ হ'লে কি হ'ল ধৰ্মততো আমি ধনী! দেশৰ হেজাৰ -বিজাৰ ধৰ্ম আৰু পন্থাবোৰ হৈছে আমাৰ বাবে সোণৰ খনি।

কিন্তু আমি ভাবো ভাৰতৰ ধৰ্মীয় নীতি-আদৰ্শ আৰু শিক্ষাই ভাৰতীয় মানুহৰ চিন্তাৰ উৎকৰ্ষ সাধনত সদায় বাধা হৈ দেখা দিছে। মানুহক অন্ধবিশ্বাসী, ৰক্ষণশীল আৰু সংকীৰ্ণমনা হ'বলৈ বাধ্য কৰিছে বুলি ক'লে কাৰোবাৰ আপত্তি থাকিব পাৰে নেকি বাৰু? কোনোবাই আমাক নাস্তিক নতুবা অধৰ্মী বুলি গালি দিব নেকি? আমাক ধৰ্ম বিৰুদ্ধ বা অনাচাৰী বুলিও ক'ব পাৰে অৱশ্যে। কওক। সমালোচনা কৰক। আমি ভাল পাম। শুভেচ্ছা জ্ঞাপন কৰিম প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বাবে। কোনোদিন প্ৰতিবাদ নকৰো। যুক্তি, চিন্তাৰ মুক্তি আৰু প্ৰতিবাদৰ সুৰ আমাৰ অন্তৰত কোনো দিন নাবাজে। বাজে মাথোঁ বৈৰাগ্যৰ সুৰ (ধন-সম্পদ কৰি লোৱাৰ পাছত)। বাজে ঐক্যতান (সমাজত চলাৰ পথ সুগম কৰাৰ বাবে) আৰু বাজে তোষামোদ, তৈলমৰ্দনৰ সুৰ। আৰু চলে মাথোঁ গুৰু-ভকতৰ গুণানুকীৰ্তন।

সকলোৰে জনা কথাটো হ'ল ভাৰতভূমিত ধৰ্ম আৰু ধৰ্মীয় পন্থাৰ সীমা-সংখ্যা নাই। সনাতন ধৰ্ম, বৌদ্ধ ধৰ্ম, জৈন ধৰ্ম, শিখ ধৰ্ম ইত্যাদিবোৰৰ কুৰিটামান পন্থা-হিনযান, মহাযান, শাক্ত, শৈৱ, অনুকূল, ইস্কন, প্ৰজাপতি ব্ৰহ্মকুমাৰী, সৎসংগবিহাৰ ইত্যাদি। ইফালে, প্ৰব্ৰজিত ধৰ্ম খ্ৰীষ্টান আৰু ইছলাম ধৰ্ম আছেই। জড়বাদী, প্ৰকৃতি পূজাক, সাপ, বাঘ, শিল আদিক পূজা কৰা লোকো কম নহয়। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট নৱ বৈষ্ণৱ ধৰ্মৰ শাখা সত্ৰ, সংঘ, কৃষ্ণ গুৰু, দামোদৰীয়া আদি পন্থাই অসমীয়াক ক্ষুদ্ৰ ক্ষুদ্ৰ আঞ্চলিক ধৰ্মৰ ৰূপত ভকতক ভাগ ভাগ কৰি জেদ আৰু প্ৰতিযোগিতাৰ মৈদানত (আমাক) এনেদৰে থিয় কৰাইছে যে আমি হয় প্ৰতিদ্বন্দ্বিতাত জিকিব লাগিব নহ'লে হীনমন্যতাত ভুগি হতাশা-নিৰাশাৰে জীৱন নিৰ্বাহ কৰিব লাগিব। শাক্ত-শৈৱ পন্থাৰো বিলাস-বৈভৱৰ অন্ত নাই। বলি-বিধানৰ সীমা নাই। হিচাপ নাই ধৰ্মীয় ক্ৰিয়া-কৰ্মৰ।

এতিয়া প্ৰশ্ন হ'ল—ধৰ্মৰ উদ্দেশ্য যদি হয় সমাজত শান্তি-শৃংখলা বজাই ৰাখি সুখৰ পৰিসৰ বৃদ্ধি কৰা, তেন্তে কোনটো ধৰ্ম বা পন্থা ইয়াৰ বিৰুদ্ধ? ধৰ্মৰ কোনটো পথ বা শাখাই মানৱীয় প্ৰমূল্যক নস্যাৎ কৰে? ধৰ্মই প্ৰকৃততে মানুহক শ্ৰদ্ধা-ভক্তি আৰু সন্মান কৰিব শিকাই নে এজনে আনজনক ঘৃণা কৰিব শিকায়। ধৰ্মই প্ৰকৃতপক্ষে আমাৰ মাজত আত্মীয়তা বৃদ্ধি কৰিছে নে বিৰোধ-বৈষম্য সৃষ্টিৰে অস্পৃশ্যতাক প্ৰশ্ৰয় দি এজনক আনজনৰ পৰা আঁতৰাই নিছে?

এনেবোৰ প্ৰশ্নৰ উত্তৰ আমি প্ৰত্যেকেই জানো। সময়ত, কাৰ্যক্ষেত্ৰত আমি তেনেদৰে আচৰণো কৰো। কিন্তু সামাজিকভাৱে উত্তৰ দিয়া সময়ত আমি ভাও ধৰো। ভাও ধৰা নম্ৰতাই আমাক ইমান সাধু-সন্ত কৰি পেলাই যেন আমাৰ অন্তৰত কোনো বিভেদ-বৈষম্য নাই। আমি ধৰ্মীয় নীতি (সনাতন সত্যক) আখৰে আখৰে পালন কৰো। আমি গংগাৰ জলৰ দৰে পৱিত্ৰ। আমাৰ হৃদয় মানস সৰোবৰৰ পানীৰ দৰে নিৰ্মল। মন-মস্তিষ্ক নিকা আমি অনুসৰণ কৰা ধৰ্ম বা পন্থাতো উদাৰ, সহিষ্ণু আৰু সৰল। আমাৰ ধৰ্ম মহান। সৰ্বশ্ৰেষ্ঠও।

তেন্তে আমাৰ পালনীয় ধৰ্ম বা পন্থা বা পথৰ মাজৰ কেৰোণবোৰ ক'ত? কি কাৰণে আমি সহাঅৱস্থান কৰিব নোৱাৰো? এটা পন্থাই আন এটাৰ লগত একেখন মেজত বহি এসাঁজ ভাত সমিলমিলৰে খাব নোৱাৰো কি কাৰণে? একেখন মঞ্চত আমি বিনাদ্বিধাই কিয় উপবিষ্ট হ'ব নোৱাৰো।

মানুহে মানুহক ঘিণ কৰা, অস্পৃশ্যতাক প্ৰশ্ৰয় দিয়া আৰু উচ্চ-নীচৰ প্ৰাচীৰ তৈয়াৰ কৰা ধৰ্ম আৰু ৰীতি পৰম্পৰা আমাক কিয় লাগে? প্ৰকৃততে আমাৰ ইমানবোৰ ধৰ্ম পন্থা বা ধৰ্মগুৰু কিয় লাগে?

আকৌ কৈছো, ভাৰতত ধৰ্ম আৰু পন্থা অনুসৰণকাৰীৰ সীমা-সংখ্যা নাই। জাত-বৰ্ণ-সম্প্ৰদায়ৰো হিচাপ নাই। কিন্তু প্ৰকৃত ধাৰ্মিক লোকো বেছি নাই। ভাৰতীয়ৰ মাজত চিন্তাৰ মুক্তি নাই। প্ৰাচীন চিন্তা, ভাৱধাৰা আৰু ভাবনা-কল্পনাখিনিকে পাগুলি থকাৰ বাহিৰে নতুন কথা একো নাই। ধৰ্ম গুৰুৰ বাণী, ধৰ্মীয় ৰীতি-পৰম্পৰা আৰু উপাসনা পদ্ধতিকে বিনাবাক্যব্যয়ে পালন কৰা অভ্যাসৰ বাহিৰে যুক্তি-বিচাৰপূৰ্ণ প্ৰশ্ন উত্থাপন কৰা বিবেকবান ব্যক্তি পাবলৈ নাই। তেনে সাহসী লোকো নাই।

ভাৰতৰ সমাজ ব্যৱস্থাত আছো মাথোন গড্ডলিকা প্ৰবাহ। ভেৰাৰ পালৰ দৰে আমি পূৰ্বৰ পথকে অনুসৰণ কৰিছো মাত্ৰ। ক'লৈ গৈ আছো, কি কৰি আছো তালৈ ভ্ৰূক্ষেপ নাই। নাই অলপো সচেতনতা। হেজাৰ হেজাৰ বছৰ আগতে পূৰ্বপুৰুষে গঢ়ি থৈ যোৱা ৰীতি-পৰম্পৰাতে আজিও আমি মৰকামোৰ দি লাগি আছো। সেইবোৰ গতিশীল নে স্থবিৰ, উদাৰ নে ৰক্ষণশীল তাকো ভাবি চোৱাৰ আহৰি নাই আমাৰ। ইচ্ছাও নাই। হেজাৰ বছৰ পুৰণি ধৰ্মীয় উপদেশ বা নীতি শিক্ষা আজিও আমাৰ অক্ষত বুলি ভাবি থাকো আমি কি কাৰণে?

যিটো সময়ত বিজ্ঞানৰ সূত্ৰ সলনি হয়, কৰ্ম পদ্ধতিৰ পৰিৱৰ্তন হয়, জীৱন-যাপন প্ৰণালী বদলি যায় তেনে সময়ত ধৰ্মীয় বাণী বা গুৰুবাক্য নতুবা শাস্ত্ৰৰ কথাবোৰ অপৰিৱৰ্তনীয় বুলি ভাবি থকাৰ যুক্তি ক'ত?

ধৰ্মীয় আবেগে বিবেকক প্ৰায়ে পৰাজিত কৰে। ধৰ্ম সদায় সামাজিক আৰু সাম্প্ৰদায়িক ৰূপত প্ৰতিফলিত হয়, কিন্তু সমাজ বা সম্প্ৰদায়ৰ বিবেক বোলা বস্তু নাথাকে। থাকে মাত্ৰ আবেগ। আৰু থাকে ধৰ্মীয় বা সাম্প্ৰদায়িক উত্তেজনা। বিবেক সম্পূৰ্ণ ব্যক্তিগত বস্তু। ব্যক্তিগত বিচাৰ-বিবেচনা সাম্প্ৰদায়িক আবেগ-উত্তেজনাৰ আক্ৰমণত সদায় ধৰাশায়ী হয়। ধৰাশায়ী হোৱাৰ কথাই। কাৰণ আবেগে বিবেক নষ্ট কৰে। আবেগৰ বশৱৰ্তী হৈ চলা সম্প্ৰদায় বা ধৰ্মীয় গোট এটাই এজনীয়া কথা বা যুক্তিক মান্যতা নিদিয়ে। মান্যতা নিদিয়াৰো কাৰণ হ'ল মানুহে কাৰো ওচৰত কোনো প্ৰকাৰে সৰু হ'ব নোখোজে। হাৰ মানিবও নোখোজে। আটাইতকৈ ডাঙৰ কথাটো হ'ল সমাজক পৰিৱৰ্তন কৰিব খোজা মানুহজনেও নিজক অলপো পৰিৱৰ্তন কৰিব নোখোজে। সলনি কৰিব নোখোজে নিজৰ চিন্তাৰ গণ্ডী। নিজৰ দোষ, ভুল আৰু কুকৰ্মৰ কথা স্বীকাৰ কৰা লোক বেছি নাই—বৰ কম।

আজিৰ জটিল আৰু কুটিল পৰিস্থিতিত ক্ষমাৰ ভাবেৰে সদয় হৈ কথা কৈ তৰ্কযুদ্ধত জিকা লোক প্ৰায় নাই। আছে বহুত খাম-খেয়ালিৰে ভৰা বিকৃত মানসিকতাৰ লোক, যিবোৰে গাৰ বলেৰে বিন্ধ্য পৰ্বত লৰাব খোজে, পেশী বলেৰে পশুত্ব প্ৰকট কৰিব খোজে অৱশ্যে নিজে ক'ব নোৱাৰাকৈ। বহুত মানুহৰতো নিজৰ ওপৰতে বিশ্বাস নাথাকে। আৰু নাথাকে নিয়ন্ত্ৰণ। এনেবোৰ কাৰণতে সমাজত শান্তিৰ সলনি অশান্তিয়ে বিৰাজ কৰে সৰ্বত্ৰ। সুখৰ সংজ্ঞাই বদলি যায় বিকৃত সুখ ভোগত মত্ত হোৱা হেতুকে।

আমাৰ মানুহৰ ধৰ্মাচৰণ আৰু জীৱন পদ্ধতিও পাতিহাঁহকেইজনীৰ দৰে একে। ক্ষুদ্ৰ ক্ষুদ্ৰ পৰিসৰত সময়ান্তৰত অৱতাৰ লোৱা ধৰ্মগুৰুৰ উপাদেশ-পৰামৰ্শ আদিকে আপ্ত বাক্য গুণি তাকেই পালন কৰি থাকি নতুনক অৱজ্ঞা কৰো। নতুন চিন্তা-চৰ্চাক আমাৰ মন-মগজুত ঠাই দিব নোখোজো। নতুন বা আধুনিক মানে বেয়া, ব্যভিচাৰ আৰু ভ্ৰান্ত ধাৰণা বুলি তাক অগ্ৰাহ্যও কৰা হয়। ৰক্ষণশীলসকলৰ মতে পুৰণি হ'ল সোণৰ খনি। মানুহৰ ভাগ্য মেৰামতি কৰা গ্ৰহ হ'ল বৃহস্পতি, ৰবি আৰু শনি।

এতিয়া পাতি হাঁহকেইজনীৰ লগত যদি মুক্তভাৱে বিচৰণ কৰা বনৰীয়া ৰাজহাঁহৰ তুলনা কৰো তেতিয়া আমাৰ কিছু বোধ উপজিব যে আমি কিমান ঠেক মনৰ, কিমান সংকীৰ্ণ আৰু জীৱন-যাপনৰ পৰা কি ৰূপে বঞ্চিত। বনৰীয়া ৰাজহাঁহৰ জীৱন পৰিক্ৰমা আৰু ভ্ৰমণ পৰিসৰ দেশৰে নহয় মহাদেশৰ সীমাকো চেৰাই যায়। ৰাজহাঁহৰ জীৱন সদায় গতিশীল, পৰিৱৰ্তনশীল আৰু বিস্তৃত। এখন দেশৰ প্ৰাকৃতিক পৰিৱেশত ওপজি আন এখন দেশত জীৱন নিৰ্বাহ কৰি, ভ্ৰমি ভিন্ন ৰুচিৰ খাদ্য খাই অনন্য অভিজ্ঞতাৰে পুষ্ট হয়। দেহ-মন শক্তিশালী হয়। বিভিন্ন দেশৰ ভিন্ন পৰিৱেশে বনহংসক প্ৰভাৱশালীও কৰিছে। পাতিহাঁহকেইজনী একা?

পাতিহাঁহকেইজনীয়ে নলাৰ পাৰত বা পুখুৰীৰ পানীতে বহি-সাঁতুৰি সান্ত্বনা লৈছে— 'একো নোপোৱাতকৈ কীট-পতংগই ভাল। পুখুৰী বা নলাটোৱে আমাৰ বাবে গংগা-ব্ৰহ্মপুত্ৰ, নীল-নৰ্মদা। ভুস্বৰ্গৰ অলকানন্দা।'

আমাৰ মানুহৰো পাতিহাঁহ কেইজনীৰ দৰে জীৱন পৰিক্ৰমা তেনেই ঠেক। জ্ঞানৰ পৰিসৰো সংকীৰ্ণ। আমি অধ্যয়ন বিমুখ। কিতাপ পঢ়াৰ মানসিকতা আমাৰ বহুতৰ মাজত নাই। সাহিত্য দৰ্শন, বিজ্ঞান-প্ৰযুক্তি আদি গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আমি অনুভৱ নকৰো। ধৰ্মীয় গ্ৰন্থ কিনা আৰু পঢ়াতহে আগ্ৰহ দেখুৱাও। বহুতৰ ঘৰত ধৰ্মীয় গ্ৰন্থ ড্ৰয়িংৰূমৰ 'শ্বকেছত' সজাই থোৱা দেখিছো। তেওঁলোকে তাকে কৰি সম্ভৱতঃ সাত্ত্বিকতা দেখুৱাই নতুবা ধাৰ্মিক পৰিয়ালৰ নমুনা সমাজৰ আগত দাঙি ধৰে।

অৱশ্যে ধৰ্মগ্ৰন্থ কিনা আৰু পঢ়াৰ আন এটা কাৰণো থাকিব পাৰে। আমি জনাত ধৰ্মগ্ৰন্থ হয় সদায় ৰসাল, মনোৰঞ্জনধৰ্মী আৰু চিন্তাৰহিত। প্ৰায় সকলোবোৰ ধৰ্মগ্ৰন্থ সাধু কথাৰে সমৃদ্ধ। ল'ৰামতীয়া কল্পনা, ভাৱবাদী দৰ্শন আৰু অতিৰঞ্জন সকলোবোৰ শাস্ত্ৰত বিদ্যমান। সহজ ভাষাৰে সৰল বৰ্ণনা দাঙি ধৰা ঋষি-মুনি, সাধু-সন্ত আৰু ৰজা-সম্ৰাটৰ জীৱন বৃত্তান্তই সাধাৰণ মানুহৰ কৌতূহল বঢ়াই তোলে। অলৌকিকতাই উৎসুকতা বৃদ্ধি কৰে। সেই কাৰণে হবলা ধৰ্মগ্ৰন্থ মানুহে আগ্ৰহেৰে পঢ়ে। 'হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে বহে অমৃতৰ নদী'— এনেহেন কথাৰে ভৰা ৰসজ্ঞ শাস্ত্ৰ মানুহে নপঢ়ি পাৰেনে!

সাধাৰণতে মানুহে বাস্তৱতাৰ পৰা পলায়ন কৰি কল্প ৰাজ্যত বাস কৰি বহুখিনি সুখ-সুৰক্ষিত অনুভৱ কৰে। প্ৰভুৰ আলোচনা বা অধ্যয়নে নিৰাপদ আৰু চিন্তামুক্ত কৰিও তোলে। কিন্তু মৌলিক সাহিত্য, দৰ্শন শাস্ত্ৰ বা বিজ্ঞানৰ কিতাপ পঢ়ি মানুহে তেনে সুখ-সুৰক্ষিত অনুভৱ নকৰে, বৰঞ্চ কিছুমান প্ৰশ্নহে উদয় হয় মনত যিবোৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ কাৰো হাতত নাই। নিজেও উত্তৰ বিচাৰি উলিওৱা টান হৈ পৰে। সেই বাবেই মূল-মৌলিক বা জটিল কিতাপ নপঢ়ি ধৰ্মগ্ৰন্থতে নিৰ্বিকল্প আশ্ৰয় বিচাৰি লয় প্ৰায় ভাগ মানুহে।

প্ৰকৃততে জ্ঞান-বিজ্ঞান, সাহিত্য-দৰ্শন আদিৰ অভিজ্ঞতা নথকা অজ্ঞলোকৰ বাবেইতো ধৰ্ম। যুক্তিহীনতা আৰু অজ্ঞতাই হ'ল ঈশ্বৰৰ আৱাস। ভুৱা, ভ্ৰান্ত ধাৰণা আৰু ভ্ৰমতে ভগৱানৰ নিবাস। অজ্ঞতা, অশিক্ষা (প্ৰকৃত শিক্ষা নোপোৱা) আৰু অন্ধবিশ্বাসৰ ভূস্বৰ্গ ভাৰতবৰ্ষত ভগৱানে শান্তিৰে ৰাজ চলাব পাৰে। যুগে যুগে ঈশ্বৰে অৱতাৰ ধৰি মানুহক চমক লগাবও পাৰে। সাধাৰণ প্ৰজা কিয় ৰজা-মহাৰজা, আৰু আজিৰ ৰাজনৈতিক নেতাকো ভ্ৰমিত কৰি ঈশ্বৰে প্ৰভুত্ব চলাই গৈছে অসুবিধা নোপোৱাকৈ।

আমাৰ ৰাজনৈতিক নেতাগণেও অজ্ঞতাকে প্ৰকাশ কৰি প্ৰভুত শৰণ লৈ দেশ শাসন কৰি গৈছে। ধৰ্মীয় ৰীতি-নীতিক প্ৰাধান্য দি ৰাম পূজন, ভূমি পূজন, গো সুৰক্ষাকে শ্ৰেষ্ঠতা মানি মানুহ আৰু প্ৰকৃতিৰ কথা পাহৰি পেলাইছে। মানৱ ধৰ্ম এৰাই চলিছে। নেতাগণে মানুহকে ঠগিছে, দেশৰ সম্পদকে লুটিছে, ৰঙা-বগা চন্দনৰ ফোঁট কপাল ঢাকি লগাই মানুহকে প্ৰলোভন দি গৈছে সুশাসনৰ। এনেকুৱা কথা-কাণ্ডৰে নেতাগণে দেশৰ প্ৰগতি আনিব পাৰিবনে মানুহৰ সদ্‌গতি বঢ়াই তুলিব?

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# ইছলামৰ দৃষ্টিত পোহৰ আৰু আন্ধাৰ

ইকবাল হুছেইন

**দেশত** ৰাজনৈতিক নেতা তথা ধৰ্মীয় গুৰুৰ জন্ম দিৱস, মৃত্যু দিৱস অতি ধুমধামেৰে উদ্‌যাপন কৰা দেখা যায়। আচলতে বিশ্ববাসী, যিসকল মনীষী (বিজ্ঞানী)ৰ ওচৰত চিৰঋণী যেনে ৰাইট ভ্ৰাতৃদ্বয়, আইনষ্টান, নিউটন, গেলিলিঅ', মাৰ্কনি, জন লগি বিয়াৰ্ড আদিসকলৰ উক্ত দিনবোৰ বিশ্ববাসীয়ে অতি আগ্ৰহেৰে উদ্‌যাপন কৰি, বিজ্ঞান প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰা উচিত। এই হেন বিজ্ঞানীসকলক বিশ্বত ইছলাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে মুছলিম বুদ্ধিজীৱী তথা আলিম সমাজে বিজ্ঞানক হেয় জ্ঞান কৰি তুচ্ছ-তাচ্ছিল্য কৰা পৰিলক্ষিত হয়। মুছলিম পণ্ডিতসকলে দাবী কৰা মতে কোৰানত এহেজাৰমান বিজ্ঞান বিষয়ক আয়াত (বাক্য) আছে, যিবোৰ আধুনিক বিজ্ঞানীসকলে অনুসৰণ কৰি পাৰদৰ্শিতা দেখুৱাইছে। এই ক্ষেত্ৰত অসমত আমিনুদ্দিন আহমেদ, ড° ফয়েজুৰ ৰহমান, ফজল আলী আহমেদৰ দৰে অনেক মুছলিম বুদ্ধিজীৱী, সাংবাদিকে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। যিবোৰ আয়াতক বিজ্ঞানসন্মত বুলি দাবী কৰি অহা হৈছে, সেইবোৰ প্ৰকৃততে বিজ্ঞানসন্মত হয় নে নহয়, তাক সন্দেহৰ দৃষ্টিভংগীৰে চোৱাৰ নিশ্চয় অৱকাশ আছে। দুই-চাৰিজন মুছলিম বা অমুছলিম পণ্ডিত বা বিজ্ঞানীয়ে কোৰানৰ আয়াত, বিজ্ঞানসন্মত বুলি স্বীকৃতি প্ৰদান কৰিলেও বিজ্ঞানসন্মত নহ'বও পাৰে যদিহে আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মঞ্চই পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা স্বীকৃতি প্ৰদান নকৰে। কাৰণ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বিজ্ঞান উপদেষ্টা, কম্পিউটাৰ বিজ্ঞানী, প্ৰফেচাৰ ড° ডেভিড গেলেৰণ্টাৰ আৰু সাংবাদিক, মাইকেল ৰিকে নীল আৰ্মষ্ট্ৰঙৰ 'চন্দ্ৰ অভিযান' বিভিন্ন যুক্তিৰে ভুৱা বুলি প্ৰমাণ কৰিব বিচাৰিছিল যদিও বিশ্বই সেয়া গ্ৰহণ কৰিছিল নে? ঠিক তেনেদৰে কোৰানৰ আয়াত মুষ্টিমেয় কেইজনমানে স্বীকৃতি প্ৰদান কৰিলেও সেয়া বিজ্ঞানসন্মত নহ'বও পাৰে। অসমৰ এগৰাকী স্বনামধন্য বিজ্ঞানী লিখক মঃ ফজল আলী আহমেদৰ দ্বাৰা ৰচিত গ্ৰন্থ 'আধুনিক



বিজ্ঞানত কোৰানৰ অৱদান' শীৰ্ষক গ্ৰন্থত যিবোৰ বিষয় বিজ্ঞানসন্মত বুলি দাবী কৰা হৈছে সেইবোৰৰ ওপৰত পুনৰ পৰ্যালোচনাৰ লগতে কিছু অন্যান্য গ্ৰন্থৰ উদ্ধৃতিৰ জৰিয়তে পাঠক সমাজলৈ আগবঢ়ালে আৰু বিনম্ৰ অনুৰোধ কৰিলো যাতে সিবোৰ যুক্তিসহকাৰে গ্ৰহণ কৰে। 'আধুনিক বিজ্ঞানত কোৰানৰ অৱদান' অথচ স্কুল-কলেজ, বিশ্ববিদ্যালয়ৰ কোনো ছাত্ৰ-ছাত্ৰী, শিক্ষকে বিজ্ঞানৰ পাঠ্যক্ৰম অধ্যয়নৰত অৱস্থাত কেতিয়াও এটা কোৰানৰ বাণী পঢ়িবলৈ নোপোৱাটো পৰিতাপৰ বিষয়। এই লেখাৰ পাতনিত, প্ৰথমে আল্লাই কোৰানত আন্ধাৰ আৰু পোহৰ সম্পৰ্কে কি কয় তাক এবাৰ ডিজিটেল তুলাচনীত জুখিবলৈ প্ৰয়াস কৰিলো।

আল্লাই চুৰা-আন, আমৰ এক নম্বৰ আয়াতত কোৱা সকলো প্ৰশংসা আল্লাহৰ বাবেই যিজনে আকাশ আৰু পৃথিৱী সৃষ্টি কৰিছে, আন্ধাৰ আৰু পোহৰো সৃষ্টি কৰিছে' বাক্যশাৰীৰ যথাৰ্থতা বিচাৰ কৰিবলৈ চেষ্টা কৰিম। আচলতে পোহৰ কি? পোহৰ এবিধ কটন কণিকা, পোহৰ এবিধ তৰংগ। পোহৰ এবিধ শক্তি যাৰ দ্বাৰা জীৱে দৃষ্টিশক্তি লাভ কৰে। পোহৰৰ দ্বাৰা কাৰ্য সংঘটিত কৰিব পৰা যায়। এবিধ শক্তি আন শক্তিলৈ ৰূপান্তৰ কৰা যায়। পোহৰ শক্তিকো আন শক্তিলৈ পৰিৱৰ্তন কৰিব পাৰি। পোহৰৰ বাস্তৱ অস্তিত্ব আছে। পোহৰ সত্যৰ প্ৰতীক। পোহৰ জ্ঞানৰ প্ৰতীক। মানৱ সভ্যতাৰ আটাইতকৈ প্ৰয়োজনীয় উপাদানেই হ'ল পোহৰ। পোহৰ নিজে দৃশ্যমান নহয়, আন পদাৰ্থৰ উপস্থিতিত পোহৰে ক্ৰিয়া কৰে। পোহৰে বিশ্বখন জীৱন্ত কৰি তোলে। পোহৰ অবিহনে বিশ্ব অচল। পোহৰ অবিহনে জীৱৰ অস্তিত্ব সুদূৰ পৰাহত। পোহৰ জীৱৰ খাদ্য প্ৰস্তুতকাৰী। পোহৰ নোহোৱা বিশ্বৰ ধাৰণা কল্পনাতীত তথা অমূলক। পোহৰৰ গুণাৱলী তথা উপকাৰিতা অসীম।

আনহাতে, আন্ধাৰ কোনো প্ৰকাৰৰ শক্তি নহয়। ইয়াক শক্তিলৈ পৰিৱৰ্তন কৰিব নোৱাৰি। আন্ধাৰৰ দ্বাৰা কোনো কাৰ্যসিদ্ধি নহয়। আন্ধাৰ অজ্ঞানতাৰ প্ৰতীক। কুসংস্কাৰৰ প্ৰতীক। অত্যধিক পোহৰৰ অনুপস্থিতিৰ নাম আন্ধাৰ। ইয়াৰ কোনো বাস্তৱ অস্তিত্ব নাই। পোহৰৰ উপস্থিতিত ই বিলীন হৈ যায়। কিন্তু পোহৰ থকা অঞ্চলত অনুনয়-বিনয় তথা বলপ্ৰয়োগ কৰিও আন্ধাৰক তাত উপস্থিত কৰাব নোৱাৰি। যি বস্তুৱে পোহৰৰ সকলো অংশ (ৰং) শোষণ কৰি ধৰি ৰাখে আৰু কোনো ৰং প্ৰতিফলিত নকৰে সেই বস্তু কলা আৰু ক'লা মানে আন্ধাৰ অৰ্থাৎ ক'লা বস্তুৰ পৰা কোনো পোহৰ নাহে। সেয়ে ক'লা বস্তু অভ্যাগতভাৱে যদিও দেখা বুলি কওঁ, বিজ্ঞানৰ ভাষাত ক'লা বস্তু দেখা নাযায় যিটো বিজ্ঞানসন্মতভাৱে প্ৰমাণ কৰিব পাৰি। পাঠকসকলে খন্তেক সময়ৰ চকু দুটা মুদি দিলে তৎক্ষণাত তেওঁলোকে অন্ধকাৰত নিমজ্জিত হৈ পৰিব আৰু বিশ্বৰ অস্তিত্বই নোহোৱা হৈ পৰিব। অন্ধ বা জন্মান্ধসকললৈ মন কৰক, তেওঁলোকে গোটেই জীৱন অন্ধকাৰৰ মাজেৰেই অতিবাহিত কৰে। অন্ধকাৰ এক উপলব্ধিৰ বিষয়, মগজুৰ নিষ্ক্ৰিয়তাৰ নাম অন্ধকাৰ।

যি অঞ্চলৰ পৰা পোহৰ নাহে, সেই অঞ্চলত কেৱল আন্ধাৰেই ৰাজত্ব কৰি থাকে। পদাৰ্থ শূন্য অঞ্চলো আন্ধাৰ। বিশ্বৰ ৯৮ শতাংশ অঞ্চল পদাৰ্থ শূন্য অঞ্চল।

বাকী দুই শতাংশ অঞ্চলত হাতীপটিৰ দৰে দুই, এটা দ্বীপ বিশ্ব অ'ত-ত'ত সিঁচৰতি হৈ আছে। পদাৰ্থ সৃষ্টিৰ বাবে ঈশ্বৰৰ প্ৰয়োজন থাকিলেও পদাৰ্থশূন্য অঞ্চল সৃষ্টিৰ বাবে কোনো ঈশ্বৰৰ প্ৰয়োজন নাই নিশ্চয়। সেয়ে আন্ধাৰ সৃষ্টিৰ বাবে ঈশ্বৰৰ প্ৰয়োজন নহয়। বিশ্ব সৃষ্টিৰ মূল কাৰক ঈশ্বৰ। ঈশ্বৰ সৃষ্টিৰ ক্ষেত্ৰত কোনো কাৰকৰ প্ৰয়োজন নাই। ঈশ্বৰ সৃষ্টিৰ যিহেতু কাৰণ বিচাৰি পোৱা নাযায়, সেয়ে কিছু সংখ্যকে ভাবিব খোজে যে কাৰণ অবিহনে যিদৰে ঈশ্বৰৰ অস্তিত্ব মানি লোৱা হয় ঠিক তেনেদৰে কাৰণ অবিহনে বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্বক স্বীকাৰ কৰি লোৱাৰ কোনো অসুবিধা নাই। যদি সেয়াই হয়, বিশ্ব সৃষ্টিৰ পূৰ্ব অৱস্থাৰ বিষয়ে কোনেও অৱগত নহয় যদিও তাত অন্ধকাৰে বিৰাজ কৰিছিল সেয়া ধ্ৰুৱ। গতিকে আন্ধাৰ সৃষ্টিৰ বাবে ঈশ্বৰৰ প্ৰয়োজন নাথাকিল। কোৰানত উল্লেখ কৰা আন্ধাৰ সৃষ্টিৰ ধাৰণা অমূলক হৈ পৰিল।

'আল কুৰান, জ্ঞান-বিজ্ঞান আৰু মুছলমান' (লিখক ড° আতোৱাৰ ৰহমান) নামৰ কিতাপৰ ৫৯ পৃষ্ঠাত চুৰা নাহলৰ ৪৮ নম্বৰ আয়াতৰ উদ্ধৃতি দি লিখিছে, সিহঁতে কি লক্ষ্য নকৰে আল্লাহৰ সৃষ্টবস্তুৰ প্ৰতি, তাৰ ছাঁবোৰে কেনেদৰে আল্লাহৰ প্ৰতি বিনীতভাৱে ছিজদাহত অৱনত হৈ সোঁ আৰু বাঁওফালে ঢলি পৰে? আকাশ মণ্ডলী আৰু পৃথিৱীত যিমান জীৱ আছে সিমান ফিৰিস্তা আছে সকলোৱে আল্লাহৰ প্ৰতি ছিজদাত অৱনত হয়। কোনেও অৱজ্ঞা আৰু অবাধ্যতা নকৰে।' 'প্ৰাণহীন বস্তু আনকি তাৰ ছাঁয়ো আল্লাহক বুজিব পাৰে আৰু তাক ছিজদা কৰে... বস্তুৰ ছাঁ বস্তুটোৰ চাৰিওপিনে মাটিৰ ওপৰত ঘূৰে আৰু বিনীতভাৱে আল্লাহৰ প্ৰশংসাত ছিজদাত অৱনত থাকে।'

ছাঁ আৰু আন্ধাৰ সমপৰ্যায়ৰ প্ৰাকৃতিক পৰিঘটনা। পোহৰৰ গতি সদায় সৰল ৰৈখিক। পোহৰৰ গতিপথত থকা প্ৰতিবন্ধকৰ বিপৰীত ফালে যি কম পোহৰ পৰা অঞ্চল আমি দেখিবলৈ পাওঁ সেয়াই হ'ল বস্তুটোৰ ছাঁ। ছাঁ অঞ্চলত পোহৰৰ উপস্থিতি অতি নগণ্য। সমদল দাপোণত আমাৰ যি হুবহু প্ৰতিবিম্ব দেখা পাওঁ বাস্তৱতে তাৰ কোনো অস্তিত্ব নাথাকে। ঠিক সেইদৰে ছাঁ অঞ্চল পোহৰৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰ কৰে। গছ এজোপা বা খুঁটি এটা হালি পৰিব পাৰে; কিন্তু ছাঁ হাউলি পৰি বা ঢলি পৰি আল্লাহৰ প্ৰতি ছিজদাও অৱনত হোৱা একেবাৰেই অবাস্তৱ। কাৰণ ছাঁ সদায় পোহৰৰ উৎসৰ বিপৰীত দিশত সৃষ্টি হয়, ই সোঁফালে হালি পৰাৰ কাৰণ বিচাৰি পোৱা নাযাব। তদুপৰি চৰাই বা উৰাজাহাজ বহু সময়ত ভূপৃষ্ঠ স্পৰ্শ কৰিব নোৱাৰে। গ্ৰহ-উপগ্ৰহৰ ছাঁ মহাশূন্যৰ মাজেদি বহু লাখ কোটি কিলোমিটাৰ দূৰত্বলৈ বিস্তীৰ্ণ হৈ থাকে যিবোৰৰ ছাঁ কোনো পৰ্দাত পৰিবলৈ সুযোগ নাপায়। সূৰ্য আৰু চন্দ্ৰ গ্ৰহণৰ সময়ত কাচিৎহে পৃথিৱীৰ ছাঁ চন্দ্ৰপৃষ্ঠত আৰু চন্দ্ৰৰ ছাঁ পৃথিৱীত পৰে। এটা গ্ৰহৰ ছাঁ অন্য এটা গ্ৰহৰ ওপৰেদি পাৰ হৈ যোৱা ঘটনা হেজাৰ বছৰত সংঘটিত হোৱাৰ সম্ভাৱনা অতি ক্ষীণ। এইবোৰৰ ছাঁবোৰে কিনো অপৰাধ কৰিছে যাৰ বাবে হালি পৰি ছিজদা কৰিব নোৱাৰিব। আল্লাহৰ দৃষ্টিভংগী অতি ক্ষীণ। আন্ধাৰে আল্লাহৰ এবাদত কৰে বুলি কোৱা নাই। আন্ধাৰ আৰু ছাঁ সম পৰ্যায়ৰ কেৱল আন্ধাৰত পোহৰৰ উপস্থিতিৰ হাৰ অতি নগণ্য।

ড° আতোৱাৰ ৰহমানে পদাৰ্থ বিজ্ঞানৰ মানুহ হৈও ছাঁ আৰু বস্তুক একে শাৰীতে স্থান দিছে। আল্লাহৰ সৃষ্ট সকলো বস্তুৱে (জড় আৰু জীৱ) আল্লাহৰ তচবীহ পাঠ কৰে কিন্তু ছাঁ, যিটোক কোনো বস্তু বুলি গণ্য কৰা নহয় তাৰ মাজত অতীন্দ্ৰিক গুণ বিচাৰি পোৱাটো সঁচাকৈয়ে হাস্যকৰ। তেওঁ লিখিছে যে ছাঁ বস্তুটোৰ চাৰিওপিনে মাটিৰ ওপৰত ঘূৰে। এই ক্ষেত্ৰত পোহৰৰ উৎসটো নিশ্চয় বস্তুটোৰ চাৰিওপিনে ঘূৰিব লাগিব তেতিয়াহে ই সম্ভৱ হ'ব। পোহৰৰ উৎস সূৰ্যটোৰ প্ৰতি ইংগিত কৰিয়ে আল্লাই উক্ত আয়াতটো নাজিল কৰিছিল নিশ্চয়। পৃথিৱীৰ যিকোনো বস্তুৰ ক্ষেত্ৰত ই অসম্ভৱ। তেওঁৰ কিতাপখন যেতিয়া মোৰ হাতত পৰিছিল তেতিয়া এখন উৎকৃষ্ট প্ৰামাণিক দলিল পোৱা বুলি ভাবিছিলো কিন্তু সেই বিশ্বাস অটুট নাথাকিল। চুৰা আন্ নাজিয়াতৰ ২৯ নম্বৰ আয়াতত কোৱা হৈছে যে ৰাতিক কৰা হৈছে অন্ধকাৰাচ্ছন্ন আৰু দিনক আলোকময় কৰা হৈছে। পৃথিৱীৰ আৱৰ্তনৰ বাবে যিফালে সূৰ্যৰ পোহৰ পৰে তাৰ নাম দিন আৰু বিপৰীত ফালে পোহৰ নপৰা অঞ্চলক ৰাতি বোলা হৈছে। পোহৰ পৰে বাবেই তাৰ নাম দিন, দিনক আকৌ আলোক উজ্জ্বল কৰাৰ প্ৰয়োজন নাই। পোহৰ নপৰা অঞ্চলতহে পোহৰৰ প্ৰয়োজন। ৰাতিক অন্ধকাৰাচ্ছন্ন কৰিলেও পূৰ্ণিমাৰ ৰাতি পোহৰেৰে আলোকিত হৈ থাকে। যদিও চন্দ্ৰক পোহৰ বুলি উল্লেখ আছে তথাপি উক্ত আয়াত নাজিল কৰাত সতৰ্কতাৰ অভাৱ পৰিলক্ষিত হয়। ক্ৰমশঃ

# জন্ম, জন্মান্তৰবাদ আৰু মোক্ষপ্ৰাপ্তি

জ্যোতিষ চন্দ্ৰ দত্ত

**যোৱা** ২৯ জানুৱাৰী শনিবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'জন্ম, জন্মান্তৰ আৰু মোক্ষপ্ৰাপ্তি'- শীৰ্ষক নিৱন্ধটোৰ নিৱন্ধকাৰ জয়কান্ত শৰ্মা (কনিষ্ঠ)ই শ্ৰীমদ্ভাগৱত গীতাৰ দৰ্শনৰ ওপৰত আলোকপাত কৰি নিজৰ চিন্তাধাৰাৰে কিছু মন্তব্য আগবঢ়াইছে। গীতাৰ দৰ্শন বুজিবলৈ অৰ্জুনৰ দৰে শিষ্যৰ প্ৰয়োজন। যাৰ গাত অৰ্জুনৰ দৰে গুণসমূহ আছে, তেওঁহে গীতাৰ জ্ঞান লাভ কৰিবৰ বাবে আটাইতকৈ উপযুক্ত পাত্ৰ। শৰ্মাৰ গাত অৰ্জুনৰ গুণসমূহ থকাৰ অনুমান কৰিব পাৰিছো। তেওঁ গীতাৰ দৰ্শন জনাৰ উপযুক্ত পাত্ৰ বুলি বোধ হৈছে। শৰ্মাই আঠটা গীতাৰ শ্লোকৰ কথা এই নিবন্ধটোত উল্লেখ কৰিছে। এই শ্লোককেইটাৰ বিশ্লেষণ কৰাৰ পূৰ্বে শ্ৰীমদ্ভাগৱত গীতা সম্বন্ধে কিছু আভাস দাঙি ধৰা হ'ল।

বেদৰ তত্ত্বদৰ্শনৰ আধাৰত ১৩খন উপনিষদ সৃষ্টি হ'ল। উপনিষদেই বেদান্ত সূত্ৰ বা ব্ৰহ্মসূত্ৰ আৰু গীতা উভয়ৰে আধাৰ স্বৰূপ। সেইবাবে গীতা আৰু বেদান্ত দুয়োৰে সুৰ একে হোৱাতো স্বাভাৱিক। গীতাই প্ৰকৃতিক, ব্ৰহ্মৰ দুটা ভাব বুলিও কৈছে। তাৰে এটা ভাৱক অপৰাভাব, জড় প্ৰকৃতি বা অপৰা প্ৰকৃতি বুলিছে। প্ৰকৃতিৰ আনটো ভাৱক পৰাভাব বা চেতন পৰা প্ৰকৃতি বোলা হৈছে। ইয়াৰ পৰা প্ৰকৃতি বা পৰাভাব আৰু অপৰা প্ৰকৃতি বা অপৰাভাবৰ মূল চৈতন্য সত্ত্বাটোকে গীতাত পুৰোষোত্তম তত্ত্ব বোলা হৈছে। পুৰুষোত্তম স্বয়ং জড় আৰু চেতন উভয় জগতৰে অতীত অথচ দুয়োটা অৱস্থাতে তেওঁ নিজকে প্ৰকাশ কৰিছে। পুৰুষ আৰু প্ৰকৃতি বা পৰাভাব আৰু অপৰাভাব দুয়োটাই তেওঁৰ বিভুতি মাত্ৰ।

ভৌতিক অস্তিত্বৰ অজ্ঞতাৰ পৰা মানৱ সমাজক উদ্ধাৰ কৰাটোৱেই শ্ৰীমদ্ভাগৱত গীতাৰ উদ্দেশ্য। প্ৰতিজন ব্যক্তিয়ে বিভিন্ন প্ৰকাৰে সমস্যাৰ লগত জড়িত হৈ আছে। যিদৰে কুৰুক্ষেত্ৰৰ ৰণাংগনত যুঁজ দিবলগীয়া হোৱা বাবেই অৰ্জুন সমস্যাত পৰিছিল। অৰ্জুনে শ্ৰীকৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰিছিল আৰু তেওঁক গীতাৰ বাণীৰে অজ্ঞানতা দূৰ কৰি জ্ঞানৰ পোহৰ বিলাই কৰ্তব্যত আত্মনিয়োগ কৰাইছিল। গীতাত সন্নিৱিষ্ট পবিত্ৰ বাণীৰে প্ৰতিজন ব্যক্তিয়ে নিজৰ সমস্যা সমাধান কৰি পবিত্ৰ জীৱন যাপন কৰিব পাৰে।

গীতাৰ ১৮টি অধ্যায় একেই যোগসূত্ৰৰে গঠা। প্ৰথম ছয়টি অধ্যায় জীৱাহাৰৰ ওপৰত আৰু কৰ্মযোগৰ আধাৰ। প্ৰথম অধ্যায়টোকে 'বিষদ যোগ' বোলা হৈছে। কাৰণ এই বিষাদৰ মাজেৰেও ভগৱান শ্ৰীকৃষ্ণৰ লগত যোগ স্থাপন হৈছে। মাজৰ ছয়টি অধ্যায় ব্ৰহ্মাণ্ডীয় বাস্তৱতাৰ বিষয়ে, যাক কোৱা হয়, 'জ্ঞান যোগ' শেষৰ ছটি হ'ল 'ভক্তিযোগ'। এই তিনি ভাগত দেখা যায় যে প্ৰথমে আত্মা, তাৰ পাছত পৰমাত্মা আৰু শেষত আত্মা আৰু পৰমাত্মাৰ সম্পৰ্ক।

জয়কান্ত শৰ্মাই এই নিৱন্ধটোত আঠটা গীতাৰ শ্লোক উল্লেখ কৰি জন্ম, মৃত্যু, পুনৰ্জন্ম মোক্ষ আদি ঘটনাক অন্যদৃষ্টিৰে লক্ষ্য কৰা বুলি উল্লেখ কৰিছে। শ্ৰীমদ্ভাগৱত গীতাৰ সংস্কৃত আৰু অসমীয়া ভাঙনি তলত দাঙি ধৰা হ'ল—

সাংখ্যযোগ (শ্লোক নম্বৰ ২২)  
বাসাংসি জীৰ্ণানি যথা বিহায়  
নৱানি গৃহ্নাতি নৰোহপৰানি।  
তথা শৰীৰাণি বিহায় জীৰ্ণানি  
অন্যানি সংয়াতি নৱানি দেহী।

**অসমীয়া ভাঙনি ঃ** 'এজন মানুহে পুৰণি পোছাকবোৰ পৰিত্যাগ কৰি নতুন বস্ত্ৰ বা পোছাক পৰিধান কৰে, ঠিক তেনেদৰে জীৱাত্মাটোৱেও বৃদ্ধ আৰু জৰাজীৰ্ণ হৈ পৰা শৰীৰ ত্যাগ কৰি নতুন পাৰ্থিৱ দেহ ধাৰণ কৰে।'

সাংখ্যযোগ (শ্লোক নম্বৰ ২৭)  
জ্ঞাতস্য হি ধ্ৰুবো মৃত্যুধ্ৰুৱং জন্ম মৃত্যুস্য চ।  
তস্মাদ্ অপৰিহায়ে অৰ্থে ন ত্বং শোচিতুং অহৰ্সিং।।

**অসমীয়া ভাঙনি ঃ** 'যিজনৰ জন্ম হ'ল, তেওঁৰ যে মৃত্যু হ'বই সেই কথা নিশ্চিত। আৰু যিজনৰ মৃত্যু হ'ল, তেওঁ যে আকৌ জন্ম ল'ব সেই কথাও নিশ্চিত। গতিকে তোমাৰ অনিবাৰ্য কৰ্তব্য পালনৰ ক্ষেত্ৰত তুমি শোক কৰাতো উচিত নহয়।'

সাংখ্যযোগ (শ্লোক নম্বৰ ২৮)  
অব্যক্ত আদীনি ভূতানি ব্যক্ত মধ্যানি ভাৰত।  
অব্যক্ত নিধনানি এৱ তত্ৰ কা পৰিৱেদনা।।

**অসমীয়া ভাঙনি ঃ** সৃষ্টি হোৱা সকলো প্ৰাণীয়েই আদিতে প্ৰকাশ নোপোৱাকৈ থাকে, মাজৰ সময়খিনিত মাত্ৰ প্ৰকাশ পায় আৰু ধ্বংস হোৱাৰ পাছতে আকৌ অপ্ৰকাশিত (অৰ্থাৎ অদৃশ্য) হৈ পৰে, গতিকে এই ক্ষেত্ৰত শোক কৰাৰ কি প্ৰয়োজন?'

জ্ঞানযোগ (শ্লোক নম্বৰ-৯)  
জন্ম কৰ্ম চ সে দিব্যম, এৱম যঃ বেণ্ডি তত্ত্বতঃ।  
ত্যক্ত্বা দেহং পুনৰ্জন্ম ন এতি মাম্ এতি সং অৰ্জুন।।

**অসমীয়া ভাঙনি ঃ** 'হে অৰ্জুন, যিজন মোক এনে ধৰণৰ দিব্য আৱিৰ্ভাৱ আৰু কৰ্মৰ বিষয়ে যথাযথভাৱে জানে, তেওঁ পাৰ্থিৱ দেহ-ত্যাগ কৰাৰ পাছত এই জড় জগতত পুৰ্নজন্ম ল'বলগীয়া নহয় বৰঞ্চ তেওঁ মোৰ সনাতন ধৰ্মলৈ গতি কৰে।'

সাংখ্যযোগ (শ্লোক নম্বৰ ২৩)  
নৈনং ছিন্দন্তি শস্ত্ৰানি নৈনং দহতি পাৱক ঃ।  
ন চৈনং ক্লেদয়ান্ত আপঃ ন শোষয়তি মাৰুতঃ।।

**অসমীয়া ভাঙনি ঃ** 'আত্মাটোক কেতিয়াও কোনো অস্ত্ৰই কাটি খণ্ড খণ্ড কৰিব নোৱাৰে, জুয়ে পুৰিব নোৱাৰে, পানীও তিয়াব নোৱাৰে বা বতাহেও শুকাব নোৱাৰে।'



সাংখ্যযোগ (শ্লোকনম্বৰ ২৪)  
অচ্ছেদ্যঃ অয়ম্ অদাহ্যঃ অয়ম্ অক্লেদ্যঃ অশোচ্য এৱ চ।  
নিত্যঃ সৰ্বগতঃ স্থানুঃ অচলঃ অয়ম্ সনাতনঃ।।

**অসমীয়া ভাঙনি ঃ** 'জীৱাত্মাটোক ছেদন কৰিব নোৱাৰি, পুৰিব নোৱাৰি, তিয়াব নোৱাৰি বা শুকুৱাব নোৱাৰি। ই চিৰকলীয়া, ই সৰ্বত্ৰ বিৰাজমান। এয়া পৰিৱৰ্তন নহয়। ইয়াক যেনি-তেনি নিব নোৱাৰি আৰু ই চিৰকাল একেদৰেই থাকে।''

কৰ্মসন্ন্যাস যোগ ( শ্লোক নম্বৰ ১৭)  
তদ বুদ্ধয়ঃ তদ্ আত্মনঃ তৎ নিষ্ঠাঃ তৎপৰায়ণ ঃ।  
গচ্ছন্তি অপুনঃ আবৃত্তিং জ্ঞাননিৰ্ধুত কন্মষাঃ।।

**অসমীয়া ভাঙনি ঃ** 'যিসকলৰ বুদ্ধি, মন, বিশ্বাস কেৱল পৰতত্ত্বতেই আৰোপিত হৈ থাকে আৰু যিসকলে কেৱল পৰতত্ত্বতেই আশ্ৰয় লয়, তেনে লোকসকলক পৰিপূৰ্ণ জ্ঞানেই সকলো সংশয়ৰ কালিমা দূৰ কৰি দিয়ে আৰু তেনে লোকে পোনে পোনে মোক্ষ লাভ কৰে।''

অক্ষৰব্ৰঞ্জ যোগ (শ্লোক নম্বৰ-১৫)  
মামং উপেত্য পুনঃ জন্ম দুঃখঃ আলয়ম্ অশাশ্বত্তম্।  
আপ্লুৱন্তি মহাত্মান ঃ সংসিদ্ধিং পৰমাং গতাঃ।।

**অসমীয়া ভাঙনি ঃ** 'মোক লাভ কৰাৰ পাছত ভক্তি যোগী মহাত্মাসকলে এই অস্থায়ী আৰু দুঃখেৰে পৰিপূৰ্ণ পৃথিৱীখনলৈ কেতিয়াও ঘূৰি নাহে, কাৰণ তেওঁলোকে পৰম সিদ্ধি লাভ কৰিছেই।'

জয়কান্ত শৰ্মাৰ মনত উদয় হোৱা ভাবৰ আঁত ধৰি তলৰ কথাখিনি উল্লেখ কৰা হ'ল—

ঈশ্বৰ বা ভগৱান বা পৰমাত্মা বা পৰম ব্ৰহ্ম বা কৃষ্ণ এটা সৰ্বশক্তিমান শক্তি। শক্তিৰ পৰা অনুআত্মা বা জীৱাত্মা সৃষ্টি হয়। এই সৰ্বশক্তিমান শক্তি নিৰ্গুণ, নিৰাকাৰ। মাত্ৰ এই শক্তিটোক ধাৰণা বা অনুধাৱন কৰিব পাৰি। এই শক্তিটোৱে সমস্ত জগত নিয়ন্ত্ৰণ কৰি আছে। গতিকে জন্ম, মৃত্যু এই শক্তিটোৱে নিয়ন্ত্ৰণ কৰি আছে।

এজন মানুহ শোকত ভাগি পৰিছে। সেই শোকাগ্ৰস্ত মানুহজনক সান্ত্বনা দিবলৈ গীতাৰ এই মহৎ বাণী মহা ঔষধ। গীতাৰ এই মহৎ বাণী যেতিয়া মানুহজনে উপলব্ধি কৰিব, তেতিয়া মানুহজনে শোক ত্যাগ কৰি মন স্থিৰ কৰি কৰ্মত প্ৰবৃত্ত হ'ব। মন স্থিৰ হ'লে সত্য উপলব্ধি কৰিব পাৰিব আৰু ভক্তিৰ উদয় হ'ব। ভক্তিয়ে আচৰণ শুদ্ধ কৰিব। শুদ্ধ আচৰণে সেৱাৰ মনোবৃত্তি জাগ্ৰত কৰিব। সেৱাই ত্যাগৰ মনোভাব জগাই তুলিব। ত্যাগেই শান্তি আনিব আৰু মায়াৰ পৰা মুক্তি লাভ কৰিব। গীতাৰ এই পৱিত্ৰ বাণীত ক'ত ভুল দেখিলে?

ঈশ্বৰে মানুহ সৃষ্টি কৰি মন, বুদ্ধি প্ৰদান কৰিছে। তদুপৰি মানুহক স্বতন্ত্ৰভাৱে কাম কৰিবলৈ ক্ষমতা প্ৰদান কৰিছে। ঈশ্বৰৰ গুণবোৰ মানুহক প্ৰদান কৰিছে। গতিকে ভাল-বেয়াৰ বিচাৰ কৰি প্ৰয়োজন সাপেক্ষে জন্ম দিব পাৰে বা জন্ম নিয়ন্ত্ৰণ কৰিব পাৰে। তাৰ বাবে পৱিত্ৰ গীতাৰ বাণীক অপৱিত্ৰ কৰি দোষ জাপি দি নিজৰ কৰ্তব্যৰ পৰা হাত সৰাৰ ইও এক কৌশল নহয়নে?

মোক্ষৰ অৰ্থ যিদৰে অনুধাৱন কৰি মন্তব্য আগবঢ়াইছে, দৰাচলতে সেইটো সত্য নহয়। মোক্ষ প্ৰাপ্তি হৈছে মায়াৰ পৰা নিৰ্মাণ প্ৰাপ্তি। মায়া হ'ল অবিদ্যা। অবিদ্যা পাঁচ প্ৰকাৰৰ— মোহ, মহামোহ, অন্ধতামিশ্ৰ, তামিশ্ৰ আৰু তম্। মোহ দেহৰ পৰা উৎপন্ন হয়, মোহ ভোগৰ পৰা উৎপন্ন হয়, অন্ধতামিশ্ৰ বিষয়-বাসনাৰ পৰা উৎপন্ন হয়। তামিশ্ৰ ক্ৰোধৰ পৰা উৎপন্ন হয় আৰু তমে নিজৰ স্বৰূপক পাহৰাই ৰাখে। এই পঞ্চ অবিদ্যাক নিয়ম, সংযম আৰু যোগৰ মাধ্যমত নিয়ন্ত্ৰণ কৰি ভক্তি মাৰ্গত নিজক আৱদ্ধ কৰি পৰমাত্মাৰ লগত বিলীন হৈ যোৱাটোৱেই হৈছে মোক্ষ বা মুক্তি। মনৰ প্ৰবৃত্তিমুখী গতিৰ সামৰণি পৰিলেই, জীৱৰ কাৰণে জগতৰ বন্ধন বা আৱৰণ আপোনা-আপুনি নোহোৱা হৈ পৰে। তেতিয়া পৰম পুৰুষ বা পৰম চৈতন্য পৰামাত্মাৰ অংশ জীৱাত্মাটো পৰম পুৰুষ পৰমাত্মাত বিলীন হৈ যাব পাৰে। এয়ে মায়াতৰণৰ উপায় শ্ৰীমদ্ভাগৱত গীতাত উপস্থাপন কৰিছে।

পুনৰ্জন্ম ভক্তি মাৰ্গৰ শ্ৰেষ্ঠ দৰ্শন। মনক জড় বস্তুৰ পৰা আঁতৰাই নিবৰ কাৰণে চৈতন্যমুখী কৰি অধিভূতৰ পৰা ক্ৰমে আধিদৈৱিক আৰু আধ্যাত্মিক স্তৰেদি আগবঢ়াই নিওতে অতিক্ৰম কৰিবলগীয়া পথটোৱেই হ'ল ভক্তি পথ। মানুহৰ মনত উদ্ভৱ হোৱা ভাবৰ ক্ৰিয়া পুনৰ্জন্ম বিশ্বাসৰ দ্বাৰা মযিমূৰ কৰি ভক্তিৰ বীজ ৰোপণ কৰিব পাৰি। মনক সংযমী কৰি গঢ়ি তোলাত পুনৰ্জন্ম বিশ্বাস শ্ৰেষ্ঠ দৰ্শন।

সভ্যতা, সংস্কৃতি, শিক্ষা, বিজ্ঞান আদিৰ ওপৰত গৌৰৱ অনুভৱ কৰি যি মন্তব্য আগবঢ়াইছে, তাৰ আঁতি-গুৰি বিচাৰ কৰিলে দেখা যায় যে এই সকলোবোৰ সনাতন ধৰ্মৰ পৰা উৎপত্তি হৈছে। শ্ৰুতি, বেদ, উপনিষদ, বেদান্ত সূত্ৰ আৰু শ্ৰীমদ্ভাগৱত গীতাৰ পৰা ক্ৰমবিকাশ হৈ আজিৰ এই স্তৰ পাইছে। গীতাৰ বাণীত কেতিয়াও কৰ্মবিমুখ হোৱাৰ কথা কোৱা নাই। মাত্ৰ কৰ্মফলৰ আশা কৰি কৰ্মত প্ৰবৃত্ত হোৱাত বাধা আৰোপ কৰিছে। গীতাৰ সাংখ্য যোগৰ ৪৭ নম্বৰ শ্লোকত কৈছে—

শ্ৰীমদ্ভাগৱত গীতাৰ বাণী ভুল হ'ব নোৱাৰে। হয়তো বুজাত ভুল হ'ব পাৰে। গীতাৰ প্ৰতিটো বাণী পৱিত্ৰ, শুদ্ধ আৰু মংগলকাৰী। গীতাৰ প্ৰতিটো বাণী সিদ্ধান্ত।

*ফোন ঃ ৯৮৫৪০৪১৮১৫*

# আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞান ভিত্তিক প্ৰতিযোগিতাৰ সামৰণি

## ছাত্ৰ-ছাত্ৰীৰ মাজত পুৰস্কাৰ বিতৰণ



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, পূব নলবাৰী উন্নয়ন খণ্ডৰ খণ্ড পৰ্যায়ৰ প্ৰতিযোগিতাখনি আজি সম্পূৰ্ণ ক'ভিড বিধি মানি নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যালয়ত অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান ভিত্তিক মডেল প্ৰস্তুত কৰা, বিজ্ঞান ভিত্তিক প'ষ্টাৰ অংকন, বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা আৰু বিজ্ঞান ভিত্তিক ধাৰণা লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। পূব নলবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তক মানপত্ৰ, ট্ৰফী, কিতাপ আৰু নগদ ধনেৰে পুৰস্কৃত কৰাৰ লগতে উক্ত স্থানপ্ৰাপ্তসকলক জিলা পৰ্যায়ৰ প্ৰতিযোগিতালৈ পঠোৱাৰ ব্যৱস্থা কৰা হ'ব বুলিও উল্লেখ কৰে। উক্ত প্ৰতিযোগিতাত বিজ্ঞানভিত্তিক মডেল প্ৰস্তুতত জিলা পৰ্যায়লৈ নিৰ্বাচিত হয় বি এম গ্ল'বেল একাডেমিৰ জ্যোতিষ্মান বৰ্মন আৰু বিবেক দত্তই প্ৰথম, লিটল ফ্লাৱাৰ স্কুলৰ অনুৰন মৃণ্ময় শৰ্মাই দ্বিতীয় আৰু বি এম গ্লবেল একাডেমিৰ কল্যাণ দত্তই তৃতীয় স্থান লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ৰ জ্যোতিস্মিতা ডেকাই প্ৰথম, শংকৰদেৱ শিশু বিদ্যা নিকেতন নলবাৰীৰ মানসজ্যোতি তালুকদাৰ দ্বিতীয় আৰু ৰাজকদমতল বালিকা হাইস্কুলৰ প্ৰিয়াংশী হীৰাই তৃতীয় স্থান লাভ কৰে । আকস্মিক বক্তৃতাত প্ৰথম স্থান লাভ কৰে ওজশ্ৰী তালুকদাৰ, দ্বিতীয় শৰ্মিষ্ঠা শৰ্মা আৰু তৃতীয় অনুৰণ মৃণ্ময় শৰ্মা, নিচুকণি বঁটা মাধুৰ্য বিকাশ ডেকাই লাভ কৰে।

বিজ্ঞান ভিত্তিক ধাৰণা লিখা প্ৰতিযোগিতাত লিটল ফ্লাৱাৰ স্কুলৰ সুৰজ আহমেদ আৰু অনুৰণ মৃণ্ময় শৰ্মাই পুৰস্কাৰ পাবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতাৰ ৰাতিপুৱা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নলবাৰী জিলা সমিতিৰ সন্মানীয় সভাপতি ড° দীনমণি ভাগৱতীয়ে। তেওঁ উদ্বোধনী ভাষণত কয় যে আজিৰ প্ৰতিযোগিতাৰ পৰাই বহু কেইজন শিশু বিজ্ঞানীৰ জন্ম হ'ব। তেওঁ প্ৰতিযোগীৰ উপস্থিতি দেখি সন্তোষ প্ৰকাশ কৰি কয় যে আগলৈও এনেকুৱা প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈ যাব। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ, জিলা সমন্বয়ক প্ৰদীপ মহন্তই উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ সম্পৰ্কে বক্তব্য দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি কৃতি ছাত্ৰ ৰিতু লহকৰে ছাত্ৰ-ছাত্ৰীসকলক কিদৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু হ'ব লাগে তাৰ বাবে কিছু পৰামৰ্শ আগবঢ়ায়।

# আজি দৰঙত গৰিয়া মৰিয়া জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিৱস

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ ফেব্ৰুৱাৰী ঃ** সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সপ্তদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কাইলৈ দৰং জিলা সমিতি আৰু দলগাও আঞ্চলিক সমিতিৰ উদ্যোগত দলগাঁও নগৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা পতাকা উত্তোলন কৰিব পৰিষদৰ দলগাঁও আঞ্চলিক সমিতিৰ সভাপতি খবিৰুদ্দিন আহমেদে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰিব পৰিষদৰ দৰং জিলা সমিতিৰ উপসভাপতি ৰেকিবুৰ ৰহমানে। বিয়লি ১-৩০ত পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি আমানুল্লা পাচাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে বক্তব্য প্ৰদান কৰিব পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্ৰাই। পৰিষদৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে আঁত ধৰিবলগীয়া অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰিব পৰিষদৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদ আৰু আবু আয়ুব আনচাৰীয়ে।

# ট্ৰেক্টৰেৰে মাটি দিয়াক লৈ সংঘাত

**ঃ কে'বাজনো আহত**

**বৰম , ৩ ফেব্ৰুৱাৰী ঃ** বৰমা আৰক্ষী থানাৰ অন্তৰ্গত আঙাৰধোৱাত আজি ট্ৰেক্টৰেৰে মাটি দিয়াক কেন্দ্ৰ কৰি সংঘটিত এক ঘটনাত কে'বাজনো লোক আহত হয়। কালি টংকেশ্বৰ বৈশ্য (৩৫) নামৰ লোক জনে ট্ৰেক্টৰেৰে মাটি দিবলৈ এখন ট্ৰেক্টৰৰ চালকক কৈছিল। সেই মতে চালকজনে বৈশ্যৰ ঘৰত ২৬০০ টকাৰ মাটি ট্ৰেক্টৰেৰে পেলায়। ঘটনাটো সিমানতে অন্ত পৰিব লাগিছিল যদিও আজি ঘটনাটোৱে দুৰ্বাদল কাজিয়াৰ ৰূপ লয়। আজি বৈশ্যই পথাৰত ছাগলী এৰাল দিবলৈ যাওঁতে চালকজনে দিয়া মাটিৰ সমুদায় ধন আজিয়ে আদায় দিব লাগিব বুলি বৈশ্যক কয়। সেই সময়ত বৈশ্যই গোটেই ধন একেলগে দিব নোৱাৰো বুলি কোৱাত খৰ্গহস্ত হয় চালকজন। ইয়াৰ পাছতে আৰম্ভ হয় সংঘাত। চালকজনে প্ৰথমতে আক্ৰমণ কৰাত দুয়োজনৰ মাজত হতাহতিৰ সৃষ্টি হয়। অৱশেষত জোং-যাঠিৰে বৈশ্যক আক্ৰমণ কৰাত বৈশ্যৰ সোঁভৰিখন ছিঙি যোৱাৰ লগতে শৰীৰৰ কে'বাঠাইতো আঘাত পায়। সেই সময়ত বৈশ্যক পৰিয়ালৰ লোকে উদ্ধাৰ কৰিবলৈ অহাত তেওঁলোকেও আক্ৰমণৰ সন্মুখীন হয়। ফলত বৈশ্যৰ ববিতা বৈশ্য, তেওঁৰ ভ্ৰাতৃ শংশাকৰ বৈশ্য আৰু শশাংকৰ বৈশ্য গুৰুতৰভাৱে আহত হয়। লগে লগে স্থানীয় ৰাইজৰ সহযোগত বৰমা অসামৰিক চিকিৎসালয়ত আহতসকলক চিকিৎসা প্ৰদান কৰা হয় আৰু বৰমা থানাত যোগেশ তালুকদাৰ আৰু হিতেশ বৈশ্যৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# ভেৰুৱাদলত যুৱকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**দুনী, ৩ ফেব্ৰুৱাৰী ঃ** বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত ভেৰুৱাদল নিবাসী হেমচন্দ্ৰ চৌধুৰীৰ জ্যেষ্ঠ পুত্ৰ ডেভিদ চৌধুৰী (৩৪)ৰ আজি পুৱা আত্মহত্যাৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এটি ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠানত কৰ্মৰত ডেভিদে পুৱা নিজৰ পোহনীয়া কুকুৰ দুটা লৈ প্ৰাতঃভ্ৰমণলৈ ওলাই গৈ ন বজালৈকে ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিচাৰি ফুৰে। পাছত ঘৰৰ পৰা দুই কিলোমিটাৰ দূৰত বাঁহ গছত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে। যোৱা দুই ফেব্ৰুৱাৰীত জন্মদিন উদ্‌যাপন কৰি আজি চিপ লৈ আত্মহত্যা কৰা ঘটনাই সকলোকে আচৰিত কৰি তুলিছে। বুঢ়া আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। মৃত্যুৰ সময়ত চৌধুৰীয়ে পিতৃ-মাতৃ এগৰাকী ভগ্নী আৰু ভ্ৰাতৃসহ অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# অসম-মেঘালয়ৰ সীমা সমস্যা সমিলমিলৰে সমাধান হয় ঃ ৰাভা

## ৰাণীত সাত দিনীয়াকৈ জিলা হস্ততাঁত আৰু বস্ত্ৰমেলা



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৩ ফেব্ৰুৱাৰী ঃ** 'আমাৰ জনজাতীয় মহিলা শিপিনীসকলৰ কাপোৰা বোৱা বা কটাত যথেষ্ট অভিজ্ঞতা আছে। সকলোৰে এনে অভিজ্ঞতা আছে যদিও কিছুসংখ্যক শিপিনীয়ে সময়ৰ অভাৱ বা যোগাযোগৰ সুবিধা নোপোৱাৰ বাবে তেওঁলোকৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হোৱা নাই। লগতে ৰাভা, বড়ো জনগোষ্ঠীয় শিপিনীসকলৰ হাতে বোৱা থলুৱা কাপোৰ বজাৰত উচিত মূল্য পোৱা নাই। বাহিৰৰ পৰা অহা কাপোৰৰ চাহিদা সকলোতে প্ৰয়োজন। গতিকে থলুৱা মহিলাসকলক ৰাভা হাছং আৰফেড বিশেষজ্ঞৰ জৰিয়তে শিপিনীসকলক অত্যাধুনিক প্ৰযুক্তিৰে প্ৰশিক্ষণ প্ৰদান কৰি উন্নত মানৰ কাপোৰ প্ৰস্তুত কৰিবৰ বাবে ৰাভা হাছং ৰেজিঅ'নেল এপেক্স উইভাৰ্ছ এণ্ড কো-অপাৰেটিভ ফেডাৰেছনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ফলত এইসকল শিপিনীৰ হাতে বোৱা ৰাভা, বড়ো জনগোষ্ঠীয় কাপোৰসমূহ ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰাৰ লগতে বজাৰত উচিত মূল্য পাবলৈ সক্ষম হ'ব।' যোৱা দুই ফেব্ৰুৱাৰীত ৰাণী প্ৰাথমিক বিদ্যালয় খেলথাৰত অনুষ্ঠিত হস্ততাঁত আৰু বস্ত্ৰশিল্পী ২০২১-২২ৰ মেলা উদ্বোধন কৰি এইদৰে মন্তব্য কৰে ৰাভা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। লগতে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ৰাভাই ৰাভা জনগোষ্ঠীয় কাপোৰ শিপিনীসকলে উন্নত মানৰে তৈয়াৰ কৰি মেলাত প্ৰদৰ্শন তথা বিক্ৰীৰ জৰিয়তে বিশ্বৰ দৰবাত প্ৰতিষ্ঠিত কৰিবলৈ আহ্বান জনায়। লগতে অসম-মেঘালয়ৰ সীমা সমস্যাৰ বিষয়ক লৈ ৰাভাই ককাই- ভাইৰ কাজিয়াৰ দৰে সমিলমিলেৰে সমাধান হ'ব। ডাঙৰ ককায়ে সদায়ে ভাল আৰু বেছিকৈ বিচাৰে। সেয়েহে অসম যিহেতু ডাঙৰ ককাই অসমৰ নিশ্চয়কৈ লাভান্বিত হ'ব বুলি মন্তব্য কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যজনে। উক্ত মেলাত ৰাভা স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ ৰমাকান্ত ৰাভা, উইভাৰ্ছ ছাৰ্ভিচ চেণ্টাৰ, গুৱাহাটীৰ সহকাৰী পৰিচালক সৰ্বেশ্বৰ দাস উপস্থিত থাকি ৰাভা জনগোষ্ঠীয় শিপিনীসকলে কেনেদৰে উন্নত মানৰ কাপোৰ প্ৰস্তুত কৰি বজাৰত উচিত মূল্য লাভ কৰিব পাৰে সেই বিষয়ে আলোকপাত কৰে। ৰাভা হাছং ৰেজিঅ'নেল এপেক্স উইভাৰ্ছ এণ্ড কো-অপাৰেটিভ ফেডাৰেছনৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ উন্নয়ন আয়ুক্ত কাৰ্যালয়ৰ সহযোগত দুইৰ পৰা আঠ ফেব্ৰুৱাৰীলৈ চলিব লগা জিলা হস্ততাঁত আৰু বস্ত্ৰমেলাত বিভিন্ন জনগোষ্ঠীয় কাপোৰৰ বিপণীৰ প্ৰদৰ্শন কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাৰ আদৰণি ভাষণ পাঠ কৰে ৰ'ফেদ দুধনৈৰ পৰিচালন সঞ্চালক চাইফুল ইছলামে।

# সামাজিক ব্যক্তিক সমাজে স্বীকৃতি দিয়ে ঃ ড° ভাগৱতী

## নলবাৰীত যামিনী দেৱীৰ স্মৃতিচাৰণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ ফেব্ৰুৱাৰী ঃ** নলবাৰীৰ অময়াপুৰৰ কুইচাত আজি নলবাৰী জিলা সাংবাদিক পৰিষদৰ উদ্যোগত সমাজসেৱী, ধৰ্মপ্ৰাণ মহিলা যামিনী দেৱীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে ৰাজহুৱা স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। শিক্ষক, সমাজকৰ্মী দিলীপ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আৰম্ভণিতে প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে পুত্ৰ অশোক শৰ্মা, হৰগোবিন্দ শৰ্মা, বনমালী শৰ্মা, অকণ শৰ্মা, বোৱাৰী কল্পনা দেৱী, নিৰ্মালী দেৱী, বন্দনা দেৱী, জীয়ৰী আৰতি দেৱী, নমিতা দেৱী, মিনতি বুজৰবৰুৱা, অৰ্চনা দেৱী, জোঁৱাই ৰমেন্দ্ৰ নাথ শৰ্মা, ফনীন্দ্ৰ বুজৰবৰুৱা, বিপুল শৰ্মাসহ বহু সংখ্যক ৰাইজে। ইয়াৰ পাছতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি যামিনী দেৱীৰ আত্মাৰ চিৰশান্তি কামনা কৰা হয়। নাট্যকাৰ ৰমণী কুমাৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু অখিল ভাৰত ব্ৰাহ্মণ ফ্ৰন্ট উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য সমন্বয়ক শশীন্দ্ৰ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে শিক্ষাবিদ, সাহিত্যিক ড° দীনমণি ভাগৱতী, শিক্ষাবিদ ড° বীৰেন্দ্ৰ ডেকা, অতিথি হিচাপে নলবাৰী জিলা সাংবাদিক পৰিষদৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল শৰ্মা, অৱসৰী প্ৰধান শিক্ষক দীননাথ শৰ্মা, অৱসৰী কোষাগাৰ গাণনিক কমল শৰ্মা, শিক্ষক জনাৰ্দন শৰ্মা আদিয়ে প্ৰয়াত সমাজসেৱী যামিনী দেৱীৰ স্মৃতিচাৰণ কৰে। অনুষ্ঠানত শিক্ষাবিদ ড° দীনমণি ভাগৱতীয়ে ভাষণত কয় যে প্ৰতিগৰাকী সামাজিক ব্যক্তিক সমাজে স্বীকৃতি দিয়ে। প্ৰয়াত যামিনী দেৱীয়ে সমাজৰ হকে অহোপুৰুষাৰ্থ কৰিছিল বাবেই ৰাইজে ভৱিষ্যতৰ দিনত মনত ৰাখিব বুলি উল্লেখ কৰে। ড° বীৰেন্দ্ৰ ডেকাই ভাষণত সমাজসেৱী যামিনী দেৱীৰ অঞ্চলটোৰ প্ৰতি অৱদান আৰু ধৰ্মীয় চেতনাৰ ওপৰত আলোকপাত কৰে। সভাত সাংবাদিক পৰিষদৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল শৰ্মায়ে বক্তব্য আগবঢ়ায়।

# বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ বিয়োগ



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/ বেবেজীয়া, ৩ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাট ব্ৰাহ্মণগাঁৱৰ নিবাসী বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী তথা অসম আন্দোলনৰ অগ্ৰণী নেতা পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ আজি দিনৰ ১.৪৪ বজাত বিয়োগ ঘটে। যোৱা শনিবাৰৰ দিনা পুৱতি নিশা শুই থকা অৱস্থাতে হঠাৎ হৃদযন্ত্ৰৰ ষ্ট্ৰ'ক হৈ তেওঁ অচেতন হৈ পৰাত গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসকৰ পৰামৰ্শমতে তেওঁক গৃহলৈ ওভতাই অনা হৈছিল। ১৯৪৪ত চকলাঘাট ব্ৰাহ্মণগাঁৱৰ এক সম্ভ্ৰান্ত সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা বেজবৰুৱাই শিক্ষা সাং কৰি বেবেজীয়া পণ্ডিত কনক শৰ্মা হাইস্কুলত শিক্ষকতা বৃত্তি গ্ৰহণ কৰি বেবেজীয়া কনক শৰ্মা হাইস্কুলত শিক্ষকতা কৰি সেই বিদ্যালয়ৰ পৰাই ২০০২ত অধ্যক্ষৰূপে অৱসৰ লয়। চকলাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা সময়তে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান বুটলিবলৈ সক্ষম হোৱা বেজবৰুৱা এজন সুবক্তা আৰু নিবন্ধকাৰৰূপে সুপৰিচিত আছিল। অসম আন্দোলনৰ সময়ত তেওঁ বেবেজীয়া আঞ্চলিক গণ সংগ্ৰাম পৰিষদৰ সভাপতিৰূপে আন্দোলনত জঁপিয়াই পৰিছিল। মৃত্যু পৰ্যন্ত সমাজখনৰ হিতৰ বাবে সদা কৰ্মপটু হৈ থকা বেজবৰুৱাই চকলাঘাট শাখা সাহিত্য সভাৰ উপদেষ্টা, পূব হাতীচোং সন্মিলিত ৰাসোৎসৱৰ সভাপতি, শংকৰদেৱ বিদ্যানিকেতন হাতীচোঙৰ নিৰ্মাণ সমিতিৰ সভাপতি, চমুৱাগাঁওস্থিত শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ সভাপতি, অসম নাট্য সন্মিলনৰ হাতীচোং শাখাৰ সভাপতি, নগাঁও জিলা ভূমি উপদেষ্টা সমিতিৰ সদস্য, হাতীচোং সঞ্জীৱনী সাংস্কৃতিক টোলৰ দায়িত্ব, পূব হাতীচোং গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি, পূব হাতীচোং ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি, বেবেজীয়া সাৰ্বজনীন দুৰ্গা পূজা, আনন্দৰাম ঢেকিয়াল ফুকন পুথিভঁৰাল আদি বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে চকলা শাখা সাহিত্য সভা, হাতীচোং কেন্দ্ৰীয় ব্ৰাহ্মণ সমাজ, সদৌ অসম কবি সন্মিলন, শংকৰদেৱ চিত্ৰকলা বিদ্যালয়, হাতীচোং আঞ্চলিক ছাত্ৰ সন্থা, চকলাঘাট ৰাস মন্দিৰ, কৈলাশ নাথ শিৱ মন্দিৰ সমিতি শংকৰদেৱ বিদ্যা নিকেতন হাতীচোং, ৰংমন সাংস্কৃতিক গোষ্ঠী, আঞ্চলিক লুইত গোষ্ঠী, ব্ৰাহ্মণগাঁও নামঘৰ পৰিচালনা সমিতি, অসম নাট্য সন্মিলন হাতীচোং শাখা, সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতি পূব হাতীচোং সন্মিলিত কেন্দ্ৰীয় ৰাস উৎসৱ উদ্‌যাপন সমিতি, ক্ৰিয়েচন ক্লাব, বৰগছ আদি অনুষ্ঠানৰ বিষয়ববীয়াসকল উপস্থিত হৈ প্ৰিয় সমাজহিতৈষীজনলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ এৰি যায়।

# শিল্পী, সমাজকৰ্মী বীৰেন বৰঠাকুৰৰ মৃত্যু

**দেৰগাঁও,৩ ফেব্ৰুৱাৰী ঃ** দেৰগাঁও নগৰৰ এক নম্বৰ ৱাৰ্ড নিবাসী সমাজকৰ্মী, প্ৰবীণ শিল্পী বীৰেন বৰঠাকুৰ (৮৩ )ৰ আজি পুৱা আঠ বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। দেৰগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত বৰঠাকুৰ নিপুণ বাদ্যযন্ত্ৰী হোৱাৰ উপৰি সুকণ্ঠী সংগীত শিল্পী আছিল। ৰূপজোতি কলা পৰিষদৰ লগত ঘনিষ্ঠভাৱে জড়িত বৰঠাকুৰে প্ৰয়াত শিল্পী আনন্দ মহন্তৰ সহযোগী শিল্পীৰূপে বিভিন্ন অনুষ্ঠানত তবলা আৰু হাৰম'নিয়াম সংগত কৰাৰ উপৰি বিভিন্ন অনুষ্ঠানত গীত পৰিৱেশন কৰি শ্ৰোতাৰ সমাদৰ লাভ কৰিছিল। দেৰগ্ৰাম ৰাস উৎসৱ, বসন্ত উৎসৱ, দেৰগাঁও আজাদ পুস্তকালয়, ৰাজহুৱা দুৰ্গোৎসৱ আদিৰ সক্ৰিয় বিষয়ববীয়া বৰঠাকুৰ এগৰাকী সাহিত্যানুৰাগী ব্যক্তি আছিল। নিয়মীয়াকৈ গ্ৰন্থ অধ্যয়নৰ সমান্তৰালকৈ তেওঁ লিখা-মেলাৰ চৰ্চাও অব্যাহত ৰাখিছিল। শেহতীয়াকৈ তেওঁ দেৰগাঁৱৰ যশস্বী শিল্পী আনন্দ মহন্তৰ বিষয়ে এখন গ্ৰন্থ লিখি উলিয়াইছিল। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক দীপ বৰঠাকুৰৰ পিতৃ বৰঠাকুৰে মৃত্যুৰ সময়ত পত্নীসহ তিনিপুত্ৰ, এগৰাকী কন্যা এৰি যায়। আজি তেওঁৰ নশ্বৰদেহ চিকিৎসালয়ৰ পৰা ঘৰলৈ অনাৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী, গোলাঘাট জিলা আছুৰ উপ-সভাপতি দিগন্ত নাথ, সম্পাদক প্ৰিন্স দলে, দেৰগাঁও সাংবাদিক সংস্থাৰ সভাপতি বিচিত্ৰ ভূষণ কলিতা, সম্পাদক ইন্দুভূষণ মহন্ত, বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবৰ সম্পাদক বিজয় হাজৰিকা, দেৰগাঁও নাগৰিক সন্থাৰ সম্পাদক প্ৰশান্ত মাধৱ বৰা, দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ছগীৰ আহমেদ, সম্পাদক দুস্মন্ত মাধৱ দত্ত প্ৰমুখ্যে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি কামিনী কলিতাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ৩ ফেব্ৰুৱাৰীঃ** ৰঙিয়া মুৰাৰা নিবাসী চেপ্টি নকুলগাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি কামিনী কলিতা (৭৩ ) ৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। ৰঙিয়া বাৰোৱাৰী শ্ৰীশ্ৰী দুৰ্গা পূজা 'শিৱ মন্দিৰ' পৰিচালনা কমিটীৰ উপদেষ্টা প্ৰয়াত কলিতাই মূৰাৰা গোপাল গোসাঁইঘৰৰ প্ৰাক্তন সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ৰঙিয়া শিৱ মন্দিৰসহ বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু দুগৰাকী কন্যাক এৰি যায়। পূব ৰঙিয়া প্ৰগতি সংঘ, শিৱ মন্দিৰ পৰিচালনা সমিতি, মূৰাৰা গোপাল গোসাইঘৰৰ সহ ৰঙিয়াৰ বিভিন্ন দল সংগঠনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# ডবকাত আৰক্ষীক উৎকোচ দিয়াৰ অভিযোগত সাংবাদিকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৩ ফেব্ৰুৱাৰী ঃ** আৰক্ষী থানাৰ ভিতৰতে মুকলিকৈ ঘোচ দিয়াৰ অভিযোগত হোজাই জিলাৰ ডবকাত আজি এজন সাংবাদিকক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত সাংবাদিকজনৰ নাম কমৰুল খান। ইয়াকে লৈ সমগ্ৰ ডবকাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ডবকা আৰক্ষী থানাৰ তদানীন্তন সহকাৰী উপ-পৰিদৰ্শক হৰিকমল দাসক থানাৰ ভিতৰতে মুকলিকৈ সাংবাদিক খানে উৎকোচ দিয়াৰ এটি ভিডিঅ' যোৱা নিশা সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। ভিডিঅ'টো কোনে কেতিয়া প্ৰস্তুত কৰিছে সেই কথা এতিয়ালৈকে পোহৰলৈ অহা নাই। সাংবাদিকজনে কিবা কাৰণত থানাৰ ভিতৰতে আৰক্ষী বিষয়াজনক ঘোচ দিয়াৰ সময়ত কোনো লোকে গোপনে ম'বাইলৰ কেমেৰাত সমগ্ৰ দৃশ্য বন্দী কৰি থয় আৰু পাছত সেই ভিডিঅ' ক্লিপ সামাজিক মাধ্যমত ভাইৰেল কৰি দিয়ে। ভিডিঅ' ভাইৰেল হোৱাৰ পাছতেই সাংবাদিকজনক গ্ৰেপ্তাৰ কৰে ডবকা আৰক্ষীয়ে। আজি তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত হোজাইৰ শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ২০২১ৰ ২৫ নৱেম্বৰত ডবকা আৰক্ষী থানাৰ একেজন আৰক্ষী বিষয়াই থানাৰ ভিতৰতে মুকলিকৈ ধন লোৱাৰ আন এটি ভিডিঅ' ভাইৰেল হৈছিল। সেই দিনাই ডবকা আৰক্ষীয়ে সহকাৰী উপ-পৰিদৰ্শক দাসক গ্ৰেপ্তাৰ কৰিছিল আৰু পাছত আদালতৰ জৰিয়তে জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। আনকি এই অভিযোগতে হোজাইৰ আৰক্ষী অধীক্ষকে অভিযুক্ত দাসক চাকৰিৰ পৰা নিলম্বনো কৰিছিল।

# নগাঁৱত গ্ৰামোন্নয়নৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্মঘট অব্যাহত

বিশেষ সংবাদদাতা

**নগাঁও, ৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলা পৰিষদ তথা গ্ৰামোন্নয়ন বিভাগৰ লগতে জিলাখনৰ ১৩টা উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজিও তেওঁলোকৰ বিভিন্ন দাবী পূৰণৰ বাবে অৱস্থান ধৰ্মঘট কাৰ্যসূচী অব্যাহত ৰাখে। সদৌ অসম পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰী কাউঞ্চিলৰ আহ্বান মৰ্মে ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁও জিলাতো পহিলা ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা অনিৰ্দিষ্টকালীন প্ৰতিবাদী কাৰ্যসূচীয়ে আজি তিনি দিনত ভৰি দিয়ে। দীৰ্ঘদিন ধৰি চাকৰি কৰাৰ পাছতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ লগতে বিভিন্ন দাবীৰ সমৰ্থনত নগাঁও জিলা গ্ৰামোন্নয়ন অভিকৰণ প্ৰকল্প কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী অব্যাহত ৰখা প্ৰতিবাদকাৰী কৰ্মচাৰীসকলে ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে ৰাজ্যখনত মুঠ ৮,৫০০জন এনে ঠিকাভিত্তিক কৰ্মচাৰীৰ লগতে নগাঁও জিলাতো ৫৭৫জন কৰ্মচাৰী আছে। এই কৰ্মচাৰীসকলে বিগত তিনিদিন ধৰি প্ৰতিবাদ অব্যাহত ৰখাৰ বাবে জিলাখনৰ গ্ৰামোন্নয়ন বিভাগৰ প্ৰায় সকলোবোৰ কাম-কাজ স্তব্ধ হৈ পৰিছে। ইপিনে, তেওঁলোকৰ দাবীসমূহ চৰকাৰে মানি নল'লে প্ৰতিবাদ অব্যাহত ৰাখিব বুলি প্ৰতিবাদকাৰীসকলে সংবাদ মাধ্যমৰ আগত অৱগত কৰে।

# সাহিত্যিক, বুৰঞ্জীবিদ সুশীল গগৈৰ

*এক পৃষ্ঠাৰ পৰা* বিয়লি ৪-৫০ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। কে'বাখনো মূল্যবান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা গগৈক ২০১৯ত ৰাজ্য চৰকাৰে আগবঢ়াইছিল 'স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা'। মটক বুৰঞ্জী প্ৰণয়ন সমিতিৰ সম্পাদকৰো দায়িত্ব পালন কৰা গগৈ বিশিষ্ট গৱেষক, বুৰঞ্জীবিদ তথা চিন্তাবিদৰূপে সমাদৃত আছিল। অৱসৰপ্ৰাপ্ত কোষাগাৰ বিষয়া গগৈৰ মৃত্যুত তিনিচুকীয়া জিলাত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁই, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থা আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠন তথা ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি একমাত্ৰ পুত্ৰ আৰু তিনিগৰাকী কন্যাক এৰি যায়। ইপিনে, প্ৰখ্যাত গৱেষকজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰিবলৈ তিনিচুকীয়া জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্দেশ দিছে।

# বেদখল উচ্ছেদত বাধাদানৰ ভাবুকি দিয়া

*এক পৃষ্ঠাৰ পৰা* হয়। ইপিনে, ইয়াৰ পূৰ্বে বিধায়কৰ এনে গৰ্হিত কাণ্ডৰ পাছত আজি পুৱা বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মাৰ পৌৰোহিত্যত সত্ৰৰ পাটচাঙত এক জৰুৰী বৈঠক অনুষ্ঠিত কৰা হয়। সভাত বিধায়ক শ্বেৰমানৰ বিতৰ্কিত কৰ্ম-কাণ্ডক নিন্দা-গৰিহণা দিয়ে সত্ৰ পৰিচালনা সমিতিয়ে। বৈঠকত বিধায়ক শ্বেৰমানৰ বিৰুদ্ধে গোচৰ তৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত বিধায়ক শ্বেৰমানৰ বিৰুদ্ধে বৰপেটা সদৰ আৰক্ষী থানাত সত্ৰ পৰিচালনা সমিতিয়ে এজাহাৰ দাখিল কৰে।

আনহাতে, উক্ত বৈঠকত বৰপেটা সত্ৰৰ ভূমিত চলি থকা উচ্ছেদ অভিযান অব্যাহত ৰখাৰ দাবী জনায়। উচ্ছেদ অভিযানত বাধাৰ সৃষ্টি কৰা বিধায়ক শ্বেৰমানৰ বিৰুদ্ধে চৰকাৰক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায় বৰপেটা সত্ৰ পৰিচালনা সমিতিয়ে। সংবাদ মাধ্যমৰ আগত সত্ৰৰ মাটি বেদখলৰ তথ্য ভুলকৈ উপস্থাপন কৰা বুলিও শ্বেৰমানৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে সত্ৰ পৰিচালনা সমিতিয়ে।

উল্লেখ্য যে বৰপেটা সত্ৰৰ নামত থকা বাঘবৰ বিধানসভা সমষ্টিৰ এক নম্বৰ বৰদলনি গাঁৱৰ ৪০ বিঘা বেদখলকৃত ভূমিত উচ্ছেদ চলোৱাৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছিল প্ৰশাসনে। সেই মৰ্মে বৰপেটা সত্ৰৰ নামত থকা মাটিৰ সীমা নিৰ্ধাৰণেৰে প্ৰশাসনৰ তৰফৰ পৰা চাৰিও দিশে পুতি দিয়া হৈছিল খুঁটি। দুদিন পূৰ্বে খুঁটিসমূহ উভালি পেলাই প্ৰশাসনৰ উচ্ছেদ অভিযানত বাধা প্ৰদান কৰে বিধায়ক শ্বেৰমানে। ইয়াতেই ক্ষান্ত নাথাকি উচ্ছেদ অভিযান চলিবলৈ নিদিয়াৰ সকীয়নিৰে চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে ৰাজহুৱাকৈ কেতবোৰ বিতৰ্কিত আৰু প্ৰৰোচনামূলক মন্তব্য কৰে বিধায়কজনে। শ্বেৰমানৰ বিতৰ্কিত আৰু প্ৰৰোচনামূলক মন্তব্যৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পাছত সৃষ্টি হয় ব্যাপক প্ৰতিক্ৰিয়াৰ।

### কি উচটনি দিছিল শ্বেৰমানে

ইপিনে, শ্বেৰমানে কয়, 'মই জীয়াই থকালৈ বাঘবৰত উচ্ছেদ নচলে, কোনো ভয় নকৰিব'। বিধায়কজনে কয়, 'মই জীয়াই থকালৈকে বাঘবৰ সমষ্টিত উচ্ছেদ নচলে'। তেওঁ প্ৰশাসনে পুতি দিয়া খুটিও উভালি পেলোৱা বুলি অভিযোগ উত্থাপন হৈছে। শ্বেৰমান আলীয়ে উপস্থিত লোকসকলক উদ্দেশ্যি কয়, 'যেতিয়ালৈ মই জীয়াই আছো, আপোনালোকে শান্তিত টোপনি মাৰক। ন' এভকছন... ন' এভকছন ইন বাঘবৰ এলএচি। কোনো ভয় নকৰিব, মই আছো ন, আপোনালোকে ভোট দিছেতো মোক। মই আছো। মই আগতে মৰিম, তাৰ পাছত আপোনালোকৰ কিবা ক্ষতি হ'ব। মই জীয়াই থাকোতে কোনো ক্ষতি হ'ব নিদিওঁ। আপোনালোকে নিশ্চিন্ত থাকক।' বেদখল উচ্ছেদৰ সপক্ষে থকা সকল অথবা বেদখল সম্পৰ্কত চৰকাৰক অৱগত কৰাসকলকো সকীয়নি প্ৰদান কৰে বিধায়কজনে। শ্বেৰমান আলীয়ে কয়, 'যিসকলে এই খবৰবোৰ নি দিছপুৰত দিয়ে, বিভিন্ন ঠাইত দিয়ে, তেওঁলোকক মই আকৌ এবাৰ কৈছো, আপোনালোকে এইবোৰ নকৰিব। আমি একেলগে ভাই-ককাই হিচাপে ইমান দিন আছো, অনাগত দিনতো থাকিম। বিজেপি আজি পাঁচ বছৰ থাকিব, খুব বেছি আৰু পাঁচ বছৰ থাকিব, তাৰ পাছততো নাথাকে। আল্লাই যদি মোক জীয়াই ৰাখে, আজিৰ পৰা আপোনালোকে যদি এইবোৰ কৰে, মই যদি জীয়াই থাকো, কঠোৰতকৈ কঠোৰ প্ৰতিশোধ মই ল'ম। যিসকলে এইবোৰ কৰি আছে তেতিয়া কিন্তু কান্দি কান্দি ৰক্ষা নাপাব।'

অসম আন্দোলনৰ ছহিদক ঘাতক আখ্যা দি বিতৰ্কৰ সৃষ্টি কৰা বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমানে নিজ সমষ্টিৰ একাংশ বেদখলকাৰীক উচটনিমূলক মন্তব্যক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। প্ৰশাসনে বৰপেটা সত্ৰৰ ভূমি বেদখলমুক্ত কৰাৰ যো-জা চলোৱাৰ সময়তে বাঘবৰৰ বিধায়কজনে কৰা কেতবোৰ মন্তব্যই স্বাভাৱিকতে তোলপাৰ লগাইছে বিভিন্ন মহলত।

উল্লেখ্য যে বাঘবৰ সমষ্টিত থকা বৰপেটা সত্ৰৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে বৰপেটা সত্ৰ পৰিচালনা সমিতিৰ লগতে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ শৰ্মাই চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। দীৰ্ঘদিনীয়া এই দাবীৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে বৰপেটা জিলা প্ৰশাসনক বৰপেটা সত্ৰৰ ভূমি বেদখলমুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে । এই নিৰ্দেশ অনুসৰি বৰপেটা জিলা প্ৰশাসনে বেদখলকাৰীসকলক উচ্ছেদৰ জাননী দিয়াৰ লগতে যোৱা ৩১ জানুৱাৰীত জোখ-মাখ কৰি বৰপেটা সত্ৰৰ ভূমিৰ সীমা নিৰ্ধাৰণ কৰি খুঁটি পোতে। মন কৰিবলগীয়া যে বাঘবৰ সমষ্টিৰ এক নম্বৰ বৰদলনি গাঁৱৰ ৪১৩ নম্বৰ দাগৰ অন্তৰ্গত বহু পৰিমাণৰ ভূমি বেদখলকাৰীৰ কবলত আছে। উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে বেদখলকাৰীসকলে প্ৰশাসনক সহযোগ কৰি উক্ত স্থানৰ পৰা ঘৰ দুৱাৰ ভাঙি লৈ যোৱাৰ প্ৰস্তুতি চলায়। কিন্তু কালি সন্ধিয়া আকস্মিকভাৱে উক্ত স্থানত বাঘবৰৰ বিধায়ক শ্বেৰমান উপস্থিত হয় আৰু বেদখলকাৰীসকলক উচটনিমূলক মন্তব্য প্ৰদান কৰে।

### শ্বেৰমান আলীৰ প্ৰতিক্ৰিয়া

ইপিনে, শ্বেৰমান আলীয়ে তেওঁৰ বক্তব্যৰ ভুল বাৰ্তা প্ৰচাৰ কৰা হৈছে বুলি আজি অভিযোগ কৰে। বিধায়কজনে কয় যে বৰপেটা সত্ৰৰ ভূমি বেদখল মুক্ত কৰাৰ প্ৰতি তেওঁৰ সমৰ্থন আছে। এই ক্ষেত্ৰত তেৰোঁ সহায়-সহযোগিতা কৰি আহিছে। তেনে ক্ষেত্ৰত সত্ৰৰ ভূমি বেদখল মুক্ত কৰাত বাধা দিয়াৰ প্ৰশ্নই আহিব নোৱাৰে। আত্মপক্ষক সমৰ্থন কৰি আলীয়ে লগতে কয়, 'বৰপেটা সত্ৰৰ ভূমিক লৈ একাংশ দুষ্কৃতিকাৰী আৰু লাট মণ্ডলে দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলাই আছে। মাজে মাজে লাট মণ্ডলে সত্ৰৰ ভূমিত থকা আৰু সত্ৰৰ ভূমিৰ সমীপত বাস কৰা লোকক নানান কাৰণ দেখুৱাই টকা দাবী কৰে। সত্ৰৰ ভূমিত থকা যিসকল লোকে টকা দিয়ে তেওঁলোকৰ ভূমি সত্ৰৰ বাহিৰত বুলি দেখুৱাই নথি-পত্ৰ কৰি দিয়ে। তেনেদৰে টকা নিদিয়া সত্ৰৰ ভূমিৰ বাহিৰৰ লোকক আকৌ তেওঁলোকক সত্ৰৰ ভূমিৰ ভিতৰৰ বাসিন্দা বুলি দেখুৱাই দিয়ে। মুঠতে সত্ৰৰ ভূমিক সেইসকল দুষ্কৃতিকাৰী আৰু মণ্ডলে ব্যৱসায়লৈ পৰিণত কৰিছে। মই সেইসকল দুষ্কৃতিকাৰী আৰু মণ্ডলৰ বিৰুদ্ধেহে কথা কৈছিলো। তাকে ওলোটাকৈ প্ৰচাৰ কৰা হৈছে।' আলীয়ে লগতে কয় যে বৰপেটা সত্ৰৰ ভূমিত থকা ১৭টা পৰিয়ালক বেদখলকাৰী বুলি চিনাক্ত কৰি তেওঁলোকক উচ্ছেদৰ জাননী জাৰি কৰা হৈছে। তাৰ বিপৰীতে ১৪টা পৰিয়াল সত্ৰৰ ভূমিৰ বাহিৰৰ বুলি চক্ৰ বিষয়াই শেহতীয়াকৈ চলোৱা অনুসন্ধানত পোহৰলৈ আহিছে। অৱশ্যে ১৭টা পৰিয়ালৰ আটায়ে জাননী লাভ নকৰা বুলিও আলীয়ে দাবী কৰে। সেই ১৭টা পৰিয়ালৰ যিসকল সঁচাকৈয়ে ভূমিহীন তেওঁলোকক বাঘবৰ সমষ্টিত থকা গোচৰণীয়া পথাৰত সংস্থাপিত কৰাৰ অনুৰোধ প্ৰশাসনক জনোৱা বুলিও আলীয়ে জনায়। তেওঁৰ অনুৰোধত ১৭টা পৰিয়ালকে প্ৰশাসনে সংস্থাপিত কৰাৰ যোজা চলাইছে বুলিও জানিবলৈ দিয়ে। এনে যুক্তিৰেই বিধায়কজনে সত্ৰৰ ভূমি বেদখল মুক্ত কৰাত তেওঁ বাধা দিয়াৰ প্ৰশ্নই নাহে বুলি দাবী কৰি বৰপেটা সত্ৰৰ ৰাইজ আৰু বুঢ়া সত্ৰীয়া বশিষ্ঠ শৰ্মাক ভুল নুবুজিবলৈ আহ্বান জনায়। আলীয়ে লগতে কয়, 'দুষ্টক দমন আৰু শান্তক পালন কৰাই বিধায়ক হিচাপে মোৰ দায়িত্ব। মই সেয়েহে দুষ্কৃতিকাৰী আৰু লাট মণ্ডলৰ বিৰুদ্ধেহে মাত মাতিছিলো।' দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে আৰক্ষী থানাত গোচৰ ৰুজু হোৱা বুলিও আলীয়ে জনায়।

### অস্বস্তিত কংগ্ৰেছ

সত্ৰৰ ভূমি বেদখল মুক্ত কৰাৰ বিৰুদ্ধে বিধায়ক শ্বেৰমান আলীৰ স্থিতি গ্ৰহণৰ অভিযোগ উত্থাপিত হোৱাক লৈ অস্বস্তিত পৰিছে কংগ্ৰেছ। যাৰ বাবে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কয় যে শ্বেৰমান আলী কংগ্ৰেছৰ পৰা নিলম্বিত হৈ আছে। গতিকে বিধায়কজনৰ কোনো বক্তব্য অথবা অভিমত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বক্তব্য অযবা অভিমত নহয়।

### শ্বেৰমানৰ বিৰুদ্ধে ৰাজ্যপালক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সত্ৰ মহাসভাৰ আহ্বান

আজি এক বিবৃতিত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই কয় যে যোৱা ৩১ জানুৱাৰীত বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ এক নম্বৰ বৰদলনি গাঁৱৰ ৪১৩ নম্বৰ দাগত থকা শ্ৰীশ্ৰী বৰপেটা সত্ৰৰ ৪০ বিঘা ভূমি বেদখল কৰি বসবাস কৰি থকা বংগীয় মূলৰ মুছলমান লোকক চৰকাৰী নীতি-নিয়ম অনুসৰি জাননী জাৰি কৰি বেদখল উচ্ছেদ প্ৰক্ৰিয়া আৰম্ভ কৰি চাৰিওফালে সীমা নিৰ্ধাৰণ কৰি খুটি পুতি দিয়ে। দখলকাৰীসকলেও চৰকাৰৰ নিৰ্দেশনা মানিলৈ দখল এৰি দিবলৈ সাজু হয় আৰু অধিক সংখ্যকে দখল এৰি দিছে। বাকীসকলে দখল এৰাৰ ব্যৱস্থা কৰাৰ আগতে বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলি আহমেদে উক্ত ভূমি খণ্ডত উপস্থিত হৈ অভব্য আচৰণ কৰে আৰু অসম চৰকাৰে নিৰ্ধাৰণ কৰি চাৰিসীমাৰ খুটি উভালী পেলায়। অসম চৰকাৰৰ লগতে এই উচ্ছেদ কাৰ্যত জড়িত থকা লোককো ভাবুকি দিয়ে। এজন জনপ্ৰতিনিধি তথা আইন প্ৰণয়ন কৰাসকলে যেতিয়া আইন ভংগ কৰিবলৈ আহ্বান জনায় অসমীয়া সমাজৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা কি হ'ব পাৰে। এটা কথা ঠিক যে এজন বংগীয় মূলৰ মুছলমান বিধায়কে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ হৈয়ে ক'ব। এই বিধায়কজন যদি অসমীয়া মুছলমান সম্প্ৰদায়ৰ লোক হোৱাহেতেন এনেধৰণৰ অবাঞ্চিত উচটনিমূলক মন্তব্য কেতিয়াও নিদিলে হেতেন। মিঞা মিউজিয়াম, মিঞাৰ লুঙী, মিঞাভাষা আদি চিন্তা কৰা এইসকল বংগীয় মূলৰ মুছলমানৰ ত্ৰাণকৰ্তা। মুঠতে অসমখনক মিঞা ৰাজ্য সজোৱাৰ সপোন। এনেকুৱা দুষ্কৃতিকাৰী বিধায়ক হিচাপে থকাটো বিপদজনক আৰু অসম বিধান সভাৰ পবিত্ৰতা বিনষ্ট কৰিব। সেইবাবে অসম সত্ৰ মহাসভাই শ্বেৰমানক বিধায়কৰ পদৰ পৰা অব্যাহতি দিবলৈ ৰাজ্যপালক আহ্বান জনাইছে। মহসভাই প্ৰশাসন তথা চৰকাৰক তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

## ■ বৰনদীৰ মথাউৰিৰ ঘন অৰণ্য অসামাজিক কৰ্মৰ আড্ডাস্থলীত পৰিণত ■

# তলা খোল নাখায় দুমুনিচকী জলসম্পদ বিভাগৰ কাৰ্যালয়ৰ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৩ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ আৰক্ষী বিভাগে ৰাজ্যখনৰ বিভিন্ন স্থানত অবৈধ চুলাই, ড্ৰাগছ, ব্ৰাউন ছুগাৰ, ভাং, গাঞ্জা আদিৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে ব্যাপক অভিযান চলোৱাৰ সময়তে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ কোনো কোনো অঞ্চল এতিয়া অসামাজিক কাৰ্যকলাপৰ ঘাটি হৈ পৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি জিলাখনৰ দুমুনিচকীৰ আশে-পাশে বৰনদীৰ মথাউৰিৰ ঘন জংঘল মাজত এতিয়া সদায় চলে জুৱা, ভাং, চুলাই আদি অসামাজিক কামৰ আড্ডা। প্ৰাপ্ত তথ্য অনুসৰি মথাউৰিৰ ঘন জংঘলৰ সুযোগ লৈ আৰক্ষীৰ চকুত ধূলি দি বৰনদীৰ মথাউৰিৰ দক্ষিণে দুই নম্বৰ খানাপাৰাৰ পৰা কামৰূপ জিলাৰ ইছলামপুৰ সংযোগী অংশলৈ আৰু দুমুনিচকীৰ পৰা উত্তৰে চ'কৰ মুখ দলঙলৈ এই অঞ্চলত একাংশ ব্যক্তিয়ে চুলাই মদ আৰু ভাঙৰ আড্ডাৰে পৰিৱেশ বিনষ্ট কৰি পেলাইছে। তদুপৰি অসাধু ব্যৱসায়ীয়ে মথাউৰিত চুলাই মদ মুকলিকৈ বিক্ৰী কৰাৰো অভিযোগ উত্থাপন হৈছে। ইফালে, অসম চৰকাৰৰ জলসম্পদ বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ কাণ্ডজ্ঞানহীনতাৰ বাবে হাবি-জংঘলে আৱৰি ৰাখিছে নৈখনৰ মথাউৰিটো। ইয়াৰ ফলত অসামাজিক কামৰ ঘাটিলৈ ৰূপান্তৰ হৈছে এই হাবি-জংঘলেৰে পৰিৱেষ্টিত বৃহৎ অঞ্চলটো। দীৰ্ঘদিনৰ পৰা দুমুনিচকীৰ জলসম্পদ বিভাগৰ কাৰ্যালয়ত খোল খোৱা নাই তলা। কৰ্তব্যত উপস্থিত নাথাকি একাংশ কৰ্মচাৰীয়ে শুই-বহিয়ে চৰকাৰী দৰমহা লৈ আহিছে। মথাউৰিটোৰ হাবি-জংঘলবোৰ শীঘ্ৰে পৰিষ্কাৰ কৰি অঞ্চলটোক অবৈধ কাৰ্যকলাপৰ পৰা মুক্ত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে অঞ্চলটোৰ সচেতন ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে।

# নগাঁৱত পঞ্চায়ত-উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ১৩টা উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজি তেওঁলোকৰ বিভিন্ন দাবী পূৰণৰ উদ্দেশ্যৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। দীৰ্ঘদিন ধৰি চাকৰি কৰাৰ পাছতো পঞ্চায়ত আৰু উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীৰে চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ বাবে প্ৰতিবাদকাৰী কৰ্মচাৰীসকলে ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলে ৬০ বছৰলৈ চাকৰি নিয়মীয়াকৰণ, সকলো কৰ্মচাৰীৰ আৰঅ'পিৰ ব্যৱস্থা কৰা, সকলো কৰ্মচাৰীৰ ক্ষেত্ৰত সমকামৰ সম বেতন নীতি প্ৰযোজ্য কৰা, চৰকাৰী কৰ্মচাৰীয়ে লাভ কৰা সকলো সুবিধা প্ৰদান কৰা, বিভাগৰ খালী হোৱা পদত যোগ্যতা অনুসৰি ঠিকাভিত্তিক কৰ্মচাৰীসকলক পৰীক্ষা অনুষ্ঠিত কৰি নিযুক্তি দিবলৈ দাবী জনায়। জিলাখনৰ কলিয়াবৰ, পশ্চিম কলিয়াবৰ, বাজিয়াগাঁও, লাওখোৱা, ৰূপহী, জুৰীয়া, বটদ্ৰৱা, ৰহা, খাগৰিজান, পাখিমৰীয়া, কঠিয়াতলি আৰু বঢ়মপুৰ উন্নয়ন খণ্ডত কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে দাবী জনাইছে। প্ৰতিবাদকাৰীসকলে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তলৈ স্মাৰকপত্ৰও প্ৰেৰণ কৰে।




*বিভিন্ন দাবীৰ সমৰ্থনত নগৰবেৰাত পঞ্চায়ত-গ্ৰামোন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি।*

# পাটাছাৰকুছিত পুথিভঁড়াল-অধ্যয়ন কেন্দ্ৰ উদ্বোধন উপায়ুক্তৰ

**পাটাছাৰকুছি, ৩ ফেব্ৰুৱাৰী ঃ** পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, সমাজকৰ্মী তথা প্ৰায় চাৰি দশক জুৰি সাংবাদিকতা কৰা মহৰুম ছেৰিফউদ্দিন আহমদৰ সোঁৱৰণত পাটাছাৰকুছিত যোৱা পহিলা ফেব্ৰুৱাৰীত এটা পুথিভঁৰাল আৰু অধ্যয়ন কেন্দ্ৰ উদ্বোধন কৰে বজালী জিলাৰ উপায়ুক্ত ভাৰত ভুষণ দেৱচৌধুৰীয়ে। পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দুৰ্গা চৰণ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ভাষণত উপায়ুক্ত দেৱচৌধুৰীয়ে থেৰিফউদ্দিন আহমদৰ জীৱনৰ বিষয়ে কৈ পাটাছাৰকুছিৰ তিনিডাল বৃক্ষৰ এডাল ছেৰিফউদ্দিন আহমদ বুলি কয় লগতে পুথিভঁড়ালৰ প্ৰয়োজনীয়তা আৰু গ্ৰন্থ অধ্যয়নৰ বিষয় কৈ সকলোকে গ্ৰন্থ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। এই সভাতে উপায়ুক্ত দেৱচৌধুৰীয়ে পুথিভঁৰালটোৰ বাবে চাৰিখন মূল্যবান গ্ৰন্থ দান কৰে। সভাত মহৰুম ছেৰিফউদ্দিন আহমদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বিশিষ্ঠ সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে কয় যে ৰাজহুৱা অনুষ্ঠানত বৃক্ষৰোপণ কৰা হয়। কিন্তু আজি ইয়াত জ্ঞানবৃক্ষ ৰোপণ কৰা হ'ল এই পুথিভঁৰাল আৰু অধ্যয়ন কেন্দ্ৰ স্থাপনৰ জৰিয়তে। লগতে তেওঁ পুথিভঁৰাল হ'লেই নহ'ব, গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ লাগিব বুলি কৈ গ্ৰন্থ অধ্যয়নৰ বাবে স্বেচ্ছাই পঢ়ুৱৈ আহিলেহে পুথিভঁৰালৰ উদ্দেশ্যে সফল হ'ব বুলি কয়। সভাত মহৰুম ছেৰিফউদ্দিন আহমদৰ প্ৰতিচ্ছবিৰ সম্মুখত বন্তি প্ৰজ্বলন কৰি পাটাছাৰকুছি বিদ্যাপীঠৰ অধ্যক্ষ তপন কুমাৰ শৰ্মাই ছেৰিফউদ্দিন আহমদৰ কৰ্মৰাজিৰ সোঁৱৰণ কৰে। খনীন্দ্ৰ নাথ শৰ্মাই ছেৰিফউদ্দিন আহমদৰ বিষয়ে চমু ভাষণ দিয়ে। এই সভাত ঊষা দেৱীয়ে উক্ত পুথিভঁৰাল আৰু অধ্যয়ন কেন্দ্ৰলৈ কেইখনমান পুথি দান দিব বুলি কয়।

# পঞ্চায়ত-গ্ৰামোন্নয়নৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ চৌহদত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত নিয়োজিত ঠিকাভিত্তিক কৰ্মচাৰীসকলে প্ৰতিবাদ জনাইছে। ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ চাকৰি সুনিশ্চিত কৰাৰ লগতে সম কামৰ সম বেতন, আৰঅ'পি সুবিধা প্ৰদানৰ দাবীৰ উপৰি চৰকাৰী কৰ্মচাৰীসকলে লাভ কৰা সা-সুবিধা প্ৰদানৰ দাবীৰে ৰাজ্যজুৰি পালন কৰে কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট। পৰহিৰ পৰা সাত ফেব্ৰুৱাৰীলৈ ৰূপায়ণ কৰা কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচীৰ দ্বিতীয় দিনা অচল হৈ পৰিল বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত নটা গাঁও পঞ্চায়তৰ গ্ৰামোন্নয়নৰ কাম-কাজ। উন্নয়ন খণ্ডখনৰ অন্তৰ্গত নটা গাঁও পঞ্চায়তত ৩৫গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# উৰুখা পঁজাত বহি নীৰৱে সাহিত্য সৃষ্টিত নিমগ্ন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ৩ ফেব্ৰুৱাৰী ঃ** এটা উৰুখা পঁজাত বহি নীৰৱে সাহিত্যৰ সৃষ্টিৰাজিত নিৰবচ্ছিন্নভাৱে লাগি থকা এজন লেখক। কাকজান অঞ্চলৰ চাওখাট ভৰলুৱা গাঁৱৰ বুবুল শইকীয়া নামৰ লেখকজনে হৃদয়ৰ অদমনীয় তাড়নাত সাহিত্য চৰ্চাত ব্ৰতী হৈ কে'বাখনো গ্ৰন্থ, কবিতা পুথি ৰচনা কৰিছে। ছাত্ৰ অৱস্থা পৰাই অসমৰ বিভিন্ন কাকত, আলোচনীত কবিতা, গল্প প্ৰকাশ হোৱাৰ পাছতো ২০০৮ত 'আকৌ এটা চিঞৰ' ২০১৭ত অংকুৰণ প্ৰকাশনৰ উদ্যোগত 'চিৰন্তন' কবিতা পুথি ২০২১ত 'বীজাণু' নামৰ গল্প সংকলন আৰু যথাধৰ্ম নামৰ এখন কবিতা সংকলন প্ৰকাশ পাইছে। আকৌ এটা চিঞৰ আৰু চিৰন্তন' নামৰ গ্ৰন্থ দুখনে অসম ভাষা গৌৰৱ আঁচনিৰ অন্তৰ্গত লেখক সম্বৰ্ধনাৰ বাছনি তালিকাত স্থান পোৱাৰ লগতে ২০২১ৰ পহিলা ফেব্ৰুৱাৰীত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু তদানীন্ত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত ৫০ হেজাৰ টকাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ২০২১ৰ ১০ অক্টোবৰত অংকুৰণ প্ৰকাশনে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত তেওঁৰ দুখনকৈ গ্ৰন্থ উন্মোচন হোৱা সত্ত্বেও গাড়ী ভাৰা যোগাৰ কৰিব নোৱাৰাত গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকিব নোৱাৰিলে। দৈনিক ২৮০ টকাৰ পাৰিশ্ৰমিক লাভ কৰি পৰিয়ালটো কোনোৰকম চলাই থকা আৰ্থিক সমস্যাৰে জৰ্জৰিত হৈ থকাৰ পাছতো লেখকজন কিন্তু সাহিত্য চৰ্চাৰ প্ৰতি অহৰ্নিশে চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। তেওঁ কে'বাখনো গ্ৰন্থ, কবিতা পুথি উপন্যাস যোৰহাটৰ এটা অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠানে প্ৰকাশ কৰিবলৈ সম্পূৰ্ণ যো-জা চলোৱাৰ পাছতো আৰ্থিক সমস্যাৰ বাবে থমকিব লগা হৈছে।

# ১২ ফেব্ৰুৱাৰীত আৰ্যভট্ট কেন্দ্ৰৰ যোৰহাট জিলাৰ বিজ্ঞান সমাৰোহ

**অগ্ৰদূত বাৰ্তা,**

**লাহদৈগড়, ৩ ফেব্ৰুৱাৰী ঃ** অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অন্তৰ্গত যোৰহাট জিলাৰ আৰ্যভট্ট কেন্দ্ৰসমূহৰ বিজ্ঞান সমাৰোহ ১২ ফেব্ৰুৱাৰীত তৰাজান উচ্চমাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। জিলাখনৰ ছয়টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত ইতিমধ্যে অনুষ্ঠিত বিজ্ঞানৰ মডেল, আকস্মিক বক্তৃতা, পোষ্টাৰ ড্ৰয়িং আৰু ধাৰাণা (আইডিয়া) প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থানপ্ৰাপ্তসকলে জিলা সমাৰোহত অংশগ্ৰহণ কৰিব। জিলা বিজ্ঞান সমাৰোহৰ পুৱা পতাকা উত্তোলন কৰিব বিজ্ঞান কেন্দ্ৰৰ সভাপতি প্ৰবীণ বৰুৱা, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চিনু গোস্বামীয়ে আৰু প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ড° কৰুণাকান্ত শৰ্মাই। উক্ত সমাৰোহত বিজ্ঞান বক্তৃতা প্ৰদান কৰিব যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ তত্ত্বৰধায়ক ড° প্ৰাণৱজ্যোতি চেতিয়াই। প্ৰবীণ বৰুৱাৰ সভাপতিত্বত হ'বলগীয়া বঁটা বিতৰণী সভাত মুখ্য অতিথিৰূপে উপায়ুক্ত অশোক কুমাৰ বৰ্মন, সন্মানীয় অতিথিৰূপে বিদ্যালয় পৰিদৰ্শক ড° শুভলক্ষ্মী ৰাজকুমাৰীয়ে অংশগ্ৰহণ কৰিব। বিজ্ঞান সমাৰোহত ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° পৰাণ বৰুৱা, ড° অদিতি বেজবৰুৱা, ভৃগুপতি হাজৰিকা, ড° দন্দেশ্বৰ দত্ত,ড° প্ৰশান্ত হাজৰিকা, ড° দ্বিপুল কলিতা, ৰাতুল ভূঞা, তুলিকা হাজৰিকা গগৈ প্ৰমুখ্যে বিভিন্নজনে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। সমাৰোহত ক'ভিড নীতি-নিয়ম পালন কৰি সকলোকে অংশগ্ৰহণ কৰিবলৈ জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে আহ্বান জনাইছে।

# দক্ষিণ বাৰাংহাটী বড়ীসত্ৰত শ্ৰীশ্ৰীবংশীগোপাল সবাহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩ ফেব্ৰুৱাৰী ঃ** পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত দক্ষিণ বাৰাংহাটী বড়ীসত্ৰত অহা ১১ আৰু ১২ ফেব্ৰুৱাৰীত ২৮ সংখ্যক শ্ৰীশ্ৰী বংশীগোপাল সবাহৰ আয়োজন কৰিছে। অতিমাৰী কৰ'না প্ৰতিৰোধৰ বাবে চৰকাৰে দিয়া সকলো নীতি-নিয়ম মানি উদ্যাপন কৰিব লগা উক্ত কাৰ্যসূচীৰ ভিতৰত ১১ ফেব্ৰুৱাৰীৰ পুৱা সভা উদ্যাপন সমিতিৰ সভাপতিয়ে ধৰ্মীয় পতাকা উত্তোলনৰ পাছতে ছহিদ মাতৃ ফেচীবালা মজুমদাৰ, সমাজসেৱক ৰজত চন্দ্ৰ কলিতা আৰু প্ৰাক্তন ছাত্ৰ নেতা বসন্ত কুমাৰ পাটোৱাৰীয়ে ছহিদ তৰ্পণ, অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন্দ্ৰ নাথ কলিতা, সমাজকৰ্মী মহেন্দ্ৰ কলিতা আৰু প্ৰফুল্ল কলিতাই স্মৃতি তৰ্পণ, পঃবঃ আঞ্চলিক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মা, বিশিষ্ট চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ ডেকা, দক্ষিণ বাৰাংহাটী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বাহাৰুল ইছলাম, বাৰাংহাটী পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়ক মুকুল আলীয়ে গছপুলি ৰোপণৰ অন্তত সভাৰ ক্ষেত্ৰ মুকলি কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰতুল কলিতাই। ইয়াৰ পাছতে শ্ৰীশ্ৰী বংশীগোপাল মহাপ্ৰভুক মণ্টু দাসৰ গৃহলৈ আৰোহণ, আৰিয়া প্ৰজ্বলনৰ বাবে কল গছ পোতা অনুষ্ঠান মুকলি কৰিব পখীন্দ্ৰ কলিতাই। সমূহীয়া স্বচ্ছ অভিযানৰ আঁত ধৰিব নিৰঞ্জন কলিতাই। সন্ধিয়া মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। মন্দিৰৰ দ্বাৰ উন্মোচনৰ পাছতে বংশীগোপালৰ বিগ্ৰহ শোভাযাত্ৰাৰে সভাস্থলীলৈ আনায়ন, শোভাযাত্ৰা উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সম্পাদক নিবাৰণ লহকৰে। ইয়াৰ পাছতে ২৮ গছি আৰিয়া প্ৰজ্বলন, মুখ্য প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰিব এমট্ৰ'নৰ উপ-প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থই। আৰিয়া প্ৰজ্বলনৰ পাছতে টোপধ্বনিৰ শলিতা প্ৰজ্বলন কৰিব ক্ৰমে সাপ্তাহিক গণস্তম্ভ বাতৰি কাকতৰ সম্পাদক তথা প্ৰকাশক চম্পক কলিতা, অসম জাতীয় পৰিষদৰ উপ-সভাপতি দুলু আহমেদ, সমাজকৰ্মী বৈকুণ্ঠ ডেকা আৰু সইনুৰ আলীয়ে। ইয়াৰ পাছত নাগাৰা নামৰ ক্ষেত্ৰ উন্মোচন কৰিব সমাজসেৱী বাসৰ ডেকাই। নাগাৰা নাম উদ্বোধন কৰিব এআইডিচিৰ উপাধ্যক্ষ নৱদ্বীপ কলিতাই। নাগাৰা নাম পৰিৱেশন কৰিব কনকলতা মেধি আৰু উৰ্বশী ৰাজবংশীয়ে। ১২ ফেব্ৰুৱাৰীত সমূহীয়া স্বচ্ছ অভিযান, আঁত ধৰিব অমৰেন্দ্ৰ কলিতাই। ভাগৱত পাঠ কৰিব হেমন্ত কলিতাই। শান্তি-পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, ভোগ গ্ৰহণ, বিয়লি বংশীগোপালক পদূলিয়ে পদূলিয়ে প্ৰদক্ষিণ কৰাই মূল মন্দিৰলৈ প্ৰত্যাৱৰ্তন। ইতিমধ্যে সঞ্জয় কলিতাক সভাপতি, ৰঞ্জন কলিতাক কাৰ্যকৰী সভাপতি, মনোজ ভূঞা, ধ্ৰুৱজ্যোতি ৰাজবংশীক উপ-সভাপতি, শংকৰ কলিতা, ভাস্কৰ শৰ্মা, চিন্ময় কলিতা, দ্বীপজ্যোতি কলিতা সম্পাদক মণ্ডলী, মুকুল কলিতা, সীমান্ত কুমাৰ কাশ্যপক সহকাৰী সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰিছে।

# সমাজকৰ্মী-অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩ ফেব্ৰুৱাৰী ঃ** কলিয়াবৰৰ কুঁৱৰীটোল নিৱাসী সমাজকৰ্মী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, প্ৰবীণ খেলুৱৈ, সুদক্ষ অভিনেতা যোগেন শইকীয়া (৮৮)ৰ যোৱা নিশা সাত বজাত মৃত্যু হয়। পুৱথৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত থকাৰ উপৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ কলিয়াবৰ সমিতিৰ প্ৰাক্তন সভাপতি আৰু বৰ্তমানৰ উপদেষ্টা, কলিয়াবৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উপদেষ্টা, কলিয়াবৰ মাষ্টাৰ এথলেটিক সন্থাৰ সভাপতি, দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন ক্ৰীড়া সম্পাদক, শিশু বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। তেওঁ সুদক্ষ ফুটবল খেলুৱৈ আৰু অভিনেতা আছিল। তেওঁৰ বাসগৃহত কালি কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গুণীন হাজৰিকা, কলিয়াবৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি প্ৰশান্ত শইকীয়া, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ ৰাজ্যিক সম্পাদক শ্ৰীমন্ত ভূঞা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ কলিয়াবৰ জিলা আৰু আঞ্চলিক সমিতি, পুৱথৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দ, শিশু বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমিতিৰ বিষয়ববীয়া আৰু শিক্ষক-কৰ্মচাৰীবৃন্দ, কলিয়াবৰ মাষ্টাৰ এথলেটিক সন্থা, কলিয়াবৰ জ্যেষ্ঠ নাগৰিক সন্মিলন প্ৰমুখ্যে কলিয়াবৰৰ বিভিন্ন ব্যক্তি-অনুষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ-কন্যা এৰি যায়।

# গোৱালপাৰাত বিজেপিৰ ভিডিঅ' কনফাৰেঞ্চ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰশীল অৰ্থব্যৱস্থাৰ বিষয়ে দেশবাসীক সম্বোধন কৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি কালি গোৱালপাৰা চহৰৰ বাপুজীনগৰস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত এক ভিডিঅ' কনফাৰেঞ্চ অনুষ্ঠিত হয়। জিলা বিজেপিৰ মিডিয়াৰ আহ্বায়ক দিবাকৰ মেধীয়ে এক বিবৃতিত উল্লেখ কৰা মতে, উক্ত ভিডিঅ' কনফাৰেঞ্চত বিজেপিৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি হিমাদ্ৰী দাস, ৰাজ্যিক সমিতিৰ সম্পাদিকা টিনামণি দৈমাৰী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যসকল, জিলা সমিতিৰ বিভিন্ন বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য, জিলাৰ বিভিন্ন মণ্ডলৰ সভাপতিসকল, জিলাৰ সকলো মৰ্চাৰ সভাপতিসকলকে আদি কৰি বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তা উপস্থিত থাকে।

## ২৬ মাহত মাত্ৰ ২০ শতাংশহে কামৰ অগ্ৰগতি

# গোটমৰা চিমেন্টৰে শিঙিমাৰী-মৰনৈ সংযোগী দলং নিৰ্মাণৰ অভিযোগ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ ফেব্ৰুৱাৰী ঃ** চৰকাৰে যাতায়াত ব্যৱস্থা উন্নয়নৰ বাবে লোক নিৰ্মাণ বিভাগৰ জৰিয়তে কোটি কোটি টকা আবণ্টন দিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত একাংশ ঠিকাদাৰৰ অনিয়মৰ বাবেই ৰাইজে আশানুৰূপ সুফল নোপোৱা বুলি অভিযোগ উঠিছে। বিশেষকৈ গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত শিঙিমাৰীৰ পৰা মৰনৈ সংযোগী পথৰ দুধনৈ-কৃষ্ণাই নদীৰ ওপৰত আৰ চি চি দলং নিৰ্মাণৰ নামত দায়িত্বৰত ঠিকাদাৰে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইপিনে, শেহতীয়াভাৱে গোটমৰা চিমেন্টৰে দলঙৰ প'ষ্ট ঢালাই দিয়া বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ২০১৯ৰ ২০ নৱেম্বৰত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উল্লেখিত দলঙখনৰ লগতে গোৱালপাৰা জিলাৰ বহু কেইটা গুৰুত্বপূৰ্ণ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ইপিনে, ইয়াৰ কিছুদিন পাছতে কৰ্মস্থলীত উপস্থিত হৈ একেই বৰ্ষৰ দুই ডিচেম্বৰত স্থানীয় বিধায়ক এ কে ৰছিদ আলমে দ্বিতীয়বাৰৰ বাবে দলঙখনৰ আধাৰশিলা স্থাপন কৰে। কিন্তু দুবাৰকৈ আধাৰশিলা স্থাপনৰ পাছতো বিগত ২৬ মাহত মাত্ৰ ২০ শতাংশহে কামৰ অগ্ৰগতি হোৱা বুলি বিভাগীয় সূত্ৰই সদৰী কৰিছে। বিভাগীয় নিয়ম মতে, যিকোনো চৰকাৰী উন্নয়নমূলক কামৰ আৰম্ভণিতেই ৰাইজৰ জ্ঞাতাৰ্থে আঁচনি সন্দৰ্ভত বিতং তথ্য সম্বলিত নাম ফলক আঁৰি দিয়াটো বাধ্যতামূলক। কিন্তু দায়িত্বৰত ঠিকাদাৰ গোষ্ঠী এম পি আগৰৱালাই কামৰ আৰম্ভণি, কাম সম্পূৰ্ণ কৰাৰ তাৰিখ, পেকেজ নম্বৰ, আবন্টিত টকাৰ পৰিমাণ আদি উল্লেখ নকৰাকৈয়ে নামমাত্ৰ ফলক এখন আঁৰি দিয়েই দায়িত্ব সামৰিছে। ইপিনে, দলঙৰ প'ষ্ট ঢালাই দিয়াৰ সময়ত বিভাগীয় অভিযন্তা উপস্থিত থাকিব লাগে। কিন্তু স্থানীয় ৰাইজে অভিযোগ কৰা মতে, সাধাৰণ কৰ্মচাৰী উপস্থিত থকাৰ বিপৰীতে ঢালাই দিয়াৰ সময়ত কোনো ধৰণৰ অভিযন্তা উপস্থিত নাথাকে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰেই প্ৰাক্কলন অনুযায়ী দলঙখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে। উল্লেখ্য যে কেৱল শিঙিমাৰী-মৰনৈ সংযোগী পথৰ দলঙেই নহয় জিলাখনৰ এক ডজনতকৈয়ো অধিক দলং নিৰ্মাণৰ দায়িত্বত থকা এমপি আগৰৱালা নামৰ ঠিকাদাৰ গোষ্ঠীয়ে শামুকীয়া গতিৰে কাম কৰা বুলি বিভাগীয় সূত্ৰই সদৰী কৰিছে। সেয়েহে ঠিকাদাৰ গোষ্ঠীটোৰ প্ৰতিটো কামৰে উপায়ুক্ত তদন্তৰ ব্যৱস্থা কৰি বিহীত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

# 'সখী' একক অৱস্থান কেন্দ্ৰৰ নৱনিৰ্মিত ভৱন উদ্বোধন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনৰ 'সখী' একক অৱস্থান কেন্দ্ৰৰ এটি নৱনিৰ্মিত ভৱন যোৰহাটস্থ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয় চৌহদত যোৱা পহিলা ফেব্ৰুৱাৰীত উদ্বোধন কৰা হয়। এই উপলক্ষে আয়োজিত উদ্বোধনী অনুষ্ঠানত ভৱনটেবন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰে। ভাষণ প্ৰসংগত অতিৰিক্ত উপায়ুক্তগৰাকীয়ে কয় যে নাৰীৰ সুৰক্ষাৰ বাবে এই কেন্দ্ৰটোৱে যি সেৱা আগবঢ়াই আহিছে সেয়া প্ৰশংসনীয়। ২০১৭ৰ ২৬ জানুৱাৰীত যোৰহাট জিলাত প্ৰতিষ্ঠা হোৱা কেন্দ্ৰটোৱে নিজাববীয়া নতুন ভৱন লাভ কৰাটো জিলাখনৰ বাবে এক গৌৰৱৰ বিষয়। তেওঁ কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকলক নাৰীসকলৰ সুৰক্ষা তথা কল্যাণৰ বাবে নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। জিলা সমাজ কল্যাণ বিষয়া ৰাজ কুমাৰ কেডিয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অমৃত শইকীয়া, মহকুমা স্বাস্থ্য বিষয়া বডিলাল দেউৰী, সহকাৰী আয়ুক্ত পৰিণীতা চক্ৰৱৰ্তী, যোৰহাট শিশু কল্যাণ সমিতিৰ সদস্যা, চাইল্ডলাইনৰ বিষয়া প্ৰমুখ্যে সমাজ কল্যাণ্ড বিভাগে আৰু সখী একক অৱস্থান কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# বাসুগাঁও গুৰুকুল নেছনেল স্কুলত আলোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰত ২০১৬ত স্থাপিত গুণগত শিক্ষাদানত ব্ৰতী গুৰুকূল নেছনেল স্কুলত আজি শৈক্ষিক উন্নয়নৰ ওপৰত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। স্কুলৰ অধ্যক্ষ বিজিত নাথে আঁত ধৰা অনুষ্ঠানত প্ৰতিযোগিতামূলক সময়ত ছাত্ৰ-ছাত্ৰীয়ে স্কুলীয়া পাঠ্যপুথি কঠোৰভাৱে অধ্যয়ন কৰি পৰীক্ষাত কৃতকাৰ্য লাভ কৰাৰ লগতে জীৱন যুঁজত কেনেদৰে আগবাঢ়িব পাৰি সকলোৱে মনোগ্ৰাহীকৈ ব্যাখ্যা দাঙি ধৰে। লগতে বিশেষকৈ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ কৰণীয়ৰ ওপৰত কোৱাৰ লগতে ম'বাইল ফোনৰ অপব্যৱহাৰে কেনেদৰে ভৱিষ্যৎ জীৱনত ক্ষতি কৰে সবিস্তাৰে বুজাই কয়। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ মংগলৰ কাৰণে অভিভাৱকসকল কিছু কঠোৰ হ'বলৈও কয় অধ্যক্ষজনে। অধ্যক্ষৰ উপৰি শিক্ষক সুশান উপাধ্যায়, সুৰজিৎ দে, সংগীতা বসুমতাৰী, জয়তা দাস, ৰিতিকা বসুমতাৰী, প্ৰিয়া মুছাহাৰী আদিও বিশেষকৈ ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে অধ্যয়নত ব্ৰতী হ'লে আগুৱাই যাব পাৰিব তাৰ ওপৰত বক্তব্য দাঙি ধৰে। একাংশ অভিভাৱকেও শৈক্ষিক উন্নয়নৰ ওপৰত বক্তব্য দাঙি ধৰি এনে ধৰণৰ শৈক্ষিক আলোচনা সভা সময়ে সময়ে অনুষ্ঠিত কৰিবলৈ স্কুল কৰ্তৃপক্ষক আহ্বান জনায়।

# দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঁচ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক বিদায় সম্বৰ্ধনা



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩ ফেব্ৰুৱাৰী ঃ** বৃহত্তৰ ৰৌতা অঞ্চলৰ ঐতিহ্যমণ্ডিত আৰু আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা পাঁচগৰাকী শিক্ষক-কৰ্মচাৰীক আজি বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনৰ অধ্যক্ষা অৰুণমণি দেৱীৰ সভানেত্ৰীত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়খনৰ বৃত্তিমুখী শিক্ষক হৰেশ্বৰ শইকীয়াই। উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি তথা সহকাৰী শিক্ষক দৈমালু মোছাহাৰীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে বৃত্তিমুখী শিক্ষক বিপুল ভৰালীৰ নেতৃত্বত বিদ্যালয় সংগীত পৰিৱেশন কৰে ছাত্ৰীসকলে। সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে শিক্ষক হৰেশ্বৰ শইকীয়াই। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক গজেন হাজোৱাৰী, বিষয় শিক্ষয়িত্ৰী মিনতি দেৱী, সহকাৰী শিক্ষয়িত্ৰী জ্যোতিপ্ৰভা দেৱী, সহকাৰী শিক্ষক কৃষ্ণকান্ত শৰ্মা, বিদ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক পৱন চন্দ্ৰ নাথক ফুলাম গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা, বস্ত্ৰ, ছাতি, কলম আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাপতিৰ ভাষণত বিদ্যালয়খনৰ অধ্যক্ষা অৰুণমণি দেৱীয়ে বিদায়ী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি তেওঁলোকে চাকৰি জীৱনত আগবঢ়াই যোৱা অৰিহণাৰ বিষয়ে বৰ্ণনা কৰে।

# বাগ্‌সাত এদিনতে শিক্ষা বিভাগৰ ১১ গৰাকী শিক্ষক-কৰ্মচাৰী অৱসৰ গ্ৰহণ

**মুছলপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলাৰ শিক্ষা বিভাগৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ১০ গৰাকী শিক্ষক-কৰ্মচাৰী আৰু এগৰাকী পৰিকল্পনা বিষয়াই কালি অৱসৰ গ্ৰহণ কৰে। বাগ্‌সা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত বিদায়ী সম্বৰ্ধনাত সকলো শিক্ষক-কৰ্মচাৰীকে আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জ্ঞাপন কৰি পেঞ্চনৰ সকলো নথি-পত্ৰ হাতত তুলি দিয়ে। বিদ্যালয় পৰিদৰ্শক ভৱেন দেউৰীয়ে উল্লেখ কৰা পেঞ্চনাৰসকলৰ পাবলগীয়া বকেয়া ধন দুই-এদিনৰ ভিতৰতে নিজৰ নিজৰ বেংকৰ জমা বহীত জমা হ'ব। কৰ্মৰত অৱস্থাত সকলো শিক্ষক-কৰ্মচাৰীৰ পৰা পোৱা সহায়-সহযোগিতাৰ বাবে আটাইকেইগৰাকী অৱসৰী কৰ্মচাৰীৰ শলাগ লয় বিদ্যালয়সমূহৰ পৰিদৰ্শকে। আগন্তুক দিনত সেইসকল বিজ্ঞ শিক্ষক-কৰ্মচাৰীৰ পৰা শৈক্ষিক ক্ষেত্ৰত প্ৰয়োজনত সহায় লাগিব বুলি কয় বিদ্যালয়সমুহৰ পৰিদৰ্শকে। উল্লেখ্য যে বাগ্‌সা জিলা শিক্ষা বিভাগৰ পৰা আটাইকেইগৰাকী শিক্ষক-কৰ্মচাৰীকে শৰাই-ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। কালি অৱসৰ লোৱা শিক্ষক-কৰ্মচাৰীকেইজন হ'ল গোৰেশ্বৰ উচ্চতৰ মাধ্যমিকৰ শিক্ষক লাৱণ্য ডেকা, তামুলপুৰ উচ্চতৰ মাধ্যমিকৰ শিক্ষক অজয় শৰ্মা, কলবাৰী হাইস্কুলৰ শিক্ষক প্ৰবীন বৈশ্য, বাপুজী হাইস্কুলৰ শিক্ষক সঞ্জয় বসুমতাৰী, প্ৰধান শিক্ষক বীৰেন্দ্ৰ নাথ শৰ্মা, আঠিয়াবাৰী হাইস্কুলৰ শিক্ষক আলাউদ্দিন শ্বেখ, বৰমা উচ্চতৰ মাধ্যমিকৰ শিক্ষক সুচীব্ৰত বুজৰবৰুৱা, গড়ভিতৰ হাইস্কুলৰ শিক্ষক ভূৱনেশ্বৰ নাথ, অৰুণোদয় হাইস্কুলৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী ফটিক চন্দ্ৰ নাথ, খাগ্ৰাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক ধৰণীধৰ ডেকাৰ লগতে বাগ্‌সা আই এছ কাৰ্যালয়ৰ পৰিকল্পনা বিষয়া গোপাল কলিতা।

■ মেৰামতিৰ অভাৱত একাধিক ৱাৰ্ডৰ গুৰুত্বপূৰ্ণ পথেই বিধ্বস্ত হৈ পৰিছে

# জৰাজীৰ্ণ পথে উদঙাইছে ধিং পৌৰসভাৰ স্বৰূপ



বিশেষ সংবাদদাতা

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** ধিং পৌৰ সভাৰ অকৰ্মণ্যতা আৰু অদক্ষতাৰ স্বাক্ষৰ বহন কৰিছে পৌৰসভাৰ অন্তৰ্গত কেতবোৰ বাট-পথৰ জৰাজীৰ্ণ অৱস্থাই। ধিং পৌৰসভাৰ কাৰ্যালয়ৰ পৰা মাত্ৰ পাঁচশ মিটাৰ নিলগৰ এক নম্বৰ ৱাৰ্ডৰ ৰত্নভৰন সংযোগী ৰত্নগৰ পথটোৰ লগতে পাঁচ নম্বৰ আৰু সাত নম্বৰ ৱাৰ্ডৰ মূল পথকেইটা সুদীৰ্ঘ বছৰ ধৰি মেৰামতিৰ অভাৱত অতিশয় জৰাজীৰ্ণ হৈ পৰিছে। ৰত্নগৰৰ ৰত্নভৰন সংযোগী প্ৰায় পাঁচশ মিটাৰ দৈৰ্ঘ্যৰ পথটো প্ৰায় ১০-১২ বছৰ আগেয়ে পকীকৰণ কৰা হৈছিল। কিন্তু পৰৱৰ্তীকালত পথটোৰ কোনো ধৰণৰ মেৰামতি নকৰাত ইয়াৰ অৱস্থা বিধ্বস্ত হৈ পৰে। পথটোৰ ওপৰৰ বিটুমিনৰ তৰপ ইতিমধ্যে এৰাই গৈছে। পথৰ মাজে মাজে সৃষ্টি হৈছে গাঁতৰ। উল্লেখ্য যে এই পথটোত নাই কোনো ধৰণৰ নলাৰ ব্যৱস্থা। ফলত এজাক বৰষুণতে পথৰ মাজত পানী জমা হোৱাত ৰাইজে জীয়াতু ভুগিব লগা হয়।

ইপিনে, অতি পুৰণা ঐতিহ্যমণ্ডিত চহৰখনৰ প্ৰয়াত মন্ত্ৰী দিগেন বৰাৰ বাসগৃহৰ সন্মুখৰ হেম বৰুৱা পথটোও সুদীৰ্ঘ বছৰ মেৰামতিৰ অভাৱত অতিশয় জৰাজীৰ্ণ হৈ পৰিছে। পথটোৰ মাজে মাজে সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। এজাক সাধাৰণ বৰষুণতে পথটো পুখুৰী সদৃশ হৈ পৰে। পৰৱৰ্তী সময়ত পথটো বোকাময় হৈ পৰে আৰু যাতায়াতৰ ক্ষেত্ৰত ৰাইজে যমৰ যন্ত্ৰণা ভুগিব লগা হয়। পথটো মেৰামতি কৰি যাতায়াত সুচল কৰিবলৈ ধিং পৌৰসভাৰ লগতে স্থানীয় বিধায়কক অঞ্চলটোৰ ৰাইজে বহুবাৰ আবেদন- নিবেদন কৰিছে যদিও এই পৰ্যন্ত কোনো সুফল লাভ কৰিবলৈ সক্ষম নহ'ল। অঞ্চলবাসীয়ে ধিং পৌৰসভাৰ গাফিলতিৰ বিৰুদ্ধে শেহতীয়াকৈ সোচ্চাৰ হৈ পৰা পৰিলক্ষিত হৈছে। আনকি ধিং পৌৰসভাৰ চৰম অৱহেলাৰ বাবেই আগন্তুক পৌৰ সভা নিৰ্বাচনত ভোট বৰ্জন কৰাৰো হুংকাৰ প্ৰদান কৰিছে ভুক্তভোগী ৰাইজে।

উল্লেখ্য যে ধিং পৌৰসভাৰ অন্তৰ্গত এই বিধস্ত পথেৰেই এতিয়া নিতৌ হেজাৰ হেজাৰ লোকে আহ-যাহ কৰিবলগীয়া হৈছে। পথৰ দুৰৱস্থাৰ বাবে বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ লগতে চিকিৎসালয়লৈ যোৱা ৰোগীসকলে জ্বলা-কলা খাবলগীয়া হৈছে।

ধিং পৌৰসভাই চহৰখনৰ অন্তৰ্গত অত্যন্ত কম গুৰুত্বপূৰ্ণ কেতবোৰ ঠাইৰ বাট পথ নিৰ্মাণ কৰি আহিছে যদিও এই গুৰুত্বপূৰ্ণ পথ দুটা মেৰামতিৰ ক্ষেত্ৰত সদায় অনীহা প্ৰদৰ্শন কৰি অহা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, পৌৰসভাৰ বিষয়ববীয়া, কনিষ্ঠ অভিযন্তা আদিয়ে যি ঠাইত লুণ্ঠনৰ সুবিধা আছে তেনে ঠাইৰ পথ নিৰ্মাণ কিম্বা মেৰামতিৰ ক্ষেত্ৰতহে বেছি তৎপৰ। তেওঁলোকৰ এই অৰ্থলিপ্সাৰ বাবেই এক নম্বৰ ৱাৰ্ডৰ লগতে পাঁচ আৰু সাত নম্বৰ ৱাৰ্ডৰ ৰাইজে জীয়াতু ভুগিব লগা হৈছে।

## যোৰহাটত বিশ্ব আৰ্দ্ৰভূমি দিৱস পালন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত কালি কাছ গৰালত বিশ্ব আৰ্দ্ৰভূমি দিৱস পালন কৰা হয়। স্থানীয় পঞ্চায়ত আৰু মীন বিভাগৰ সহযোগত অনুষ্ঠিত দিৱসৰ লগত সংগতি ৰাখি বৃক্ষৰোপণ কৰাৰ উপৰি এক আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। উক্ত সভাত জ্যেষ্ঠ অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি, কোঁৱৰ, অতিৰিক্ত সহকাৰী আয়ুক্ত পৰিণীতা চক্ৰৱৰ্তী আৰু কৃতাৰ্থ নেওগ, জিলা মীন উন্নয়ন বিষয়া খনিন্দ্ৰ ভূঞা উপস্থিত থাকে। তদুপৰি যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ উদ্যোগত এই বিষয়ত এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰশান্ত গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত সভাত উপায়ুক্ত অশোক কুমাৰ বৰ্মন, অতিৰিক্ত উপায়ুক্তদ্বয় কবিতা কাকতি কোঁৱৰ আৰু আকাশী দুৱৰা উপস্থিত আছিল। আনহাতে, ৰেইন ৱাৰ্টাৰ হাৰ্বেষ্টিং বিষয়ত বক্তৃত্য দিয়ে জে ই চিৰ অধ্যাপক ড° প্ৰসন্ন খাউণ্ডে। আনহাতে, বিশ্ব আৰ্দ্ৰভূমি দিৱসৰ দিনাই প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱাই ব্ৰহ্মপুত্ৰৰ কাষৰীয়া জাঁজীমুখৰ পৰা ককিলামুখলৈকে বৃহত্তৰ অঞ্চলৰ বিল, পুখুৰী, জলাশয় আদি সংৰক্ষণৰ দাবী জনাই উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। পৰিস্থিতি তন্ত্ৰত ব্যাপক প্ৰভাৱ পেলোৱা এই আৰ্দ্ৰভূমিসমূহ একাংশ লোকে বেদখল কৰাৰ লগতে পুতি, ফিচাৰী আদি খান্দি স্বাভাৱিক পৰিৱেশ বিনষ্ট কৰিছে। প্ৰাকৃতিকভাৱে থকা পানীৰ স্বাভাৱিক সোঁতক বাধা দি য'তে-ত'তে একাংশ লোকে জধে-মধে ফিচাৰী খন্দাত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। যাৰ ফলত হেজাৰ হেজাৰ হেক্টৰ কৃষিভূমিত কৃষকে বহুবছৰ ধৰি কৃষিকৰ্ম কৰিব পৰা নাই। জিলা প্ৰশাসনক অঞ্চলৰ ৰাইজে এই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ দাবী জনাই আহিছে যদিও সুফল পোৱা নাই। সেৱাৰ তৰফৰ পৰা বৃহত্তৰ অঞ্চলটোৰ নৈ কাছৰীয়া জলাশয়সমূহ সংৰক্ষণৰ লগতে পানী স্বাভাৱিকভাৱে বৈ যোৱাত বাধাৰ সৃষ্টি কৰা অবৈধ নিৰ্মাণ কাৰ্যসমূহৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তক দাবী জনোৱা হয়। ইপিনে, জলাশয়সমূহৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে পালন কৰি অহা বিশ্ব আৰ্দ্ৰভূমি (জলাশয়) দিৱস কালি স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ উদ্যোগত পালন কৰা দিৱসত জলাশয়সমূহৰ লগতে জলজ উদ্ভিদ, প্ৰাণী, পৰিভ্ৰমী পক্ষী তথা জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লগতে পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত আলোচনা কৰা হয়। তদুপৰি গছ-গছনি ৰোপণতো গুৰুত্ব আৰোপ কৰাৰ লগতে অবাবত গছ-গছনি ধ্বংস নকৰিবলৈ বিজ্ঞানী ড° পিচি বৰুৱাই কোৱা সভাখনত ভালেসংখ্যক লোক উপস্থিত থাকে।

### জলাশয় সংৰক্ষণৰ দাবী জনাই উপায়ুক্তক সেৱাৰ স্মাৰকপত্ৰ

## আশাজ্যোতিৰ উদ্যোগত ছিপাঝাৰত নেহৰু যুৱ কেন্দ্ৰৰ কেৰিয়াৰ সম্পৰ্কীয় অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৩ ফেব্ৰুৱাৰী ঃ** ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ পথ প্ৰদৰ্শনৰ বাবে অত্যাৱশ্যকীয় কেৰিয়াৰ সম্পৰ্কীয় জ্ঞান দিবলৈ নেহৰু যুৱ কেন্দ্ৰ, দৰঙৰ পৃষ্ঠপোষকতাত ছিপাঝাৰৰ অগ্ৰণী সামাজিক অনুষ্ঠান আশাজ্যোতিৰ উদ্যোগত আজি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান স্থানীয় শংকৰ-আজান জেনীথ একাডেমীত 'কেৰিয়াৰ গাইড, কেৰিয়াৰ কাউন্সিলিং, কেৰিয়াৰ মেলা' শীৰ্ষক এখন সভা অনুষ্ঠিত হয়। জীৱনৰ দিগদৰ্শন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে সভাত আমন্ত্ৰিত বক্তাসকলে তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। ক'ভিড বিধি মানি অনুষ্ঠিত সভাখনত আৰম্ভণিতে আশাজ্যোতিৰ কাৰ্যবাহী সঞ্চালক জিয়াউৰ ৰহমানে সভা আয়োজন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সবিশেষ দাঙি ধৰে। তেওঁ লগতে আশাজ্যোতিয়ে সমাজৰ কল্যাণৰ বাবে ধাৰাবাহিকভাৱে কৰি থকা কাম-কাজৰ বিষয়েও অৱগত কৰে। সভাত সমল ব্যক্তিৰূপে বিষয়বস্তুৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই অসম বিজ্ঞান সমিতিৰ যুটীয়া সম্পাদক তথা বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কি কি বিষয় অধ্যয়ন কৰাৰ সুযোগ আছে আৰু ইয়াৰ বাবে কিদৰে এতিয়াৰে পৰা সাজু হ'ব লাগিব সেই বিষয়ে সমল ব্যক্তিগৰাকীয়ে তথ্য সহকাৰে প্ৰজেক্টৰৰ সহায়ত বিবৰি কয়। উচ্চতৰ মাধ্যমিকত কলা, বাণিজ্য, বিজ্ঞান বিষয় লৈ উত্তীৰ্ণ হোৱাৰ পাছত কি কি কেৰিয়াৰ বাছনি কৰিব পাৰি তেওঁৰ বক্তব্যত প্ৰকাশ পায়। বৃত্তিমূলক শিক্ষা গ্ৰহণৰ বাবে থকা সুবিধা আৰু নিয়োজনৰ সম্ভাৱনাৰ বিষয়েও তেওঁ কয়। বক্তাজনে লগতে মেডিকেল, ইঞ্জিনিয়াৰিং, শিক্ষকতা, প্ৰতিৰক্ষা, প্ৰশাসনিক আদি বিভাগত নামভৰ্তিৰ বাছনি পৰীক্ষাৰ বিষয়েও অৱগত কৰায়। ইয়াৰ উপৰি তেওঁ কেৰিয়াৰৰ স'তে সম্পৰ্ক থকা ধনাত্মক চিন্তা, সঠিক বন্ধু বাছনি, আবেগৰ নিয়ন্ত্ৰণ আদি জীৱনৰ কৌশলসমূহৰ ওপৰতো আলোকপাত কৰে। আন এজন আমন্ত্ৰিত বক্তা ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক ইকবাল ৰছিদ হাজৰিকাই শৈক্ষিক ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাসক ভেটি হিচাপে লৈ জীৱন যুঁজত আগবাঢ়ি গ'লে ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰিব বুলি উল্লেখ কৰে। নিজ পছন্দৰ কেৰিয়াৰ বাছনি কৰিবলৈ সৰুৰে পৰাই ছাত্ৰ-ছাত্ৰীসকলক সাজু কৰি তোলাৰ প্ৰয়োজন। অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ উপাধ্যক্ষ দামোদৰ চহৰীয়াসহ শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক, স্থানীয় যুৱক-যুৱতী, অভিভাৱক, পৰিচালনা সমিতিৰ সদস্য ইউনিছ আলীৰ লগতে আশাজ্যোতিৰ সভাপতি যোগেন্দ্ৰ বণিয়া, মুখ্য উপদেষ্টা জয়ন্ত বৰুৱাও উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকল যথেষ্টভাৱে উপকৃত হোৱা বুলি সামৰণিত উল্লেখ কৰে।

## টিহুৰ বাসন্তী হাইস্কুলত বিশ্ব আৰ্দ্ৰভূমি দিৱস পালন



অগ্ৰদূত বাৰ্তা

**টিহু, ৩ ফেব্ৰুৱাৰী ঃ** টিহুৰ নাথকুছিত অৱস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বাসন্তী হাইস্কুলত কালি এনভিছ হাব, এছটেকৰ পৃষ্ঠপোষকতাত ক'ভিড বিধি মানি বিভিন্ন কাৰ্যসূচীৰে বিশ্ব আৰ্দ্ৰভূমি দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা এটি বকুল গছৰ পুলি ৰোপণ কৰি কাৰ্যসূচী মুকলি কৰে স্থানীয় সমাজপ্ৰাণ ব্যক্তি তথা অভিভাৱক গাথিয়া বড়োৱে। আনহাতে, ছাত্ৰ-ছাত্ৰীসকলে নিৰ্মাণ কৰা সামগ্ৰীৰে প্ৰস্তুতি কৰি উলিওৱা প্ৰদৰ্শনী উন্মোচন কৰে বিশিষ্ট চিকিৎসক তৰুণ তালুকদাৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ বিভিন্ন লেখাৰে সমৃদ্ধ হাতেলিখা আলোচনী 'ধৰিত্ৰী' উন্মোচন কৰে শিক্ষয়িত্ৰী গীতাঞ্জলি দাসে। এনভিছ হাব, এছটেকৰ অৰ্থসাহায্যৰ আৰ্দ্ৰভূমি সংৰক্ষণ বিষয়ক প্ৰচাৰ পত্ৰিকা এখন উন্মোচন কৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী প্ৰণীতা দেৱীয়ে। ডাঃ তালুকদাৰে পৰিৱেশ সংৰক্ষণ কৰাৰ বাবে সকলোকে উৎসাহিত কৰাৰ লগতে বিদ্যালয়ত থলুৱা গছ ৰোপণৰ বাবে স্ব-ইচ্ছাৰে আৰ্থিক সাহায্য আগবঢ়ায়। অনুষ্ঠানৰ মুকলি আলোচনা সভাত ছাত্ৰ হিমজ্যোতি গোস্বামীয়ে আৰ্দ্ৰভূমিৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত চমু বক্তব্য আগবঢ়ায়।

## ঘগ্ৰাপাৰাত জনতা যুৱ মৰ্চাৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ মণ্ডল কাৰ্যালয়ত যোৱা এক ফেব্ৰুৱাৰীত বিজেপিৰ যুৱ মৰ্চাৰ বড়িগোগ বনভাগ মণ্ডল সমিতিৰ এক সাংগঠনিক সভা অনুষ্ঠিত হয়। যুৱ মৰ্চাৰ বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ নৱনিযুক্তি সভাপতি হৰেশ্বৰ দাসে বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ কিছু সংখ্যক আপেক্ষিত কাৰ্যকৰ্তাৰ লগত এখন সাংগঠনিক বৈঠকত মিলিত হয়। যুৱ মৰ্চাৰ মণ্ডল সভাপতি দাসে সঞ্চালনা কৰা সাংগঠনিক সভাত যুৱ মৰ্চাৰ নলবাৰী জিলা সমিতিৰ উপ-সভাপতি সুৰেশ কলিতাই সাংগঠনিক দিশৰ ওপৰত মন্তব্য কৰে। লগতে নেতাজনে আগন্তুক দিনত দলৰ বিভিন্ন কাৰ্যসূচী সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত দলীয় কৰ্মীসকলৰ লগত মত বিনিময় কৰে।

## নতুন পেঞ্চন নীতি বাতিলৰ দাবীত প্ৰতাৰণা দিৱস

**চেলেংহাট, ৩ ফেব্ৰুৱাৰী ঃ** দেশৰ শিক্ষক-কৰ্মচাৰী সমাজখনক ব্যক্তিগত কোম্পানীৰ হাতত বন্ধকত দি জীৱনৰ নিৰাপত্তা নোহোৱা কৰা নতুন পেঞ্চন নীতি বাতিলৰ বাবে ২০০৬ৰ পৰা দেশৰ প্ৰাথমিক শিক্ষক সমাজে ধাৰাবাহিকভাৱে তৃণমূলৰ পৰা কেন্দ্ৰলৈ আন্দোলন কৰি আহিছে। ইয়াৰ সমান্তৰালকৈ দেশৰ আৰু আমাৰ ৰাজ্যখনৰো বিভিন্ন এন পি এছ বিৰোধী মঞ্চই সংগ্ৰাম পৰিচালনা কৰি আহিছে। ইয়াৰ অংশৰূপে পুৰণি পেঞ্চন বাহালৰ ৰাষ্ট্ৰীয় আন্দোলনৰ অসম ৰাজ্যিক সমিতি আৰু সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাই কালি ঘোষণা কৰা ক'লা দিৱস কাৰ্যসূচীলৈ যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে পূৰ্ণ সমৰ্থন আগবঢ়ায়। উক্ত দিনা জিলাখনৰ শিক্ষক সমাজ নিজ নিজ কৰ্ম স্থলীত নতুন পেঞ্চন নীতি-বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত বেনাৰ, প্লে কাৰ্ড প্ৰদৰ্শন কৰি আন্দোলনৰ কাৰ্যসূচীত পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদিব বৰুৱা আৰু সাধাৰণ সম্পাদক অনুপম গগৈয়ে এক বিবৃতিযোগে জানিবলৈ দিয়ে।

## তেজপুৰত ১৫টা চোৰাং গৰু উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ ভোমোৰাগুৰিত কালি পুৱা ১০ বজাত আৰক্ষীয়ে এখন গৰু ভৰ্তি ট্ৰাক জব্দ কৰে শোণিতপুৰ আৰক্ষীয়ে। উল্লেখ্য যে, বালিপৰাৰ নিকটৱৰ্তী অঞ্চলৰ পৰা এএছ-০১ এইছ চি ৮৮৫১ নম্বৰ ট্ৰাকখনত অবৈধভাৱে কঢ়িয়াই অনা গৰুসমূহ তেজপুৰৰ ভোমোৰাগুৰিত আৰক্ষীয়ে উদ্ধাৰ কৰে মুঠ ১৫টা গৰুৰ ভিতৰত এটা গৰু মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। তেজপুৰ হৈ নগাঁও দিশে গৈ থকা অৱস্থাত কলিয়াভোমোৰা দলঙৰ সমীপত তেজপুৰ আৰক্ষীয়ে গৰুকেইটা জব্দ কৰিবলৈ সক্ষম হয় যদিও ট্ৰাকৰ চালকসহ গৰু সৰবৰাহ কৰা লোকসকলে পলায়ন কৰিবলৈ সক্ষম হয়।

## আজাৰাত চাৰিটা ম'বাইল, বেটাৰীসহ দুজন চোৰ গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৩ ফেব্ৰুৱাৰী ঃ** আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত ৰাণী গেটত কালি পুৱা এজন ম'বাইল চোৰ হাতে-লোটে ধৰা পৰে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, আজাৰা আৰক্ষী থানাত পূৰ্বে ৰুজু হোৱা ম'বাইল চুৰিৰ অভিযোগত পুৱা প্ৰায় ন বজাত অভিযুক্ত দীপজ্যোতি ডেকা (২৯)ক আৰক্ষীয়ে ৰাণী গেটৰ পৰা চাৰিটা ম'বাইল হেণ্ডচেটসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত চোৰজন বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত মুক্তাপুৰৰ প্ৰয়াত ফটিক ডেকাৰ পুত্ৰ দীপজ্যোতি ডেকা। আনহাতে, কালি দিনৰ প্ৰায় ১১-৩০ বজাত এজন বেটাৰী চোৰ আজাৰা আৰক্ষী থানাৰ সন্মুখেদি দৌৰী যোৱা প্ৰত্যক্ষ কৰি আৰক্ষীয়ে খেদি খেদি ধৰে। পাছত আৰক্ষীয়ে সোধ-পোছ কৰাত ভিআইপি অঞ্চলৰ পৰা এটা বেটাৰী চুৰি কৰাত ৰাইজে খেদি যোৱাত দৌৰা বুলি স্বীকাৰ কৰে। পাছত চোৰজনৰ স্বীকাৰোক্তিৰ ভিত্তিত এটা ১২ ভ'ল্টাৰ বেটাৰী আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত চোৰজন বৰঝাৰ আৰক্ষী চকীৰ অন্তৰ্গত সুতাৰপাৰাৰ সঞ্জয় দাসৰ পুত্ৰ কনক দাস (১৮)।

## ছয়গাঁৱৰ মেৰঘৰত জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভা সম্পন্ন



**ছয়গাঁও, ৩ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলা বিজেপিৰ উদ্যোগত কালি ছয়গাঁও সমষ্টিৰ মেৰঘৰ প্ৰাংগণত এখন বিশেষ সাংগঠনিক সভা সম্পন্ন হয়। দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই দক্ষিণ কামৰূপত বিজেপিৰ ভেটি শক্তিশালী কৰি তুলিবলৈ সকলো কৰ্মীকে আহ্বান জনায়। সাংগঠনিক সভাত কে'বাজনো অগপ আৰু সংগঠনৰ নেতাই বিজেপিত যোগদান কৰে। সভাত ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য দাসে আদৰণি ভাষণ পাঠ কৰে। এই সভাতে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক যুৱ মৰ্চাৰ সম্পাদক হিমাংশু শেখৰ বৈশ্য, অনুসূচিত জনজাতি ব'ৰ্ডৰ জিলা অধ্যক্ষ লাৱণ্য বড়ো, বনগাঁও কৃষাণ মৰ্চাৰ সভাপতি ধীৰাজ ঠাকুৰীয়া প্ৰমুখ্যে কে'বাগৰাকী জ্যেষ্ঠ বিজেপি নেতা উপস্থিত থাকে। ইয়াৰ পূৰ্বে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে ঐতিহাসিক চণ্ডিকা দেৱালয়ত উপস্থিত হয় ৰাজ্যিক বিজেপিৰ সভাপতি কলিতা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিনত শক্তিপীঠ চণ্ডিকা দেৱালয়ত কলিতাই আশিস লৈ তেওঁৰ দীৰ্ঘায়ু কামনা কৰে। চণ্ডিকা দেৱালয়ত সভাপতি কলিতাই কেন্দ্ৰীয় বাজেটত অসম তথা পূৰ্বাঞ্চলৰ বাবে আশাৰ ৰেঙণি বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে।

## সাৰ্বজনীন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৩ ফেব্ৰুৱাৰী ঃ** মহাৰজত জয়ন্তী বৰ্ষ গৰকিলে তিনিচুকীয়া জিলাৰ স্ত্ৰীশিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান সাৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ে। অহা আঠ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদ্‌যাপন কৰা হ'ব। যোৱা পহিলা ফেব্ৰুৱাৰীত বিদ্যালয় প্ৰেক্ষাগৃহত মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ এখন জৰুৰী সভা অনুষ্ঠিত হয়। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ স্থায়ী সভাপতি তথা ছেবাৰ প্ৰাক্তন অধ্যক্ষ ধনদেৱ মহন্তই সভাপতিত্ব কৰা সভাই সাম্প্ৰতিক প্ৰতিকূল পৰিস্থিতিৰ বাবে ইতিপূৰ্বে নিৰ্ধাৰণ কৰা মহাৰজত জয়ন্তীৰ কাৰ্যসূচী স্থগিত ৰাখি ইয়াৰ পৰিৱৰ্তে অনুকূল পৰিৱেশ আহিলে মহাৰজত জয়ন্তীৰ মূল কাৰ্যসূচীসমূহ অহা এপ্ৰিলৰ শেষৰ সপ্তাহত সামৰণি অনুষ্ঠান হিচাপে পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

## আন্তঃৰাষ্ট্ৰীয় মহিলা কাব্য মঞ্চৰ ভাৰ্চুৱেল কবি সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ ফেব্ৰুৱাৰী ঃ** 'আন্তৰাষ্ট্ৰীয় মহিলা কাব্য মঞ্চ'ৰ নলবাৰী শাখাৰ সৌজন্যত যোৱা ৩১ জানুৱাৰীৰ সন্ধিয়া অনলাইনযোগে কবি সন্মিলন অনুষ্ঠিত হয়। মামণি ডেকাৰ অধ্যক্ষতাত অনুষ্ঠিত আদৰণি ভাষণৰ লগতে প্ৰণীতা হালৈৰ এটি সৰস্বতী বন্দনাৰে কবি সন্মিলনখন আৰম্ভ কৰা হয়। সন্মিলনত উপস্থিত থাকে মহা সচিব মালবিকা ৰায়মেধি দাস মেধা (অসম প্ৰাপ্ত) আৰু আমন্ত্ৰিত অতিথি নাট্যকাৰ অনুপ কুমাৰ মজুমদাৰ। উল্লেখ্য যে অনুষ্ঠানত মালবিকা ৰায় মেধি দাস মেধা, মামণি ডেকা, ড° মঞ্জু হালৈ, মৃদুস্মিতা বৰুৱা মেধি, মনীষা তালুকদাৰ, প্ৰিয়ম ৰাগিণী, নিৰুপমা হালৈ, কবিতা ডেকা তালুকদাৰ, নন্দিতা তালুকদাৰ, পাৰমিত মেধি, মীনা তালুকদাৰ, ৰুণুমী দেৱী, সৰলা তালুকদাৰ, আৰতি মিশ্ৰ, প্ৰণীতা হালৈ, বনশ্ৰী চৌধুৰী আদি ভালেকেইগৰাকী কবি উপস্থিত থাকে।

## সমাজকৰ্মী অক্ষয় শৰ্মাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**পাঠশালা, ৩ ফেব্ৰুৱাৰী ঃ** পুৰণ ভৱানীপুৰ গাঁৱৰ বাসিন্দা সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি অক্ষয় শৰ্মা (৯৩)ৰ যোৱা ৩১ জানুৱাৰীৰ সন্ধিয়া সাত বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ বৃহত্তৰ ভৱানীপুৰ-সৰুপেটা অঞ্চলৰ সামাজিক ক্ষেত্ৰখনৰ উন্নয়নমূলক কামত জড়িত আছিল। তেওঁ নাট্যকৰ্মীৰূপেও পৰিচিত আছিল। মৃত্যুৰ সময়ত পত্নী, তিনিজন পুত্ৰ চাৰিগৰাকী কন্যা, এৰি যায়।

## পানীদিহিং পক্ষী অভয়াৰণ্যত বিশ্ব জলাশয় দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৩ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ বিশ্বতে কালিৰ দিনটো বিশ্ব জলাশয় দিৱস হিচাপে পালন কৰা হয়। প্ৰকৃতিৰ সেউজ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে জৈৱ-বৈচিত্ৰ্য সন্তুলিত কৰি ৰখাৰ উদ্দেশ্যেৰে এই জলাশয় দিৱস পালন কৰা হয়। জলাশয়সমূহ সংৰক্ষণ তথা সংৰক্ষিত কৰাৰ উদ্দেশ্যেৰে সমগ্ৰ বিশ্বৰ লগতে শিৱসাগৰ জিলাৰ চ'ৰগুৱাত অৱস্থিত পৰিভ্ৰমী পক্ষীৰ আৱাসস্থলী পানীদিহিং পক্ষী অভয়াৰণ্যৰ সমীপৰ কছাৰী ভেটি অঞ্চলক সন্মিলিত প্ৰয়াস আৰু পানীদিহিং সুৰক্ষা সমিতিৰ যৌথ উদ্যোগত কালি উদ্‌যাপন কৰা হয় বিশ্ব জলাশয় দিৱস। ডিমৌ বৰুৱা চাংমাইৰ পৰা আৰম্ভ কৰি ২৭ কিলোমিটাৰ পথ নিহাল ফুকন, অংকিত দিহিঙীয়া, চিণ্টু বৰুৱা আৰু দীপাংকৰ কোঁৱৰৰ নেতৃত্বত পানীদিহিঙলৈকে এক চাইকেল সমদলেৰে এই অনুষ্ঠানৰ আৰম্ভ কৰা হয়। আনহাতে, কালি অনুষ্ঠানটোৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষয় 'জলাশয়' হিচাপে লৈ এখন চিত্ৰাংকন প্ৰতিযোগিতাৰো আয়োজন কৰা হয় আৰু লগতে এই চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ পাছতেই আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্য আৰু কবিতা আবৃত্তিৰে নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। ইফালে, শিৱসাগৰ সংস্কৃতি জুনিয়ৰ কলেজৰ অধ্যক্ষ অনুপ গগৈ, পৰিৱেশ কৰ্মী জাকিৰ ইছলাম বৰা, প্ৰাক্তন শিক্ষয়িত্ৰী আৰতি হাজৰিকা, মন্দীপ দাস আৰু জয়ন্ত হাজৰিকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে, অনুষ্ঠানটোত সন্মিলিত প্ৰয়াস আৰু পানীদিহিং সুৰক্ষা সমিতিৰ বহুকেইজন কৰ্মকৰ্তাৰ লগতে অঞ্চলটোৰো বহু ৰাইজ উপস্থিত থাকে।

## দৰঙত কুষ্ঠৰোগ নিবাৰণী দিৱসৰ লগত সংগতি ৰাখি সজাগতামূলক কাৰ্যসূচী

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ ফেব্ৰুৱাৰী ঃ** মহামানৱ মহাত্মা গান্ধীৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি সমগ্ৰ ৰাজ্যৰ লগতে শনিবাৰে দৰঙতো উদ্‌যাপন কৰা হয় কুষ্ঠৰোগ নিবাৰণী দিৱসৰ কাৰ্যসূচী। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান দৰঙৰ উদ্যোগত এই দিৱস উপলক্ষে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। মঙলদৈস্থিত কমলা নিলয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে মহকুমা স্বাস্থ্য ও চিকিৎসা বিষয়া ডাঃ প্ৰীতিৰেখা শইকীয়াই। জিলা মাধ্যম বিশেষজ্ঞ জাহ্নৱী শৰ্মাই আঁত ধৰা সজাগতামূলক সভাখনত জিলা আৰু মহকুমা পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ লগতে প্ৰায় ৭০ গৰাকী আশাকৰ্মী উপস্থিত থাকে। কুষ্ঠৰোগ নিবাৰণী দিৱসৰ লগত সংগতি ৰাখি অহা ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া অনুষ্ঠানৰ অংশ হিচাপে কুষ্ঠৰোগক পৰাভূত কৰা আঠগৰাকী ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পৰিকল্পনা কৰিছে জিলা স্বাস্থ্য বিভাগে।



*বিভিন্ন দাবীৰ সমৰ্থনত নগৰবেৰাত পঞ্চায়ত-গ্ৰামোন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি, ৰঙাপৰাত বৃহস্পতিবাৰে।*

■ কৃষিমন্ত্ৰী অতুল বৰাক স্মাৰকপত্ৰ প্ৰদান পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ

## পাথৰিঘাটক 'পথৰুঘাট' হিচাপে স্বীকৃতি প্ৰদানৰ দাবী

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ইতিহাস প্ৰসিদ্ধ পথৰুঘাটত অনুষ্ঠিত হোৱা কৃষক ছহিদ দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰাৰ হাতত পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সভাপতি দিবাকৰ বৰুৱা আৰু সম্পাদক মোস্তাক হুছেইনৰ স্বাক্ষৰিত এখন স্মাৰক পত্ৰ অৰ্পণ কৰা হয়। স্মাৰকপত্ৰত কে'বাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰা হয়। দাবীকেইটা হৈছে ১৮৯৪ৰ ঐতিহাসিক কৃষক বিদ্ৰোহৰ সময়লৈ চৰকাৰী নথি আৰু জনসাধাৰণৰ মাজত 'পথৰুঘাট'ৰূপে উল্লিখিত ঠাইখন সম্প্ৰতি 'পাথৰিঘাট' হিচাপে পৰিচিত হৈছে। বিশেষকৈ চৰকাৰী নথি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানত 'পাথৰিঘাট' নামটি প্ৰচলিত হোৱাত ঐতিহাসিক 'পথৰুঘাট' ঠাইখনৰ ঐতিহ্যত কিছু প্ৰভাৱ পৰিছে। এই সন্দৰ্ভত কাগজে-পত্ৰই চৰকাৰক মনোযোগ আকৰ্ষণ কৰিবলৈ প্ৰৱন্ধ-পাতি চিঠি-পত্ৰ সময়ে সময়ে প্ৰকাশ পাই আহিছে। পাথৰিঘাটক 'পথৰুঘাট' নামেৰে পুনৰ স্বীকৃতি দিবলৈ দাবী জনোৱাৰ উপৰি পথৰুঘাটৰ কৃষি প্ৰকল্পৰ লগত প্ৰস্তাৱিত 'কৃষি প্ৰশিক্ষণ কেন্দ্ৰ'টোৰ প্ৰশিক্ষণ কাৰ্যসূচী চলিত বৰ্ষৰ পৰাই আৰম্ভ কৰা, পথৰুঘাটৰ কৃষক ছহিদৰ স্মৃতিত পথৰুঘাটত এখন কৃষি মহাবিদ্যালয় স্থাপন কৰা, পথৰুঘাটৰ কল খেতিয়কসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত এটি শীতল ভড়াল স্থাপন কৰা, নৈনে নদীৰ উপৰ্যুপৰি বানপানীৰ ফলত অঞ্চলটোৰ খটৰা, কাইকীয়াপাৰা, নগাঁও-হাতীপাৰা অঞ্চলৰ আৱদ্ধ পানীবোৰ উলিয়াই দ' কৃষিভূমি পুনৰ কৃষিৰ উপযোগী কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা লোৱাৰ দাবী জনায়।





# শালবাৰীত বাগসা জিলা কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ ফেব্ৰুৱাৰী ঃ** বাগসা জিলাৰ শালবাৰী মহকুমা সদৰত আজি বাগসা জিলা কংগ্ৰেছ কমিটিয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দলটোৰ জিলা কমিটিৰ কে'বাগৰাকীও নেতা-কৰ্মীয়ে শালবাৰীৰ সমবায় সমিতিৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা মহকুমাধিপতিৰ কাৰ্যালয়লৈ এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কংগ্ৰেছ কৰ্মীসকলে বিৰোধী শ্ল'গান দিয়াৰ স'তে মুখ্যমন্ত্ৰীৰ পৰিয়ালে ভূমি কেলেংকাৰিৰ তদন্ত বিচাৰি শালবাৰী মহকুমাধিপতিৰ জৰিয়তে ৰাজ্যপাললৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক মৃদুল মালাকাৰৰ উপৰি বাগসা জিলা কংগ্ৰেছ কমিটিৰ কে'বাগৰাকীও দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# মেৰাপানীৰ সৰবৰহী ব্যক্তিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৩ ফেব্ৰুৱাৰী ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত চৰাইমাৰী ৰাংগালী গাঁৱৰ নিবাসী সৰবৰহী ব্যক্তি জোনাৰাম বৰাৰ (৮২)ৰ আজি পুৱা যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। তেওঁ ক'ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। বিগত এটা পষেকে ভেণ্টিলেচনত থকাৰ পাছত আজি পুৱা তেওঁৰ মৃত্যু হয়। মেৰাপানী মহকুমা সাংবাদিক সংস্থাৰ সভাপতি নগেন বৰাৰ পিতৃৰ মৃত্যুত মেৰাপানী মহকুমা সাংবাদিক সংস্থাই শোক প্ৰকাশ কৰিছে।

# জেমছ জয়ছৰ 'ইউলিছিছ'ৰ শতবাৰ্ষিকী উপলক্ষে বিএইছবি মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৩ ফেব্ৰুৱাৰী ঃ** ১৯২২ৰ দুই ফেব্ৰুৱাৰীত গ্ৰন্থৰূপত প্ৰকাশিত হৈ ইউৰোপীয় আধুনিকতাবাদৰ ভেটি গঢ়াত উল্লেখনীয় ভূমিকা লোৱা জেমছ জয়ছৰ যুগান্তকাৰী উপন্যাস 'ইউলিছিছ'ৰ প্ৰকাশৰ শতবৰ্ষ উপলক্ষে সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে 'জেমছ জয়ছৰ 'ইউলিছিছ' আৰু আধুনিকতাবাদৰ বিকাশত ইয়াৰ ভূমিকা' বিষয়ক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক স্বস্তিশ্ৰী শইকীয়াই আঁত ধৰা এই বক্তৃতানুষ্ঠানত ইংৰাজী বিভাগৰ মুৰব্বী তথা সহকাৰী অধ্যাপক ড° দিগন্ত বৰগোহাঁইয়ে বক্তৃতানুষ্ঠানখনৰ সঞ্চালনা কৰাৰ উপৰি আদৰণি ভাষণ দিয়ে। তেওঁ জেমছ জয়ছৰ 'ইউলিছিছ' ৰচনাৰ পটভূমি সম্পৰ্কে আলোচনা আগবঢ়ায়। বক্তৃতানুষ্ঠানটোত মূল বক্তৃতাটো প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে। তেওঁ ১৯২২ৰ দুই ফেব্ৰুৱাৰীত জেমছ জয়ছৰ জন্মদিনতেই প্ৰকাশিত হোৱা জয়ছৰ 'ইউলিছিছ' উপন্যাসখন আৰু সেইটো বছৰৰে অক্টোবৰত প্ৰকাশিত টি এছ এলিয়টৰ 'দ্য ৱেষ্টলেণ্ড' কবিতাই ইংৰাজী সাহিত্যত আধুনিকতাবাদী ধাৰাক টনকিয়াল কৰাৰ ক্ষেত্ৰত লোৱা ভূমিকা সম্পৰ্কে ক'বলৈ হৈ আধুনিকতাবাদ নামৰ ধাৰাটোক ঐতিহাসিক তাৎপৰ্য সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। ব্যক্তিগত আৰু সামাজিক-ৰাজনৈতিক প্ৰতিবন্ধকতাৰ বিপৰীতে গৈ, অশেষ কষ্টৰ মাজেৰে 'ইউলিছিছ' ৰচনা আৰু প্ৰকাশ কৰাৰ জৰিয়তে জয়ছৰ গভীৰ সাহিত্যিক সাধনা কেনেদ্ৰ প্ৰকাশিত হৈছে সেই সম্পৰ্কে তেওঁ কয়। ড° দাসে আৰু কয় যে প্ৰচলিত পৰম্পৰাগত চিন্তাৰ অভ্ৰান্ততাৰ ওপৰত প্ৰশ্ন কৰাৰ পথ ৰচনা কৰাৰ ক্ষেত্ৰত 'ইউলিছিছ'ৰ দৰে সাহিত্য-কৰ্মৰ মজেদিয়েই হৈছিল বুলি তেওঁ মন্তব্য কৰে। আলোচ্য বিষয়ৰ সম্পৰ্কত ছাত্ৰৰ প্ৰশ্নৰো তেওঁ উত্তৰ দিয়ে। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ড° কল্পনা বৈশ্যই অসমীয়া সাহিত্যত আধুনিকতাবাদৰ প্ৰভাৱ সম্পৰ্কে উদাহৰণসহ ব্যাখ্যা আগবঢ়ায়।

# শিৱসাগৰত গ্ৰাহকক বস্ত্ৰ ব্যৱসায়ীৰ প্ৰৱঞ্চনা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিন ধৰি শিৱসাগৰত একাংশ বস্ত্ৰ ব্যৱসায়ীয়ে গ্ৰাহকক প্ৰৱঞ্চনা কৰি। বস্ত্ৰসমূহত লগোৱা মূল্যৰ ষ্টিকাৰত তেওঁলোকে নিজাববীয়াকৈ অধিক মূল্যৰ ষ্টিকাৰ লগাই গ্ৰাহকক প্ৰৱঞ্চনাৰ তথ্য পোহৰলৈ আহিছে। শিৱসাগৰ বৰ্ডিং ৰোডস্থিত চৌধুৰী বস্ত্ৰালয় নামৰ বিপণীখনত

## এজাহাৰ দাখিল

জাকিৰ আলম বড়া নামৰ এজন গ্ৰাহকে লাক্স ইনফেৰন নামৰ এবিধ সামগ্ৰী ক্ৰয় কৰিছিল। গ্ৰাহকজনে সামগ্ৰীটোৰ ওপৰত প্ৰত্যক্ষ কৰিছিল দুটা মূল্যৰ ষ্টিকাৰ। এটা মূল্যৰ ষ্টিকাৰৰ ওপৰত ৫৮১ টকা আৰু তাৰ তলত ৫০১ টকাৰ মূল্যৰ অন্য এটা ষ্টিকাৰ প্ৰত্যক্ষ কৰাত গ্ৰাহকজনে পৰিবেশ উত্তপ্ত কৰি তোলে। গ্ৰাহকজনৰ অভিযোগত বস্ত্ৰালয়খনৰ স্বত্বাধিকাৰ গৰাকীয়ে এই সামগ্ৰীখিনি শিৱসাগৰৰ মাংগিলাল মহেশ্বৰী নামৰ দোকানৰ পৰা ক্ৰয় কৰিছে বুলি কয়। গ্ৰাহকজনে ইয়াতে ক্ষান্ত নাথাকি বিষয়টোৰ এক উচিত তদন্ত বিচাৰি শিৱসাগৰ সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। বাতৰি লিখা পৰ্যন্ত প্ৰতিষ্ঠান দুটাৰ বিৰুদ্ধে প্ৰশাসন কিম্বা আৰক্ষী প্ৰশাসনে তদন্ত কৰিছে যদিও কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তুলিছে ৰাইজে।

# কুকুৰমাৰাত আৰক্ষীয়ে উচ্ছেদ কৰিলে চুলাইৰ মদৰ ঘাটি

**ছয়গাঁও, ৩ ফেব্ৰুৱাৰী ঃ** ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰা বজাৰত দীৰ্ঘদিন ধৰি চুলাই মদৰ বেহা অব্যাহত আছে। ইতিমধ্যে কুকুৰমাৰা আৰক্ষীয়ে বহুবাৰ মদৰ বিৰুদ্ধে অভিযান চলাইছিল। কালি পুৱাও কুকুৰমাৰা পহৰা চকীৰ আৰক্ষী বিষয়া বলেন কলিতাই কুকুৰমাৰা বজাৰৰ পিছফালে চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ চুলাই মদসহ বহু পৰিমাণৰ সামগ্ৰী। তাৰ পাছতে আৰক্ষীয়ে জব্দকৃত মদসমূহ নষ্ট কৰি কলহীৰ মৰাসুঁতিত পেলাই দিয়ে।

# ১২০ গৰাকী মেধাৱী শিক্ষাৰ্থীক উদগনিমূলক উপহাৰ প্ৰদান



**আলোপতি, ৩ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ টুপামাৰীৰ এজন যুৱকে অঞ্চলটোৰ ১২০ গৰাকী মেধাৱী শিক্ষাৰ্থীক উদগনিমূলক উপহাৰ প্ৰদান কৰিছে। শিক্ষাৰ ক্ষেত্ৰখনত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা সৃষ্টি কৰাৰ উদ্দেশ্যে অঞ্চলটোৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰে উপহাৰ। টুপামাৰীৰ সচেতন যুৱক আসিক জিয়াউল হকে অঞ্চলটোৰ বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত প্ৰথম স্থান দখল কৰা অংকুৰৰ পৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ে বিদ্যালয়ে গৈ প্ৰদান কৰে উপহাৰ। বৃহত্তৰ টুপামাৰী অঞ্চলৰ সাতখনকৈ বিদ্যালয়ৰ মুঠ ১২০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক কিতাপ, কলম আদি উপহাৰ প্ৰদান কৰি উৎসাহিত কৰে। প্ৰতিবছৰে এইদৰে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ উদ্দেশ্যে এনেদৰে কৃতী ছাত্ৰ-ছাত্ৰীক উপহাৰ যোগান ধৰিব বুলি আসিকে জানিবলৈ দিয়ে। যুৱকজনৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰিছে বিদ্বৎ মহলে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সংগঠন 'সদৌ অসম নিয়ন্ত্ৰিত বজাৰ সমিতি কৰ্মচাৰী সন্থা'ৰ উদ্যোগত বিভিন্ন জিলা নিয়ন্ত্ৰিত-নিয়ন্ত্ৰিত বজাৰ সমিতিৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ উপৰি নিৰ্দিষ্ট সংখ্যক কৰ্মচাৰীয়ে এদিনৰ দৰমহাৰ ধন পাঁচ লাখ ৭০ হেজাৰ ৭২১ টকাৰ চেক এখন মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বিগত বৰ্ষৰ ৩১ মে'ত কৰ্মচাৰী সংগঠনটোৱে বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াৰ জৰিয়তে ৫০,১০১/ টকাৰ চেক এখন মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ প্ৰেৰণ কৰিছিল।

# বিহালীত জাতীয় সংগঠনৰ ৩২ নেতা-কৰ্মীৰ বিজেপিত যোগদান

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩ ফেব্ৰুৱাৰী ঃ** বিহালীৰ বৰগাং ৰাজহুৱা মঞ্চত কালি অনুষ্ঠিত বিজেপিৰ যোগদান কাৰ্যসূচীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন যুটীয়া সহকাৰী সম্পাদক জিতু শৰ্মাসহ ৩২জন জাতীয় সংগঠনৰ প্ৰাক্তন নেতা আৰু কংগ্ৰেছৰ লোকে বিজেপিত যোগদান কৰি গেৰুৱা বস্ত্ৰ পৰিধান কৰে। অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী তথা বিহালীৰ বিধায়ক ৰঞ্জিত দত্তই অংশগ্ৰহণ কৰি কয় যে দলটোৰ কাম-কাজ কৰিবলৈ দলৰ যথেষ্ট ধনৰ প্ৰয়োজন হয়, যাৰ বাবে দলৰ সকলো কৰ্মীয়ে সহযোগিতাত সবলভাৱে কাম কৰিব লাগিব। বিজেপিৰ নিকা প্ৰশাসন আৰু উন্নয়নৰ কাম-কাজৰ প্ৰতি সন্তুষ্ট হৈয়েই অন্যান্য ৰাজনৈতিক দলকে ধৰি একালত জাতীয় সংগঠনৰ কাম কৰি এতিয়া বিজেপিত যোগদান কৰি আহিছে। অহা ৩০ বছৰ পৰ্যন্ত অসমত বিজেপিৰ বাদে আন কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে। সংখ্যালঘুসকলকো এই চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে সেয়েহে সংখ্যালঘুসকলে বিজেপিক সকলো ধৰণৰে সহযোগ কৰিব লাগে।' জিলা সভাপতি পংকজ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানত বিধায়কদ্বয় প্ৰমোদ বৰঠাকুৰ, উৎপল বৰাকে ধৰি কে'বাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# যমুনামুখ শ্মশানকালী মন্দিৰত মা কালীৰ স্থায়ী বিগ্ৰহ স্থাপন-তোৰণ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ যমুনামুখ চহৰৰ মাজমজিয়াত অৱস্থিত এৰা কপিলীৰ ঐতিহ্যমণ্ডিত শ্মশান কালী মন্দিৰত কালি মা-কালীৰ বিগ্ৰহ স্থাপন আৰু নৱ নিৰ্মিত তোৰণ উদ্বোধন কৰা হয়। সমাজসেৱক নিৰ্মল কান্তি পালে নিজা সাঁচতীয়া ধনেৰে নিৰ্মাণ কৰি উলিওৱা মন্দিৰৰ তোৰণ আৰু মা কালীৰ বিগ্ৰহ তেওঁৰ পিতৃ নিশিকান্ত পালৰ নামত উছৰ্গিত কৰিছে। পুৱা ধৰ্মীয় ৰীতি-নীতি অনুসৰি মন্দিৰত মা-কালীৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ লগতে মন্দিৰৰ প্ৰৱেশ পথত নৱ নিৰ্মিত তোৰণ মুকলি কৰে দাতাৰ মাতৃ পাৰুল বালা পালে। এই উপলক্ষে মন্দিৰ চৌহদত বিশিষ্ট ব্যৱসায়ী সত্যৰঞ্জন পালৰ সঞ্চালনাত অনুষ্ঠিত সভাত স্থানীয় ৰাইজৰ লগতে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। সভাখনৰ আঁত ধৰে বিজয় কৃষ্ণ দাসে। সভাত মন্দিৰ উন্নয়ন সমিতিৰ তৰফৰ পৰা বিশিষ্ট সমাজসেৱক তথা দাতা নিৰ্মল কান্তি পালক গামোচা, জাপি আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

# লখিমপুৰৰ মানচিত্ৰৰ পৰা হেৰাই যাব আদৰ্শ গাঁও ?

**■ ৰাজনীতিৰ মেৰপাকত অসমৰ সীমা সমস্যা**

**■ সমাধানৰ গুৰুত্ব নাই অসম চৰকাৰৰ ঃ আছু**

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ৩ ফেব্ৰুৱাৰী ঃ** অসমৰ সীমাত অৰুণাচলীৰ আগ্ৰাসন অব্যাহত থকাৰ পাছতো অসম চৰকাৰ আৰু অসমৰ ভূমি বিভাগে ৰহস্যজনক কাৰণত নীৰৱে থকাৰ অভিযোগ উঠিছে। সীমান্তবাসী ৰাইজৰ লগতে লখিমপুৰ জিলা ছাত্ৰ সন্থাই অভিযোগত প্ৰকাশ কৰা মতে, কেন্দ্ৰীয় আৰু ৰাজ্যত বিজেপি চৰকাৰ থকাৰ পাছতো অসম চৰকাৰে অসম-অৰুণাচলৰ সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ বাবেই শ-শ হেক্টৰ মাটি বিবদমান অঞ্চলৰ মাটি অৰুণাচলীয়ে বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানৰ জৰিয়তে নিজৰ দখলত নিয়াৰ প্ৰয়াস চলাই আহিছে। অসম চৰকাৰে বিবদমান অঞ্চলৰ মাটিখিনি ভূমি বিভাগৰ মানচিত্ৰত ৰাজনৈতিক অঞ্চল বুলি কৈ অৰুণাচলীক আগ্ৰাসন সুবিধা কৰি দিছে। এনে এক অনুৰূপ ঘটনা সংঘটিত হৈছে পথালি পাহাৰ আদৰ্শ গাঁৱৰ সমীপত। স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত কালি লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ এটি সঁজাতী দলে লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৰ পথালি পাহাৰৰ বিবদমান অঞ্চলত উপস্থিত হৈ সীমা সমস্যা বুজ লৈ ৰাইজৰ স'তে মত-বিনিময় কৰে। লখিমপুৰ জিলা নাৰায়ণপুৰ ৰাজহ বিষয়া আৰু অৰুণাচলৰ বান্দৰদেৱা ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতত আছুৰ প্ৰতিনিধিয়ে সীমা সমস্যাৰ বুজ লয়। বান-গৰাখহনীয়াত ক্ষতিগ্ৰস্ত প্ৰায় ২০ টা পৰিয়ালে ১৯৮৫ৰ পৰা পথালি পাহাৰ আদৰ্শ গাঁৱৰ সমীপত বসবাস কৰা পৰিয়ালকেইটালৈ অস্তিত্বৰ সংকট নামি আহিছে। আছু আৰু স্থানীয় ৰাইজে নাৰায়ণপুৰ ৰাজহ চক্ৰ বিষয়াজনে উক্ত স্থান পৰিদৰ্শন কৰি সঠিক সীমা নিৰ্ধাৰণ কৰি দিবলৈ দাবী জনোৱাত চক্ৰ বিষয়াগৰাকীয়ে অৰুণাচলৰ চক্ৰ বিষয়াগৰাকীক লগত লৈ আহি সীমাৰ বাহিৰত থকা মাটিখিনি ৰাজনৈতিক অঞ্চল বুলি পুনৰ কৈ গা এৰা মন্তব্যহে দাঙি ধৰিলে। ইফালে, অৰুণাচলে উল্লিখিত স্থানত ইখনৰ পাছত সিখন পকী ৱাল নিৰ্মাণ কৰি অসমৰ ভূমিৰ দিশে আহি থকা দেখা গৈছে। চক্ৰ বিষয়াজনৰ এনে তুলুঙা মন্তব্যত আছুৰ নেতৃত্বই ক্ষোভ প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে অসম-অৰুণাচল সীমান্তৰ পলিটিকেল ইনাৰ লাইনত থকা ভূমিত ১৬/১৭ বৰ্ষত অসম চৰকাৰৰ বিত্তীয় আয়োগৰ দ্বাৰা সেই ভূমিত অসমৰ এটা পুখুৰী নিৰ্মাণ কৰা হৈছিল, পৰৱৰ্তী সময়ত অসমৰ সেই পুখুৰী নিৰ্মাণৰ তথ্য ফলক ভাঙি পেলাইছিল অৰুণাচলীয়ে। উল্লেখ্য যে ৯০ দশকৰ আগভাগত লখিমপুৰ জিলা প্ৰশাসনে ডিক্ৰং নদীৰ বান খহনীয়াত সৰ্বস্বান্ত হোৱা পৰিয়ালসমূহক উক্ত স্থানত থাকিবলৈ নিৰ্ধাৰণ কৰি দিছিল। অতি দুৰ্ভাগ্যৰ কথা যে একে জিলা প্ৰশাসনে ৰহসজনকভাৱে সেই মাটি ৰাজনৈতিক অঞ্চল বুলি কৈ গা সৰা মন্তব্যত বাসিন্দাসকলৰ অৱস্থা কেনে হ'ব সেয়া ভুক্তভোগীৰ বাহিৰে অন্য লোকৰ অনুভৱ অতি কঠিন বুলি অভিযোগ উঠিছে। এই ক্ষেত্ৰত চৰকাৰীভাৱে দৃঢ় কাৰ্য ব্যৱস্থা ল'বলৈ আছুকে ধৰি বিভিন্ন দল- সংগঠনে দাবী উত্থাপন কৰিছে।



*নগাঁৱত গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট, বৃহস্পতিবাৰে।*

# অসম-উত্তৰ-পূবৰ বাবে কেন্দ্ৰীয় বাজেটত নাই আশাৰ সংবাদ ঃ আই পি এফ এছ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় সাধাৰণ আৰু ৰে'ল বাজেটত সামগ্ৰিকভাৱে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে বিশেষ আশাৰ বাৰ্তা নাই বুলি অভিমত প্ৰকাশ কৰিছে ইণ্ডিয়ান পেট্ৰি'য়টিক ফেডাৰেছন (ছ'ছিয়েলিষ্ট) চমুকৈ আই পি এফ এছে। আই পি এফ এছৰ মুখ্য সমন্বয়ৰক্ষী প্ৰাঞ্জল ৰাজগুৰুৱে আজি এক বিবৃতিত দেশৰ প্ৰধান মন্ত্ৰীৰ উত্তৰ পূৰ্বাঞ্চল উন্নয়ন উদ্যমক এক সুন্দৰ প্ৰহসন বুলিহে আখ্যা দিছে। সমগ্ৰ উত্তৰ-পূবৰ ৰাজ্য কেইখনৰ বাবে শেহতীয়া কেন্দ্ৰীয় বাজেটত অনা-আঁচনিভূক্ত শিতানত ধাৰ্য কৰা হৈছে কেৱল ১৫০০ কোটি টকা। এই ধন পোনপটীয়া বিকাশ-উন্নয়ন আৰু সংস্থাপনমুখী কাৰ্যকৰী লক্ষ্যৰ বাবে কেতিয়াও পৰ্যাপ্ত নহয় বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ ঘাই প্ৰত্যাহ্বানপূৰ্ণ ভিন্ন প্ৰাকৃতিক দুৰ্যোগ, বানপানী, খৰাং আৰু গৰাখহনীয়া সমস্যাৰ স'তে মোকাবিলাৰ অৰ্থে বাজেটত সুকীয়া ধন মঞ্জুৰ কৰা নহ'ল। আনহাতে ৰাষ্ট্ৰজুৰি বাজেটত সৌৰশক্তিৰ ভিন্ন উপকৰণত অধিক কৰ আৰোপ কৰা হৈছে। উত্তৰ-পূব আৰু অসমৰ কাৰণে এইবাৰৰ বাজেটত নতুন ৰেলপথ নিৰ্মাণৰ প্ৰস্তাৱ নাই বুলিও বিবৃতিটোত অভিযোগ উত্থাপন কৰিছে। তদুপৰি বিবৃতিটোত বিভিন্ন অভিযোগ উত্থাপন কৰাৰ লগতে আধুনিক পৰৱৰ্তী সময়ৰ দেশৰ যুৱ প্ৰজন্মই পোনে পোনে বৃহৎ কৰ্পৰেছন, অতিকায় পুঁজিৰ দাসত্বৰেই জীৱনৰ বাট কাটিবলগীয়াত পৰিবগৈ বুলি বিবৃতিটোত সংগঠনটোৱে অভিযোগ কৰিছে। মোদী চৰকাৰৰ ২০২২-২৩ বিত্তীয় বছৰৰ বাজেটে অসম তথা দেশৰ একেবাৰে সাধাৰণতম নাগৰিকসকলক উল্লাসিত কৰিব পৰা বিশেষ থল নাই বুলি সংগঠনটোৱে মন্তব্য প্ৰকাশ কৰিছে।

# আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি কে'বাখনো বিদ্যালয়ৰ শিক্ষকৰ অৱসৰ ঃ বিদায়ী সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৩ ফেব্ৰুৱাৰী ঃ** আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি কেইবাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু শিক্ষকে ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰাত যোৱা ১ ফেব্ৰুৱাৰীত আনুষ্ঠানিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিষয় শিক্ষক ৰবীন ডেকা, সহঃ শিক্ষক ৰহমান আলী আহমেদ, কালডোবা হাইস্কুলৰ প্ৰধান শিক্ষক তপন পদ্দাৰ, কালডোবা হাইস্কুলৰ সহঃ শিক্ষক তথা কালডোবা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰাম প্ৰসাদ সেন, আগমনী ছোৱালী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তপন পালে যোৱাকালি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ হৈ সম্পাদক ৰফিকুল হোছেইনৰ সহযোগত আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি নজৰুল ইছলাম, উপ-সভাপতি ৰবিউল ইছলাম ছেলিম আৰু সহঃ সম্পাদক ছাজিদুল আবেদিনে বিদ্যালয়সমূহত উপস্থিত হৈ সকলোকে আঞ্চলিক কৰ্মচাৰী পৰিষদৰ হৈ বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰে। আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আনোৱাৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত বিদায়ী সভাখনত ৰবীন ডেকা আৰু ৰহমান আলী আহমেদক শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিক সম্বৰ্ধনা জ্ঞাপন কৰে। আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে আঢ়ৈ বছৰ কাল আছিল। অনুষ্ঠানত বিদায়ী শিক্ষকসকলে নিজৰ নিজৰ ভাষণ দি নিজৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰে আৰু ছাত্ৰ-ছাত্ৰী সকলক পৰামৰ্শ প্ৰদান কৰে। আনহাতে বিদ্যালয়ৰ শিক্ষক দীজেন্দ্ৰ নাথ শৰ্মা, হবিবৰ ৰহমান, নজৰুল ইছলাম, অভিমন্যু হালদাৰ, ড° সুশীল কুমাৰ ৰায়ে বিদায়ী শিক্ষকক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। বিদায়ী শিক্ষকদ্বয়ক শিক্ষক কৰ্মচাৰীৰ পৰা উপহাৰ আৰু মানপত্ৰ প্ৰদান কৰা হয়। আনহাতে, কালডোবা হাইস্কুলৰ প্ৰধান শিক্ষকক অনানুষ্ঠানিক ভাৱে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰে। আগমনী ছোৱালী হাইস্কুলৰ শিক্ষক শিক্ষয়িত্ৰীয়েও বিদ্যালয় প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তপন পালক সম্বৰ্ধনা জ্ঞাপন কৰে। একেদৰে, ধুবুৰীৰ অন্যতম শিশু পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দেবাশীষ সাহাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাত শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰীসকলে অৱসৰৰ দিনাখনেই দেবাশীষ সাহাক বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰে। সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সংস্থাৰ ধুবুৰী জিলাৰ সম্পাদক ৰবিউল ইছলাম ছেলিম আৰু উপ-সভাপতি নজৰুল ইছলাম বিদ্যালয়খনত উপস্থিত হৈ দেবাশীষ সাহাক জিলা সন্থাৰ পৰা বিদায়ী জ্ঞাপন কৰে।

# জয়পুৰ নতুন বজাৰৰ পৰা অবৈধ কাঠফলা কল উৎখাত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা আঞ্চলিক বন বিষয়াই অভিযান চলাই কালি জয়পুৰ নতুন বজাৰৰ পৰা এটা অবৈধ কাঠফলা কল উৎখাত কৰে। উল্লেখ্য যে লক্ষ্মীপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত জয়পুৰ নতুন বজাৰত দীৰ্ঘদিনৰ পৰাই অবৈধ কাঠফলা কলটোৱে অসাধু চক্ৰই ৰমৰমীয়া ব্যৱসায় চলাই আছিল। কিন্তু আজি পঞ্চৰত্ন বন খণ্ড বিষয়া নজৰুল ইছলামৰ সহযোগত গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই অবৈধ কাঠফলা কলটো উৎখাত কৰিবলৈ যোৱাৰ বিষয়ে অৱগত হৈ স্বত্বাধিকাৰীয়ে কলটোৰ যন্ত্ৰাংশ খুলি ঠেলাৰে লুকাই থোৱাৰ চেষ্টা চলায় যদিও বিফল হয়। পাছত ঠেলাসহ কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশ জব্দ কৰাৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা প্ৰায় অৰ্ধ লক্ষাধিক টকা মূল্যৰ চোৰাং কাঠ জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই। উল্লেখ্য যে লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰায় অৰ্ধশতাধিক অবৈধ কাঠপলা কলে ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে।

# ১২ ফেব্ৰুৱাৰীত আৰ্যভট্ট কেন্দ্ৰৰ যোৰহাট জিলাৰ বিজ্ঞান সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**যোৰহাট, ৩ ফেব্ৰুৱাৰী ঃ** অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অন্তৰ্গত যোৰহাট জিলাৰ আৰ্যভট্ট কেন্দ্ৰসমূহৰ বিজ্ঞান সমাৰোহ ১২ ফেব্ৰুৱাৰীত তৰাজান উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। জিলাখনৰ ছটা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত ইতিমধ্যে অনুষ্ঠিত বিজ্ঞানৰ মডেল, আকস্মিক বক্তৃতা, পোষ্টাৰ ড্ৰয়িং আৰু ধাৰণা (আইডিয়া) প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান প্ৰাপ্তসকলে জিলা সমাৰোহত অংশগ্ৰহণ কৰিব। জিলা বিজ্ঞান সমাৰোহৰ পুৱা পতাকা উত্তোলন কৰিব বিজ্ঞান কেন্দ্ৰৰ সভাপতি প্ৰবীণ বৰুৱা, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চিনু গোস্বামীয়ে আৰু প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ড° কৰুণাকান্ত শৰ্মাই। সমাৰোহত বিজ্ঞান বক্তৃতা প্ৰদান কৰিব যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ তত্ত্বাৱধায়ক ড° প্ৰণৱজ্যোতি চেতিয়াই। প্ৰবীণ বৰুৱাৰ সভাপতিত্বত বঁটা বিতৰণী সভাত মুখ্য অতিথিৰূপে উপায়ুক্ত অশোক কুমাৰ বৰ্মন, সন্মানীয় অতিথিৰূপে বিদ্যালয় পৰিদৰ্শক ড° শুভলক্ষ্মী ৰাজকুমাৰীয়ে অংশগ্ৰহণ কৰিব। বিজ্ঞান সমাৰোহত ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° পৰাণ বৰুৱা, ড° অদিতি বেজবৰুৱা, ভৃগুপতি হাজৰিকা, ড° দন্দেশ্বৰ দত্ত, ড° প্ৰশান্ত হাজৰিকা, ড° দ্বিপুল কলিতা, ৰাতুল ভূএগা, তুলিকা হাজৰিকা গগৈ প্ৰমুখ্যে বিভিন্নজনে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব।

# প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল কাৰ্যসূচীত শিৱসাগৰ জিলা বিজেপিৰ অংশগ্ৰহণ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় জনতা পাৰ্টি শিৱসাগৰ মুখ্য কাৰ্যালয়ত কালি জিলা সভাপতি ময়ূৰ বৰগোহাঁইৰ উদ্যোগত সাম্প্ৰতিক ভাৰত চৰকাৰে গ্ৰহণ কৰা 'আত্মনিৰ্ভৰ অৰ্থব্যৱস্থা' বাজেট সম্পৰ্কত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰ্চুৱেলৰ জৰিয়তে সম্বোধন কৰা কাৰ্যসূচীত সকলো কৰ্মকৰ্তাই অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত জিলা সহ প্ৰভাৰী সুভাষ দত্ত, জিলা বিজেপিৰ সকলোবোৰ মৰ্চাৰ সভাপতি-বিষয়ববীয়াসকলৰ লগতে কাৰ্যকৰ্তাসকল উপস্থিত থাকি প্ৰধানমন্ত্ৰীৰ এই ভাৰ্চুৱেল কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে ভাৰত চৰকাৰে গ্ৰহণ কৰা আত্মনিৰ্ভৰ বাজেটে আহি থকা সময়ছোৱাত হ্ৰস্বম্যাদী কৰ'নাৰ কৱলত পৰি আৰ্থিক দৈন্যৰ পৰা দেশখন জৰুৰী পৰিস্থিতিৰ লগত মোকামিলা কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰি কৃষকক স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত এই বাজেটে এক নিৰ্ণায়ক ভূমিকা ল'ব বুলি উপস্থাপন কৰে।

# নগৰবেৰাত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ঠিকাভিত্তিক অস্থায়ী কৰ্মচাৰীসকলৰ কৰ্মবিৰতি অব্যাহত আছে। পহিলা ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা কৰ্মচাৰীসকলৰ কৰ্মবিৰতিয়ে আজি তৃতীয় দিনত ভৰি দিয়াৰ পাছতো বিষয়টো ৰাজ্য চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ লগতে চৰকাৰী পক্ষই গুৰুত্বাৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে প্ৰতিবাদকাৰীসকলে। চাকৰি নিয়মীয়াকৰণ, ৬০ বছৰ বয়সলৈকে চাকৰি বাহাল ৰখা, আৰ অ' পিৰ ব্যৱস্থা কৰা, সমকামৰ সমবেতন প্ৰদান কৰা, চৰকাৰী কৰ্মচাৰীৰ দৰে সুবিধা প্ৰদান কৰা, খালী হোৱা পদত অভিজ্ঞতা আৰু যোগ্যতা অনুসৰি ঠিকা ভিত্তিক কৰ্মচাৰীক নিযুক্তি প্ৰদান কৰাৰ দাবীত ছমৰীয়া উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে কাৰ্যালয় চৌহদত কৰ্মবিৰতি আন্দোলন অব্যাহত ৰাখিছে। ঠিকা ভিত্তিক কৰ্মচাৰীসকলৰ কৰ্মবিৰতিত একপ্ৰকাৰ স্থবিৰ হৈ পৰিছে উন্নয়ন খণ্ডৰ বিভিন্ন কাম-কাজ। কৰ্মচাৰীসকলৰ ন্যায্য দাবীৰ প্ৰতি গুৰুত্ব নিদিলে কৰ্ম বিৰতি অনিৰ্দিষ্টকালীন হোৱাৰো হুংকাৰ দিয়ে কৰ্মচাৰীসকলে।

# আমছুৰ উদ্যোগত জয়পুৰত কম্বল বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৩ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ বৰপেটা জিলা সমিতিৰ অন্তৰ্গত জয়পুৰ আঞ্চলিক সমিতিৰ উদ্যোগত দুই ফেব্ৰুৱাৰীত জামিয়া ইছলামিয়া আঞ্চলিক হাফিজীয়া মাদ্ৰাছাৰ সকলো অধ্যয়নৰত শিক্ষাৰ্থীৰ মাজত একোখনকৈ কম্বল বিতৰণ কৰা হয়। ইফালে, বালাভিটা আঞ্চলিক সমিতি আৰু ভালুকী-শালমাৰা আঞ্চলিক সমিতিৰ উদ্যোগতো সমাজৰ দুখীয়া-দৰিদ্ৰ লোকৰ মাজত কম্বল বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত তিনিওটা কাৰ্যসূচীতেই জিলা আমছুৰ সভাপতি আব্দুল জুব্বাৰ আলী, জিলা সমিতিৰ উপ-সভাপতিত্ৰয় ক্ৰমে ৰহিদুল শিকদাৰ, দেৱান আব্দুল্লাহ, নাছিৰ উদ্দিন, প্ৰধান শিক্ষক ওচমান গণি, সমাজকৰ্মী ইজ্জত আলী, জয়পুৰ আঞ্চলিক সমিতিৰ সভাপতি দেৱান শ্বহিদুল ইছলাম, সাধাৰণ সম্পাদক মঞ্জুৰুল হক, বালাভিটা আঞ্চলিক সমিতিৰ সভাপতি ৰুহুল আলম, ভালুকী-শালমাৰা আমছুৰ আঞ্চলিক সমিতিৰ সভাপতি ৰুমেজ আলীসহ ভালেসংখ্যক ছাত্ৰ নেতাই উপস্থিত থাকে।

# অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড-অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ সামগ্ৰী বিতৰণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ড নগাঁৱৰ উদ্যোগত কালি ব'ৰ্ডৰ নগাঁওস্থিত কাৰ্যালয় প্ৰাংগণত অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড ২৭০ গৰাকী লোকক আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ ২৬০গৰাকী লোকৰ মাজত একোটাকৈ এলপিজি গেছ ষ্ট'ভ আৰু এটাকৈ পেছাৰ কুকাৰ বিতৰণ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড নগাঁৱৰ অধ্যক্ষ নৰেন দাস আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ড নগাঁৱৰ অধ্যক্ষ মনোৰঞ্জন নাথে। সামগ্ৰী বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ সদস্য লোকেন্দ্ৰ নাথ, অংকুমণি শইকীয়া, অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ সদস্য হীৰকজ্যোতি দাস, অনুপম দাস প্ৰমুখ্য কৰি অন্যান্যসকল। ইয়াৰ পূৰ্বেও অনুসূচিত জাতি উন্নয়ন ব'ৰ্ড আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ লোকসকলৰ মাজত টিনপাত, ফিল্টাৰ, কৃষিজাত সামগ্ৰীৰ উপৰি অন্যান্য সামগ্ৰী আদি বিতৰণ কৰি আহিছে।

■ চৰকাৰী ঘোষণা ফুটুকাৰ ফেন ■ বেদখলৰ কৱলত প্ৰস্তাৱিত ভূমি

# ৰূপায়ণ নহ'ল উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ

**ডুমডুমা, ৩ ফেব্ৰুৱাৰী ঃ** আজিও নিৰ্মাণ নহ'ল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত প্ৰস্তাৱিত 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ'। তিনিচুকীয়া জিলাৰ ছৈখোৱাত প্ৰস্তাৱিত সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ স্থাপনৰ বিষয়টোত চৰকাৰ কিয় থমকি ৰ'ব লগা হ'ল সেয়া গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে। চৰকাৰে ঘোষণা কৰাৰ পিছত ইটা এটুকুৰাও নপৰিল উক্ত স্থানত। কেৱল এখন ফলক লগাইছিল। সকলো অসাৰ প্ৰতিপন্ন হৈ পৰিল। উল্লেখ্য যে এচিয়া মহাদেশৰ ভিতৰত দ্বিতীয় আৰু ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম দীৰ্ঘতম নদী দলং ধলা-শদিয়া সংযোগী ড° ভূপেন হাজৰিকা সেতু। আৰু এই সেতুৰ সমীপতে অসম চৰকাৰে বিগত ২০১৭ বৰ্ষৰ ২৮ মে'ত ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে ঘোষণা কৰিছিল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত প্ৰায় ১০০ বিঘা ভূমিত 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ' নামেৰে এক প্ৰকল্প স্থাপনৰ কথা। গুৱাহাটীত সংবাদ মেল অনুষ্ঠিত কৰি ৰাজ্যৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰা উক্ত ঘোষণা অনুসৰি দেশৰ দীৰ্ঘতম নদী দলং ড° ভূপেন হাজৰিকা সেতুৰ সমীপত 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ' নিৰ্মাণ কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সৃষ্টিৰাজিক জীয়াই ৰাখিবলৈ প্ৰয়াস কৰাৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতি প্ৰতিফলিত কৰি এক সমন্বিত সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ কথা আছিল। চৰকাৰৰ এই ঘোষণাক ছৈখোৱা অঞ্চলবাসীৰ লগতে সমগ্ৰ ৰাজ্যবাসীয়ে আদৰণি জনাইছিল। চৰকাৰী বিষয়াৰ দ্বাৰা প্ৰস্তাৱিত প্ৰকল্পস্থলীত ভূমিৰ জৰীপ চলাই 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ'ৰ এখন অস্থায়ী নামফলকো স্থাপন কৰা হৈছিল। ড° ভূপেন হাজৰিকা সেতুৰ সমীপত মুঠ ১০০ বিঘা ভূমিত 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ' স্থাপনৰ কথা ৰাজ্য চৰকাৰে উল্লেখ কৰিছিল যদিও প্ৰস্তাৱিত ভূমিত আজি পৰ্যন্ত চৰকাৰী জৰিপৰ দ্বাৰা সীমা নিৰ্মাণৰ ব্যৱস্থাও নকৰাত এতিয়া বেদখলৰ কবলত পৰা পৰিলক্ষিত হৈছে 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ'ৰ প্ৰস্তাৱিত ভূমি।

আনহাতে, স্থানীয় শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়াও এই ক্ষেত্ৰত মৌন হৈ থকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজৰ আশা, শীঘ্ৰেই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত প্ৰস্তাৱিত 'উত্তৰ-পূব সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ' সম্পূৰ্ণ হৈ উঠাত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।



# মধ্য যোৰহাটত খোৱা পানীৰ সমস্যা

■ নীৰৱ দৰ্শক জনপ্ৰতিনিধি, জনস্বাস্থ্য কাৰিকৰী বিভাগ

**অগ্ৰদূত বাৰ্তা,**
**লাহদৈগড়, ৩ ফেব্ৰুৱাৰী ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তত খোৱা পানীৰ সমস্যা সৃষ্টি হোৱাৰ পাছতো নীৰৱ দৰ্শক হৈ থকা জনপ্ৰতিনিধি আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিৰুদ্ধে ক্ষোভত ফাটি পৰিছে ৰাইজ। উল্লেখ্য যে ২০১৪-২০১৫ত মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে 'নীৰ নিৰ্মল বিশুদ্ধ খোৱা পানী যোগান আঁচনি'ৰ যোগেদি ৰাইজক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব বুলি গাঁওসভাৰ যোগেদি প্ৰচাৰ চলাই পুৰণি পানী যোগান আঁচনিসমূহ বন্ধ কৰি দিয়ে আৰু প্ৰতি ঘৰৰপৰা ৪৫০-৫০০ টকাকৈ সংগ্ৰহ কৰি 'নীৰ নিৰ্মল বিশুদ্ধ খোৱা পানী যোগান আঁচনি'ৰ হিতাধিকাৰী কৰে। আজি আঠ বছৰে বিশুদ্ধ খোৱা পানী যোগান সমস্যা সমাধান নকৰাত মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰাইজে বিশুদ্ধ খোৱা পানীৰ সমস্যাত ভুগি আছে। এই বিষয়ত টীয়ক সমষ্টিৰ বিধায়িকা আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা নীৰৱ দৰ্শক হৈ থকাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। বৰষুণৰ অভাৱত মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অঞ্চলত থকা পুখুৰীৰ পানী, জান, জুৰিৰ পানী শুকাই যোৱাৰ ফলত খোৱা পানীৰ সমস্যাই ৰাইজৰ অৱস্থা তথৈবচ কৰিছে।

# কলগাছিয়াৰ বালিকুৰিত দুই ফৈদৰ মাৰ-পিটত আহত ১২

**কলগাছিয়া, ৩ ফেব্ৰুৱাৰী ঃ** যোৱা ৩১ জানুৱাৰীৰ নিশা বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালিকুৰি গাঁৱত দুটা ফৈদৰ মাজত সংঘটিত মাৰপিটৰ ঘটনাত কে'বাজনো লোক আহত হয়। আহত লোকসকলক কলগাছিয়াৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও ইয়াৰে হাজেৰা খাতুন (২৩), ৰৌশন আলী (৩৮), ৰছিদ আলী (৩০), ছামচুল হক (২৫), হালিমা খাতুন (৩৫), ৰাছিদুল ইছলাম (১৩)ৰ অৱস্থা সংকটজনক। উল্লেখ্য যে গাঁওখনৰ আব্দুল ৰছিদৰ ঘৰৰ চালিত নিশা হ'লেই দুৰ্বৃত্তই শিলগুটি দলিয়াই হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ সময়ত শিলগুটি দলিওৱাৰ শব্দ শুনি আব্দুৰ ৰছিদৰ পৰিয়ালৰ লোকে ৰাস্তাত ওলাই আহি একেখন গাঁৱৰে দুজন যুৱকক প্ৰত্যক্ষ কৰি সোধ-পোছ কৰাত প্ৰথমে তৰ্ক-বিতৰ্ক আৰু পাছত দুয়োপক্ষৰ মাজত প্ৰচণ্ড মাৰ-পিট আৰম্ভ হয়। এটা সামান্য ঘটনাক কেন্দ্ৰ কৰি দুয়োপক্ষৰ মাজত কাজিয়াৰ সূত্ৰপাত হয় যদিও পাছলৈ এক ভয়ংকৰ মাৰপিট সংঘটিত হয়। পাছত কলগাছিয়া আৰু বালিকুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। দুয়োপক্ষই ইতিমধ্যে পৃথকে পৃথকে এজাহাৰ দাখিল কৰিছে।

# ৰংজুলিত ট্ৰাকসহ চোৰাং কাঠ জব্দ

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ৩ ফেব্ৰুৱাৰী ঃ** ৰংজুলিত অব্যাহত আছে চোৰাং কাঠ ব্যৱসায়ীৰ বনধ্বংস যজ্ঞ। বন বিভাগে চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলোৱাৰ পাছতো অসাধু চোৰাং কাঠ ব্যৱসায়ীসকলে চলাই গৈছে বনধ্বংস যজ্ঞ। আজি পুৱতি নিশাও চোৰাং কাঠ ব্যৱসায়ীয়ে ৪০ ডালকৈ অপৈণত শাল গছ কাটি ট্ৰাকেৰে সৰবৰাহ কৰি থকাৰ সময়তে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়াসহ বনকৰ্মীৰ দলে টিপলাইত জব্দ কৰিবলৈ সক্ষম হয় চোৰাং শাল গছৰ কুণ্ডাসহ নম্বৰপ্লেটবিহীন এখন ট্ৰাক। অৱশ্যে কোনো দুষ্কৃতিকাৰীক ধৰিবলৈ সক্ষম নহ'ল বন বিভাগৰ দলটোৱে। টহলদাৰী বন বিভাগৰ গাড়ী দেখি চোৰাং কাঠ ব্যৱসায়ীৰ দলটো চোৰাং কাঠভৰ্তি ট্ৰাকখন এৰি পলায়ন কৰে। পাছত কাঠভৰ্তি ট্ৰাকখন ৰংজুলি বনাঞ্চলিক কাৰ্যালয়লৈ অনা হয়। বন বিষয়া শৰৎ দাসে জনোৱা মতে, শাল গছৰ কুণ্ডাসমূহ আনুমানিক বজাৰ মূল্য আঢ়ৈ লক্ষাধিক টকা হ'ব।

# আঁচনিৰ দ্বাৰা মহিলাক আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ আহ্বান

■ অসম-মেঘালয় সীমান্তৰ জিমিৰগাঁও উমশ্ৰুৰত মহিলাৰ সজাগতা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ ফেব্ৰুৱাৰী ঃ** পশ্চিম গুৱাহাটীৰ অসম মেঘালয় সীমান্তৱৰ্তী ৰাণী উন্নয়ন খণ্ডৰ দক্ষিণ ভোলাগাওঁ গাঁও পঞ্চায়তৰ অধীনৰ জিমিৰগাঁও আৰু উমশ্ৰুৰ মহিলাসকলে যাতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ (এ এছ এল আৰ এম) আঁচনিৰ সহায় লৈ আৰ্থিকবাৱে স্বাৱলম্বী হ'ব পাৰে তাৰ বাবে যোৱা ৩১ জানুৱাৰীত জিমিৰগাঁও আৰু উমশ্ৰুৰ মহিলা সকলৰ মাজত দুখন সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। দুয়োটা অনুষ্ঠানত দুয়োখন গাঁৱৰ তিনিটা মণ্ডলৰ ধ্ৰুৱতৰা, মহাবাহু আৰু ত্ৰিনয়ন নামৰ মহিলা আত্মসহায়ক গোটৰ তিনি শতাধিক মহিলাই ভাগ লয়। দুয়োটা অনুষ্ঠানত ভাগ লৈ পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই মহিলাসকলক এই আঁচনি সমূহৰ সুবিধাসমূহ গ্ৰহণ কৰি নিজৰ লগতে পৰিয়ালটোক কিদৰে আৰ্থিকভাৱে স্বাৱলম্বী কৰিব পাৰি তাৰ বাবে হাতে কামে নামি পৰিবলৈ আহ্বান জনোৱাৰ লগতে দায়িত্বৱাহী বিষয়া - কৰ্মচাৰী সকলক এইক্ষেত্ৰত সততে সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনায়। অনুষ্ঠানত এ এছ এল আৰ এমৰ ৰাজ্যিক মিছন সঞ্চালক কৃষ্ণা বৰুৱাই অভিযানৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত কৰি আচনি সমূহৰ দ্বাৰা মহিলা সকলে কিদৰে আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে তাৰ বাখ্যা দাঙি ধৰে। অনুষ্ঠানত অগপৰ কেন্দ্ৰীয় সম্পাদক সুভাষ শৰ্মা, পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰী, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মন, এ এছ আৰ এল এমৰ ৰাজ্যিক প্ৰকল্প প্ৰৱন্ধক নৱজিৎ ভৰালী, ৰাণীৰ খণ্ড প্ৰকল্প প্ৰৱন্ধক ঠাকুৰীয়াকে ধৰি কে'বাজনো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। আনহাতে বিধায়ক কলিতাই তাৰ পৰা কিছু নিলগৰ মেঘালয় সীমান্তৰ ঔগুৰী প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰৰ পৰা লাভ কৰা ৫.০৬ লাখ টকাৰে নিৰ্মাণ হ'বলগীয়া উন্নয়নৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত ৰাণী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া লাচিত বসুমতাৰী, কনিষ্ঠ অভিযন্তা অপৰ্ণা বৰা, বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰেশ্বৰ কছাৰী আৰু অঞ্চলটোৰ বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

# ৬০ লাখ টকাতে পুনৰ নিৰ্মাণ কৰিলে ৰাজ্যৰ ১৩ খন চৰকাৰী ভগ্ন বিদ্যালয় গৃহ

**অগ্ৰদূত বাৰ্তা**
**দুনী, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্য চৰকাৰে শিক্ষা খণ্ডত আমূল পৰিৱৰ্তন অনাৰ উদ্দেশ্যে ন-ন আঁচনি ঘোষণা কৰাৰ সময়তে একাংশ বিদ্যালয়ৰ শ্ৰেণী কোঠাৰ বিধ্বস্ত অৱস্থাই ছাত্ৰ-ছাত্ৰীক সততে জীয়াতু ভোগাই আহিছে। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বিদ্যালয় গৃহৰ অভাৱে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক কৰ্মচাৰীক চিন্তিত কৰি তোলা সময়তে এটি ব্যক্তিগত প্ৰতিষ্ঠানে ৰাজ্যৰ বিধ্বস্ত একাংশ চৰকাৰী বিদ্যালয় পুনৰ্নিৰ্মাণৰ কাম হাতত লৈছে। জে এছ ডাব্লিও ষ্টিল লিমিটেড গুৱাহাটী শাখা কাৰ্যালয় তথা উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক প্ৰবন্ধক নৱজ্যোতি শৰ্মাৰ প্ৰচেষ্টাত দৰং জিলাৰ চাৰিখন চৰকাৰী বিধ্বস্ত বিদ্যালয় ক্ৰমে ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়, শতবৰ্ষ গৰকা খাৰখোৱাপাৰা প্ৰাথমিক বিদ্যালয়, পূব বৰিগাঁও প্ৰাথমিক বিদ্যালয়, জাপমৰাবৰি উচ্চ মাধ্যমিক বিদ্যালয়, শোণিতপুৰৰ কেহেৰুখুন্দা হাইস্কুল, কামৰূপৰ শ্ৰীসত্য চাই হাইস্কুল, শিৱসাগৰৰ শিলপুখুৰী হাইস্কুল, মৰিগাঁওৰ শংকৰদেৱ বিদ্যা নিকেতন, ছহিদ তিলক ডেকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোলাঘাটৰ কুৰুৱাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাটৰ নিলমণি ফুকন ছোৱালী হাইস্কুল, হোজাইৰ নৱকল্প পাটচলা হাইস্কুল, তিনিচুকীয়াৰ মনখুলি এম ই স্কুলসহ মুঠ ৰাজ্যৰ ১৩ খন চৰকাৰী জৰাজীৰ্ণ বিদ্যালয় ৰোফ টু ড্ৰীম আঁচনিৰ অধীনত পুনৰ নিৰ্মাণ কৰে। দৰং জিলাৰ লগতে ৰাজ্যৰ আন জিলাসহ সৰ্বমুঠ ১৩ খন বিদ্যালয়ৰ বাবে বৃহৎ প্ৰতিষ্ঠানটিয়ে আবণ্টিত ৬০ লাখ টকাৰে উক্ত কাম সম্পূৰ্ণ কৰে। জে এছ ডব্লিউ ষ্টিল লিমিটেডৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক প্ৰবন্ধক শৰ্মাৰ তৎপৰতাত উক্ত টকাৰে বিগত বৰ্ষৰ অক্টোবৰৰ পৰা পস্তুতি আৰম্ভ কৰি বিদ্যালয়সমূহত ষ্টিল লিমিটেডৰ উন্নত মানৰ ৰঙীণ টিনপাত, কাঠ, ৰং, ওৱাল প্লাষ্টাৰ আদিৰে পুনৰ্নিমাণৰ কৰি ২০২২ৰ জানুৱাৰীৰ প্ৰথম সপ্তাহত বিদ্যালয়সমূহৰ শোভাবৰ্ধন কৰি শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণৰ সুবিধা কৰি দিয়ে।



*মাজুলীত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ অনুষ্ঠান, বৃহস্পতিবাৰে।*

# প্ৰচণ্ড ঠাণ্ডা আৰু চিকিৎসাৰ অভাৱত মৃত্যু এজনৰ আশ্ৰয় শিবিৰত

**অগ্ৰদূত বাৰ্তা,**
**হোজাই, ৩ ফেব্ৰুৱাৰী ঃ** হোজাইৰ ডবকাৰ চাংমাজিৰ আশ্ৰয় শিবিৰত থকা লামডিঙৰ উচ্ছেদিত লোকসকল প্ৰচণ্ড ঠাণ্ডা আৰু চিকিৎসাৰ অভাৱত তিলতিলকৈ মৃত্যুৰ ক্ষণ গণিছে। যোৱা মঙলবাৰে নিশা প্ৰচণ্ড ঠাণ্ডা আৰু চিকিৎসাৰ অভাৱত ফাইজুৰ ৰহমান নামৰ ৪৫ বছৰীয়া লোকজনৰ মৃত্যু হয়। ফাইজুৰৰ মৃত্যুৰ পাছতে আশ্ৰয় শিবিৰত এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। অন্তিম ক্ৰিয়াৰ বাবে প্ৰয়োজন হোৱা এখন কাপোৰৰো ব্যৱস্থা কৰিব নোৱাৰা এই দুৰ্ভগীয়া পৰিয়ালটোৱে হাহাকাৰ কৰি থকাত আমছুৰ কৰ্মীসকলে লোকজনৰ শেষকৃত্য কালি সম্পন্ন কৰে। উল্লেখ্য যে এই আশ্ৰয় শিবিৰৰ ১৮ মহীয়া দুটি কনমাণি শিশু দুদিন পুৰ্বে অগ্নিদগ্ধ হৈ বৰ্তমান জিএমচিএইছ চিকিৎসাধীন হৈ আছে। অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱত এই আশ্ৰয় শিবিৰত এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে।

# হাজোৰ গাঁওবুঢ়া ভৱনত ২২গৰাকী গাঁওপ্ৰধানৰ বিদায়ী সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৩ ফেব্ৰুৱাৰী ঃ** হাজোৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২২ গৰাকীকৈ গাঁওপ্ৰধানক যোৱা পহিলা ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে হাজো ৰাজহ চক্ৰৰ গাঁওবুঢ়া ভৱনত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাজো ৰাজহ চক্ৰৰ গাঁওবুঢ়া সন্থাৰ সভাপতি দেবেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উপস্থিত থাকি কামৰূপৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱাই বিগত সময়ছোৱাত গাঁওবুঢ়াসকলে আগবঢ়াই অহা সহযোগিতাৰ বিষয়ে উল্লেখ কৰে। গাঁওবুঢ়া সন্থাৰ সম্পাদক ফিৰোজ আলীয়ে আঁতধৰা সম্বৰ্ধনা সভাত উপস্থিত থাকি হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালে গাঁওপ্ৰধানসকলে প্ৰশাসনক কৰা সহযোগিতা সন্দৰ্ভত উল্লেখ কৰি আগন্তুক দিনবোৰত গাঁও প্ৰধানসকলৰ সহায়-সহযোগিতা কামনা কৰে। হাজো ৰাজহ চক্ৰৰ ১১০জন গাঁওবুঢ়া উপস্থিত থকা বিদায় সম্বৰ্ধনা সভাত সদ্য বিদায়ী গাঁওবুঢ়াসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# মদাহি জনজাতি সন্মিলনৰ অধিবেশন সম্পন্ন ঃ নতুন কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ৩ ফেব্ৰুৱাৰী ঃ** বাগ্‌সাৰ গধূলিগাঁও অনাদি সংঘৰ প্ৰাংগণত কালি সদৌ অসম মদাহি জনজাতি সন্মিলন আৰু মদাহি জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিত্বমূলক সন্মিলন তথা প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে মদাহি জনজাতি সন্মিলনৰ পতাকা সভাপতি সৰ্বেশ্বৰ মদাহি য়ে আৰু মদাহি ছাত্ৰ সন্থাৰ পতাকা সভাপতি বিজয় মদাহিয়ে উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে প্ৰাক্তন সভাপতি তৰণীকান্ত মদাহিয়ে। প্ৰতিনিধিত্বমূলক সভাখন সভাপতি সৰ্বেশ্বৰ মদাহিৰ সভাপতিত্বত অনুষ্ঠিত হয়। উক্ত সভাখনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰে কাৰ্যবাহী সম্পাদক জগদীশ মদাহিয়ে। সভাখন উদ্বোধন কৰি দিয়া ভাষণত উপদেষ্টা প্ৰেমানন্দ মদাহিয়ে জনগোষ্ঠীটোৰ সংকটকালত ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰিলেহে সফলতা আহিব বুলি কয়। নিৰ্দিষ্ট বক্তাৰ ভাষণত সভাপতি তথা ট্ৰাইবেল সংঘৰ সদস্য অনিল মদাহিয়ে কয় যে মদাহি এটা সীমিত জনসংখ্যাৰ জনগোষ্ঠী। এনে জনগোষ্ঠীৰ মাজত ভাঙোন আহিলে বিশ্বজগতত স্বীকৃতিৰ পৰা বঞ্চিত হ'ব লাগিব। সংগঠনক মজবুত কৰি ৰাখিব নোৱাৰিলে ই জনজাতিৰ প্ৰমাণপত্ৰ লাভৰ পৰাও বঞ্চিত হ'ব। সভাত পুৰণি কমিটীখন ভংগ কৰি হৰিদাস সভাপতি, মুকুন্দ মদাহি আৰু টিকেন মদাহিক উপ-সভাপতি, জগদীশ মদাহিক মুখ্য সম্পাদক, শৰৎ দাস মদাহি, ভূপেন মদাহি, চবিন মদাহী আৰু দিলীপ মদাহীক সহকাৰী সম্পাদকৰূপে লৈ এখন নতুন কেন্দ্ৰীয় কমিটী গঠন কৰে। আনহাতে মদাহি জনজাতি ছাত্ৰ সন্থাৰ পুৰণি কমিটীখন ভংগ কৰি বিজয় মদাহিক সভাপতি, চুনু মদাহি আৰু ভূপেন মদাহিক উপ-সভাপতি, দিগন্ত মদাহিক সাধাৰণ সম্পাদক, চৰিত্ৰ মদাহী আৰু বিকাশ মদাহীক সক্ষ সম্পাদকৰূপে লৈ এখন কমিটী গঠন কৰে।

# হাওৰাঘাটত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন ঃ স্মৃতিগ্ৰন্থ উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**হাওৰাঘাট, ৩ ফেব্ৰুৱাৰী ঃ** শৈশৱৰ স্মৃতি ৰোমন্থন কৰি কালি নষ্টালজিক হৈ পৰিল। চাৰি দশকৰ অন্তত সহপাঠীসকলক লগ পাই প্ৰাণ ঢালি নাছিলে বহুজনে। গীত-মাত কবিতাৰে ৰজনজনাই উঠিল হাওৰাঘাট ক্ৰীড়া সন্থাৰ প্ৰেক্ষাগৃহ। অসমৰ উজনি-নামনি বৰাক, ব্ৰহ্মপুত্ৰ বিভিন্ন প্ৰান্তৰ এসময়ৰ চফল ডেকা-গাভৰুৰ লয়লাস নৃত্যত জীপাল হয় এটা বিশেষ দিন। হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাৰি দশক পূৰ্বে প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সন্মিলনত সকলোৱে এইদৰে আৱেগিক হৈ পৰে। ১৯৮১ৰ পৰা ১৯৮৬লৈ অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ এই সমাৰোহখন পুৱা পতাকা উত্তোলনেৰে আৰম্ভ কৰে আদৰণি সমিতিৰ সভাপতি হস্ত ৰংপিয়ে। অনুষ্ঠানটোত স্মৃতি তৰ্পণ কৰে আদৰণি সমিতিৰ সম্পাদক অনিল হাজৰিকাই। পাছত বিভিন্ন ধৰণৰ খেল-ধেমালিৰ লগতে এখন অন্তৰংগ আলাপ অনুষ্ঠানৰো আয়োজন কৰা হয়। উল্লেখ্য যে এই সন্মিলনৰ স'তে ৰজিতা খুৰাই প্ৰাক্তন ছাত্ৰী সবিতা সন্দিকৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'খোজ কেংকাম আংগদি' উন্মোচন কৰে হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তিলকান্ত ফুকনে।

# বিশ্বনাথ মহাবিদ্যালয়ত বিশ্ব জলাশয় দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ জিলাৰ অগ্ৰণী উচ্চ-শিক্ষানুষ্ঠান বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ ৰিপুঞ্জয় নলেজ হাবত কালি 'বিশ্ব জলাশয় দিৱস' অনুষ্ঠিত হয়। 'মানুহ আৰু প্ৰকৃতিৰ বাবে জলাশয়' বিষয়ক মূলমন্ত্ৰৰূপে গ্ৰহণ কৰি আয়োজন কৰা অনলাইন অনুষ্ঠানটোৰ আঁত ধৰে বিভাগটোৰ সহকাৰী অধ্যাপক ড° ৰাহুল শৰ্মাই। বিভাগৰ মুৰব্বী অধ্যাপক ড° বিশ্বজিৎ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শৰ্মাই জলাশয় দিৱসৰ তাৎপৰ্য সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক অৱক্ষয়ৰ দিশে গতি কৰা জলবায়ুৰ সম্পৰ্কে অধিক সজাগ হৈ স্থানীয় জলাশয়সমূহৰ লগতে তাত থকা জৈৱবৈচিত্ৰ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰত্যক্ষ ভূমিকা ল'বলৈ আহ্বান জনায়। প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বিভাগটোৰ সহকাৰী অধ্যাপিকা ড° সুনয়না গোস্বামীয়ে অনুষ্ঠানটোৰ সমল ব্যক্তিৰূপে বক্তব্য প্ৰদান কৰা বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° জয়দেৱ মণ্ডলৰ চিনাকি পৰ্ব আগবঢ়ায়। দুই ঘণ্টীয়া অনলাইন বক্তৃতা অনুষ্ঠানটোত অধ্যাপক ড° মণ্ডলে অসমৰ জলাশয় আৰু জলপক্ষীৰ লগতে সেইসমূহত বাস কৰা জৈৱ-বৈচিত্ৰ্যৰ এক বিজ্ঞানসন্মত অধ্যয়নেৰে কেনেকৈ সংৰক্ষণ কৰিব পৰা যাব সেই দিশসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়।

# জাতীয় ছহিদক কৰা অসন্মানৰ প্ৰতিবাদত টেঙাখাতত আছুৰ সত্যাগ্ৰহ



**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ৩ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰৰ নেতৃত্বত আৰক্ষী বাহিনীয়ে যোৱা ২৫ ডিচেম্বৰত ডিব্ৰুগড়স্থিত আছুৰ ন্যাসৰ ছহিদ বেদীত জোতাৰে গচকি অসন্মান কৰাৰ অভিযোগত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখি আজি জিলা ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থাই টেঙাখাতৰ গান্ধী ভৱনৰ সন্মুখৰ পথৰ দাঁতিত সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰে। সত্যাগ্ৰহ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰতিবাদকাৰী আছুকৰ্মীসকলে 'ছহিদক কৰা অসন্মানৰ বিচাৰ লাগে, 'আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰ মুৰ্দাবাদ', 'আৰক্ষীৰ দাদাগিৰী নচলিব' ইত্যাদি প্ৰতিবাদী শ্ল'গান দি প্ৰতিবাদস্থলী উত্তাল কৰে। সত্যাগ্ৰহস্থলীত আছুৰ জিলা সমিতিৰ সাহিত্য সম্পাদক অৰ্জুন ছেত্ৰী আৰু আঞ্চলিক সমিতিৰ সভাপতি অভিজিৎ শইকীয়াই প্ৰতিবাদ সাব্যস্ত কৰি বক্তব্য আগবঢ়ায়।

# মুকালমুৱা আৰক্ষীৰ জালত তিনি ড্ৰাগছ সৰবৰাহকাৰী

**মুকালমুৱা, ৩ ফেব্ৰুৱাৰী ঃ** আৰক্ষীৰ তীব্ৰ অভিযানৰ পাছতো একাংশই ৰাজ্যত এতিয়াও কৌশলেৰে চলাই আছে ড্ৰাগছৰ অবৈধ বেহা। যোৱা ৩১ জানুৱাৰীত আৰু পহিলা ফেব্ৰুৱাৰীত ড্ৰাগছ বিৰোধী অভিযানত পুনৰ মুকালমুৱা আৰক্ষীৰ জালত পৰিছে তিনি ড্ৰাগছ সৰবৰাহকাৰী। আৰক্ষীৰ অভিযানত লোহাৰকাঠাৰ পৰা ছাইদুল আলী, দুই নম্বৰ ঘোগাৰ পৰা মুকতাৰ হুছেইন আৰু মমতাজ আলী নামৰ ড্ৰাগছ সৰবৰাহকাৰীকেইজনক আটক কৰে মুকালমুৱা আৰক্ষীয়ে। মুকালমুৱা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছ, নগদ ধন আৰু এখন অল্ট' বাহনসহ দুই স্থানৰ পৰা আটক কৰিবলৈ সক্ষম হয় তিনি ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজনৰ পৰা জব্দ কৰে ১১টা ড্ৰাগছৰ কণ্টেইনাৰ, নগদ ধন আৰু এ এছ-০১ ডি টি-৬১১৩ নম্বৰৰ এখন অল্ট' বাহন।

# গছ-গছনি ৰোপণেৰে হাতী-মানুহৰ সংঘাত আঁতৰ কৰিবলৈ চিন্তা-চৰ্চা কৰিব লাগিব

■ জাগীৰোডৰ আমলিঘাটত হাতী-মানুহৰ সংঘাত সন্দৰ্ভত সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত দিনক দিনে বৃদ্ধি পাই আহিছে বনৰীয়া হাতী-মানুহৰ সংঘাত। হাতী-মানুহৰ সংঘাতক লৈ জাগীৰোডৰ আমলিঘাটত পহিলা ফেব্ৰুৱাৰীত অনুষ্ঠিত হয় এখন সজাগতা সভা। পশ্চিমাঞ্চল ধৰমতুল আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ন-খোলা খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হাতী-মানুহৰ সংঘাত শীৰ্ষক সজাগতা সভাখনত হাতী আৰু মানুহৰ সংঘাত কেনেদৰে দূৰ কৰিব পাৰে সেই সন্দৰ্ভত ৰাইজক অৱগত কৰে কেইবাজনো বক্তাই। উল্লেখ্য যে কেইদিনমান পূৰ্বে সোণাইকুছি বনাঞ্চল আৰু খোলাহাট বনাঞ্চলত তিনিটাকৈ বনৰীয়া হাতীৰ মৃত্যু হৈছিল। সম্প্ৰতি বনৰীয়া হাতী তিনিটাৰ মৃত্যুৰ কাৰণ আজিলৈ পোহৰলৈ অহা নাই। ফৰেনচিক লেবৰেট'ৰীৰ পৰা তথ্য অহাৰ পিছতহে হাতীকেইটাৰ মৃত্যুৰ কাৰণ পোহৰলৈ আহিব। এই কথা সজাগতা সভাত ৰাইজক অৱগত কৰে নগাঁও বন সংমণ্ডলৰ ডি এফ অ ভাস্কৰ ডেকাই। ভাষণ প্ৰসংগত ডেকাই কয় যে, জনাঞ্চললৈ নামি অহা বনৰীয়া হাতীক লৈ হৈ-চৈ কৰি খেদিলে হাতী হৈ পৰে আক্ৰমণাত্মক। যাৰ পৰিণতিত ঘৰ-দুৱাৰ ভাঙি চুৰমাৰ কৰাৰ লগতে কেতিয়াবা মানুহকো আক্ৰমণ কৰে। হাতী আৰু মানুহৰ সংঘাত দূৰ কৰিবলৈ হ'লে হাতী আৰু মানুহ কেনেদৰে একেলগে সহবাস কৰিব পাৰি তাক লৈ চিন্তা-চৰ্চা কৰিব লাগিব। আনহাতে সজাগতা সভাখনত সমাজসেৱক, শিক্ষক জুৰচিং বৰদলৈয়ে উপস্থিত থাকি হাতী-মানুহৰ সংঘাত কেনেকৈ দূৰ কৰিব পৰা যায় তাৰ ওপৰত আলোকপাত কৰে। লগতে বৰদলৈয়ে কয় যে পূৰ্বতকৈ জনসাধাৰণে বনাঞ্চলত গছ-গছনি কাটি ধ্বংস কৰা কাৰ্য হ্ৰাস পাইছে আৰু গছ-গছনি ৰোপনৰ ক্ষেত্ৰত জনসাধাৰণ বিগত কেইবছৰত যথেষ্ট সচেতন হৈ পৰিছে। ইফালে বনাঞ্চলত খাদ্যৰ বাবে গছ-গছনি ৰোপণ কৰি কেনেদৰে হাতী আৰু মানুহৰ সংঘাত দূৰ কৰিব পাৰি তাক লৈ চিন্তা-চৰ্চা কৰিব লাগিব বুলি মন্তব্য কৰে ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ বিষ্ণু উপাধ্যায়ে। উপাধ্যায়ে কয় বনাঞ্চলসমূহত থকা বন্যপ্ৰাণী হাতীকে ধৰি অন্য জীৱ-জন্তুৰ সংখ্যা অনুপাতে খাদ্যৰ অভাৱ নোহোৱাকৈ ফল মূল আদিৰ গছ ৰোপণ কৰিলে হাতী মানুহৰ সংঘাত যথেষ্ঠ পৰিমাণে হ্ৰাস পাব বুলি মন্তব্য কৰে। সজাগতামূলক সভাখনত সমাজসেৱক মাধৱ শৰ্মা, ধৰমতুল আঞ্চলিক বন বিষয়া চাফিৰ হুছেইন, নখোলা খণ্ড বন বিষয়া দুলাল বৰা আদি বহুকেইজন ব্যক্তি উপস্থিত থাকে।

# কাছাৰত সংঘটি হ’ল প্ৰথম ‘এনকাউন্টাৰ’

## আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ অপচেষ্টা চলোৱা ডকাইত গুলিবিদ্ধ

**বিশেষ সংবাদদাতা**

**কৰিমগঞ্জ, ৩ ফেব্ৰুৱাৰী ঃ** কাছাৰ জিলাত সংঘটিত হ’ল আৰক্ষীৰ ‘এনকাউণ্টাৰ’ৰ প্ৰথমটো ঘটনা। আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ অপচেষ্টা চলোৱা এজন ডকাইত গুলিবিদ্ধ হয়। যোৱা নিশা কাছাৰৰ শালচাপৰাত এই ঘটনা সংঘটিত হয়।

আৰক্ষী সূত্ৰই জনোৱা মতে, ডকাইতিৰ অভিযোগত তাজউদ্দিন নামৰ ডকাইতজনক সোনাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ডকাইতজনৰ জিম্মাৰ পৰা উদ্ধাৰ হৈছিল এটা বন্দুক। যোৱা নিশা তদন্তৰ কাৰণে ধৃত ডকাইতজনক লগত লৈ আৰক্ষীয়ে শালচাপৰালৈ গৈছিল। উভতি অহাৰ সময়ত আৰক্ষীক আক্ৰমণ কৰি পলাবলৈ চেষ্টা কৰিছিল কুখ্যাত ডকাইতজনে। তেতিয়াই আৰক্ষীয়ে তেওঁৰ ভৰিত গুলি কৰে। তাজউদ্দিন বৰ্তমানে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ডকাইতজনৰ ঘৰ সোনাই ধনেহৰিত বুলি আৰক্ষী সূত্ৰই জনাইছে।

# ডিগবৈত ছাত্ৰনেতাসহ আৰক্ষীৰ জালত চাৰি ড্ৰাগছ সৰবৰাহকাৰী



**ডিগবৈ, ৩ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত আৰক্ষী প্ৰশাসনৰ দ্বাৰা ড্ৰাগছ বিৰোধী অভিযান পূৰ্ণ গতিত অব্যাহত ৰখাৰ সময়তে তৈলনগৰী ডিগবৈত বৃহৎ পৰিমাণৰ ড্ৰাগছ, নগদ ধনসহ চাৰি ড্ৰাগছ সৰবৰাহকাৰীক ডিগবৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ডিগবৈ বন সংমণ্ডলৰ কাৰ্যালয়ৰ সন্মুখত এ এছ ০১ এএম ৭০৯১ নম্বৰৰ বাহনখন দুলীয়াজান দিশৰ পৰা ডিগবৈ অভিমুখে আহি থকা অৱস্থাত ড্ৰাগছ সৰবৰাহী চাৰিজন যুৱকসহ ২১ গ্ৰাম নিসিদ্ধ ড্ৰাগছ, নগদ এক লাখ ১০ হেজাৰ টকা জব্দ কৰে। যুৱককেইজনে ড্ৰাগছ সৰবৰাহ কৰিবলৈ জব্দকৃত বাহনখনত অভিনৱ কৌশল প্ৰয়োগ কৰিছিল। চালকৰ আসনৰ দৰ্জাৰ অন্তৰ্ভাগত ড্ৰাগছখিনি লুকুৱাই আনিছিল। তালাচী অভিযানত আৰক্ষীৰ কিছু সন্দেহ ওপজাত বাহনখন তন্নতন্নকৈ তালাচী কৰাত ড্ৰাগছসহ নগদ ধন খিনি ওলাই পৰে। ধৃত যুৱককেইজন হ’ল তিনিচুকীয়া জিলা মাৰ্ঘেৰিটা এক নম্বৰ মাকুম পথাৰৰ জিতু হাজৰিকা (৩২), অজিত বৰা (৩১), জিতু সন্দিকৈ (৩১) আৰু চৰাইদেউ জিলা আইদেউবাৰী বাগান গাঁৱৰ ৰাজু ছেত্ৰী (৩৭)। ডিগবৈ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ২২/২২ নম্বৰত গোচৰ ৰুজু কৰি এনডিপিএছ আইনৰ অধীনত ২৩ (বি)ত গোচৰ ৰুজু কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। উল্লেখ যে আটকাধীন চাৰিজন যুৱকৰ ভিতৰত মাৰ্ঘেৰিটা এক নম্বৰ মাকুম পথাৰৰ নিবাসী নয়ন হাজৰিকাৰ পুত্ৰ জিতু হাজৰিকা মাৰ্ঘেৰিটা আঞ্চলিক জাতীয়তাবাদী যুৱ পৰিষদৰ প্ৰাক্তন সম্পাদক আছিল।

# উত্তৰ-পূবৰ প্ৰথমটো ক্লক টাৱাৰ ধ্বংসৰ গৰাহত



**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩ ফেব্ৰুৱাৰী ঃ** গুপ্তকাশী বিশ্বনাথ দেৱালয় মঠ মন্দিৰকে আদি কৰি চাহ বাগিচাৰ বাবে পৰ্যটনৰ মানচিত্ৰত বিখ্যাত। জিলাখনৰ সদৰ বিশ্বনাথ চাৰিআলিত বিভিন্ন শিক্ষানুষ্ঠান আছে। আটক ধুনীয়া আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে চৰকাৰে সময়ে সময়ে বিভিন্ন পদক্ষেপ লৈ আহিছে যদিও অৱহেলিত হৈ আহিছে এটা বিশেষ স্থানৰ ক্ষেত্ৰত। কাৰণ ধ্বংসৰ গৰাহত পৰিণত হ’বলৈ ধৰিছে উত্তৰ-পূবৰ প্ৰথমটো ক্লক টাৱাৰ। উল্লেখ্য যে ২০১৪ৰ জুনত সেই সময়ৰ বিশ্বনাথ মহকুমাৰ মহকুমাধিপতি তথা বিশ্বনাথ উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি নাৰায়ণ কোঁৱৰে বিশ্বনাথ উৎসৱ ২০১২ আৰু ২০১৩ বৰ্ষৰ ৰাহি হোৱা ধন পাৱাৰগ্ৰীড প্ৰকল্পৰ আৰ্থিক সহযোগিতা নিৰ্মিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ক্লক টাৱাৰ উদ্বোধন কৰিছিল। প্ৰথম পৰ্যায়ত সকলো ঠিকেই আছিল। সময় যোৱাৰ লগে লগে ক্ৰমান্বয়ে বন্ধ হৈ পৰিল ঘড়ীটো। আটকধুনীয়া আৰু জিলাখনৰ এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হোৱা এই ক্লক টাৱাৰ আজি ধ্বংসৰ গৰাহত। বহু বছৰ ধৰি বিকল হৈ পৰিল উত্তৰ-পূৰ্বাঞ্চলৰ আটকধুনীয়া এই ক্লক টাৱাৰটো। মেৰামতিৰ বাবে সময় নাই দায়িত্বত থকা বিভাগীয় কৰ্তৃপক্ষৰ। ৰাইজে ক্লক টাৱাৰৰ মেৰামতি কৰিবলৈ দাবী জনাইছে।

# মৰাণত কিশোৰীৰ শ্লীলতাহানিৰ চেষ্টা ঃ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ ফেব্ৰুৱাৰী ঃ** মৰাণত এজন ৬৫ বছৰীয়া লোক ১৩ বছৰীয়া এগৰাকী ছাত্ৰীক ধৰ্ষণৰ চেষ্টা চলাই জেলৰ ভাত খাবলগীয়া হৈছে। কালি বিয়লি এগৰাকী ছাত্ৰী টিউচন কৰি অকলে ঘৰ লৈ আহি থকা অৱস্থাত ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত ৰাইদঙিয়াত চুনু গোঁহাই (৬৫) নামৰ লোকজনে চাত্ৰী গৰাকীক এটা চিপচৰ পেকেট খাবলৈ দিয়ে। ছাত্ৰী গৰাকীয়ে চিপচ নলৈ যাবলৈ বিচৰাত চুনুৱে ধৰ্ষণৰ চেষ্টা চলায় যদিও কোনোমতে নিজকে ৰক্ষা কৰিবলৈ সক্ষম হয়। পাছত মাকক ঘটনাৰ বিষয়ে অৱগত কৰাত মাতৃয়ে গাঁওৰক্ষী বাহিনীক খবৰ দিয়ে। গাঁওৰক্ষী বাহিনীয়ে মৰান থানাত খবৰ দিয়াত এটা আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হয় যদিও অভিযুক্তই পলায়ন কৰে। পাছত আৰক্ষীয়ে নিশাই লোকজনক গ্ৰেপ্তাৰ কৰে আৰু আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক জেললৈ প্ৰেৰণ কৰে।

### বাজেট সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ

# ৰাজ্যসভাৰ এখন আসন হ’লেও আমি নিশ্চিতভাৱে জয়লাভ কৰিমেই ঃ কংগ্ৰেছ

**অগ্ৰদূত বাৰ্তা**

**নগাঁও, ৩ ফেব্ৰুৱাৰী ঃ** পহিলা ফেব্ৰুৱাৰীত সংসদত দাখিল কৰা ২০২২-২৩ বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ মনজিৎ মহন্তই। তেওঁ নগাঁৱত আজি কয় যে বৃহৎ পুঁজিপতিৰ বাবে লোৱা এখন বাজেট। ইয়াত খেতিয়ক, নিবনুৱাৰ বাবে একো নাই। খাটিখোৱা লোকৰ কৰৰ কোনো হীনডেঢ়ি ঘটা নাই। ইয়াৰ বিপৰীতে পুঁজিপতিৰ কৰ কমাই দিছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্য হৈছে দুখীয়া মানুহবোৰ দুখীয়া হৈ মৰিব লাগে আৰু ধনী মানুহবোৰে অধিক ধনী হ’ব লাগে। অৰ্থনৈতিক কাঠামো ধ্বংস কৰিবৰ বাবে যিখিনি কৰিব লাগে মোদী চৰকাৰৰ বাজেটে এইখিনিয়েই কৰিছে। যিখিনি আমি পাবলগীয়া আছিল পোৱা নাই। এইখন বাজেটৰ পৰা সৰ্বসাধাৰণ মানুহ উপকৃত নহয়।


তেওঁ পুনৰ কয়, ‘মাৰ্চত খালি হ’বলগীয়া ৰাজ্যসভাৰ দুখন আসনৰ বাবে আমি ভাল ফলাফলেই আশা কৰিছো।’ অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি ভূপেন বৰাই কোনো পৰিস্থিতিতে ৰাজ্যসভাৰ প্ৰতিদ্বন্দী নহয় বুলি মন্তব্য কৰি মহন্তই কয়,’ ৰাজ্যসভাৰ আসন দুখনৰ বাবে কংগ্ৰেছ তথা বিৰোধী দলৰ প্ৰাৰ্থী হিচাপে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, প্ৰাক্তন সাংসদ দ্বিজেন শৰ্মা, বৰ্তমানৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী, প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুন বৰা আৰু ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ৰাণী নৰহৰ নাম চৰ্চাত আছে। কিন্তু বৰ্তমান চূড়ান্ত সিদ্ধান্ত হোৱা নাই। হাইকমাণ্ডৰ ওপৰতে সকলো নিৰ্ভৰ কৰিব। কিন্তু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই প্ৰতিদ্বন্দ্বিতা কৰিব বুলি প্ৰচাৰিত বাতৰি মিছা। তেওঁক দলটো শক্তিশালী কৰিবলৈ, অসমজুৰি সদস্য ভৰ্তি কৰিবৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে অসম প্ৰদেশৰ সভাপতিক দায়িত্ব দিছে। তেওঁৰ নেতৃত্বতে যোৱা তিনি মাহত যথেষ্ট তৎপৰতাৰে প্ৰদেশ কংগ্ৰেছৰ কাম-কাজসমূহ হৈছে। ভূপেন বৰা সাংসদ পদৰ বাবে লালায়িত নহয়।”তেওঁ লগতে কয়, “ৰাজ্যসভাৰ এখন আসনত হ’লেও আমি নিশ্চিতভাৱে জয়লাভ কৰিমেই। আমি মুকলি আহ্বান সকলোকে জনাইছো। সকলো বিৰোধী ঐক্য এক হ’ব লাগে। উমৈহতীয়া প্ৰাৰ্থী হ’লে সুবিধা হয়।” ৰহা সমষ্টিৰ নিলম্বিত বিধায়ক শশীকান্ত দাসক দলীয় নিয়মমতে দায়িত্ব পালন কৰিবলৈও কংগ্ৰেছ নেতাজনে আহ্বান জনায়।

# ওদালগুৰিত সৰস্বতী পূজাৰ ব্যাপক উছাহ

**অগ্ৰদূত বাৰ্তা**

**ওদালগুৰি, ৩ ফেব্ৰুৱাৰী ঃ** শনিবাৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা। সৰস্বতী পূজা উপলক্ষে ওদালগুৰিত চলিছে ব্যাপক উছাহ। সম্প্ৰতি ক’ভিড ১৯ সন্দৰ্ভত ৰাজ্য চৰকাৰে ,সৰস্বতী পূজা অনুষ্ঠিত কৰাৰ অনুমতি প্ৰদানৰ পাছতে ওদালগুৰিৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত সৰস্বতী পূজাৰ ব্যাপক উছাহ পৰিলক্ষিত হৈছে। চহৰখনৰ ওদালগুৰি মহাবিদ্যালয়, এছবফোৰ্ড একাডেমী, এছপায়াৰ জুনিয়ৰ কলেজ, প্ৰিমিয়াৰ কলেজ আদিকে ধৰি বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় আৰু বিভিন্ন ৰাজহুৱা স্থানসমূহতো সৰস্বতী পূজা অনুষ্ঠিত কৰাৰ ব্যাপক আয়োজন চলিছে। এইবেলি ওদালগুৰি চহৰখনত সৰু-বৰ প্ৰায় শতাধিক সৰস্বতী পূজা অনুষ্ঠিত হব। ইয়াকে লৈ সৰস্বতীৰ প্ৰতিমাত শেষ পৰশ দিয়াত ব্যস্ত হৈ পৰিছে মৃৎ শিল্পীসকল। ওদালগুৰি চহৰৰ মহামায়া শিল্পালয় আৰু গোপাল শিল্পালয়তো দেখা গৈছে মৃৎ শিল্পীসকলৰ ব্যস্ততাৰ পৰিৱেশ। উল্লেখ্য যে পূৰ্বৰ তুলনাত বিগত বৰ্ষত ক’ভিড অতিমাৰীৰ বাবে সৰস্বতী পূজাৰ আনন্দ কিছু ম্লান পৰিছিল যদিও এইবেলি পুনৰ বৃদ্ধি পাইছে পূজাৰ উছাহ। ফলত পূৰ্বৰ বছৰৰ তুলনাত প্ৰতিমাৰ চাহিদাৰ লগতে সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবে প্ৰতিমাৰো মূল্য কিছু বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ইফালে, চহৰখনৰ বিভিন্ন প্ৰান্তত দেখা গৈছে সৰস্বতী পূজা আয়োজনৰ ব্যতিক্ৰমী দৃশ্য। বিশেষকৈ বড়ো বসতিপ্ৰধান অঞ্চলৰ বাথৌ সমাজত অনুষ্ঠিত হ’বলগীয়া সৰস্বতী পূজাৰ মণ্ডপসমূহত দেখা যাব এক বিপৰীত দৃশ্য। মূৰ্তি পূজাৰ পৰিৱৰ্তে এনেবোৰ অঞ্চলৰ শিক্ষানুষ্ঠানসমূহত ৰাজহুৱাকৈ হোম-যজ্ঞ সমাপন কৰি শিক্ষাৰ্থীসকলৰ লগতে সমগ্ৰ সমাজখনে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত অগ্ৰগতিৰ হকে প্ৰাৰ্থনাৰ আয়োজন কৰিছে। প্ৰয়োজনীয় উপাচাৰ তথা নৈবেদ্যৰ সমাপন হ’বলগীয়া এই হোম-যজ্ঞত অঞ্চলমূহৰ স্থানীয় শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলো আহি অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। অৱশ্যে পূৰ্বৰ তুলনাত এইবেলি জাকজমকতাৰ পৰিৱৰ্তে বিভিন্ন শিক্ষানুষ্ঠানত আধ্যাত্মিকতাৰ পৰিৱেশৰ মাজেৰে সৰস্বতী পূজাৰ আয়োজন কৰিছে।

# ৰাঘৱ মৰাণ মহাবিদ্যালয়ত কেন্দ্ৰীয় বাজেট ২০২২-২৩ সম্পৰ্কত আলোচনাচক্ৰ সম্পন্ন



**ডুমডুমা, ৩ ফেব্ৰুৱাৰী ঃ** ডুমডুমাস্থিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত কেন্দ্ৰীয় বাজেট ২০২২ সন্দৰ্ভত কালি এক আলোচনাচক্ৰ সম্পন্ন হয়। ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিত শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত অধ্যক্ষই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বাজেটৰ সবিশেষ কোৱাৰ লগতে সহকাৰী অধ্যাপক বিমান দত্তই বাজেটখন সুচাৰু ৰূপে ৰূপায়িত হ’লে কৃষি বিভাগত এক উল্লেখনীয় অগ্ৰগতি হ’ব বুলি উল্লেখ কৰে। সহকাৰী অধ্যাপক চিমিস্মিতা বৰাই বাজেটত উল্লেখিত শৈক্ষিক দিশসমূহ উনুকিয়াই দি অনলাইন শিক্ষা আৰু প্ৰশিক্ষণৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আহবঢ়ায়। সহকাৰী অধ্যাপক আক্তাৰ হুছেইনে বাজেটত উল্লেখিত আন্তঃগাথনিৰ উন্নয়ন, প্ৰগতি আৰু সমকল্যাণৰ যোগেদি বহনক্ষম উন্নয়ন সম্ভৱ বুলি মন্তব্য কৰে।

ক’ভিড-১৯ টিকাকৰণৰ দ্বাৰা আমাৰ যুৱ প্ৰজন্মক সুৰক্ষিত কৰক



শ্ৰী কেশৱ মহন্ত
মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসম চৰকাৰ

১৫-১৮ বছৰ বয়সৰ যিসকল কিশোৰ-কিশোৰী, যিসকলে ৩ জানুৱাৰী, ২০২২ তাৰিখৰ পৰা তেওঁলোকৰ ক’ভিড ভেকছিনৰ প্ৰথম পালি গ্ৰহণ কৰিছিল আৰু ইতিমধ্যে প্ৰথম পালি গ্ৰহণৰ ২৮ দিন অতিক্ৰম কৰিছে, তেওঁলোকৰ ক’ভিড ভেকছিনৰ দ্বিতীয় পালি গ্ৰহণ কৰাৰ সময় হৈছে।



প্ৰথম পালি ভেকছিন গ্ৰহণ কৰা শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে দ্বিতীয় পালি ভেকছিন গ্ৰহণ কৰিব পাৰিব। অন্যান্যসকলে চৰকাৰী ক’ভিড টিকাকৰণ কেন্দ্ৰৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মনত ৰাখিব, টিকাকৰণে সুৰক্ষা নিশ্চিত কৰে।
সেয়েহে, আহক পলম নকৰি ক’ভিড ভেকছিনৰ দ্বিতীয় পালি গ্ৰহণ কৰো।

জনসংযোগ/ডিএফ/২৫৯৮/২১

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত ভাৰত

## ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট

**এন্টিগা, ৩ ফেব্ৰুৱাৰী ঃ** পূৰ্বৰ চেম্পিয়ন ভাৰতে চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা ছেমিফাইনেলত মুখামুখি হয় পূৰ্বৰ দুই চেম্পিয়ন ভাৰত আৰু অষ্ট্ৰেলিয়া। হাইভ'ল্টেজ মেচখনত ভাৰতে ৯৬ ৰাণত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। উল্লেখ্য যে উভয় দলে অপৰাজেয় হৈ প্ৰৱেশ কৰিছিল ছেমিফাইনেলত। যোৱানিশাৰ মেচত টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেটত ২৯০ ৰাণ কৰে। ভাৰতৰ হৈ অধিনায়ক য়াছ ধুলে ১১০ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে ছাইক ৰছিদে কৰে ৯৪ ৰাণ। উভয়ৰে মাজত শতকীয় যুটি হয়। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ৪১.৫ অভাৰত ১৯৪ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকী অ'ষ্টবলে তিনিটা আৰু ৰবী কুমাৰ তথা নিশান্ত সিন্ধুই দুটাকৈ উইকেট পায়। মেচৰ শ্ৰেষ্ঠ হয় ১১০ ৰাণৰ শতকীয় ইনিংছ খেলা ভাৰতৰ অধিনায়ক য়াছ ধুল। উল্লেখ্য যে ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ভাৰতে খেলিছিল বাংলাদেশৰ বিৰুদ্ধে। একপক্ষীয় মেচখনত ভাৰতে পাঁচ উইকেটত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে প্ৰতিযোগিতাৰ গ্ৰুপৰ মেচত ক্ৰমাগত তৃতীয় বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলে। দলে গ্ৰুপ মেচত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকা, উগাণ্ডা আৰু আয়াৰলেণ্ডক। অহা পাঁচ ফেব্ৰুৱাৰীত হ'বলগা ফাইনেলত ভাৰত মুখামুখি হ'ব ইংলণ্ডৰ। উল্লেখ্য যে চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত ইংলণ্ডে সহজে পৰাস্ত কৰে আফগানিস্তানক। ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলে পূৰ্বে চাৰিবাৰ বিশ্বকাপৰ চেম্পিয়ন ট্ৰফী লাভ কৰিবলৈ সক্ষম হৈছে।





## আমাৰ লক্ষ্য চেম্পিয়ন ট্ৰফীৰে স্বদেশত পদাপণ কৰা ঃ ধুল



**এন্টিগা, ৩ ফেব্ৰুৱাৰী ঃ** 'দলীয় প্ৰদৰ্শনৰ ফলতে আমি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছো। এতিয়া আমাৰ লক্ষ্য চেম্পিয়ন ট্ৰফী লাভ কৰা। আমি অধিক দৃঢ় আৰু আত্মবিশ্বাসী ফাইনেল মেচৰ বাবে। অষ্ট্ৰেলিয়াক পৰাস্ত কৰাটোৱে দলক অতিৰিক্ত মানসিক শক্তি দিব ইংলণ্ডৰ বিৰুদ্ধে ফাইনেল খেল চাপৰ মাজত।' এই মন্তব্য ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলৰ অধিনায়ক য়াছ ধুলৰ। উল্লেখ্য যে ভাৰতে চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলৰ হাইভ'ল্টেজ মেচখনত ভাৰতে ৯৬ ৰাণত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেটত ২৯০ ৰাণ কৰে। ভাৰতৰ হৈ অধিনায়ক য়াছ ধুলে ১১০ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে ছাইক ৰছিদে কৰে ৯৪ ৰাণ। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ৪১.৫ অভাৰত ১৯৪ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। মেচৰ শ্ৰেষ্ঠ হয় ১১০ ৰাণৰ শতকীয় ইনিংছ খেলা ভাৰতৰ অধিনায়ক য়াছ ধুল। এতিয়া অধিনায়কৰ লক্ষ্য চেম্পিয়ন ট্ৰফী হাতত লোৱা। অহা পাঁচ ফেব্ৰুৱাৰীত হ'বলগা ফাইনেলত ভাৰত মুখামুখি হ'ব ইংলণ্ডৰ। উল্লেখ্য যে চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ ৰূপত প্ৰথমবাৰৰ বাবে শক্তিশালী প্ৰতিদ্বন্দ্বী পাইছিল ভাৰতীয় দলে। সেয়ে আত্মবিশ্বাসী হোৱাৰ পাছতো চাপৰ সন্মুখীন হৈছে ভাৰতৰ যুৱ দল। কিন্তু অধিনায়ক ধুলে শতক অৰ্জন কৰি ভাৰতীয় দলক মেচৰ আৰম্ভণিৰ পৰাই সাহস দিয়ে। উল্লেখ্য যে গ্ৰুপৰ অন্তিম দুখন মেচত ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলসহ পাঁচগৰাকী ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাত খেলিব পৰা নাছিল। কিন্তু নকআউট কোৱাৰ্টাৰ ফাইনেলৰ পূৰ্বে ভাৰতীয় দলত যোগ দিয়ে কৰ'না মুক্ত হৈ দলৰ বাহিৰত থকা আটাইকেইগৰাকী ক্ৰিকেটাৰে। কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় দলক পুনৰ নেতৃত্ব দিছিল য়াছ ধুলে। উল্লেখ্য যে কৰ'নাৰ বাবে গ্ৰুপৰ অন্তিম দুখন মেচত তেওঁ দলৰ পৰা আঁতৰি আছিল।

### ৰেষ্টইণ্ডিজৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত অন্তৰ্ভুক্ত হ'ল মায়ংক

## শৃংখলা আৰম্ভ হোৱাৰ পূৰ্বে কৰ'নাত আক্ৰান্ত ভাৰতীয় ক্ৰিকেটাৰ ধৱন, ৰিতুৰাজ, শ্ৰেয়াছ

**আহমেদাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** ৰেষ্টইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া এদিনীয়া শৃংখলাৰ পূৰ্বে ভাৰতীয় শিবিৰত কৰ'নাৰ ত্ৰাস আৰম্ভ হৈছে। উল্লেখ্য যে দলৰ তিনিজন সদস্য ক্ৰমে শিখৰ ধৱন, শ্ৰেয়াছ আয়াৰ আৰু ৰিতুৰাজ গাইকোৱাডৰ শৰীৰত ধৰা পৰিছে কৰ'না ভাইৰাজ। ইফালে, অক্ষৰ পেটেল আৰু নৱদ্বীপ ছাইনীৰ শৰীৰতো ধৰা পৰিছে কৰ'না। কিন্তু অক্ষৰ পেটেল এদিনীয়া দলত নাই। আনহাতে, ছাইনী দলৰ অতিৰিক্ত খেলুৱৈ। ক্ৰিকেটাৰৰ লগতে টীম ইণ্ডিয়াৰ ছাপ'ৰ্ট ষ্টাফৰো কৰ'না ধৰা পৰিছে। ইফালে, বি চি চি আইৰ নিৰ্বাচকে ভাৰতৰ এদিনীয়া দলৰ তিনিজন সদস্য কৰ'নাত আক্ৰান্ত হোৱাত নতুনকৈ দলত অন্তৰ্ভুক্ত কৰিছে মায়ংক আগৰৱালক। উল্লেখ্য যে ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া শৃংখলা খেলাৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে উপস্থিত হৈছে আহমেদাবাদত। কিন্তু কৰ'না নিয়ম পালন কৰি সম্প্ৰতি হোটেলত বন্দি হৈ আছে টীম ইণ্ডিয়াৰ সকলো সদস্য। উল্লেখ্য যে ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-২০ মেচৰ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিব ৰোহিত শৰ্মাই। বি চি চি আয়ে ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-২০ মেচৰ শৃংখলাৰ বাবে ভাৰতীয় দল দুটাও ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত দলৰ অন্য সদস্যসকল হ'ল ঃ লোকেছ ৰাহুল, ৰিতুৰাজ গাইকোৱাড, শিখৰ ধৱন, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদব, শ্ৰেয়াছ আয়াৰ, দীপক হুদা, ঋষভ পণ্ট, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, ৱাশ্বিংটন সুন্দৰ, ৰবী বিষ্ণয়, মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণা আৰু আভেশ খান।

### উভয় দলে অপৰাজেয় হৈ প্ৰৱেশ কৰিছে খিতাপৰ যুঁজত

## ফাইনেলত ভাৰতৰ প্ৰতিদ্বন্দ্বী ইংলণ্ড



**এন্টিগা, ৩ ফেব্ৰুৱাৰী ঃ** চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ভাৰত আৰু ইংলণ্ডৰ মাজত। উল্লেখ্য যে ভাৰতে ছেমিফাইনেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰাৰ বিপৰীতে আনখন ছেমিফাইনেলত ইংলণ্ডে সহজে পৰাস্ত কৰে আফগানিস্তানক। উল্লেখ্য যে ভাৰতে প্ৰতিযোগিতাত জয়ৰে অভিযান আৰম্ভ কৰিছিল আৰু এতিয়াও দল অপৰাজেয়। গ্ৰুপ 'বি'ৰ নিজৰ প্ৰথম মেচত ভাৰতে ৪৫ ৰাণত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাক। পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰৰ পূৰ্বেই ৪৬.৫ অভাৰত ২৩২ ৰাণত ইনিংছ সামৰে। ভাৰতৰ অধিনায়ক য়াছ ধুলে ৮২ ৰাণৰ অনবদ্য ইনিংছ খেলে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই ৪৫.৪ অভাৰত ১৮৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকি অষ্টাবলে পাঁচটা উইকেট দখল কৰে আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, চাৰিটা উইকেট পায় ৰাজ বাৱাই। কিন্তু পৰবৰ্তী দুখন মেচত অধিনায়ক ধুল অবিহনে খেলে ভাৰতে। দ্বিতীয় মেচত ভাৰতে ১৭৪ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে আয়াৰলেণ্ডক। পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেটত সংগ্ৰহ কৰে ৩০৭ ৰাণ। দলৰ হৈ দুই অপেনাৰ হৰমন সিঙে ৮৮ ৰাণ আৰু ৰঘুবংশীয়ে ৭৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, আয়াৰলেণ্ডে ৩৯ অভাৰতে ১৩৩ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতে গ্ৰুপৰ তৃতীয় মেচত ৩২৬ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছিল উগাণ্ডাক। এয়া ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপত ভাৰতৰ এক নতুন অভিলেখ। পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰত পাঁচ উইকেট হেৰুৱাই ৪০৫ ৰাণ কৰে। দলৰ হৈ দুগৰাকী বেটছমেনে শতক অৰ্জন কৰে। অপেনাৰ ৰঘুবংশীয়ে ১৪৪ ৰাণ কৰাৰ বিপৰীতে ৰাজ বাৱাই অপৰাজিত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত, উগাণ্ডাই ১৯.৪ অভাৰত ৭৯ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ নিশান্ত সিন্ধুই চাৰিটা উইকেট পায়। ইফালে, প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে বাংলাদেশে পোনতে বেটিং কৰে যদিও মাত্ৰ ১১১ ৰাণতে ইনিংছ সামৰে। ভাৰতৰ ৰবী কুমাৰে তিনিটা আৰু বিকী অ'ষ্টৱলে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ভাৰতে পাঁচ উইকেট হেৰুৱাই ১১৭ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ভাৰতৰ আৰম্ভণি সুখৰ নাছিল যদিও অপেনাৰ ৰঘুবংশীয়ে ৪৪ ৰাণ কৰি বাংলদেশক পাঁচ উইকেটত পৰাস্ত কৰাত অন্যতম ভূমিকা লয়। উল্লেখ্য যে ভাৰতৰ লগতে ইংলণ্ডো অপৰাজেয় হৈ ফাইনেলত প্ৰৱেশ কৰিছে।

## নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুশীলন আৰম্ভ কৰিলে ভাৰতীয় ক্ৰিকেট দলে



**আহমেদাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** ৰেষ্টইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া এদিনীয়া শৃংখলাৰ বাবে আজিৰে পৰা ভাৰতীয় দলে অনুশীলন আৰম্ভ হৈছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামৰ অনুশীলনত কিন্তু নাই দলৰ তিনিজন সদস্য ক্ৰমে শিখৰ ধৱন, শ্ৰেয়াছ আয়াৰ আৰু ৰিতুৰাজ গাইকোৱাড। উল্লেখ্য যে তিনিওৰে শৰীৰত ধৰা পৰিছে কৰ'না ভাইৰাজ। নতুনকৈ দলত অন্তৰ্ভুক্ত হোৱা মায়ংক আগৰৱালাও অনুশীলনত নাই। তিনিদিন হোটেলত বন্দি থাকিব মায়ংক। ভাৰত আৰু ৰেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ টীম ইণ্ডিয়াৰ বাবে ঐতিহাসিক হ'ব। উল্লেখ্য যে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয় ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ভাৰত আৰু ৰেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ। এয়া হ'ব ভাৰতীয় ক্ৰিকেট দলৰ এহেজাৰ সংখ্যক এদিনীয়া আন্তৰ্জাতিক মেচ। স্বাভাৱিকতে ভাৰতীয় দলৰ বাবে এয়া হ'ব গৌৰৱ আৰু সন্মানৰ মেচ। স্মৰণীয় এই মেচত ভাৰতীয় দলৰ লক্ষ্য হ'ব জয় অৰ্জন কৰা। উল্লেখ্য যে কৰ'নাৰ বাবে চৰকাৰী নিয়ম পালন কৰি আহমেদাবাদত হ'ব লগা ভাৰত আৰু ৰেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ মেচ দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব নোৱাৰিব বুলি অবগত কৰে গুজৰাট ক্ৰিকেট সন্থাই। ভাৰতীয় ক্ৰিকেট দল আৰু ৰেষ্ট ইণ্ডিজৰ মাজৰ এদিনীয়া মেচ তিনিখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয়, ন আৰু ১১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

### নখন চহৰত হ'ব ৰঞ্জী ট্ৰফীৰ মেচ

## ১০ ফেব্ৰুৱাৰীত প্ৰতিটো দল উপস্থিত হ'ব লাগিব নিজৰ খেল হোৱা স্থানত

**মুম্বাই, ৩ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফী অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব। কিন্তু দলসমুহে ১০ ফেব্ৰুৱাৰীৰ দিনাই নিজৰ খেলৰ স্থানত উপস্থিত হ'ব লাগিব। তিনিদিন হোটেলত বন্দি থকাৰ পাছত দুদিন অনুশীলন কৰাৰ সুযোগ লাভ কৰিব। উল্লেখ্য যে বি চি চি আয়ে দুটা ভাগত আয়োজন কৰিব ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফী। লীগ পৰ্যায়ৰ মেচ ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈ ১৫ মাৰ্চত সমাপ্ত হ'ব। যিহেতু মাৰ্চৰ অন্তিম সপ্তাহৰ পৰা মে'ৰ দ্বিতীয় সপ্তাহলৈ ভাৰতত আই পি এল হ'ব সেয়ে মাজতে বন্ধ থাকিব ৰঞ্জী ট্ৰফীৰ মেচ। পুনৰ ৩০ মে'ৰ পৰা ২৬ জুনলৈ হ'ব ৰঞ্জী ট্ৰফীৰ সাতখন নকআউট মেচ। ইফালে, ১৬ ফেব্ৰুৱাৰীৰ পৰা ১৫ মাৰ্চলৈ হ'ব ৫৭ খন লীগ মেচ। ইতিমধ্যে বি চি চি আইৰ ফালৰ পৰা এই কথা প্ৰকাশ কৰা হৈছে। এইবাৰ আহমেদাবাদ, কলকাতা, তিৰুৱন্তপুৰম, কটক, চেন্নাই, গুৱাহাটী, হাৰিয়ানা, হায়দৰাবাদ আৰু ৰাজকোটত হ'ব লীগৰ মেচসমুহ। মুঠ ৩৮ টা দলে খেলিব ৰঞ্জী ট্ৰফীৰ লীগ মেচ। ইয়াৰে ৩২ টা দলে খেলিব এলিট গ্ৰুপত আৰু ছটা দলে খেলিব প্লেট গ্ৰুপত। এলিট গ্ৰুপৰ ৩২ টা দলক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিটো গ্ৰুপত আছে চাৰিটাকৈ দল। আনহাতে, ছটা দলে খেলিব প্লেট গ্ৰুপত।

## মানস প্ৰতিম ক্ৰিকেটত নলবাৰী গৰ্ডন একাডেমীৰ বৃহৎ জয়লাভ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি ৩ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ আজিৰ খেলত নলবাৰী গৰ্ডন ক্ৰিকেট একাডেমীয়ে গুৱাহাটীৰ ইমোৰ্টেলক ১৮৯ ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় গৰ্ডন ক্ৰিকেট একাডেমীয়ে। প্ৰত্যাশিত বেটিং কৰি গৰ্ডন ক্ৰিকেট একাডেমীয়ে নিৰ্ধাৰিত ৩০ অভাৰত নটাকৈ উইকেট হেৰুৱাই বিকাশ সিঙৰ সৰ্বাধিক ৫৬ ৰাণৰ বৰঙণিৰে ২৮৯ ৰাণ সংগ্ৰহ কৰে। ইমোৰ্টেলত ছফিকুল আৰু বনজিৎ অধিকাৰীয়ে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ইমোৰ্টেলে ৩০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১০০ ৰাণহে সংগ্ৰহ কৰে। গৰ্ডনৰ বিকাশ সিং আৰু কৌশিক দাসে দুটাকৈ উইকেট দখল কৰে।

## জজ খেলপথাৰত জনসংযোগ-মিডিয়া-পিটাৰ প্ৰীতি ক্ৰিকেট মেচ






**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** জজ খেলপথাৰত চলি থকা তৃতীয় ৰাইছমোদি নুনিচা সোঁৱৰণি উত্তৰ-পূব মিডিয়া ক্ৰিকেট টুৰ্ণামেন্টৰ এখন প্ৰীতি মেচত আজি মিডিয়া ছুপাৰ কিংছে জনসংযোগৰ বিৰুদ্ধে তিনি উইকেটত জয়লাভ কৰে । আকৰ্ষণীয় মেচখনত জনসংযোগে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত সাত উইকেটৰ বিনিময়ত সংগ্ৰহ কৰে ১৬৫ ৰাণ । দলৰ হৈ অজিত শৰ্মাই সৰ্বাধিক ৬৪ ৰাণত অপৰাজিত হৈ ৰয় । আনহাতে, অধিনায়ক ইফতিকাৰ জামানে ২৭ তথা ওছমান গনি আৰু মজবুল হুছেইন দুয়ো ন ৰাণকৈ সংগ্ৰহ কৰে । প্ৰতিপক্ষৰ হিমাংশু অনুপমে দুটা, বিকি বৰুৱা, দিগন্ত তেৰাং, মনুজ দুৱৰা আৰু অধিনায়ক বিশ্বজিৎ দাসে এটাকৈ উইকেট দখল কৰে । প্ৰত্যুত্তৰত মিডিয়া ছুপাৰ কিংছে ১৯.৩ অভাৰত সাতটা উইকেট হেৰুৱাই ১৬৭ ৰাণ কৰি বিজয়ী হয় । দলৰ জ্যোতিপ্ৰসাদ বুঞাগোহাঁইয়ে ৪৬ আৰু কমলেশ বৰ্মনে ২৮ ৰাণৰ বৰঙণি যোগায় । বলিঙত জনসংযোগ দলৰ মজবুল হুছেইনে তিনিটা, ইফতিকাৰ জামান আৰু প্ৰিয়ম ভূঞাই দুটাকৈ উইকেট দখল কৰে । বেটে-বলে উজ্জীৱিত প্ৰদৰ্শন দাঙি ধৰা ইফতিকাৰ জামানক মেন অৱ দ্য মেচ ট্ৰফী প্ৰদান কৰে জনসংযোগ বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰদীপ বন্দ্ধ, যুটীয়া সঞ্চালক দীপক বসুমতাৰী, জ্যেষ্ঠ তথ্য বিষয়া শিখা শইকীয়াই । আয়োজক কমিটিৰ সভাপতি উদয় বৰগোঁহাইয়ে আঁত ধৰা বটা বিতৰণি অনুষ্ঠানত জনসংযোগ দলক এপ্ৰিছিয়েচন ট্ৰফী প্ৰদান কৰে আয়োজক কমিটিৰ উপদেষ্টা বিষ্ণুৰাম নুনিচাই । ইফালে বিয়লি দ্বিতীয়খন প্ৰীতি মেচত প্ৰাইভেট আই টি অৰ্থাৎ পিটা দলে মিডিয়া ছুপাৰ কিংছৰ বিৰুদ্ধে ৯৮ ৰাণত জয়লাভ কৰে । পিটা দলে ১৮ অভাৰত ছয় উইকেটত কৰে ১৮৬ ৰাণ । প্ৰত্যুত্তৰত মিডিয়া ছুপাৰ কিংছে ১৫.২ অভাৰত ৮৮ ৰাণতে ইনিংছ সামৰে । মেন অৱ দ্য মেচ হয় গৌতম শইকীয়া।

## সদৌ অসম প্ৰাইজমানি ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৩ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ অহা ছয় ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলখনত মৰিগাঁৱৰ মিলনপুৰৰ হিলফুল ক্লাবে জাগীৰোডৰ দিলচান ইলেভেনৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত প্ৰতিদন্দিতা কৰিব। ইতিমধ্যে অনুষ্ঠিত ছেমি ফাইনেলত মৰিগাঁৱৰ মিলনপুৰৰ হিলফুল ক্লাব দলটোৱে ভূৰবন্ধাৰ টুটু এন.আৰ.এছ.ক আৰু জাগীৰোডৰ দিলচান ইলেভেনে জাগীৰোডৰে চেনীমাৰী ল'কেল বয়'জক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে, মুঠ ৩২ টা দলৰ যোগদানৰে আয়োজিত এই সীমিত অভাৰৰ প্ৰতিযোগিতাৰ ফাইনেল খেলখন ২০ অভাৰৰ হ'ব বুলি আয়োজক সমিতিৰ সভাপতি হবিবুৰ ৰহমান ছিদ্দিকী আৰু মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।




### গুৱাহাটীত খেলিব তামিলনাডু, দিল্লী,ঝাৰখণ্ড, চত্তিছগড়ে

## অসমে ৰঞ্জী ট্ৰফীৰ মেচ খেলিব হাৰিয়ানাত

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফী অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব। এইবাৰ এলিট গ্ৰুপত খেলিব লগা অসমে গ্ৰুপত প্ৰতিদ্বন্দ্বী হিচাপে পাব চেম্পিয়ন বিদৰ্ভ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰক। অসমসহ এই চাৰিটা দলে লীগ মেচ খেলিব হাৰিয়ানাত। ইফালে, ৰঞ্জী ট্ৰফীৰ মেচ অনুষ্ঠিত হ'ব গুৱাহাটীতো। অসম ক্ৰিকেট সন্থাই বৰ্ষাপাৰা ষ্টেডিয়াম আৰু নেহৰু ষ্টেডিয়ামত ৰঞ্জী ট্ৰফীৰ মেচ অনুষ্ঠিত কৰিব। গুৱাহাটীত খেলিব লগা দল চাৰিটা হ'ল তামিলনাডু, দিল্লী,ঝাৰখণ্ড আৰু চত্তিছগড়ে। উল্লেখ্য যে পূৰ্বে ৰঞ্জী ট্ৰফী যোৱা ১৩ জানুৱাৰীৰ পৰা আৰম্ভ হোৱাৰ কথা আছিল যদিও দেশত কৰ'নাৰ তৃতীয় ঢৌৰ শংকাত বি চি চি আয়ে বন্ধ ৰাখিছিল। এতিয়া বি চি চি আয়ে দুটা ভাগত আয়োজন কৰিব ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফী। সেই অনুসৰি লীগ মেচ আৰম্ভ হ'ব অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা। লীগ মেচ সমাপ্ত হ'ব ১৫ মাৰ্চত। আনহাতে, লীগৰ সমাপ্তিৰ পাছত জুনত আৰম্ভ হ'ব নকআউট মেচসমুহ। ইতিমধ্যে বি চি চি আইৰ সচিব জয় শ্বাহে এই কথা অবগত কৰিছে। যিহেতু মাৰ্চৰ অন্তিম সপ্তাহৰ পৰা মে'ৰ দ্বিতীয় সপ্তাহলৈ ভাৰতত আই পি এল হ'ব সেয়ে মাজতে বন্ধ থাকিব ৰঞ্জী ট্ৰফীৰ মেচ। পুনৰ ৩০ মে'ৰ পৰা ২৬ জুনলৈ হ'ব ৰঞ্জী ট্ৰফীৰ সাতখন নকআউট মেচ। ইফালে, ১৬ ফেব্ৰুৱাৰীৰ পৰা ১৫ মাৰ্চলৈ হ'ব ৫৭ খন লীগ মেচ।

## বিলাসনন্দন চ'ৰা



# নিউ ইণ্ডিয়া, অ'ল্ড ভাৰত

**ইমানদিনে** কোনোৱে কথাটো মন কৰা নাছিল। বহু ৰজা-মহাৰজা-বাদশ্বাহ আহিল আৰু গ'ল। কিন্তু কাৰোৱে এইটো খেয়ালেই হোৱা নাছিল যে এই কথাটোৰেও ইমান ডাঙৰ মাৰ্কেটিং কৰিব পাৰি। সমগ্ৰ বিশ্বত চাগে এইখনেই একমাত্ৰ দেছ, যাৰ ইংৰাজীত এটা বেলেগ নাম আৰু অন্য ভাষাত এটা বেলেগ নাম। সকলো ভাষাতে এমেৰিকাৰ নাম এমেৰিকাই, ফ্ৰান্সৰ নাম ফ্ৰান্সেই, ৰাছিয়াৰ নাম ৰাছিয়াই, চাইনাৰ নাম চাইনাই, পাকিস্তানৰ নাম পাকিস্তানেই। কিন্তু আমাৰ দেছক ইংৰাজীত বোলা হয় ইণ্ডিয়া আৰু ইণ্ডিয়ান ভাষাত বোলা হয় ভাৰত। তিনি নম্বৰ নাম এটাও আছে, সেয়া হ'ল হিন্দুস্তান। ভোটৰ আগে আগে এই নামটো বৰ বেছিকৈ উচ্চাৰিত হয়, বাকী সময়ত ইণ্ডিয়া আৰু ভাৰতৰে কাম চলি যায়। বৰ্তমান ইণ্ডিয়া আৰু ভাৰত দুখন বেলেগ বেলেগ দেছ। ভাৰতত বিভিন্ন যোজনাৰ কাম চলি আছে। যেনে— স্বচ্ছ ভাৰত, আত্মনিৰ্ভৰশীল ভাৰত, উজালা ভাৰত, গতিশীল ভাৰত, সক্ষম ভাৰত ইত্যাদি! এই কথাটো এতিয়াও স্পষ্ট নহয় যে ভাৰত স্বচ্ছ হ'লে ইণ্ডিয়া স্বচ্ছ হ'ব নে নহয়! ভাৰত যদি আত্মনিৰ্ভৰশীল হয়, ইণ্ডিয়াখন হ'ব নে নহয়? মেক ইন ইণ্ডিয়া যদি হয়, মেক ইন ভাৰত হ'ব নে নহয়? ডিজিটেল ইণ্ডিয়া যদি হয়, ভাৰত ডিজিটেল হ'ব নে নহয়? আচলতে বিশ্বগুৰু হোৱাৰ আগে আগে বিশ্ববাসীক বুজাই দিয়া হৈছে যে তেওঁলোকে যিহেতু ভাৰতখনক নহয়, ইণ্ডিয়াখনকহে চিনি পায়, গতিকে ইণ্ডিয়াখনত কোনো সমস্যা নাই। ইণ্ডিয়াত সব প্ৰডাক্টৰে মেকিং হ'ব ধৰিছে, ডিজিটেলো হৈছে। সমস্যা আছে ভাৰতত‌হে, যিয়ে এতিয়াও স্বচ্ছ হ'বলৈ শিকা নাই, আত্মনিৰ্ভৰ হ'বলৈ শিকা নাই, উজলিব শিকা নাই। ভাৰতত‌কৈ যে ইণ্ডিয়াখন বহু আগবঢ়া দেছ, সেই ছবিখন বাহিৰৰ দেছবোৰৰ আগত জল জল-পট পটকৈ দাঙি ধৰা হৈছে। বাহিৰৰ দেছবোৰক ২০১৫তে বুজাই দিয়া হৈছিল যে ২০২২ত নিউ ইণ্ডিয়া হ'ব। নিউ ইণ্ডিয়াত কি কি নিউ হ'ব সেয়া জনোৱা হোৱা নাই যদিও এটা আশা বাহিৰৰ মানুহে বুকুত বান্ধি ৰাখিছিল যে ২০২২ত ইণ্ডিয়াখন নিউ হৈ যাব। কিন্তু হঠাতে সিদিনা বাজেটৰ টাইমত বুজাই দিয়া হ'ল যে নিউ ইণ্ডিয়া আৰু ২৫ বছৰ পাছতহে হ'ব। একেকোবে ২৫ বছৰ পিছুৱাই দিয়া হ'ল। হয়তো এইবাবেও পিছুৱাই দিব পাৰে যে বৰ্তমান অমৃত কাল চলি আছে। অমৃত কালত দিল্লীৰ ৰজা-মহাৰজাবোৰে অমৃত মন্থনত ব্যস্ত থাকিব লাগিব কাৰণেই নিউ ইণ্ডিয়াৰ নিৰ্মাণ পিছুৱাই দিয়া গ'ল নেকি? বহুতে এইবুলিও কৈছে যে নিউ ইণ্ডিয়াখন বনাবলৈ আম্বানী-আদানি-টাটা ইত্যাদিক ভাগে ভাগে দায়িত্ব দি কোৱা হৈছে যে নিজৰ যিখিনি ভাল লাগে, নিউ কৰি লোৱা আৰু সেইখিনিৰ মালিক হৈ বহি যোৱা। তাৰমানে এনেকুৱা হ'ব পাৰে যে কাশ্মীৰৰ পৰা দিল্লীলৈ আদানিৰ, গুজৰাটৰ পৰা ইউপি-বিহাৰলৈকে আম্বানীৰ, মুম্বাইৰ পৰা কেৰালা-তামিলনাডুলৈকে টাটাৰ! ঠিক তেনেকৈ গোটেই ইণ্ডিয়াখনকে নিউ কৰি লোৱাৰ দায়িত্ব বিভিন্ন কোম্পানীক দি দিয়া হ'ব, যেনেকৈ এটা সময়ত গোটেই ইণ্ডিয়াখন ইষ্ট ইণ্ডিয়া কোম্পানীৰ আণ্ডাৰত আছিল। কোম্পানীবোৰৰ হাতেদি ইণ্ডিয়াক নিউ কৰি পালন কৰা হ'ব স্বাধীনতাৰ এশ বছৰ। মানে ইণ্ডিয়া এট্ হাণ্ড্ৰেড! নিউ ইণ্ডিয়াখন কোম্পানীবোৰক চলাবলৈ দি ভাৰতখন চলোৱাৰ দায়িত্ব ৰজা-মহাৰজাসকলে নিজৰ হাতৰ মুঠিত ৰাখিব। নিউ ইণ্ডিয়াত গৰিব নাথাকে, কিষাণ নাথাকে, বেকাৰ নাথাকে। কিন্তু ভাৰতততো থাকিব। সেইবোৰ সমাধা কৰিবলৈ ৰজা-মহাৰজাসকলকতো লাগিবই। অৱশ্যে নিউ ইণ্ডিয়াৰ নিচিনাকৈ নিউ ভাৰত কৰাৰ কোনো অভিপ্ৰায় আমাৰ ৰজা-মহাৰজাসকলৰ নাই। নিউ ভাৰত হ'লে তেওঁলোক কেনেকৈ চলিব? গৰিব গৰিবেই হৈ থাকিব লাগিব। গৰিব নিউ হ'ব নোৱাৰে। বেকাৰ বেকাৰেই হৈ থাকিব লাগিব। বেকাৰৰ অ'ল্ড বা নিউ বুলি একো নাই।




নিউ ইণ্ডিয়াত সব নিউ হ'ব। ৰাস্তা-ঘাট, দোকান-পোহাৰ, ঘৰ-বাগান, অফিচ-কাছাৰী সব নিউ হ'ব। কোম্পানীৰ অফিচবোৰ যেনে ৰংচঙীয়া হয়, নিউ ইণ্ডিয়াখনো তেনেকুৱাই হ'ব। ৰাতিও দিনৰ দৰে পোহৰ হৈ থাকিব। কিন্তু এটা কথাতে কেণা লাগিছে। নিউ ইণ্ডিয়াৰ পিয়েমজন কোন হ'ব? পিয়েমজনো নতুনেই হ'ব লাগিব। ভাৰতৰ পিয়েমজন নিউ ইণ্ডিয়াৰ পিয়েম হ'বলৈ আহিলে ভাল নালাগিব নহয়। কথাটো দিল্লীৰ বাদশ্বাহে ভাল পোৱা নাই। ইমান মাথা মাৰি মাৰি, এক খণ্ড এক খণ্ডকৈ বেচি বেচি গোটেই নিউ ইণ্ডিয়াখন তেওঁ বনাই ল'ব আৰু পিয়েম হ'ব আন কোনোবাই। নহ'ব! লগালগ নিউ ইণ্ডিয়াৰ জন্মক্ষণ ২৫ বছৰ পিছুৱাই গ'ল।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



তেজৰ প্ৰয়োজনীয়তা, আকাল আৰু সংকট দূৰ কৰিবলৈ এনে ৰক্তদান শিবিৰ আয়োজিত কৰে চৰকাৰী স্বাস্থ্য বিভাগৰ পৰা আৰম্ভ কৰি বেচৰকাৰী সংস্থা, ক্লাব আদিয়ে। আনকি ব্যক্তিগত উদ্যোগতো এনে শিবিৰৰ আয়োজন কৰা হয়। এনে শিবিৰলৈ সমীপৰ বিভিন্ন স্থানৰ পৰা বহু লোকেই স্বেচ্ছাই ৰক্তদান কৰিবলৈ আহে। অৱশ্যে আমাৰ দেশতে আছে এনে এখন গাঁও, য'ত প্ৰায় সকলো বাসিন্দাই ৰক্তদাতা।

# কৰ্ণাটকত আছে দেশৰ একমাত্ৰ 'ৰক্তদাতা'ৰ গাঁও

## শ শ লোকে অব্যাহত ৰাখিছে ৰক্তদানৰ পৰম্পৰা ঃ সাজু পৰৱৰ্তী প্ৰজন্মও

**নিউজ ব্যুৰ'**
**বাংগালুৰু, ৩ ফেব্ৰুৱাৰী ঃ** জিলাই জিলাই, গাঁৱে-চহৰে প্ৰায়েই ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। তেজৰ প্ৰয়োজনীয়তা, আকাল আৰু সংকট দূৰ কৰিবলৈ এনে ৰক্তদান শিবিৰ আয়োজিত কৰে চৰকাৰী স্বাস্থ্য বিভাগৰ পৰা আৰম্ভ কৰি বেচৰকাৰী সংস্থা, ক্লাব আদিয়ে। আনকি ব্যক্তিগত উদ্যোগতো এনে শিবিৰৰ আয়োজন কৰা হয়। এনে শিবিৰলৈ সমীপৰ বিভিন্ন স্থানৰ পৰা বহু লোকেই স্বেচ্ছাই ৰক্তদান কৰিবলৈ আহে। অৱশ্যে আমাৰ দেশতে আছে এনে এখন গাঁও, য'ত প্ৰায় সকলো বাসিন্দাই ৰক্তদাতা।

গাঁওখনৰ বাসিন্দাসকলৰ বাবে ৰক্তদান এক পৰম্পৰাত পৰিণত হৈছে। গাঁওখনৰ ছশ ৰক্তদাতাই নিয়মিতৰূপে ৰক্তদান কৰি আহিছে। ফলত সেই গাঁওখন সম্প্ৰতি 'ভিলেজ অৱ ব্লাড ড'ন'ৰ্ছ' বা 'ৰক্তদাতাসকলৰ গাঁও'ৰূপেই পৰিচিতি লাভ কৰিছে। গুগলৰ তৰফৰ পৰা গাঁওখনৰ এই নামকৰণ কৰা হৈছে।


গাঁওখনৰ প্ৰকৃত নাম আক্কি আলুৰু। কৰ্ণাটকৰ হাভেৰি জিলাৰ হানাগাল মৌজাৰ অন্তৰ্গত এই গাঁওখনত ছশ ৰক্তদাতা আছে। আক্কি আলুৰু আৰক্ষী থানাৰ এজন কনিষ্টবলে ২০১৫ত প্ৰথম এই উদ্যোগ গ্ৰহণ কৰিছিল। ৰক্তৰ প্ৰয়োজনীয়তা আৰু ৰক্তদান সম্পৰ্কে কনিষ্টবলজনে স্থানীয় লোকক সচেতন কৰি তোলাৰ উদ্যোগ লৈছিল। তাৰ ফলো তেওঁ হাতে হাতে। বাসিন্দাসকল এই ক্ষেত্ৰত ইমানেই উৎসাহী হৈ পৰে যে গাঁওখনত 'স্নেহমিত্ৰ ৰক্তদান বালাগা' নামৰ এটা ৰক্তদাতাৰ দল গঠন হয়। সেই দলৰে সদস্য হৈছে ছশ গাঁওবাসী। এক প্ৰতিবেদন অনুসৰি, ২০১৫ৰ পৰা এই পৰ্যন্ত গাঁওখনৰ বাসিন্দাসকলে ২১ হেজাৰ বাৰ ৰক্তদান কৰিছে। কাৰিবাছাপ্পা গণ্ডি নামৰ 'স্নেহমিত্ৰ ৰক্তদান বালাগা'ৰ এজন সদস্যই কয়, 'আমি নিজকে ৰক্ত সৈনিক বুলি কওঁ। ১৯খন গাঁৱত ৰক্তদান শিবিৰৰ আয়োজন কৰিছো। যেতিয়াই য'ত ৰক্তদানৰ প্ৰয়োজন হয়, আমি তালৈ দৌৰি যাওঁ।'

উল্লেখ্য যে দলটোৰ এখন বাছো আছে, যাৰ নাম 'ৰক্তদান ৰথ'। ৰক্তদান সম্পৰ্কে সচেতনতা, প্ৰচাৰ আৰু য'ত তেজৰ প্ৰয়োজন তালৈ ৰক্ত সৈনিকসকলক লৈ যোৱাৰ কামত এই বাছখন ব্যৱহাৰ কৰে। মন কৰিবলগীয়া যে ৰক্তদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে গাঁওখনৰ শিশুসকলো অৱগত। শিশুসকলক এই বিষয়ে বুজাই এতিয়াৰ পৰাই ৰক্ত সৈনিকৰ পৰৱৰ্তী প্ৰজন্ম সাজু কৰিছে গাঁওবাসীয়ে।

# উত্তৰ গুৱাহাটী শিশুগ্ৰামত পিঞ্জৰাবদ্ধ হ'ল পূৰ্ণবয়স্ক নাহৰফুটুকী

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ গুৱাহাটীত বহুদিনৰ পৰাই সৃষ্টি হৈ অহা আতংকময় পৰিৱেশ আজি কিছু আঁতৰিল যদিও আতংকৰ অৱকাশ থাকিয়ে গ'ল। কিয়নো এটা নাহৰফুটুকী বাঘ আজি পিঞ্জৰাবদ্ধ হ'ল যদিও এতিয়াও গুজৰি গুমৰি আছে আন এটা প্ৰকাণ্ড নাহৰফুটুকীয়ে। যাৰ বাবে স্থানীয় লোকসকল এতিয়াও আতংকিত হৈ আছে।

উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা প্ৰকাণ্ড নাহৰফুটুকী বাঘে অঞ্চলটোত বিচৰণৰ কৰি থকাৰ অভিযোগ উঠিছিল বহুদিনৰ পৰা। শিশুগ্ৰামৰ সমীপৰ জিএনআৰচি আৰু আইআইটি গেটৰ সমীপত বাঘে বহুকেইটা পশুধন খাই সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। নাহৰফুটুকীৰ আতংকৰ মাজতে ইৰা দাস নামৰ এগৰাকী ৫০শোধ্বৰ্ৰ মহিলা নিৰুদ্দেশ হৈ থকালৈ চাই পৰিয়ালৰ লোকে বাঘে টানি নিয়াৰ সন্দেহ কৰিছে। কিছুদিন পূৰ্বে আইআইটি গেটৰ পথত নাহৰফুটুকী আৰু ডাম্পাৰ চালক নিশা মুখামুখি হৈছিল। ডাম্পাৰ চালকে সংগ্ৰহ কৰা বাঘৰ ফটো সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছত সক্ৰিয় হয় চিলা বনাঞ্চলিক কাৰ্যালয়ৰ লোক। তেওঁলোকে হাঁহ টোপ দি শিশুগ্ৰাম চৌহদত এটা পিঞ্জৰা স্থাপন কৰিছিল। এদিন-দুদিনকৈ চাৰি দিনৰ অন্তত আজি পিঞ্জৰাবদ্ধ হ'ল এটা পূৰ্ণবয়স্ক নাহৰফুটুকী। বাঘ পিঞ্জৰাবদ্ধ হোৱাৰ খবৰ পোৱা মাত্ৰকে স্বস্তিৰ নিশ্বাস এৰা শিশুগ্ৰামৰ কণ কণ শিশু, স্থানীয় লোক, সমীপৰে আইআইটিৰ শিক্ষাৰ্থী আদিয়ে বাঘ চাবলৈ আহি উক্ত স্থানত উপস্থিত হয়। ইফালে, একাংশ স্থানীয় লোকে দাবী কৰিছে যে আইআইটি গেটৰ পাহাৰত বহু বাঘৰ উপস্থিতিৰ বিষয়ে তেওঁলোক অৱগত। এজন স্থানীয় লোকৰ ভাষ্য অনুসৰি, বাঘটো পিঞ্জৰাবদ্ধ হোৱাৰ সময়তে তেওঁ চাবলৈ গৈছিল যদিও পিঞ্জৰাৰ বাহিৰত আন এটা প্ৰকাণ্ড বাঘ দেখি প্ৰাণ লৈ পলায়ন কৰে। ৰঙিয়া উত্তৰ কামৰূপ সংমণ্ডল বন বিষয়া ছানী দেউল চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, 'এই অঞ্চলটো নাহৰফুটুকীৰ বিচৰণভূমি। গতিকে নাহৰফুটুকীৰ ওপৰত আমি পৰ্যবেক্ষণত আছো, ইয়াত বহু বাঘ আছে। আমি ইতিমধ্যে অঞ্চলটিৰ ঠায়ে ঠায়ে গণনাৰ বাবে বিভিন্ন স্থানত লগাইছো চিচি কেমেৰা।' ইতিমধ্যে পিঞ্জৰাবদ্ধ নাহৰফুটুকীটো পুনৰ অভয়াৰণ্যত মুকলি কৰাৰ বাবে উদ্যোগ লৈছে বন বিভাগে। আনহাতে, আনটো বাঘ পিঞ্জৰাবদ্ধ কৰাৰ বাবে পুনৰ ফান্দ পাতিব বুলিও বন সংমণ্ডল বিষয়াজনে কয়।








## অদ্ভুত পৰম্পৰাই সমস্যাত পেলাইছে গুজৰাটৰ পাতিদাৰ সম্প্ৰদায়ক

বিবাহৰ বাবে কোনো সম্বন্ধ বিচাৰিলে কি কাম কৰে, দৰমহা কিমান পায় আদি বিষয়বোৰেই সততে পাত্ৰৰ পৰা জানিব বিচৰা হয়। ঘৰুৱাভাৱে বিবাহৰ আয়োজন কৰাৰ ক্ষেত্ৰত সেইবোৰ অতি সাধাৰণ বিষয়। অথচ কেতিয়াবা শুনিছে নে বিয়া কৰাবৰ বাবে পাত্ৰজন প্ৰবাসী ভাৰতীয় (এনআৰআই) হোৱাটো প্ৰয়োজন বুলি?

# পাত্ৰ প্ৰবাসী ভাৰতীয় হ'লেহে বিয়াত ৰাজি

**নিউজ ব্যুৰ'**
**আহমেদাবাদ, ৩ ফেব্ৰুৱাৰী ঃ** বিবাহৰ বাবে কোনো সম্বন্ধ বিচাৰিলে কি কাম কৰে, দৰমহা কিমান পায় আদি বিষয়বোৰেই সততে পাত্ৰৰ পৰা জানিব বিচৰা হয়। ঘৰুৱাভাৱে বিবাহৰ আয়োজন কৰাৰ ক্ষেত্ৰত সেইবোৰ অতি সাধাৰণ বিষয়। অথচ কেতিয়াবা শুনিছে নে বিয়া কৰাবৰ বাবে পাত্ৰজন প্ৰবাসী ভাৰতীয় (এনআৰআই) হোৱাটো প্ৰয়োজন বুলি? পাত্ৰ আমেৰিকা বা কানাডাৰ নিবাসী হ'লে, অথবা পাত্ৰৰ কোনো আত্মীয় প্ৰবাসী ভাৰতীয় হ'লেই বিবাহৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা যায়। অথচ পাত্ৰৰ যদি এনে কোনো বৈশিষ্ট্য নাথাকে, তেন্তে তেওঁৰ বাবে বিবাহৰ পাত্ৰী যোগাৰ কৰাও অত্যন্ত কঠিন কাম। গুজৰাটৰ পাতিদাৰ সম্প্ৰদায়ত এই বিষয়টো প্ৰায় পৰম্পৰাত পৰিণত হৈছে। যাৰ ফলত এতিয়া বিবাহৰ উপযুক্ত পাতিদাৰ যুৱতীয়ে যিদৰে পাত্ৰ বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে, সেইদৰে যুৱকসকলেও পাত্ৰী নাপায় হা-হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে।

গান্ধীনগৰ আৰু মেহছেনা জিলাৰ ৪২খন গাঁৱত পাতিদাৰ সম্প্ৰদায়ৰ বসবাস। এই গাঁওসমূহৰ যুৱতীয়ে প্ৰবাসী ভাৰতীয় অবিহনে বিয়াত বহিব নোখোজে। আনকি পাত্ৰ যদি আমেৰিকা বা কানাডাত থাকে, তেন্তে পাত্ৰীক তালৈ বিয়া কৰাই নিয়াৰ বাবে পাতিদাৰ সমাজক যৌতুকৰ ব্যৱস্থাও আছে। বিপুল পৰিমাণৰ টকা দিবলগীয়া হয় পাত্ৰীৰ পৰিয়ালে। সেই ধনৰ পৰিমাণ ১৫-৩০ লাখ পৰ্যন্ত হয়গৈ। ডিংগুচা গাঁৱৰ পাতিদাৰ সম্প্ৰদায়ৰ ভাবিন পেটেলে এই প্ৰসংগত কয়, 'আমাৰ জাতিত যদি কোনো ল'ৰাই আমেৰিকালৈ যোৱা নাই বা তেওঁৰ কোনো আত্মীয়ই যদি বিদেশত নাথাকে, তেনেহ'লে তেওঁৰ বাবে বিবাহৰ পাত্ৰী বিচাৰি পোৱাই অত্যন্ত কঠিন। সেই কাৰণতে আমাৰ জাতিৰ বহু পুৰুষ অবিবাহিত হৈ আছে। বহুতে আকৌ বিয়া কৰাবলৈকে উদ্বাউল হৈ বেআইনীভাৱে হ'লেও আমেৰিকালৈ গৈছে।'


কেৱল সেয়াই নহয়, '৪২ গ্ৰাম পাতিদাৰ সমাজ'ৰ সদস্যসকলে জনাইছে যে বিদেশত বসবাসকাৰী পাতিদাৰ পাত্ৰৰ অভিভাৱকসকলেও স্বজাতিৰ স'তে বৈবাহিক সম্বন্ধ স্থাপন কৰিব বিচাৰে। গতিকে তেওঁলোকে আমেৰিকা বা কানাডাত থকা পাত্ৰীৰ সন্ধান অব্যাহত ৰাখে। পাত্ৰী যদি প্ৰবাসী ভাৰতীয় হয়, তেনেহ'লে প্ৰবাসী পাত্ৰই তেনে পাত্ৰীক 'যৌতুক' দিহে বিয়া কৰাব পাৰিব।

# ১০ টকাত জীৱনৰ ৰথ চলিছে কাজিৰঙাৰ ৰাজপথত

## 'কাঞ্চনজুৰি' ৰাইন ভিউ পইণ্ট'ত ১০ টকীয়া পৰ্যটন ব্যৱসায় জীৱন যুঁজাৰু সঞ্জুৰ



**জয়ন্ত কুমাৰ শৰ্মা**
**কলিয়াবৰ, ৩ ফেব্ৰুৱাৰী ঃ** ১০ টকাত জীৱনৰ ৰথ চলিছে কাজিৰঙাৰ ৰাজপথত। 'আপুনি যদি ১০ টকাৰ বিনিময়তে এশিঙীয়া গঁড়কে ধৰি বন্যকুল প্ৰত্যক্ষ কৰিব বিচাৰে তেন্তে আহক কলিয়াবৰৰ 'কাঞ্চনজুৰি ৰাইন ভিউ পইণ্ট'লৈ।' এয়া একপ্ৰকাৰ ১০ টকীয়া বিজ্ঞাপন। দুডাল পেঙৰ ওপৰত সমস্ত দেহটোৰ ভৰ দি দি লেকেচিয়াই লেকেচিয়াই এনেদৰেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাঞ্চনজুৰি ৰাইন ভিউ পইণ্টত উজনি-নামনিৰ গাড়ী দেখি দৈনিকে পুৱাৰ পৰাই চিঞৰি উঠে এগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিয়ে। নাম তেওঁৰ সঞ্জু বৰ্মন। পুৱাৰ পৰাই ডিঙিত কেইডালমান দূৰবীণ ওলমাই এনেদৰেই ৰাজপথৰ দাঁতিত পৰ্যটকৰ অপেক্ষাত ৰয় তেওঁ। আৰু ঘৰত সন্ধিয়া ঘৰলৈ ওভতি অহালৈ লক্ষ্য কৰে পত্নী আৰু মাতৃয়ে। দূৰবীণ ভাড়াত দি পোৱা পইচাকেইটাৰেই চলে তেওঁৰ বৃদ্ধ মাতৃ আৰু পত্নীৰ স'তে সৰু পৰিয়ালটো। এইজন বিশেষভাৱে সক্ষম লোকৰ হাতৰ দূৰবীণডাল চকুত লৈয়ে ১০ টকাতে পৰ্যটকৰ চকুৰ সন্মুখত বিচৰণ কৰা দেখা যায় এশিঙীয়া গঁড়, হৰিণ, নলগাহৰি, দেশ-বিদেশৰ নানা প্ৰজাতিৰ চৰাইকে ধৰি বন্যকুল। আৰু এই ১০ টকাৰেই চলাইছে সঞ্জু বৰ্মনৰ জীৱন ৰথ। কলিয়াবৰৰ কাঞ্চনজুৰিৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৰাজপথৰ এক জীয়া ছবি এয়া। উজনিৰ পৰা নামনি অসমৰ মধ্যস্থল কলিয়াবৰৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ কাজিৰঙা 'ভিউ পইণ্ট'টোৰ ছবি এয়া। আজি ৰাজপথৰ দাঁতিত দুহাতত দুডাল পেং লৈ বাইন'কুলাৰেৰে সৌন্দৰ্য দেখুওৱা সঞ্জুৰ জীৱনৰ ৰংবোৰ মৰহি গৈছিল আজিৰ পৰা চাৰি বছৰ পূৰ্বে এক মটৰ দুৰ্ঘটনাত। পেছাত গাড়ীচালকৰূপে কৰ্মৰত সঞ্জু গুৱাহাটীৰ পৰা আহি থকা অৱস্থাতে দুৰ্ঘটনাগ্ৰস্ত হৈ আঘাতপ্ৰাপ্ত হোৱাৰ পাছতে ঘৰতে থাকিবলৈ লয়। ঘৰুৱা কাম কৰি থকাৰ মাজতে পুনৰ তামোল গছৰ পৰা পৰি ভৰি আৰু কঁকালৰ হাঁড় ভাঙি যোৱাত সম্পূৰ্ণৰূপে পংগু হৈ পৰে ৪৬ বছৰীয়া লোকজন। বৰ্তমানে দুডাল পেঙকে সাৰথি কৰি চলাই গৈছে জীৱনৰ ৰথ। দুহাতত দুডাল পেং, ডিঙিত ওলমাই লোৱা দূৰবীণকেইটাই জীৱনৰ সম্বল এইগৰাকী দুৰ্ভগীয়াৰ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটনৰ লগতে ৰাষ্ট্ৰীয় পথেৰে পাৰ হোৱা দেশী-বিদেশী পৰ্যটক আৰু দূৰদূৰণিৰ পথাচাৰীৰ কাঞ্চনজুৰিৰ ৰাইন ভিউ পইণ্টত এয়া এক চিনাকি ছবি। গোটাই লোৱা পইচাৰে প্ৰথমতে এডাল আৰু তাৰ পাছত এডাল এডালকৈ তিনিডাল দূৰবীণ গোটাই এতিয়া পুৱাৰ পৰা সন্ধিয়ালৈ পৰ্যটকৰ অপেক্ষাত ৰয় সঞ্জু। পুৱাই কলিয়াবৰৰ পূৱৰ প্ৰান্তৰ কাৰ্বি পাহাৰৰ দাঁতিৰ কাঞ্চনজুৰি গাঁৱৰ পৰা ওলাই আহি ৰাইন ভিউ পইণ্টত পেঙৰ ওপৰতে থিয় হোৱা সঞ্জুৱে পৰ্যটনৰ বতৰত প্ৰতি শনিবাৰ-দেওবাৰে পৰ্যটকৰ আগমনত পাঁচশৰ পৰা ছশ পৰ্যন্ত টকা পায় যদিও আন আনবাৰত এই পৰিমাণ যথেষ্ট কম হয়। কেতিয়াবা এপইচাৰো মুখ নেদেখাকৈয়ে সন্ধিয়া ঘৰ সোমাইগৈ। সঞ্জুৰ আক্ষেপ, ৰজাঘৰীয়া মৌন ৰাজপথত জীৱনৰ পোহাৰ মেলা এইজন বিশেষভাৱে সক্ষমৰ প্ৰতি। আনকি বিশেষভাৱে সক্ষমতাৰ জলপানি পৰ্যন্ত পোৱা নাই তেওঁ। এতিয়া কলিয়াবৰৰ 'কাঞ্চনজুৰি ৰাইন ভিউ পইণ্ট'ত ১০ টকীয়া পৰ্যটন ব্যৱসায়েৰে জীৱনৰ যুঁজাৰু হোৱা সঞ্জু সকলোৰে বাবে হৈ পৰিছে আদৰ্শ।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com